

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৮৬ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২৬ মে', ২০২২, ১১ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 286 Dainandin Barta ■ Guwahati, Thursday ■ 26 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




ডেৰঘণ্টীয়া বৰষুণত গুৱাহাটী মহানগৰীত জলপ্ৰলয়

## এটি কলি দুটি পাতত আলোকসন্ধান

সংকল্পৰ পৰা সিদ্ধিলৈ আলোকসন্ধানী যাত্ৰাৰে অসমৰ চাহ বাগিচা এলেকাত প্ৰথমবাৰৰ বাবে ৯৬খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভাৰম্ভণি



শোণিতপুৰৰ ৰঙাপৰা সমষ্টিৰ ৬খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভাৰম্ভ ঃ অহা বছৰৰ পৰা বাগিচাৰ এই সকলো বিদ্যালয় উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

### ■ অসমৰ ৮০০খন চাহ বাগিচাত হ'ব জগন্নাথ সেৱা কেন্দ্ৰ ■

চাহ বাগিচা অঞ্চলৰ প্ৰত্যেক সন্তানকে শিক্ষিত কৰি তোলাৰ সংকল্প ঃ ৰঙাপৰাৰ ফুলবাৰী বাগিচাত এখন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰো শুভাৰম্ভ



### এইবাৰৰ গুণোৎসৱ বিদ্যালয়ৰ পাৰদৰ্শিতাৰ বাবে নহয়, লকডাউনৰ সময়ছোৱাত শিক্ষাৰ্থীয়ে কিমান কম পঢ়িলে তাক চাবৰ বাবেহে ঃ ড° হিমন্ত বিশ্ব শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ আৰু ৰঙাপৰা, ২৫ মে' ঃ** অসমৰ চাহ বাগিচা এলেকাত প্ৰথমবাৰৰ বাবে হাইস্কুল নিৰ্মাণেৰে চাহ বাগিচা এলেকাত শিক্ষাৰ সোণালী যুগৰ সূচনা কৰি সংকল্পৰ পৰা সিদ্ধিলৈ এক আলোকসন্ধানী যাত্ৰাৰ শুভাৰম্ভৰে আজিৰ পৰা ৰাজ্যখনৰ চাহ বাগিচা এলেকাত আৰম্ভ হ'ল ৯৬খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। এই বিদ্যালয়সমূহৰ মাজৰে শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধান সভা সমষ্টিৰ ■ ৮ পৃষ্ঠাত

লখিমপুৰত দুই কোটি টকীয়া আদৰ্শ বিদ্যালয় নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

## পকী মজিয়াত ছিঁৰাল ফাট

বিদ্যালয় গৃহৰ ভিতৰত পৰিছে বৰষুণৰ পানী ঃ দুৰ্নীতি ঢাকিবলৈ দিনে-নিশাই মেৰামতিত ব্যস্ত ঠিকাদাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৫ মে' ঃ** ৰাজ্যৰ শিক্ষা বিভাগে মানৱ সম্পদৰ পূৰ্ণ বিকাশ তথা শিক্ষাখণ্ডত আমূল পৰিৱৰ্তন ■ ৮ পৃষ্ঠাত



## গোসাইগাঁৱত চালি নথকা গৃহত ছাত্ৰ-ছাত্ৰীৰ গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৫ মে' ঃ** ৰাজ্যৰ বিদ্যালয়সমূহত গুণোৎসৱ চলি থকাৰ মাজতে চৰকাৰী শিক্ষাখণ্ডৰ কিছু পুতৌজনক দিশো পোহৰলৈ ■ ৮ পৃষ্ঠাত

টংলা জলসিঞ্চন সংমণ্ডলৰ ৪.১৮ কোটি টকীয়া কেলেংকাৰী

## মূল অভিযুক্ত কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাৰ আত্মসমৰ্পণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৫ মে' ঃ** ওদালগুৰি জিলাৰ জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলত সংঘটিত হোৱা ৪.১৮ কোটি টকাৰ বিয়াগোম কেলেংকাৰীৰ মূল অভিযুক্ত বিভাগটোৰ ■ ৮ পৃষ্ঠাত

বাক্সা জিলা সত্ৰ আৰু ন্যায়াধীশৰ আদালতৰ গুৰুত্বপূৰ্ণ ৰায়

## এচিড আক্ৰমণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৫ মে' ঃ** প্ৰায় সাত বছৰ পুৰণি এচিড আক্ৰমণৰ এক গোচৰত অভিযুক্ত ব্যক্তি এজনক আজি বাক্সা জিলা সত্ৰ আৰু ন্যায়াধীশৰ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে জানিব পৰা মতে বিগত ২০১৬ চনত অবিভক্ত বাক্সা তথা বৰ্তমানৰ তামুলপুৰ জিলাৰ তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ খন্দিকৰ গাঁৱৰ ■ ৮ পৃষ্ঠাত

## কাজিৰঙাৰ এনিমেল কৰিড'ৰত গাড়ীৰ খুন্দাত নাহৰফুটুকীৰ মৃত্যু



বন বিভাগৰ গোচৰ ৰুজু মহানগৰীত ম'হৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ২৫ মে' ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এটা অতি গুৰুত্বপূৰ্ণ পাণবাৰী বন্যপ্ৰাণী বুলনি বা এনিমেল কৰিড'ৰত আজি পুৱতি নিশা গাড়ীৰ খুন্দাত এটা মতা নাহৰফুটুকী বাঘৰ মৃত্যু হয়। অতি গুৰুত্বপূৰ্ণ পাণবাৰী এনিমেল কৰিড'ৰৰ ■ ৮ পৃষ্ঠাত

ছিপাঝাৰত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনা

## ট্ৰাকচালকক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৫ মে' ঃ** কালি পুৱা ছিপাঝাৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত মহটিয়াই নি পাঁচগৰাকীকৈ লোকক মৃত্যু ঘটোৱা ঘাতকৰূপী ট্ৰাকচালকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ছিপাঝাৰ আৰক্ষীয়ে বাইহাটা ■ ৮ পৃষ্ঠাত

শিৱসাগৰত গুণোৎসৱত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰ জ্যোতি মহন্ত

## নিজে পঢ়া বিদ্যালয়লৈ গৈ আৱেগবিহ্বল হ'ল ডিজিপি

আলফা (স্বাঃ)ৰ বিৰুদ্ধে কঠোৰ হ'ব অসম আৰক্ষী



**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ মে' ঃ** ৰাজ্যৰ নখন জিলাত অব্যাহত আছে গুণোৎসৱৰ দ্বিতীয় পৰ্যায়। ■ ৮ পৃষ্ঠাত



জাগীৰোডত বুধবাৰে গোপাল কৃষ্ণ টী গাৰ্ডেন মডেল হাইস্কুল মুকলি কৰিছে তথ্য আৰু জনসংযোগ, জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই

## ■ কলং খননৰ পাছতেই খহনীয়াৰ প্ৰকোপত বিদ্যালয় ■

## খহনীয়া ৰোধৰ বাবে জলসম্পদ মন্ত্ৰীলৈ কৰযোৰে প্ৰাৰ্থনা শিক্ষাৰ্থীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৫ মে' ঃ** বোৱঁতী কলঙৰ সপোনে ভাঙিব নেকি এখন বিদ্যালয়ৰ ছাত্ৰীৰ সপোন? এনে এক প্ৰশ্নই মূৰ দাঙি উঠিছে কলিয়াবৰত। কিয়নো মৃত কলং নৈৰ খহনীয়াই বিপদ নমাই ■ ৮ পৃষ্ঠাত



## দ্বিতীয় বৃহৎ চেনি ৰপ্তানিকাৰী দেশত পৰিণত ভাৰত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ মে' ঃ** কৃষি উৎপাদন আৰু কৃষিৰ সৈতে সম্পৰ্ক থকা সামগ্ৰীৰ উৎপাদনত ভাৰত ঢাপে ঢাপে আগুৱাই গৈছে। শেহতীয়াকৈ চেনিৰ উৎপাদনত ভাৰতে ■ ৮ পৃষ্ঠাত

## শিৱ মন্দিৰ আৰু গণেশ মন্দিৰ ধবংস

গুৱাহাটী জিলা বিশ্ব হিন্দু পৰিষদৰ তীব্ৰ গৰিহণা


**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে' ঃ** গুৱাহাটী মহানগৰীৰ লগতে অসমৰ বিভিন্ন স্থানত শেহতীয়াকৈ অচিনাক্ত দুৰ্বৃত্তই মঠ-মন্দিৰসমূহক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। যোৱা নিশা গুৱাহাটী মহানগৰীৰ ভেটাপাৰা অঞ্চলৰ এটা শিৱ মন্দিৰ আৰু গণেশ মন্দিৰত আক্ৰমণ ■ ৮ পৃষ্ঠাত

■ বাক্সাৰ শালবাৰীত এবছু সদস্যৰ কাণ্ড— কম্পিউটাৰ প্ৰশিক্ষকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ

## বড়ো যুৱতীৰে ছেল্‌ফী উঠাক লৈ সংঘটিত নিৰ্মম ঘটনা

লাঠিৰে কোবাই কোবাই পিঠি ফালিলে কম্পিউটাৰ শিক্ষকৰ

অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য ঃ ঘটনাক গৰিহণা বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ ঃ এবছুৰ প্ৰতিক্ৰিয়া— ঘটনাৰ সৈতে জড়িত নহয়



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৫ মে' ঃ** বাক্সা জিলাৰ মহকুমা সদৰ শালবাৰীত এবছু কৰ্মীৰ গুণ্ডাৰাজ । কম্পিউটাৰ শিক্ষকক কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা উঠাই নি গুৰুলা-গুৰুলকৈ প্ৰহাৰ এবছু কৰ্মীৰ। শালবাৰী এবছু কাৰ্যালয়ত সংঘটিত হৈছে এই ঘটনা। এবছু কৰ্মীৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন কম্পিউটাৰ শিক্ষক জ্যোতিষ দাস। এগৰাকী বড়ো যুৱতী (বান্ধৱী)ৰ লগত ফটো উঠাক কেন্দ্ৰ কৰিয়েই সংঘটিত হয় ঘটনাটো। শালবাৰীৰ শান্তি বজাৰৰ কম্পিউটাৰ শিক্ষক জ্যোতিষ দাসে এগৰাকী বড়ো সম্প্ৰদায়ৰ সহকৰ্মীৰ লগতে ■ ৮ পৃষ্ঠাত

মৰিয়নিৰ শিলিখা চাহ বাগিচা

## ৪ কোটি টকাৰ ড্ৰাগ্‌ছ জব্দ

সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৫ মে' ঃ** এক গোপন সূত্ৰৰ পম খেদি কালি নিশা আৰক্ষীৰ এটা দলে মৰিয়নিৰ শিলিখা চাহ বাগিচাৰ পৰা এটা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে সৰবৰাহকাৰীটোৰ পৰা এখন বাহন আৰু বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ জব্দ কৰিবলৈ ■ ৮ পৃষ্ঠাত

শীঘ্ৰে ধ্বংসযজ্ঞত অ'এনজিচি অসম সম্পদ

## গৱেষণা বিভাগ উঠাই নিয়াৰ ষড়যন্ত্ৰ

সৰৱ বিধায়ক অখিল গগৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ মে' ঃ** দেশৰ মহাৰত্ন তৈল-গেছ ঔদ্যোগিক প্ৰতিষ্ঠান 'তেল আৰু প্ৰাকৃতিক গেছ নিগম, ■ ৮ পৃষ্ঠাত

## জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা য়াছিন মালিকক যাৱজ্জীৱন কাৰাদণ্ড



জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা য়াছিন মালিকক যাৱজ্জীৱন কাৰাদণ্ড বিহিলে আদালতে

য়াছিন মালিকৰ শাস্তি ঘোষণাৰ পিছতে মেহবুবা মুফতীৰ প্ৰতিক্ৰিয়া— কেন্দ্ৰৰ আগ্ৰাসী নীতিৰ পৰিণাম ভয়াৱহ হ'ব

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ মে' ঃ** সন্ত্ৰাসবাদীক পুঁজিৰ যোগান ধৰাৰ অভিযোগত অভিযুক্ত য়াছিন মালিকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা 'নিয়া'ই তদন্ত চলাই আছিল। সন্ত্ৰাসবাদীক সহায় কৰাৰ অভিযোগত মালিকক মৃত্যুদণ্ড বিহা হ'ব পাৰে বুলি বহুতে চৰ্চা কৰি থকাৰ সময়তে আদালতে আজি তেওঁক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। আদালতৰ ৰায় দানৰ পূৰ্বে মালিকে কৈছিল যে তেওঁ একো ভিক্ষা বিচৰা নাই, সকলো আদালতৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব। উল্লেখ্য, য়াছিনে পূৰ্বে এইবুলি কৈছিল যে যদি তেওঁ বিগত ২৮ বছৰত কোনো সন্ত্ৰাসবাদী কাৰ্যকলাপ বা হিংসাত জড়িত হৈ থকাৰ কথা ভাৰতীয় চোৰাংচোৱাই প্ৰমাণ কৰিব ■ ৮ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এনআৰএলৰ ২.৫ কোটি টকাৰ বৰঙনি প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে' ঃ** নুমলীগড় ৰিফাইনেৰী লিমিটেডে ৰাজ্যখনক বেয়াকৈ প্ৰভাৱিত কৰা বিধ্বংসী বানপানীৰ ■ ৮ পৃষ্ঠাত

## কংগ্ৰেছ ত্যাগ কৰা কপিল সিবালক কটাক্ষ বিজেপি নেতা জিতেন প্ৰসাদৰ

প্ৰসাদ কেনেকুৱা?



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ মে' ঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কপিল সিবালৰ কংগ্ৰেছ ত্যাগ কৰাৰ খবৰে এতিয়া দেশত বেছ আলোড়নৰ সৃষ্টি কৰিছে। কংগ্ৰেছ ত্যাগ কৰি সিবালে সমাজবাদী পাৰ্টী সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে উত্তৰ প্ৰদেশৰ পৰা ৰাজ্যসভাৰ আসনৰ বাবে মনোনয়ন দাখিল কৰিছে। ইয়াৰ পিছতে সিবালক আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিজেপিয়ে। কংগ্ৰেছ ত্যাগ কৰা সিবালক ■ ৮ পৃষ্ঠাত




### টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুল উদ্বোধন

# চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা ঃ সাংসদ শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৫ মে' ঃ** অসমৰ চাহ বাগিচা সমূহত জ্ঞান অন্বেষণৰ এক নতুন অধ্যায় মুকলি কৰি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিৰ অন্তৰ্গত ৰাজ্যৰ ৯৬ খন চাহ বাগিচা এলেকাত নৱনিৰ্মিত উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেন্দ্ৰীয়ভাৱে শোণিতপুৰৰ পৰা ড হিমন্ত বিশ্ব শৰ্মাই আজি চাৰিদিনীয়া উদ্বোধনী অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰে অন্তৰ্গত দৰং জিলাৰ টাংনী চাহ বাগিচাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰ আজি শুভ উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। তেওঁৰ উপৰিও উদ্বোধনী অনুষ্ঠানত নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, মঙলদৈৰ বিধায়ক বসন্ত কুমাৰ দাস, ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংসদ শইকীয়াই কয় যে অসম চৰকাৰৰ ৯৬ খন চাহ বাগিচা এলেকাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ এই যুগান্তকাৰী পদক্ষেপৰ ফলত চাহ বাগিচা সমূহত শিক্ষাৰ সোণালী যুগৰ সূচনা হ'ল। এই অভিলাষী আঁচনিৰ দ্বাৰা চাহ জনগোষ্ঠীৰ অনগ্ৰসতাৰ পৰিৱেশৰ আমুল পৰিৱৰ্তন ঘটিব বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থা উন্নত কৰিবৰ বাবে বিভিন্ন পদক্ষেপৰ ওপৰত আলোকপাত কৰি সাংসদ গৰাকীয়ে কয় যে নতুন শিক্ষা নীতি ২০২০ ৰ দ্বাৰা শিক্ষা ব্যৱস্থাটো ভাৰতীয়কৰণ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। চৰকাৰী বিদ্যালয়সমূহৰ গুণগত মান উন্নত হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বাঢ়িছে বুলি তেওঁ কয়। সাংসদ শইকীয়াই লগতে টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুলক গুণগত শিক্ষাৰ এক উন্নত প্ৰতিষ্ঠান হিচাপে গঢ় দিবলৈ সকলোকে আহবান জনায়। নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই অনুষ্ঠানত ভাষণ প্ৰদান কৰি কয় যে অসমৰ ১১৯ খন চাহ বাগিচাত হাইস্কুল স্থাপন কৰিবলৈ লোৱাটো মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এক যুগান্তকাৰী পদক্ষেপ আৰু ইয়াৰ ফলত বাগিচাসমূহত শৈক্ষিক উত্তৰণৰ এক নতুন বাতাবৰণৰ সৃষ্টি হ'ব। চাহ জনগোষ্ঠীৰ শিক্ষা, স্বাস্থ্য আদি সকলো ক্ষেত্ৰতে উন্নয়ন সাধন কৰিবলৈ অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ কয়। গুণোৎসৱৰ ফলত চৰকাৰী বিদ্যালয়সমূহত শৈক্ষিক পৰিৱেশ উন্নত হৈছে বুলি কৈ তেওঁ শিক্ষক আৰু অভিভাৱকসকলক চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ সামগ্ৰিক বিকাশৰ দিশটোৰ প্ৰতি চকু দিবলৈ আহবান জনায়। ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে কয় যে বৃহত্তৰ অসমীয়া জাতি গঠনত চাহ জনগোষ্ঠীৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে আৰু অসমৰ কলা, সাহিত্য, সংস্কৃতিৰ উত্তৰণত তেওঁলোকৰ অৱদান অপৰিসীম। তথাপিও স্বাধীনতাৰ বহু বছৰ পিছলৈও তেওঁলোক উপেক্ষিত হৈ থাকে আৰু বৰ্তমানৰ ৰাজ্য চৰকাৰৰ চাহ বাগিচাত হাইস্কুল স্থাপনৰ সুদূৰ প্ৰসাৰী পদক্ষেপৰ ফলত এই জনগোষ্ঠীটোৰ নতুন প্ৰজন্মই জ্ঞানৰ আলোকেৰে উদ্ভাসিত হ'ব বুলি তেওঁ কয়। দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে আৰু শিক্ষাখণ্ডৰ উন্নয়নৰ লগত জড়িত বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।



## লাহৰীঘাটত গুণোৎসৱত শিক্ষকৰ ৰূপত ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ বাহ্যিক মূল্যায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৫ মে' ঃ** সম্প্ৰতি অসমত চৰকাৰী শিক্ষানুষ্ঠান সমূহত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ চলি আছে। সেই মৰ্মে আজি মৰিগাঁও জিলাৰ লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়তো গুণোৎসৱৰ কাৰ্যসূচী চলিছে। গুণোৎসৱৰ লগত সংগতি ৰাখি ৰাতি পুৱা ৯ বজাত ছাত্ৰ ছাত্ৰী সকলৰ প্ৰাতঃসভাত বিদ্যালয়ৰ অধ্যক্ষ আমিনুল হক মল্লিক, পৰিচালনা সমিতিৰ সভাপতি ফাইজুল ইছলামৰ লগতে শিক্ষক গোটৰ উপস্থিতিত গুণোৎসৱৰ শুভাৰম্ভ কৰা হয়। গুণোৎসৱৰ কাৰ্যসূচীবোৰক বাহ্যিক মূল্যায়ন কৰিবলৈ ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম, চৰকাৰী বিষয় ববীয়া ক্ৰমে ধিং মহাবিদ্যালয়ৰ Associat Professor মুছলেহুল ইছলাম, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উপ পৰিদৰ্শক বিচিত্ৰ কুমাৰ নাথ, জলসিঞ্চন বিভাগৰ সহকাৰী অভিযন্তা অলকা ৰাণী ডেকা, Protocol বিষয়া মুনিন্দ্ৰ দাস, লাহৰীঘাট মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পংকজ মেধি, নতুন শিক্ষক গুলজাৰ হুছেইনে উপস্থিত থাকি শৈক্ষিক মানদণ্ড, বিদ্যালয়ৰ পৰিবেশ, মধ্যাহ্ন ভোজন, অ - বিদ্যায়তনিক বিভিন্ন দিশ আৰু বিদ্যালয়ৰ তথ্য পাতি সংৰক্ষণ আদি বিষয় বোৰত বাহ্যিক মূল্যায়ন কৰে। বাহ্যিক মূল্যায়ন কৰিবলৈ অহা চৰকাৰী বিষয় ববীয়া সকলক এখনকৈ ফুলাম গামোচা আৰু জাপিৰে আদৰণি জনায় বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা। উল্লেখ্য যে বিদ্যালয়ৰ মাতৃ গোট, অভিভাৱক গোট আৰু প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ কাৰ্যবাহী কমিটিৰ বিষয় ববীয়া সকলো উপস্থিত আছিল। ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামেও শ্ৰেণীকোঠা, মধ্যাহ্ন ভোজন, বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ আদি দিশত বাহ্যিক মূল্যায়ন কৰাৰ লগতে শিক্ষক ৰূপতো পৰিলক্ষিত হয়।

## বিশ্বনাথৰ দিলীচাং গাঁৱৰ ২ বছৰীয়া শিশুৰ চিকিৎসাৰ বাবে অৰ্থসাহায্য বিচাৰি পৰিয়ালৰ কাতৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৫ মে' ঃ** বিশ্বনাথৰ ১নং দিলীচাং এটি দুৰ্ভগীয়া পৰিয়াল। হাজিৰা মজুৰি কৰি কোনোমতে চলি আছে পৰিয়ালটোৱে। একমাত্ৰ মুল উপাৰ্জনকাৰী মুকুল শইকীয়া। ঘৰে ঘৰে হাজিৰা কৰি পৰিয়ালটোক কোনোমতে চলাই আছে। অভাৱৰ মাজত চলা পৰিয়ালটোৱে দুসাজৰ বাবেই চিন্তা কৰিব লগা অৱস্থা। ইফালে একে সময়তে পৰিয়ালটোৰ মাজলৈ আহিছে অমানিশাৰ আন্ধাৰ। এই এন্ধাৰে যেন বাৰুকৈয়ে জোকাৰী গৈছে পৰিয়ালটিক। হয় একমাত্ৰ পুত্ৰ সন্তান হিৰণ্য শইকীয়া। বয়স মাথো ৩বছৰ ৪ মাহ। আজি চাৰিমাহ ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ আছে। চিকিৎসাৰ অভাৱত শিশুটোৰ অৱস্থা দিনক দিনে অৱনতিৰ দিশে। ৰাইজৰ সহযোগত কোনোমতে বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত চিকিৎসা কৰাই যদিও চিকিৎসালয়খনত পৰ্যাপ্ত সুবিধা নথকাত অৱশেষত তেজপুৰ মেডিকেল কলেজত শিশুটিক চিকিৎসাৰ বাবে ভৰ্তি কৰাই। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিয়ে চিকিৎসকে। ৰোগ এতিয়াও চিনাক্তকৰণ হোৱা নাই। আৰ্থিক অনাটনত শিশুটিক উন্নত চিকিৎসা কৰাব পৰা নাই পৰিয়ালটোৱে। দিন ৰাতি ক্ৰন্দনত অৱস্থাত থকা শিশুটোৱে সুস্থ হোৱাৰ বাবে পিতৃ মাতৃৰ মুখলৈ চাই যেন আকুল আহ্বান জনাইছে। হে প্ৰভু শিশুটো সুস্থ হোৱাৰ বাবে আৰ্শীবাদ দিয়া। দুৰ্ভগীয়া পৰিয়ালবৰ্গয়ো শিশুটিৰ চিকিৎসাৰ বাবে ৰাইজৰ মুখলৈ চাই সহায় বিচাৰি প্ৰাৰ্থনা জনাইছে। শিশুটিৰ মাতৃ ৰীণা শইকীয়াই বিলাপ কৰি ৰাইজৰ লগতে মুখ্যমন্ত্ৰী স্বাস্থ্যমন্ত্ৰীৰ ওচৰতো চিকিৎসাৰ সহায় সুবিধা কৰি দিবৰ বাবে কাতৰ অনুৰোধ জনাই। সেয়েহে কোনো কোনো সদাশয় ব্যক্তি দল বা সংগঠন অনুষ্ঠান প্ৰতিষ্ঠানে সাহায্য দিব বিচাৰিলে MRS.RINA SAIKIA, A/C NO-7036010013651, Assam Gramin Vikash Bank, IFSC CODE-PUNBORRBAGB, VillÊ.2 NO DILICHANG, P/O:. BALICHANG, DISTÊ.BISWANATH [ASSAM] এই বেঙ্ক একাউণ্টৰ জৰিয়তে দিব বুলি আশা ৰাখি পৰিয়ালটিয়ে ৯৩৯৪৬৩৪১২৯ মোবাইল নম্বৰত যোগাযোগৰ বাবে আগ্ৰহেৰে বাট চাই ৰয়।



## অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ইনামুল হকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ মে' ঃ** নাজিৰা নগৰৰ ৬নং ৱাৰ্ডৰ বাসিন্দা অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ইনামুল হক(ইনাম৭৬)ৰ আজি বিয়লি ৪ বজাত নিজ বাসভৱনত মৃত্যু হয়।সৰ্ববৰহী ব্যক্তিজনৰ মৃত্যু ৰ খবৰ বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ ই তেখেতৰ বাসভৱনত উপস্থিত হয়।দীৰ্ঘদীন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ থকা হক আজি গুৰুতৰভাৱে অসুস্থ হৈ পৰাৰ পাছত চিকিৎসালয়লৈ নিয়াৰ পূৰ্বে মৃত্যু হয়।তেখেতৰ জানাজা নামাজ কাইলৈ পুৱা ১-৩০বজাত নাজিৰা ঈদগাহ-জানাজা গৃহত সম্পন্ন কৰা হব।অমায়িক আৰু সৰ্ববৰহী ব্যক্তিজনৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত এজন পুত্ৰ আৰু এগৰাকী কন্যা ,নাতি-নাতিনীসহ বহু আত্মীয় - স্বজনক এৰি থৈ গৈছে।

## ডিজিটেল ইণ্ডিয়া গঢ়াৰ সপোন ফ্লপ শ্ব'ত পৰিণত টীয়কত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৫ মে' ঃ** চৰকাৰে সকলো ক্ষেত্ৰতে ক্ৰমান্বয়ে ডিজিটেলাইজ কৰি আহিছে যদিও বিশেষকৈ ধন লেন দেনৰ ক্ষেত্ৰত ডেজিটেলাইজেচন কৰিবলৈ বিশেষ তৎপৰ হোৱা পৰিলক্ষিত হোৱা নাই।কিন্তু কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে ডিজিটেল ইণ্ডিয়াৰ গঢ়ি তুলিবলৈ যিমানেই ঢাক ঢোল নবযাওক কিয় কিন্তু প্ৰকৃততে কিদৰে এই ডিজিটেল সেৱাই সাধাৰণ ৰাইজ উপকৃত কৰিছে সেয়া বুজিলে সহজে অনুমেয় কৰিব পাৰিব। টীয়ক আৰু মৰিয়নি সমষ্টিৰ সীমামুৰীয়া বুধবৰীয়া তিনিআলিস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ এটা গ্ৰাহক সেৱা কেন্দ্ৰত বিগত কেইবা দিন ধৰি ডিজিটেল ইণ্ডিয়াৰ প্ৰকৃত স্বৰূপ বুজি পাইছে স্থানীয় ৰাইজে। উল্লেখ যে শ শ পুৰুষ মহিলাই এই কেন্দ্ৰটোত পুৱাৰে পৰা বাহিৰত শাৰী পাতি আছে বিগত বহু দিন ধৰি, কোনোবাই বৃদ্ধপেঞ্চন,কোনোবাই অৰুণোদয় আঁচনিৰ ধন,কোনোবাই জব কাৰ্ডৰ ধনকে ধৰি চৰকাৰে সাধাৰণ ৰাইজৰ বাবে মুকলি কৰা বিভিন্ন আঁচনিৰ ধন উলিয়াবলৈ এইদৰে কুচত কেঁচুৰা লৈ ৰ'দে বতাহে থিয় হৈ আছে।কাৰণ বেংকত লিংক নাই।উল্লেখযোগ্য যে এয়া আজিৰ সমস্যা নহয়,বিগত বহু দিন ধৰি এইদৰে উক্ত কেন্দ্ৰটোত লিংকৰ অভাৱত গ্ৰাহকে হাৰাশাস্তি খাবলগীয়া হৈছে।এই ক্ষেত্ৰত কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা লগতে ইপিনে নিতৌ নিজৰ প্ৰাপ্য ধন বিচাৰি ঘৰুৱা সকলো কাম-কাজ এৰি পুৱাই আহি আহি ভোকে লঘোনে এইসকল গ্ৰাহক অতিষ্ঠ হৈ পৰিছে।মাজে সময়ে বেংক কৰ্তৃপক্ষৰ সৈতে মতানৈক্যও হৈছে।কিন্তু উপায়হীন দুয়োপক্ষ।লিং আহিব আহিব বুলি এইদৰে পুৱাৰ পৰা গধূলিলৈকে সকলো আশাৰে বাট চাই আছে লগতে এই ক্ষেত্ৰত উৰ্ধতম কৰ্তৃপক্ষক অনতি পলমে ইয়াৰ এক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছেঞ্জ ভুক্তভোগি ৰাইজে।




## পশ্চিম দৰঙত আম আদমী পাৰ্টীৰ বান সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৫ মে' ঃ** ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বানাক্ৰান্ত লোকক সাহায্যৰ হাত আগবঢ়াইছে আম আদমি পাৰ্টিয়ে।উল্লেখযোগ্য যে অসমৰ বানাক্ৰান্ত ৰাইজক সাহাৰ্য আগবঢ়াবলৈ দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমি পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰীয়ালে আপৰ কৰ্মকৰ্তা সকলক আহ্বান জনাইছিল। সেই অনুসৰি মঙলবাৰে, আম আদমি পাৰ্টিৰ স্বেচ্ছাসেৱক সকলে দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন স্থানৰ বানাক্ৰান্ত পৰিয়াললৈ সাহাৰ্য আগবঢ়াই। কেবাটাও বানপীড়িত স্থানত সাহায্য প্ৰদান কৰা কাৰ্যসূচীত নতুনকৈ আপত যোগদান কৰা ৰাজ্যিক পৰ্য্যায়ৰ নেতা কমল কুমাৰ মেধি, আপৰ দৰং জিলাৰ আহ্বায়ক ৰেজাউল হক,ছিপাঝাৰৰ আহ্বায়ক লক্ষেশ্বৰ বৰুৱা আৰু ৰিংকু ডেকা প্ৰমুখ্যো কেইবাজনো নেতা কৰ্মী অংশ গ্ৰহণ কৰে।আপৰ তৰফৰ পৰা বানাক্ৰান্ত, লোক সকলৰ মাজত মুড়ি গুৰ চাউল দাইল বিস্কুট আদি খাদ্য সামগ্ৰী বিতৰণ কৰা হয়।

## আমগুৰি-নামতিত মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৫ মে' ঃ** শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত আজি আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাই চৰকাৰ যোগান বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।যোগান মন্ত্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ আনি আমগুৰি ননগৰৰ চাৰিআলিত সমবেত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।যোগান মন্ত্ৰী হায় হায়, মূল্যবৃদ্ধি ৰোধত ব্যৰ্থ বিজেপি চৰকাৰ হায় হায় ধবনিৰে সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। উল্লেখ্য যে ৰাজ্যত পেট্ৰল, ডিজেল, কেৰাচিনকে ধৰি ৰন্ধন গেছ, মিঠাতেল, আলু, পিয়াজ, দাইলৰ ব্যাপক মূল্যবৃদ্ধি হৈছে। মূল্যবৃদ্ধিৰ প্ৰকোপত সৰ্বসাধাৰণ লোক জুৰুলা হৈ উঠিছে। ইয়াৰ পিছতো কাণসাৰ নাই চৰকাৰ, যোগান মন্ত্ৰীৰ। ফলত আজি শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে নামতি চাৰিআলিটো নামতি আঞ্চলিক ছাত্ৰ সন্থাই চৰকাৰ যোগান বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।আজিৰ প্ৰতিবাদস্থলীত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অম্লানজ্যোতি মহন্ত, আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাজদ্বীপ কাকতী আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰোহিত চেত্ৰীৰ নেতৃত্বত প্ৰায় অৰ্ধশতাধিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে আমগুৰি চাৰিআলিত সমবেত হৈ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী সকলে মূল্যবৃদ্ধি ৰোধ কৰক, ৰাজ্য চৰকাৰ হায়ঃ হায়ঃ, যোগান মন্ত্ৰী মুৰ্দাবাদ, যোগান বিভাগ হায়ঃ হায়ঃ, বিজেপি হায়ঃ হায়ঃ আদি শ'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ভবিষ্যতৰ দিনত যদি মূল্যবৃদ্ধি কৰাত যদি চৰকাৰে একো পদক্ষেপ গ্ৰহণ নকৰে তেন্তে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী লোৱা হ'ব বুলি হুংকাৰ দিয়ে আমগুৰি আছুৰ নেতৃবৃন্দই।

### এ পি ডি চি এলৰ হেমাহি!

## নলবাৰীৰ মোহখলীত হাউলি পৰা খুঁটাৰে বিদ্যুৎ যোগানৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৫ মে' ঃ** নলবাৰীৰ জিলাৰ বিভিন্ন ঠাইত বছৰ-বছৰ ধৰি উন্মুক্ত অৱস্থাত থকা অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ এ পি ডি চি এলৰ একাংশ উচ্চক্ষমতা সম্পন্ন বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ,পথৰ ওপৰতে ওলমি থকা আওপুৰণি বিদ্যুৎ পৰিবাহী তাঁৰ , হাউলি পৰা বিদ্যুতৰ পকী খুঁটাই জিলা খনৰ বিভিন্ন ঠাইৰ জনসাধাৰণৰ জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। ইতিমধ্যে এনে এচাম ট্ৰেন্সফৰ্মাৰ আৰু আওপুৰণি বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি বহু কেইটা অঘটন ঘটিছে। অভিযোগ অনুসৰি জিলা খনৰ বিভিন্ন এলেকাৰ লগতে দক্ষিণ নলবাৰী অঞ্চলৰ 'চান্দকুছি গোপালথান - বৰনৰ্দ্দী' লোক নিৰ্মাণ বিভাগৰ পথৰ দাতিত মোহখলী -সতীৰকুৰ এলেকাত বিদ্যুতৰ হাওলি পৰা পকী খুঁটাই ৰাইজক শংকিত কৰি তুলিছে। বিদ্যুতৰ উচ্চ ক্ষমতাসম্পন্ন তাঁৰ পৰিবাহী হাউলি পৰা উক্ত খুঁটা কেতিয়া উভালি পৰে তাৰ নিশ্চয়তা নাই।এনে এক বিপদ সংকুল পৰিস্থিতিত ব্যস্ত পথটোৰে পথচাৰীৰ লগতে বাইক-চাইকেলেৰে তথা গাড়ী-মটৰেৰে নিতৌ যাতায়াত কৰা লোক সকলে শংকাৰে দিন পাৰ কৰিবলগীয়া হৈছে।ইতিমধ্যে স্থানীয় সচেতন লোকে বিপদজ্জনক ভাবে হালি থকা বিদ্যুৎ খুঁটাটো আতৰ কৰি সঠিক ভাবে খুঁটা পুতিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই আহিছে যদিও সেই দাবীয়ে কোনো কাম দিয়া নাই। সেয়েহে স্থানীয় ৰাইজে হাওলি পৰা খুঁটা আতৰ কৰিবলৈ এ পি ডি চি এল নলবাৰী কৰ্তৃপক্ষক অনুৰোধ জনাইছে।



**নাম শুধৰণি**

মোৰ আচল নাম Abu Sharif, পিতা ঃ Abdul Rezak, গাঁও ঃ কুপটিমাৰী, ডাকঘৰ+থানা ঃ ভূৰাগাঁও, জিলা মৰিগাঁও(অসম)। মোৰ অন্যান্য নথি-পত্ৰত Abu Sharif, পিতা ঃ Abdul Rezak হৈ আছে। সেয়েহে মই যোৱা ২৪ মে', ২০২২ তাৰিখে মৰিগাঁও জিলা আদালতত নটাৰীযোগে ভুল নাম Md Abu Sharif ৰ পৰিৱৰ্তে Abu Sharif কৰিলোঁ। এতিয়াৰে পৰা মোৰ নাম Abu Sharif আৰু মোৰ পিতৃৰ নাম Abdul Rezak.

Regards
Abu Sharif
S/O- Abdul Rezak
Vill : Kupatimari
P.O.: Bhuragaon
P.S.: Bhuragaon
Dist.: Morigaon
Ph.: 7994940512

## অগপ ধুবুৰী বিধান পৰিষদৰ সংবাদমেল ঃ আৰ টি আইৰ উত্তৰত ভুৱা এছ চি নথিৰে ৱাৰ্ড আয়ুক্ত বিজয়ী হোৱাৰ তথ্য ফাদিল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৫ মে' ঃ** ধুবুৰী পৌৰসভাৰ অন্তৰ্গত ১৬ টা ৱাৰ্ডতে নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১৬ টা ৱাৰ্ডৰ ১১ খন আসন বিজেপি দলে, দুখন আসন অগপ, এখন আসন কংগ্ৰেছ আৰু দুখন আসন নিৰ্দলীয় প্ৰাৰ্থীয়ে বিজয়ী হৈছিল। অগপ ধুবুৰী বিধান পৰিষদে ধুবুৰী পৌৰসভাৰ অন্তৰ্গত ১৩ নং ৱাৰ্ডৰ পৰা বিজেপি দলৰ হৈ বিজয়ী হোৱা ৱাৰ্ড আয়ুক্ত দলা বিশ্বাস নামৰ মহিলা গৰাকীৰ বিৰুদ্ধে ভুৱা এছ ছি নথি জমা দিয়াৰ সন্দেহত ১৩ নং ৱাৰ্ড ৰ অ গ প দলৰ প্ৰাৰ্থী সমা ৰয়ৰ স্বামী পাৰ্থ কুমাৰ পালে ধুবুৰীৰ উপায়ুক্ত কাৰ্য্যালয়ত তথ্য বিচাৰি আৰ টি আই কৰিছিল।প্ৰায় দেৰ মাহ পাছত আৰ টি আই কৰি তথ্য সংগ্ৰহ কৰে পাৰ্থ কুমাৰ পালে। আৰ টি আই ৰ তথ্যমতে ৱাৰ্ড আয়ুক্ত দলা বিশ্বাসৰ অনুসুচিত জাতিৰ প্ৰমান পত্ৰৰ কোনোধৰণৰ তথ্য ধুবুৰী চক্ৰ বিষয়া কাৰ্যলয়ত পোৱা নাই বুলি ধুবুৰী জিলা উপায়ুক্ত কাৰ্যলয়ৰ চিঠি নং DFC.02/22/RTI/120, Dt. 24-05-2022 মৰ্মে আবেদনকাৰীক জানিবলৈ দিয়ে। এতিয়া ধুবুৰীৰ ১৩ নং ৱাৰ্ড ক লৈ নিৰ্বাচনী আয়োগৰ পৰৱৰ্তী পদক্ষেপ কি হব সেয়া লক্ষণীয় হব। উল্লেখ্য যে পাৰ্থ ৰায়ে ইতিমধ্যে ধুবুৰীৰ সদৰ থানাত দোলা বিশ্বাসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ বাবে প্ৰস্তুতি লৈছে।

## লেংটিছিঙাৰ ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজত ধপাত নিয়ন্ত্ৰণৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তা সেৱা, অভয়াপুৰী, ২৫ মে' ঃ** বঙাইগাঁও জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত (IQAC ) আৰু এলুমিনি এছোচিয়েছনৰ সহযোগত মংগলবাৰে লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ প্ৰশালাত ধপাত নিয়ন্ত্ৰণ বিষয়ক এক সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকি জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ নডেল অফিছাৰ ডাঃ পুলিন নাথে কয় যে, সমাজত যিমানবোৰ বেয়া কাম সংঘটিত হৈছে সেইবোৰ যদি পুংখানুপুংখ ভাৱে অনুসন্ধান কৰা যায় তেতিয়াহলে সেই ঘটনাবোৰৰ অন্তৰালত হয়তো ড্ৰাগছ নতুবা সুৰা বা নিচাজাতীয় কিবা সামগ্ৰীৰ কাৰণেই সংঘটিত হোৱাৰ তথ্য ওলাই পৰে। সুস্থ মস্তিষ্কৰ কোনো লোকে কেতিয়াও অপৰাধমূলক কাম কৰাৰ বাৰে আগবাঢ়ি নাহে। নিচাজাতীয় দ্ৰব্যৰ ৰাগীতহে সকলোবোৰ অপৰাধমূলক কাম সংঘটিত হয়। ইয়াৰোপৰি মাত্ৰাধিক তামোলপান চুণ ,জৰ্দা ,চাধা আদি খোৱাৰ কাৰণে অসমত কৰ্কটৰোগীৰ সংখ্যা বাঢ়ি যাব ধৰিছে বুলিও তেওঁ উল্লেখ কৰে। আজিৰ সজাগতা সভাতেই "আমি ধপাত খোৱা অভ্যাস পৰিহাৰ কৰাত সহায় কৰিম," " ধপাত জীৱনৰ বাবে ক্ষতিকাৰক, "জীৱনক আদৰক, ধপাতক নহয়" বুলি সভাত উপস্থিত থকা শিক্ষাৰ্থী, শিক্ষাগুৰু, কৰ্মচাৰী সকলোৱে শপত গ্ৰহণ কৰে। সভাত আন বক্তা সকলেও ধপাত নিয়ন্ত্ৰণ আইনৰ ওপৰতো বহলাই ব্যাখ্যা কৰে। জিলা ধপাত নিয়ন্ত্ৰণ কোষে লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজক ধপাতমুক্ত প্ৰতিষ্ঠান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব বুলি সদৰী কৰে।

## এমবিবিএছ পাঠ্যক্ৰম সফলতাৰে সম্পন্ন বিহালীৰ বৰগাঙৰ মেধাৱী ছাত্ৰ নৱজিৎ তামুলীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৫ মে' ঃ** এম বি বি এছ পাঠ্যক্ৰমৰ চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ বিশ্বনাথ জিলাৰ লগতে বিহালীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বিহালীৰ বৰগাঙৰ মেধাৱী ছাত্ৰ নৱজিৎ তামুলীয়ে। ইতিমধ্যে, ৰাজ্যৰ আগশাৰী গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ পৰা চিকিৎসা বিজ্ঞানত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা নৱজিৎ তামুলীয়ে বিহালীতে এগৰাকী চিকিৎসক হিচাপে মানৱ সেৱা আগবঢ়াব বুলি জানিব পৰা গৈছে। উল্লেখ যে,নৱজিৎ তামুলীৰ পিতৃ বিহালী কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষক হেমেশ্বৰ তামুলী আৰু মাতৃ হ'ল অৰ্পণা হাজৰিকা তামুলী এগৰাকী শিক্ষয়ত্ৰী।



## প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা লোকক খাদ্য সামগ্ৰী বিতৰণ জমিয়ত উলামাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ২৫ মে' ঃ** প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্থ হোৱা হোজাইৰ দক্ষিণ লস্কৰ পশ্চিম ফৰমা গাঁৱৰ লোকক অসম ৰাজ্যিক জমিয়ত উলামাৰ হোজাই জিলা জমিয়ত সমিতিৰ অধীনস্থ পাবিজুৰী আঞ্চলিক জমিয়ত সমিতিৰ তৰফৰ পৰা আৰ্তজনক খাদ্য সামগ্ৰী বিতৰণ কৰে। ৰাজ্যৰ প্ৰায় ২৬ খনকৈ জিলা বানৰ সংহাৰী ৰূপত ডুব যোৱাত ৰাইজৰ মাজত সৃষ্টি হৈছে হাহাকাৰ। অবৰ্ণনীয় বানৰ এই সংহাৰী ৰূপে হোজাই জিলাত চলাইছে বৃহৎ তাণ্ডৱ। বানপানীৰ এই তাণ্ডৱত ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে হোজাই জিলাৰ শ শ গাঁৱৰ খেতি পথাৰকে ধৰি দুখীয়া দৰিদ্ৰ লোকৰ ঘৰ বাৰী তচনচ কৰে। বানপানীৰ তাণ্ডৱৰ ফলতে ক্ষতিগ্ৰস্থ হোৱা লোক উপায়হীন হৈ শিবিৰত থাকিবলগীয়া হয়। লগতে খাদ্যৰ নাটনিত হাহাকাৰ কৰিবলগীয়া হৈছে বানপীডিত লোক। তেনে সময়ত হোজাই জিলা জমিয়ত সমিতিৰ অন্তৰ্গত পাবিজুৰী আঞ্চলিক জমিয়ত সমিতিৰ তৰফৰ পৰা বানপিডীত লোক সকলক কিছু পৰিমাণে সকাহ দিবলৈ দক্ষিণ লস্কৰ পশ্চিম ফৰমা গাঁৱৰ প্ৰায় ১৭০ টা পৰিয়ালক খাদ্যৰ টোপোলা বিতৰণ কৰে। পাবিজুৰী আঞ্চলিক জমিয়ত সমিতিৰ উদ্যোগত বিতৰণ কৰা খাদ্য সামগ্ৰীয়ে অলপ হ'লেও সকাহ পাব দুখীয়া দৰিদ্ৰ ৰাইজে। পাবিজুৰী আঞ্চলিক জমিয়ত সমিতিৰ উদ্যোগত খাদ্য সামগ্ৰী বিতৰণ কৰা কাৰ্যত সংগ দিয়ে অসম ৰাজ্যিক জমিয়ত উলামাৰ সম্পাদক মৌলানা কলিম উদ্দিন লগতে উপস্থিত থাকে পাবিজুৰী আঞ্চলিক জমিয়ত সমিতিৰ সভাপতি মৌলানা নিজামুদ্দিন কাছিমী, উপ-সভাপতি ৰুহুল আমিন, মৌলানা অলিউৰ ৰহমান, মবৰুল হুছেইন, ইকবাল হুছেইন আৰু মেহবুব হুছেইনক। ইপিনে অসম ৰাজ্যিক জমিয়ত উলামাৰ সম্পাদক মৌলানা কলিম উদ্দিনে কয় হৃদয়বান ব্যক্তি তথা দল সংগঠনে হোজাই জিলাৰ দক্ষিণ লস্কৰ পশ্চিম ফৰমা গাঁৱৰ বানপিডীত লোক সকলক সহায় কৰিবলৈ অনুৰোধ কৰে।



**E-TENDER (Re-Tender Final) NOTICE**

No. TENDER/NIT/2021-22/

The Director of Soil Conservation, Assam invites bid from registered and reputed eligible bidders of Assam for the following projects under **South Bank Soil Conservation Division, Guwahati 05.**

1) **"MITIGATION OF FLASH FLOOD AT KRISHNA NAGAR (HILL SIDE), CHANDMARI, GUWAHATI UNDER SOPD-G, 2021-22"** UNDER SOUTH BANK SOIL CONSERVATION DIVISION, GUWAHATI-05, AMOUNTING TO **RS. 31.94 LAKH** (RUPEES THIRTY ONE LAKH NINETY FOUR THOUSAND) ONLY.

Details may be seen at website **http://assamtenders.gov.in** and also in the Directorate of Soil Conservation, Assam, Bhumi Shangrakshan Bhawan, R.G.B. Road, Guwahati-05 w.e.f. **27/05/2022** during office hours.

Director of Soil Conservation, Assam
R.G. Baruah Road, Guwahati-5

*Janasanyog/C/3121/22*

## দৰং গৰিয়া-মৰিয়া-দেশী পৰিষদৰ গৰাপৰী আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৫ মে' ঃ** অসমৰ সাম্প্ৰতিক পৰিস্থিতিত গৰিয়া- মৰিয়া- দেশী জনগোষ্ঠীকে ধৰি ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাসমূহৰ অস্তিত্বৰ প্ৰতি যি ভাবুকিৰ সৃষ্টি হৈছে তাৰ পৰা পৰিত্ৰাণ পাবলৈ গোষ্ঠী সত্তাসমূহে নিজৰ নিজৰ জাতীয় আৰু সাংস্কৃতিক ঐতিহ্য পৰম্পৰাৰ আশ্ৰয় ল'বই লাগিব।একমাত্ৰ সাংস্কৃতিক স্বকীয়তাই হে গৰিয়া মৰিযা দেশীসকলৰ পৰিচয় ৰক্ষা কৰিব পাৰিব।সেয়েহে গৰিয়া মৰিয়া দেশী সকলে অপসাংস্কৃতিক আগ্ৰাসনক বাধা দি জাতীয় সাজপাৰেৰে সমৃদ্ধ হৈ স্বকীয়তা ৰক্ষা কৰি নিজৰ ভূমিপুত্ৰৰ পৰিচয় অক্ষুণ্ণ ৰাখিব লাগিব। এই ভাষ্য সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্ৰাৰ। দেওবাৰে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিৰ অন্তৰ্গত গৰাপৰী -খাটনিয়াপাৰা আঞ্চলিক সমিতিৰ পুনৰ গঠনৰ বাবে গৰাপৰী সমাজ কল্যাণ সংঘৰ প্ৰাঙ্গণত ফখৰুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ দি উপদেষ্টা ভূএগ্ৰাই দেশৰ অন্য প্ৰান্তৰ অথবা বিদেশৰ মুছলমানক অন্ধ অনুকৰণ কৰিবলৈ গৈ নিজৰ কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্য পৰম্পৰাৰ ফালে পিঠি দি বিজতৰীয়া হোৱাৰ পৰিণাম ভয়ানক হ'ব বুলি উল্লেখ কৰে আৰু সেয়ে তেনে আত্মঘাতী প্ৰৱণতাক বাধা দিবলৈ তেওঁ উপস্থিত গৰিয়া সমাজক আহবান জনায়। সভাত ভাষণ দি গৰিয়া মৰিয়া দেশী সকলৰ অভাৱ অভিযোগ আৰু সমস্যাসমূহৰ ওপৰত আলোচনা কৰি সিবিলাকৰ আশু সমাধানৰ বাবে ৰাইজে ঐক্যবদ্ধ সংগ্ৰাম কৰিবই লাগিব বুলি কয় জিলা সভাপতি আমান উল্লাহ পাছাই। জিলা সমিতিৰ কাৰ্যকৰী সভাপতি, সাংবাদিক বাবুল মকছেদ আহমেদে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে ২০০৬ চনৰ পৰা কৰি অহা অবিৰত সংগ্ৰামৰ কথা দোহাৰে আৰু তাৰ ফলশ্ৰুতিতে জনগোষ্ঠী কেইটাৰ সমস্যা তথা দাবী সমূহত অসমীয়া জনসাধাৰণ আৰু চৰকাৰৰ দৃষ্টি নিবদ্ধ হৈছে আৰু চৰকাৰে এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাটো পৰিলক্ষিত হৈছে বুলি উল্লেখ কৰে।হাফিজুৰ ৰহমানে আত ধৰা সভাত ৰাজুমণি হকক সভাপতি আৰু আব্দুল বাৰেকক সাধাৰণ সম্পাদক হিচাপে লৈ গৰাপৰী -খাটনিয়াপাৰা আঞ্চলিক সমিতিখন আগন্তুক তিনিবছৰীয়া কাৰ্যকালৰ বাবে পুনৰ গঠন কৰা হয়।

## ৰাশিফলত আজিৰ দিনটো

**১১ জেঠ, বৃহস্পতিবাৰ, ২৬ মে', ১৪২৯ ভাস্কৰাব্দ, তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ ৰেৱতী, জন্ম ৰাশি ঃ মীন**
**সূৰ্যোদয়- ৪-৩৬-১০ সূৰ্যাস্ত- ৬-২-৪০**



■ **মেষ** ঃ দ্ৰব্য লাভ ■ **বৃষ** ঃ কৰ্ম লাভ ■ **মিথুন** ঃ আত্মীয়ৰ আগমন ■ **কৰ্কট** ঃ পদবী লাভ ■ **সিংহ** ঃ দাম্পত্য সুখ ■ **কন্যা** ঃ গৃহ অশান্তি ■ **তুলা** ঃ অৰ্থ লাভ ■ **বৃশ্চিক** ঃ ৰোগাৰোগ্য ■ **ধনু** ঃ কৰ্মোন্নতি ■ **মকৰ** ঃ শত্ৰুভয় ■ **কুম্ভ** ঃ শিল্পীৰ শুভ ■ **মীন** ঃ শৰীৰৰ পীড়া।

মন্ত্ৰী অজন্তা নেওগৰ গোলাঘাট জিলাৰ দেৰগাঁৱৰ সোণাখাট চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন

# বিদ্যালয় নামৰ মন্দিৰত শিক্ষা গ্ৰহণ কৰিহে চাহ বাগিচাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ নিৰ্মাণ হ'ব



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ২৫ মে' ঃ** অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে আজি দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীৰ উপস্থিতিত গোলাঘাট জিলাৰ দেৰগাঁৱৰ সোণাখাট চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা এটা বছৰত ৰাজ্য চৰকাৰখনে উন্নয়নৰ দিশত এটা নিৰ্দিষ্ট গতি ল'বলৈ সক্ষম হৈছে । ৰাজ্য চৰকাৰখনৰ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন ঠাইৰ চাহ বাগিচা অঞ্চলত ৯৬ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে অসমৰ মুঠ জনসংখ্যাৰ তিনি ভাগৰ এভাগ লোক চাহ বাগিচাৰ আৰু তেওঁলোকৰ কঠোৰ পৰিশ্ৰমৰ বাবেই আমি আজি চাহক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিছোঁ। চাহ জনগোষ্ঠীৰ লোকসকল সাংস্কৃতিকভাৱে চহকী বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকক সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে আগবঢ়াই লৈ যোৱাৰ বাবে চৰকাৰখনে সকলো ধৰণে প্ৰয়াস চলাইছে। তেওঁ কয় যে বিশেষকৈ শৈক্ষিক দিশত পিচ পৰি থকা চাহ জনগোষ্ঠীৰ লোকসকলক এনেভাৱে আগবঢ়াই নিয়া হ'ব যাতে অনাগত সময়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমখনক দেশৰ শীৰ্ষৰ ৫খন ৰাজ্যৰ অন্যতম হিচাপে গঢ়ি তুলিবলৈ দেখা সপোন বাস্তবায়িত কৰাত জনগোষ্ঠীটোৱে বলিষ্ঠ নেতৃত্ব বহন কৰিব পাৰে। চাহ বাগিচাৰ বনুৱাৰ ল'ৰা-ছোৱালী বনুৱা নহয়, ডাক্তৰ, ইঞ্জিনিয়াৰ, আই এ এছ বিষয়া হ'ব লাগিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিদ্যালয়খনক এটা মন্দিৰ বুলি উল্লেখ কৰি তেওঁ কয় যে এই মন্দিৰতেই শিক্ষা গ্ৰহণ কৰি চাহ বাগিচাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ নিৰ্মাণ হ'ব। তেওঁ বিশেষকৈ মাতৃসকলক নিজৰ লৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। তেওঁ চাহ বাগিচা অঞ্চলত প্ৰসুতিৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাতৃসকলক নিজৰ লগতে সন্তানকো পুষ্টিকৰ খাদ্য খুওৱাত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে জন্মৰ পৰা ৫ বছৰ বয়সলৈ শিশুসকলে যাতে উপযুক্ত পুষ্টিকৰ খাদ্য লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচাসমূহত ১০০০ টা মডেল অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰিব । লগতে চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে ৮০০খন বাগানত সমূহীয়া দক্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে । অৰুণোদয় আঁচনি সন্দৰ্ভত তেওঁ কয় যে হিতাধিকাৰী চৰকাৰে সৃষ্টি নকৰে। হিতাধিকাৰী পৰিৱেশেহে সৃষ্টি কৰে। তেওঁ সংশ্লিষ্ট সকলোকে বিদ্যালয়সমূহত গুণগত শিক্ষা প্ৰদান সুনিশ্চিত কৰাৰ বাবে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভঁৰালীয়ে আজিৰ দিনটো অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি কয় যে বাগানৰ ল'ৰা ছোৱালীক উন্নত মানৰ গুণগত শিক্ষা প্ৰদান কৰি সু-নাগৰিক ৰূপে গঢ়ি তোলাৰ বিষয়টোক চৰকাৰে অন্যতম অগ্ৰাধিকাৰ প্ৰদান কৰিছে । তেওঁ বাগিচাৰ লোকসকলক প্ৰতিটো চৰকাৰী কামৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ সমীৰণ বৰাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত গোলাঘাট জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত তিলোত্তমা দেউৰী, মহিমা আৰু সোণাখাট চাহ বাগিচাৰ জ্যেষ্ঠ প্ৰবন্ধক প্ৰশান্তজ্যোতি বৰঠাকুৰ, বিদ্যালয়খনৰ অধ্যক্ষ, কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিক, বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু চাহ জনগোষ্ঠীৰ স্থানীয় লোকসকল উপস্থিত আছিল।

## কুৰ্শাকাটী হাইস্কুলৰ গুণোৎসৱত বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙক হৰিনামেৰে আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২৫ মে' ঃ** ৰাজ্যত চলি থকা দ্বিতীয় পৰিচয়ৰ গুণোৎসৱৰ আজি তৃতীয় দিনা কোকৰাঝাৰ জিলা শিক্ষা বিভাগৰ অধিনস্থ কুৰ্শাকাটী হাইস্কুলত আজি অনুষ্ঠিত গুণোৎসৱত উপস্থিত থাকে বিশেষ আৰক্ষী সঞ্চালক প্ৰধান (আইন শৃংখলা) জ্ঞানেন্দ্ৰ প্ৰতাপ সিং। আজি দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ তৃতীয় দিনা বিশেষ আৰক্ষী সঞ্চালক প্ৰধান গৰাকী কুৰ্শাকাটী হাই স্কুলত উপস্থিত হৈ স্কুল খনৰ শৈক্ষিক পৰিৱেশ আৰু আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে শ্ৰেণী কোঠাত সোমাই ছাত্ৰ-ছাত্ৰী সকলোৰে মূল্যায়ন পৰীক্ষাৰ বুজ লয়। বিশেষ আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে স্কুলৰ শৈক্ষিক পৰিৱেশৰ বুজ লোৱাৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে আৰু অভিভাৱকৰ লগত এক আলোচনাত মিলিত হৈ বিভিন্ন দিশত মত বিনিময় কৰে। স্থানীয় শিক্ষা প্ৰেমী ৰাইজ আৰু বিদ্যালয় খনৰ প্ৰধান শিক্ষক গৰাকীৰ পৰা বিদ্যালয় খনৰ সমস্যাৰ বিষয়ে জানিব পাৰি আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰক্ষী শীৰ্ষ বিষয়া গৰাকীয়ে প্ৰধান শিক্ষক গৰাকীক হাতত নগদ এক লাখ টকা অনুদান হিচাপে আগ বঢ়ায় আৰু অসম আৰক্ষী বিভাগৰ পুঁজিৰ পৰা কুৰ্শাকাটী বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে আৰু তিনি মাহৰ ভিতৰত বিদ্যালয় খনত এটা শৌচাগাৰ আৰু প্ৰাচীৰ নিৰ্মাণ কৰি দিব বুলি আৰক্ষীৰ শীৰ্ষ বিষয়া গৰাকীয়ে প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰ উপৰি বিদ্যালয় খনৰ বাউণ্ডাৰী ওৱাল, অতিৰিক্ত শ্ৰেণী কোঠাকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে শিক্ষা বিভাগক অৱগত কৰাবো আশ্বাস প্ৰদান কৰে। ইয়াৰ পিছত বিশেষ আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মত বিনিময় কৰি বিভিন্ন ধৰণৰ উপদেশ আগবঢ়ায়। উল্লেখ্য বিশেষ আৰক্ষী সঞ্চালক প্ৰধান গৰাকীৰ উপৰি ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপ, কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবে, কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত, বগৰিবাড়ী ৰাজহ চক্ৰৰ ৰাজহ চক্ৰ বিষয়া, কোকৰাঝাৰ জিলা শিক্ষা বিষয়াৰ লগতে শিক্ষা বিভাগৰ বিষয়া-কৰ্মী সকল উপস্থিত থকা গুণোৎসৱৰ আৰম্ভণিতে অতিথি সকলক বিদ্যালয় কৰ্তৃপক্ষই হৰি নামেৰে আদৰি লয়।

Affordable Health Mission
GNRC
Quality • Value • Trust
যিকোনো দুৰ্ঘটনাজনিত আৰু জৰুৰীকালীন ৰোগীৰ বাবে
প্ৰথম ২৪ ঘন্টা বিনামূলীয়া চিকিৎসা সেৱা*


☎1800 345 0011
*চৰ্তাৱলী প্ৰযোজ্য

শিৱসাগৰত ফ'ৰলেন নিৰ্মাণৰ দাবীত যৌথ সংগ্ৰামী মঞ্চৰ প্ৰতিবাদ

# ৩৯৮ কোটিটকীয়া ঠিকাৰ ভিতৰত ১৩০ কোটি টকা বিশেষ কাম নকৰাকৈয়ে জিডিচিএল নামৰ কোম্পানীয়ে সৰকোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ মে' ঃ** ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ৰাজমাৰ্গ নিৰ্মাণ বিভাগ এন এইচ আই ডি চি এলৰ অধীনত অসমৰ বিভিন্ন জিলাৰ মাজেদি যোৱা ৰাষ্ট্ৰীয় ঘাইপথ সমূহক চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণৰ কাম বিগত ইউ পি এ চৰকাৰৰ দিনতেই ২০০৮ চনত অসমত আৰম্ভ হৈছিল। কিন্তু এন এইচ আই ডি চি এলে অসমৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোক চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণৰ কাম হাতত লোৱা আজি চৈধ্য বছৰত ভৰি দিলে যদিও শিৱসাগৰ জিলাৰ দুই সীমামূৰীয়া অঞ্চল ক্ৰমে জাঁজী আমগুৰিৰ পৰা ডিমৌ ৰাজহ চক্ৰলৈকে ৪৫.৫ কিলোমিটাৰ পথৰ ভিতৰত আজিলৈকে এক কিলোমিটাৰ পথ ও ফ'ৰলেনৰ নামত নিৰ্মাণ সম্পূৰ্ণ কৰি জনসাধাৰণৰ মুকলি কৰি দিয়াত এন এইচ আই ডি চি এল চূড়ান্তভাৱে ব্যৰ্থ হৈছে। উল্লেখযোগ্য যে গেনন ডাংকাৰলী নামৰ এক প্ৰতিষ্ঠানে পাঁচ বছৰৰ আগত এই পথচোৱা নিৰ্মাণৰ বাবে ৯০০ কোটি টকাৰ ঠিকা লৈছিল।কিন্তু উক্ত প্ৰতিষ্ঠানে ভি এছ ডি ইনফ্ৰাকন নামৰ আন এক নিৰ্মাণকাৰী প্ৰতিষ্ঠানক উক্ত কামৰ উপ-ঠিকা প্ৰদান কৰা কৰিছিল। তেতিয়াৰ পৰা আজিলৈকে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ নামত এক বৃহৎ দুৰ্নীতি সংঘটিত হয় আৰু ঘাইপথৰ নামত এক জৰাজীৰ্ণ পথত ৰাইজে যাতায়ত কৰিব লগা হৈছে।বৰ্তমান জাঁজী আমগুৰিৰ পৰা ডিমৌলৈকে ৪৫.৫ কিলোমিটাৰ পথৰ বাবে চৰকাৰৰ পৰা ঠিকাৰ আবণ্টন লাভ কৰা প্ৰতিষ্ঠানটোৱে ঠিকাৰ আবণ্টন লাভ কৰাৰ পিছতো পৰা অতি লেহেমীয়া গতিৰে নিৰ্মাণ কাৰ্য চলোৱাৰ ফলশ্ৰুতিত শিৱসাগৰ জিলাৰ মাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ সমগ্ৰ ৪৫.৫ কিলোমিটাৰ পথৰ মাজত বৰ্তমান সময়ত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। এক প্ৰকাৰে পথচোৱা মৰণফান্দ হৈ পৰাৰ বাবে এতিয়া অন্যান্য জিলাৰ লোকে উজনি অসমলৈ আহিবলৈ এৰি দিছে। পথটোৰ এনে দুৰৱস্থাৰ বাবেই প্ৰতিদিনেই পথচোৱাৰ ওপৰত ইটোৱে পাছত সিটো পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে।প্ৰতিটো ক্ষণতেই মানুহৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনা পথচোৱাৰ এনে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰাৰ পিছতো ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ ব্যৱস্থা এন এইচ আই ডি চি এল অথবা নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে হাতত লোৱা হোৱা নাই। স্বয়ং চৰকাৰখনৰ এনে ভূমিকাক লৈ ধাৰাবাহিকভাৱে শিৱসাগৰত বিভিন্ন দল- সংগঠনে প্ৰতিবাদ-আন্দোলন- পথ অৱৰোধ আদি কাৰ্যসূচী হাতত লৈছে যদিও এন এইচ আই ডি চি এল অথবা জিডিচিএলৰ গা লৰাব পৰা নাই। ফ'ৰলেনৰ এই জ্বলন্ত সমস্যাকলৈ আজি পুনৰ শিৱসাগৰত ১২ জাতি-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বত গঠন হোৱা যৌথ সংগ্ৰামী মঞ্চই চৰকাৰ, এন এইচ ডি চি এল আৰু জিডিচিএলৰ বিৰুদ্ধে শিৱসাগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এক গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰায় শতাধিক মঞ্চৰ কৰ্মীয়ে এই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এন এইচ আই ডি চি এলৰ লগতে কাম এৰি এক প্ৰকাৰ পলায়ন কৰা ঠিকাদাৰী প্ৰতিষ্ঠান জিডিচিএলৰ বিৰুদ্ধে শিৱসাগৰৰ এই চাৰিলেনযুক্ত পথ নিৰ্মাণৰ নামত শ কোটি টকাৰ কেলেংকাৰী সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মঞ্চৰ নেতৃত্বই। এই গণ বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি যৌথ সংগ্ৰামী মঞ্চৰ নেতা দেৱজিৎ দত্ত, দিগন্ত তামুলী, মণিৰুল ইছলাম বড়া, যাদৱ গগৈ, ফৰিদ ইছলাম হাজৰিকা, লুইচ হাজৰিকা আদি সংগঠনৰ নেতৃত্বই কেন্দ্ৰীয় চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভাগ এন এইচ আই ডি চি এলে এই পথচোৱা নিৰ্মাণৰ নামত কৰি অহা গাফিলতিৰ বাবে যোৱা পাঁচটা বছৰে চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণ নোহোৱাকৈ পৰি ৰোৱাৰ অভিযোগ উত্থাপন কৰে। নেতৃত্বই কয় যে, এই ৪৫.৫ কিলোমিটাৰ পথ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় ৰাজমাৰ্গ বিভাগ এন এইচ আই ডি চি এলৰ পৰা প্ৰাথমিক পৰ্যায়ত আৱণ্টন দিয়া ধনৰ ভিতৰত ১৩০ কোটিতকৈওঞ্জ অধিক টকাত দুৰ্নীতি সংঘটিত হৈছেঞ্জ। সেয়েএই কেলেংকাৰীৰ তদন্ত আৰু শীঘ্ৰেই ঘাইপথটোৰ নিৰ্মাণৰ কাম চলাই নিবলৈ আজি শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এনেদৰে ১২ সংগঠনৰ উমৈহতীয়া শক্তি যৌথ সংগ্ৰামী মঞ্চই প্ৰতিবাদ সাব্যস্থ কৰি সংশ্লিষ্ট বিভাগ আৰু চৰকাৰক সকীয়াই দিয়ে।




## জাগীৰোডৰ অসম স্পান ছিল্ক মিলৰ কৰ্মচাৰীৰ দৰমহা আদায়ৰ দাবী

### মিলৰ ভূমি বেদখলৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ২৫ মে' ঃ** কাগজ কলৰ পূৰ্বে ১৯৯১ চনতে বন্ধ হৈ পৰিছিল জাগীৰোডস্থিত অসম স্পান চিল্ক মিল ।১৯৯৬ চনৰ পৰা দৰমহা নোপোৱা অসম স্পান চিল্ক মিল কৰ্মচাৰীৰ এতিয়া তথৈবচ অৱস্থা । এই সন্দৰ্ভত মিলটোৰ কৰ্মচাৰী পৰিষদে উদ্যোগিক প্ৰাধিকৰণত তৰা গোচৰৰ শুনানিত ২০০৭ চনলৈ সকলো কৰ্মচাৰীৰ দৰমহা আদায় দিবলৈ চৰৰাৰক নিৰ্দেশ দিছিল । কিন্তু প্ৰাধিকৰণৰ নিৰ্দেশক অমান্য কৰি কলটোক বন্ধ ঘোষনা কৰে চৰকাৰে ।ইয়াৰ পিছতে নিজৰ প্ৰাপ্য বিচাৰি ২০০৮ চনত পুনৰ শ্ৰমিক আদালতৰ দ্বাৰস্থ হয় কৰ্মচাৰী পৰিষদ ।এইবাৰো শ্ৰমিক আদালতে ২০১৪ চনলৈ কৰ্মচাৰী সকলৰ দৰমহা ৯০ দিনৰ ভিতৰত আদায় দিবলৈ নিৰ্দেশ দিয়ে অসম চৰকাৰক । কিন্তু তাৎপৰ্যপূৰ্ণভাৱে শ্ৰমিক আদালতৰ ৰায়ৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয় অসম চৰকাৰৰ উদ্যোগ আৰু বানিজ্য বিভাগ ।যাৰ পৰিপ্ৰেক্ষিতত আজিও জাগীৰোডস্থিত আসম স্পান চিল্ক মিলৰ ৩৮৩ গৰাকী কৰ্মচাৰী বঞ্চিত হৈ আছে ৩৩ কোটি ১৬ লাখ টকা প্ৰাপ্যৰ পৰা । ইফালে কৰ্মচাৰী সকলৰ প্ৰাপ্য আদায় নিদিয়াকৈয়ে অসম চৰকাৰৰ উদ্যোগিক উন্নয়ন নিগমে স্পান চিল্ক মিলৰ ভূমিত চলাইছে এক বৃহৎ উদ্যোগিক বিকাশ কেন্দ্ৰ স্থাপনৰ কাম । অতি শীঘ্ৰে উদ্যোগ আৰু বানিজ্য বিভাগক উক্ত গোচৰ উঠাবলৈ হেঁচা প্ৰয়োগ কৰি কৰ্মচাৰীৰ প্ৰাপ্য আদায় দিবলৈ চৰকাৰক আহ্বান জনাইছে অসম স্পান চিল্ক মিল কৰ্মচাৰী পৰিষদে । অন্যথা মিলৰ ভূমিত অসম উদ্যোগিক উন্নয়ন নিগমে চলাই থকা উদ্যোগিক বিকাশ কেন্দ্ৰ কাম বন্ধ কৰি দিয়াৰ হুংকাৰ দিয়ে শ্ৰমিক সংগঠনটোৱে । আনহাতে, মিলৰ ভূমি বেদখল কৰি একাংশ দুষ্টচক্ৰই গঢ়ি তুলিছে ব্যৱসায়িক প্ৰতিষ্ঠান আৰু গৃহ। অতি শীঘ্ৰে এই বেদখলকৃত মিলৰ ভূমি উচ্ছেদৰ দাবী সচেতন মহলৰ ।

আৰক্ষীৰ জালত আমছুৰ স্বয়ম্ভু সভাপতি কামৰুজ জামান সৰকাৰ

## অবৈধ মাৰণাস্ত্ৰসহ বহু আপত্তিজনক সামগ্ৰী জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ মে' ঃ** দীৰ্ঘদিন ধৰি একাধিক দুষ্কাৰ্যত জড়িত আমছুৰ স্বয়ম্ভু নেতা কামৰুজ জামান সৰকাৰ অৱশেষত আৰক্ষীৰ জালত পৰে। নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত কালি প্ৰৱেশৰ চেষ্টা চলাওতে আৰক্ষীয়ে তালাচী চলাই পিষ্টলসহ কামৰুজক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে নিজৰ কু-কীৰ্তিৰ বাবে কামৰুজ জামান সৰকাৰ আমছুৰ পৰা বহিস্কৃত হৈ পুনৰ 'আমছু' নামৰ আন এটা সংগঠন খুলি স্বয়ম্ভু সভাপতি ৰূপে আত্মপ্ৰকাশ কৰি তেওঁ দীৰ্ঘদিন ধৰি বিভিন্ন ধৰণৰ অপকৰ্মত জৰিত হৈ পৰে। বিশেষকৈ অবৈধ ভাৱে গৰু সৰবৰাহ, জিলাখনৰ বিভিন্ন আৰক্ষী থানাত গোচৰৰ পৰা ৰেহাই দিয়াৰ নামত ব্যাপক পৰিমাণৰ ধন সংগ্ৰহ কৰা, চৰকাৰী চাকৰি নিযুক্তি দিয়াৰ নামত ধন লোৱা, মাটি জালিয়াতি কৰা, ধন দাবী, ডকাইতি, অপহৰণ আদিৰ দৰে গুৰুতৰ অপৰাধজনিত ঘটনাত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱ কামৰুজ জামান সৰকাৰ জড়িত থকা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ । চোৰাং চিকাৰীৰ সৈতে তেওঁৰ সু-সম্পৰ্ক থকাৰ অভিযোগ আছে। এনে বহু অপৰাধজনিত ঘটনা সংঘটিত কৰাৰ বাবে জিলাখনৰ কেবাখনো আৰক্ষী থানাৰ লগতে হোজাই জিলাতো তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছে। এসময়ত মন্ত্ৰী-বিধায়ক তথা আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে কামৰুজৰ সু-সম্পৰ্ক থকা বুলি চৰ্চা চলিছিল। মুলতঃ আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে সম্পৰ্ক থকাৰ বাবে তেওঁ দেহৰক্ষী লাভ কৰিবলৈ সক্ষম হৈছিল । অৱশ্যে ক্ষমতাৰ অপব্যহাৰ কৰাৰ অভিযোগত পৰৱৰ্তী সময়ত তেওঁৰ দেহৰক্ষী কৰ্তন কৰা হয় যদিও মৰানাস্ত্ৰ ৰখাৰ অনুজ্ঞাপত্ৰ লাভ কৰিছিল। কিন্তু তেওঁৰ অনুজ্ঞাপত্ৰৰ ম্যাদ বিগত ২০১৯ বৰ্ষতে উকলি যায় যদিও তেওঁ সেই পিষ্টল তেওঁ অবৈধ ভাৱে লগত ৰাখে । আনকি নিজৰ দুষ্কাৰ্যৰ বাবে কামৰুজ একাংশ সংখ্যালঘু সংগঠনৰ অপ্ৰিয় হৈ পৰে। আনহাতে অবৈধভাৱে মাৰণাস্ত্ৰ ৰখাৰ অভিযোগত কামৰুজ জামান সৰকাৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বুলি নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে ।গৰুৰ চোৰাং সৰবৰাহ, ডকাইতি, থানা আক্ৰমণকে ধৰি একাধিক অপৰাধজনিত ঘটনাৰে জড়িত কামৰুজৰ বিৰুদ্ধে নগাঁও জিলাৰ উপৰি হোজাই জিলাৰ একাংশ থানাত গোচৰ ৰুজু হৈ থকা বুলিও আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিয়ে ।আৰক্ষীয়ে কামৰুজৰ অপৰাধৰ গোচৰ সমূহ পৰ্যবেক্ষণ কৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্হা গ্ৰহণ কৰিব বুলিও আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিয়ে । ইপিনে আমছুৰ প্ৰাক্তন সভাপতি কামৰুজক গ্ৰেপ্তাৰৰ পিছত কালি নিশা জুৰীয়া আৰক্ষীয়ে তেওঁৰ জুৰীয়াৰ কালিয়াডিঙ্গাস্থ বাসভৱনত অভিযান চলাই বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিছে। তেওঁ ব্যৱহাৰ কৰা দুটা মবাইল হেণ্ড ছেট, এখন চাৰিচকীয়া বিলাসী গাড়ী জব্দ কৰাৰ লগতে গাড়ীখনৰ চালকজনকো আৰক্ষীয়ে আটক কৰি সোধা পোচা অব্যাহত ৰাখিছে। আৰক্ষীয়ে তেওঁৰ বাসগৃহৰ পৰা হৰিণাৰ শিং পৰ্যন্ত উদ্ধাৰ কৰাৰ চাই কামৰুজ জামান বন্য জন্তুৰ চোৰাং চিকাৰতো জড়িত থকাৰ সন্দেহ কৰিছে অঞ্চল টোৰ ৰাইজে। কামৰুজক জেৰা কৰিলেই বহু তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।



গুৱাহাটীৰ অনিল নগৰৰ কৃত্ৰিম বানৰ দৃশ্য, বুধবাৰে

কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

## ২৬টা সমষ্টিত ১৫৪জন প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২৫ মে' ঃ** অহা ৮ জুনত অনুষ্ঠিত হ'ব লগীয়া কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ২৬ টা সমষ্টিৰ বাবে মুঠ ১৫৪ জন প্ৰাৰ্থীয়ে প্ৰতিদন্দিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। যোৱা ২৩ মে'ত অন্তিম দিনটোত নিজৰ শক্তি প্ৰদৰ্শনেৰে ১৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। নিৰ্ধাৰিত ২৪ মে'ত মনোনয়ন প্ৰত্যাহাৰৰ দিনটোত ৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ অন্তত মুঠ ১৫৪ গৰাকী প্ৰাৰ্থী চূড়ান্ত হৈছে। বিভিন্ন দলীয় প্ৰাৰ্থী আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলে প্ৰতিদন্দিতা আগবঢ়োৱা পৰিষদীয় নিৰ্বাচনত মুল যুঁজখন বিজেপি, কংগ্ৰেছ আৰু আঞ্চলিক দল এ.পি.এইচ.এল. চি ৰ মাজতেই হোৱৰ সম্ভাৱনা। বিগত কালত পৰিষদখন নিজৰ দখলত ৰখা বিজেপি দলে আটাইকেইটা সমষ্টিতে এইবাৰো জয়লাভ কৰিব বুলি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে দাবী কৰিছে। ইয়াৰ সমান্তৰালভাৱে কংগ্ৰেছ আৰু এ.এচ.ডি.চি দলেও পৰিষদ দখলৰ বাবে প্ৰচাৰত নামিছে। ইয়াৰ মাজতেই কিন্তু কেইবাটাও সমষ্টিত টিকেটৰ পৰা বঞ্চিত কংগ্ৰেছ নেতাই পদত্যাগ কৰাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থী ৰূপে প্ৰতিদন্দিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। আঞ্চলিক দল এ.পি.এইচ.এল.চিয়েও নিজৰ প্ৰচাৰ কাৰ্য আৰম্ভ কৰিছে। লক্ষণীয়ভাৱে আম আদমি পাৰ্টিয়েও ১৪ টা সমষ্টিত প্ৰতিদন্দিতাত নামিছে। পৰিষদৰ অন্তৰ্গত পাহাৰীয়া জিলা দুখনত ইতিমধ্যে নিৰ্বাচনৰ বতাহ বলিব ধৰিছে। দলসমূহে প্ৰচাৰ কাৰ্য আৰম্ভ কৰিছে। জানিব পৰা মতে অহা ২৯ তাৰিখৰ পৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো সমষ্টিত দলীয় প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লব। যোৱা বিধানসভা নিৰ্বাচনত কাৰ্বি আংলঙৰ ডিফু, হাওৱাঘাট, বোকাজান আৰু বৈঠালাংচ মুঠ চাৰিটা বিধানসভা সমষ্টিত বিজেপি দলে অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ পৰিষদীয় নিৰ্বাচনত ভোটাৰ ৰাইজে কেনে ফলাফল দেখুৱাই সেয়া লক্ষণীয় হ'ব।

ওৱাৰেন টি লিমিটেড
পঞ্জীয়ন কাৰ্যালয় ঃ দেওহালি টি ইষ্টেট
পি. অ'. ঃ হুগ্ৰীজান, জিলা তিনিচুকীয়া, অসম-৭৮৬ ৬০১
ফোন ঃ +৯১ ৯৫৩১০৪৫০৯৮, ই-মেইল ঃ corporate@warrentea.com
চিআইএন ঃ এল০১১৩২এএছ১৯৭৭পিএলচি০০১৭০৬, ৱেবছাইট ঃ www.warrentea.com

৪৫ সংখ্যক বাৰ্ষিক সাধাৰণ সভা
ওৱাৰেন টি লিমিটেডৰ ইকুইটি শ্বেয়াৰ হল্ডাৰসকলৰ

এই জাননী আমাৰ পূৰ্বতে প্ৰকাশিত ২০মে', ২০২২ৰ অংশ, এখন ইংৰাজী দৈনিক ডেইলি বিছনেজ ষ্টেণ্ডাৰ্ড, আসাম ৰাইজিং (ইংৰাজী), গুৱাহাটী আৰু দৈনন্দিন বাৰ্তা (অসমীয়া), গুৱাহাটী অনুসৰি কোম্পানীৰ বাৰ্ষিক সাধাৰণ সভা আয়োজন কৰা হৈছে ভিডিঅ' কনফাৰেন্স/অন্যান্য অডিঅ' ভিজুৱেল মাধ্যমৰ জৰিয়তে অহা বুধবাৰ, ২২ জুন, ২০২২ তাৰিখে দিনৰ ২ বজাত। ৰিমট ই-ভোটিং কাৰ্যকৰী হয়। শ্বেয়াৰ হল্ডাৰসকলক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে চি বি মেনেজমেণ্ট চাৰ্ভিছেচ (পি) লিঃ (চিবিএমএছএল), কোম্পানীৰ পঞ্জীয়ক (আৰটিএ) আৰু কোম্পানীৰ হৈ, ই-মেইল কৰা হৈছে বাৰ্ষিক প্ৰতিবেদন ২০২১-২২ৰ, লগতে বাৰ্ষিক সাধাৰণ সভাৰ জাননী ২৫মে', ২০২২ তাৰিখে সেইসকল শ্বেয়াৰ হল্ডাৰলৈ প্ৰেৰণ কৰা হৈছে যিসকলৰ ই-মেইল ঠিকনা পঞ্জীয়ন হৈ আছে কোম্পানী/জমা কাৰীৰ সৈতে। বাৰ্ষিক প্ৰতিবেদনৰ সৈতে এজিএম আহ্বানৰ জাননী উপলব্ধ আছে ৱেবছাইট ঃ www.evotingindia.com, www.warrentea.com, www.bseindia.com আৰু www.cse-india.com.
ৰিমট ই-ভোটিং উপলব্ধ হ'ব ১৮জুন, ২০২২ তাৰিখে ৯ বজাৰ পৰা আৰু সমাপ্ত হ'ব ২১ জুন, ২০২২ তাৰিখে বিয়লি ৫ বজাত। ইয়াৰ পিছত চেণ্ট্ৰেল ডেপজিটৰী চাৰ্ভিছেচ (ইণ্ডিয়া) লিমিটেড (চিডিএছএল) ব্যাহত হ'ব ৰিমট ই-ভোটিঙৰ বাবে। ইলেকট্ৰনিক ভোটিঙৰ সিদ্ধান্ত লোৱাৰ বাবে শেষ তাৰিখ হ'ল বুধবাৰ, ১৫ জুন, ২০২২। যিসকল সদস্যই ৰিমট ই-ভোটিং ব্যৱস্থাৰে ভোট দিবলৈ আগ্ৰহী তেওঁলোকে বৈঠকত ভাগ ল'ব পাৰিব যদিও পুনৰ ভোট দিব নোৱাৰিব।
যদিহে কোনোবা যিজনে কোম্পানীৰ শ্বেয়াৰ আহৰণ কৰিছে আৰু সদস্য হৈছে চিবিএমএছএলৰ দ্বাৰা ই-মেইলত জাননী প্ৰেৰণৰ পিছত আৰু শেষ তাৰিখৰ পিছত শ্বেয়াৰ আহৰণ কৰিছে অৰ্থাৎ বুধবাৰ, ১৫ জুন, ২০২২, তেনেহ'লে তেওঁলোকে লগ ইন আই ডি আৰু পাছৱৰ্ড লাভ কৰিব এখন অনুৰোধ পত্ৰ প্ৰেৰণ কৰি কোম্পানীৰ পঞ্জীয়ক আৰু শ্বেয়াৰ ট্ৰেন্সফাৰ এজেণ্টলৈ rta@cbmsl.com, উল্লেখ কৰিব লাগিব ফলিঅ' নং /ডিপি আইডি আৰু গ্ৰাহকৰ আই ডি। যদিহে সদস্যই ইতিমধ্যে চিডিএছএলৰ সৈতে পঞ্জীয়ন কৰিছে ৰিমট ই-ভোটিঙৰ কাৰণে তেতিয়াহ'লে তেওঁ ব্যৱহাৰ কৰিব পাৰিব বৰ্তমানৰ আই ডি আৰু পাছৱৰ্ড ভোটদানৰ কাৰণে।
এইক্ষেত্ৰত যদিহে কাৰোবাৰ আপত্তি থাকে বা বাৰ্ষিক সাধাৰণ সভা আয়োজন আৰু এজিএম জাননী ই-মেইলৰ জৰিয়তে প্ৰেৰণৰ পিছত লাভ নকৰাৰ বিষয়ত আৰু ইলেকট্ৰনিক মাধ্যমেৰে ভোটদান সম্পৰ্কত, তেনেহ'লে যোগাযোগ কৰিব পাৰিব শ্ৰী সুজিত সেনগুপ্ত, মেনেজাৰ, চি বি মেনেজমেণ্ট চাৰ্ভিছেচ (পি) লিমিটেড, পি-২২ বণ্ডেল ৰোড, কলকাতা-৭০০০১৯ৰ সৈতে rta@cbmsl.com বা ০৩৩-৪০১১৬৭০০ আৰু সঘনে সোধা প্ৰশ্ন ("এফএকিউএছ") আৰু ই-ভোটিং মেনুৱেল, যিটো উপলব্ধ আছে www.evotingindia.com, সহায়কাৰী শাখাৰ অধীনত বা লিখিতভাৱে ই-মেইল কৰিব পাৰিব helpdesk.evoting@cdsindia.com লৈ।

ওৱাৰেন টি লিমিটেডৰ হৈ
সোমা চক্ৰৱৰ্তী
কোম্পানী সচিব
স্থান ঃ কলকাতা
তাৰিখ ঃ ২৫ মে', ২০২২

## অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ লগতে ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে শিৱসাগৰত আছুৰ বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ মে' ঃ** ৰাজ্যখনত অস্বভাৱিকভাৱে অত্যাৱশকীয়া খাদ্য সামগ্ৰী, নিৰ্মাণকাৰ্য আদিৰ ব্যৱহৃত সামগ্ৰীৰ লগতে ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে আজি শিৱসাগৰত সদৌ অসম ছাত্ৰ সন্থাই শাসক চৰকাৰখনৰ বিৰুদ্ধে এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰূপায়ণ কৰা এই বিক্ষোভ কাৰ্যসূচীত আছুৰ কৰ্মী সকলে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ অত্যাৱশকীয় খাদ্য সামগ্ৰী, ইন্ধনজাত সামগ্ৰী, নিৰ্মাণ কাৰ্যত ব্যৱহৃত সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰক, অসম চৰকাৰ হায় ! বায় !, মূল্যবৃদ্ধি ৰোধ কৰিব নোৱৰা অকমন্য যোগান বিভাগ হায়! হায়! ৰঞ্জীত দাস হুঁচিয়াৰ, আদি শ্লোগানেৰে শিৱসাগৰ নগৰ উত্তাল কৰি তোলে। এই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে প্ৰকাশ কৰে যে- কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অত্যাৱশকীয় সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধি ৰোধ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে। নিৰ্মাণ সামগ্ৰী, অত্যাৱশকীয় খাদ্য সামগ্ৰী, ইন্ধনজাত সামগ্ৰীৰ লগতে বিভিন্ন সামগ্ৰীৰ যি আকাশলংঘী মূল্যবৃদ্ধি হৈছে এই মূল্যবৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যি বিশেষ ভুমিকা পালন কৰিব লাগিছিল ইয়াৰ পৰা দুয়োখন চৰকাৰে আঁতৰত আছে। যাৰবাবে সাধাৰণ জনতাই জীয়াতু ভুগিব লগীয়াত পৰিছে। কভিডকালীন পৰিস্থিতিৰ পৰৱৰ্তী সময়ত জনসাধাৰণক সকাহ দিবৰ বাবে চৰকাৰে লব লগীয়া আঁচনিৰ বিপৰীত দিশত চৰকাৰে অৱস্থান গ্ৰহণ কৰিছে। এই কথা কোনো কাৰণতেই গ্ৰহণযোগ্য নহয়। যিহেতু এখন নিৰ্বাচিত চৰকাৰৰ প্ৰাথমিক কৰ্তব্য হ'ল যে এখন দেশৰ নাগৰিকক সাৱলীলভাৱে জীয়াই থাকিবলৈ সুবিধা প্ৰদান কৰিব লাগে। কিন্তু এই সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। চৰকাৰৰ এনে ব্যৰ্থতাক সদৌ অসম ছাত্ৰ সন্থাই ধিক্কাৰ জনাইছো বুলি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গৰাকীয়ে প্ৰকাশ কৰিছে। ইয়াৰ লগতে নেতা গৰাকীয়ে প্ৰকাশ কৰে যে- অতি শীঘ্ৰে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে জনসাধাৰণক সকাহ দিবলৈ অত্যাৱশকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি হ্ৰাস কৰি জনসাধাৰণৰ সুবিধা প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰে। তেওঁ কয় যে যদি চৰকাৰে বনীয়া গোষ্ঠীৰ সৈতে মিতিৰালী অব্যাহত ৰাখি মূল্যবৃদ্ধিৰে জনসাধাৰণৰ জীৱন বিপন্ন কৰি তুলিবলৈ চেষ্টা অব্যাহত ৰাখে তেন্তে এনে বিজেপি চৰকাৰৰ বিৰুদ্ধে অনাগত সময়ত সদৌ অসম ছাত্ৰ সন্থাই তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সকীয়াই দিয়ে।

FEDERAL BANK
YOUR PERFECT BANKING PARTNER
এলচিআৰডি কলকাতা ডিভিজন
৯১এ/১, পাৰ্ক ষ্ট্ৰীট, প্ৰথম মহলা, "অৰণী চিগনেছাৰ", কলকাতা-৭০০০১৬
ফোন নং ০৩৩-৬৮১৫ ১৬৭৬/২২৬৫ ৪৩৩৪
ই-মেইল আই ডি ঃ kollcrd@federalbank.co.in, ৱেবছাইট ঃwww.federalbank.co.in,
চিআইএন ঃ এল৬৫১৯১কেএল১৯৩১পিএলচি ০০০৩৬৮

দখলৰ জাননী
(স্থাৱৰ সম্পত্তিৰ কাৰণে)

**ঋণ লওঁতাৰ নাম আৰু ঠিকনা ঃ** (১) শ্ৰীমতী বীণাপানি শৰ্মা, স্বামী- পদ্ম নাথ শৰ্মা, বাসস্থান (i) ২৭/১৭, মহেন্দ্ৰ বেনাৰ্জী পথ, ১২৯ বেহালা, জিলা ঃ দক্ষিণ পৰগনা (২৪), কলকাতা, পশ্চিম বংগ-৭০০০৬০, (ii) ফ্লেটনং- ডি ২, দেৱব্ৰত এনক্লেভ, ভাস্কৰনগৰ, কলনি বজাৰৰ সমীপত শুভম গাৰ্ডেনছৰ বিপৰীতে, গুৱাহাটী, জিলা- কামৰূপ মেট্ৰ, অসম-৭৮১০১৮, (iii) প্ৰযত্নে- মেচাৰ্ছ বি পি মেডিক'জ, পূব মণিপুৰী বস্তি ৰোড, বৃন্দাবন হোটেলৰ কাষত, পল্টন বজাৰ, গুৱাহাটী, অসম-৭৮১০০৮। (যিহেতু প্ৰধান ঋণ লওঁতা প্ৰবীৰ শৰ্মা জীৱিত নহয়, জাননী প্ৰেৰণ কৰা হৈছে আইনী উত্তৰাধিকাৰীলৈ আৰু সহযোগীলৈ)। **নিৰাপদ সম্পদৰ সবিশেষ ঃ** সম্পদৰ সকলো অংশসহ এটা আবাসীক ফ্লেট, পৰিমাপ ৯৬০ বৰ্গফুট, ফ্লেট নং- ডি-২ দ্বিতীয় মহলা, বহু মহলীয়া "দেৱব্ৰত এনক্লেভ" লগতে এখন কাৰ পাৰ্কিঙৰ স্থান ভূমি মহলাত, সমূহীয়া স্থানসহ আৰু ভূমিৰ পৰিমাপ ০.৩৬ একৰ অবিভক্ত অংশীদাৰ, মুঠ ভূমিৰ পৰিমাপ ৩ কঠা-৯ লেচাৰ ভিতৰত। অৱস্থিত আছে দাগ নং- ৩৯ (পুৰণা)/৩৩৫, ৩৩৬ (নতুন), কে পি পট্টা নং- ১০( পুৰণা)/৬৪ (নতুন), গাঁও- বৰ্ষাপাৰা, মৌজা-বেলতলাৰ অধীনত, জিলা- কামৰূপ (এম), অসম, লগতে সম্পূৰ্ণকৈ বৰ্ণনা কৰা আছে বিক্ৰী নামা নং- I/৯৮৬৯/২০১৪ তাৰিখ ০৮.০৯.২০১৪। নামত আছে শ্ৰী প্ৰবীৰ শৰ্মা, পঞ্জীয়ন হৈ আছে উপ পঞ্জীয়ক, কামৰূপ মেট্ৰ', গুৱাহাটী। সম্পদৰ চাৰিসীমাৰ বিৱৰণ ঃ উত্তৰে-উপ পথ, দক্ষিণে- মণিৰাম ৰাভাৰ ভূমি, পূবে-মূল পথ, পশ্চিমে- বীৰেণ বড়োৰ ভূমি। **অনাদায় নিৰিখ ঃ (i) ১১,৬৮,৯১৪.২০ (এঘাৰ লাখ আঠষষ্ঠী হাজাৰ ন শ চৈধ্য টকা বিশ পইচা কেৱল), একাউন্ট নং- ১৯২৪৫৫০০০০০০২১, নামত আছে মেচাৰ্ছ বি পি মেডিক'জ, ৩০.০৪.২০২২ ভিত্তিত; আৰু (ii) ২,৫৯,৭৫৯ (দুই লাখ উনাষাঠী হাজাৰ সাতশ উনষাঠী টকা কেৱল), একাউন্ট নং -১৯২৪৭৩০০০০০০২৯, নামত আছে প্ৰবীৰ শৰ্মা ১৭,০৫.২০২২ ভিত্তিত, লগতে পৰৱৰ্তী সুত আৰু অন্যান্য ব্যয়সমূহ।**

**দাবী জাননীৰ তাৰিখ ঃ ১১.০১.২০২২, দখলৰ তাৰিখ ঃ ২৪.০৫.২০২২**

যিহেতু ফেডাৰেল বেংক লিমিটেডৰ কৰ্তৃত্বশীল বিষয়া ছিকিউৰিটাইজেছন এণ্ড ৰিকনষ্ট্ৰাকচন অব ফাইনেন্সিল এছেছটচ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (ইয়াৰ পিছত উল্লেখ থাকিব আইন হিচাপে) আৰু ক্ষমতা প্ৰয়োগ কৰি উপৰোক্ত আইনৰ ধাৰা ১৩(১২), পঢ়ি উঠি ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ (ইয়াৰ পিছত উল্লেখ থাকিব বিধি হিচাপে)ৰ বিধি-৩ অনুসৰি এখন দাবী জাননী প্ৰেৰণ কৰা হৈছে ওপৰত উল্লেখ কৰা তাৰিখত উপৰোক্ত ঋণ লওতালৈ যাতে অনাদায় ধন পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। ঋণ লওঁতা অনাদায় ধণ পৰিশোধত ব্যৰ্থ হোৱা বাবে জাননীৰ জৰিয়তে ঋণ লওঁতাক আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে নিজৰ দখললৈ নিচে ওপৰত বৰ্ণনা কৰা আইনৰ ধাৰা প্ৰয়োগ কৰি তেওঁ/তাইৰ সম্পদ উপৰোক্ত আইনৰ ধাৰা- ১৩(৪) অনুসৰি, পঢ়ি উঠি উপৰোক্ত বিধিৰ বিধি-৮ ভিত্তিত উল্লেখিত তাৰিখত। ঋণ লওঁতাৰ মনোযোগ আকৰ্ষণ কৰা হ'ল যে উপৰোক্ত আইনৰ ধাৰা- ১৩(৮) অনুসৰি সময়মতে ঋণ পৰিশোধ কৰিলে বন্ধকী সম্পদ ঘূৰাই পোৱাৰ সুযোগ আছে (বন্ধকী সম্পদ)। ঋণ লওঁতাক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে উপৰোক্ত সম্পদৰ লেনদেন নকৰিবলৈ, অন্যথা ফেডাৰেল বেংক লিমিটেডক আদায় দিব লাগিব ওপৰত উল্লেখ কৰা নিৰিখৰ ধন আৰু অন্যান্য সুতসমূহ।

**তাৰিখ ঃ ২৬.০৫.২০২২**
**স্থান ঃ কলকাতা**
**ফেডাৰেল বেংক লিমিটেডৰ হৈ**
**কৰ্তৃত্বশীল বিষয়া, এছএআৰএফএইএছআই আইনৰ অধীনত**

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৬ মে' ■ ২০২২ ■ ১১ জেঠ ■ গুৱাহাটী

## নিবনুৱা সমস্যা আৰু চৰকাৰৰ কৰণীয়

ৰাজ্যখনত দিনে দিনে বাঢ়ি যোৱা নিবনুৱা সমস্যাই ৰাজ্যবাসীক চিন্তিত কৰি তুলিছে। কৰোনা মহামাৰীৰ সংহাৰ পৰিস্থিতিত আৰু লকডাউনৰ বিভীষিকাৰ আতংকই নিবনুৱাৰ সংখ্যা যেনেদৰে বঢ়াই তুলিলে সেয়া সকলোৰে বোধগম্য। বিশেষকৈ কৰোনা মহামাৰীয়ে সমগ্ৰ বিশ্ববাসীৰ বাবে অৰ্থনৈতিক কঁকাল ভাঙি পেলোৱাৰ কথা কোনেও পাহৰিব পৰা নাই। এনে অৱস্থাত ভাৰতৰ দৰে এখন অনুন্নত দেশৰ অৰ্থনীতিত কি প্ৰভাৱ পৰিব পাৰে সেয়া সকলোৰে বোধগম্য। ভাৰতৰ ভিতৰত এখন অনুন্নত অসমৰ অৱস্থাও কৰোনা মহামাৰীৰ কবলত অৰ্থনৈতিকভাৱে দুৰ্বল হোৱাটো কোনো আচৰিত কথা হ'ব নোৱাৰে। কৃষি, উদ্যোগ আদি সকলো ক্ষেত্ৰতে পিছপৰা আমাৰ ৰাজ্যখনত নিবনুৱাৰ সংখ্যা আন ৰাজ্যৰ তুলনাত অধিক, কথাটো কোনেও নুই কৰিব নোৱাৰে। অথচ স্বাধীনতাৰ সত্তৰ বছৰ পিছতো ৰাজ্যখনৰ নিবনুৱাৰ ক্ষেত্ৰত কোনো এখন চৰকাৰেই গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। বৰ্তমানৰ গেৰুৱা দলৰ চৰকাৰখনে এই সমস্যা সমাধান কৰিব বুলি নিৰ্বাচনৰ আগত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে এই ক্ষেত্ৰত কৰ্মসূচীও যুগুত নকৰাকৈ থকা নাই। তৎসত্ত্বেও এই সমস্যাটোৰ সমাধানত জনসাধাৰণে আশাৰ ৰেঙনি দেখা নাই। ক'ভিড মহামাৰীৰ সময়ত এই সমস্যাটোৱে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ এখন নগ্ন ছবি জলজল-পটপটকৈ জিলিকি আছে। অথচ এইখন চৰকাৰে ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্য ৰূপে গঢ়ি তোলাৰ স্বপ্ন দেখি আহিছে। ঠিকেই, কিন্তু ইয়াৰ বাবে অৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতাৰ যিখিনি প্ৰয়োজন সেইখিনি পূৰণ কৰিব লাগিবই। অসমত বৰ্তমান প্ৰায় ৫ লাখতকৈও অধিক শিক্ষিত নিবনুৱা আছে। নতুন চৰকাৰখনে তাৰ বাবে নিখুঁত কাৰ্যপন্থা হাতত ল'ব লাগিব। এই ক্ষেত্ৰত পৰ্যটন ক্ষেত্ৰখনত নতুন আঁচনি গ্ৰহণ কৰিব লাগে, কাৰণ অসম তথা উত্তৰ-পূবৰ ভৱিষ্যৎ পৰ্যটন ক্ষেত্ৰত যথেষ্ট ভাল। ক্ষেত্ৰটোত হোটেল উদ্যোগ, মাৰ্কেটিং, প্ৰশাসন, ছাৰ্ভিচ ইত্যাদিত হাজাৰ নিয়োগৰ সম্ভাৱনা আছে, মাথোঁ দৰকাৰ প্ৰশিক্ষণৰ। সেয়েহে উদ্যোগ, হোটেল, কাৰখানা, বিভিন্ন কোম্পানী প্ৰতিষ্ঠা আদিত অসম চৰকাৰে গুৰুত্ব দিব লাগে, লগতে অসমৰ কৃষিজাত শস্যক কেন্দ্ৰ কৰি চৰকাৰে থলুৱা লঘু-গুৰু উদ্যোগ গঢ়ি তুলিব লাগে। তেতিয়াহে কৰ্মসংস্থাপনৰ বাট মুকলি হ'ব আৰু নিবনুৱাসকল সংস্থাপিত হৈ সমস্যাটোৰ সমাধানত বিশেষ গুৰুত্ব লাভ কৰিব। ৰাজ্যত শিক্ষিত যুৱক-যুৱতীসকলক ব্যক্তিগত, চৰকাৰী খণ্ডত নিযুক্তি দিয়াৰ ক্ষেত্ৰত এক সুপৰিকল্পিত আঁচনি গ্ৰহণ কৰিব লাগিব। ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠান, কাৰ্যালয়ৰ খালী পদসমূহ অতিশীঘ্ৰে পূৰণৰ ব্যৱস্থা ল'ব লাগে। কৃষি, উদ্যোগ, বেপাৰ-বাণিজ্য, পশুপালন, কুটীৰ শিল্প আদিত নিবনুৱাসকলক জড়িত কৰিব লাগিব। নিবনুৱাসকলৰ স্বাৱলম্বনৰ বাট প্ৰশস্ত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বহুখিনি কৰণীয় আছে। নিবনুৱাসকলক কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰাৰো দিহা কৰিব পাৰে চৰকাৰে। কাৰিকৰী শিক্ষানুষ্ঠান স্থাপন, আসন বৃদ্ধি আদিত চৰকাৰে গুৰুত্ব দিব লাগে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিখনে ওঠৰৰ উৰ্দ্ধৰ বছৰৰ প্ৰতিজন নাগৰিকক বছৰি এশ দিনৰ কৰ্মসংস্থাপন দি আহিছে। এনেকুৱা কৰ্মসংস্থাপন আঁচনিৰ সৃষ্টি আশাব্যঞ্জক। অৰ্দ্ধশিক্ষিত নিবনুৱাসকলক চাৰিচকীয়া, অট'ৰিক্সা, যাত্ৰাবাহী বাহন প্ৰদান কৰিব লাগে। গ্ৰামাঞ্চলত আত্মসহায়ক গোট, কৃষক গোট আদি গঠন কৰি বিনামূলীয়া ট্ৰেক্টৰ, উন্নতজাতৰ কৃষিবীজ, কৃষি সঁজুলি আদি প্ৰদান কৰাৰ ব্যৱস্থা ল'ব লাগে চৰকাৰে। তদুপৰি দৰ্জী, পকা মিস্ত্ৰী, কাঠ মিস্ত্ৰী আদি কৰ্মৰ বাবে উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰি কৰ্মত নিয়োগ কৰিব লাগে। যুৱতীসকলৰ বাবে চিলাই, বিউটিচিয়ান আদিৰ প্ৰশিক্ষণেৰে নিয়োগ কৰি স্বাৱলম্বিতাৰ পথ দেখুৱাব লাগে। কাৰণ ৰাজ্যৰ উন্নতিত কৰ্মঠ মানৱ সম্পদৰ উপযুক্ত প্ৰয়োগ ঘাই আহিলা। তেতিয়াহে ৰাজ্যৰ নিবনুৱাৰ সমস্যাও নাইকিয়া হৈ ৰাজ্যখনক শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ স্বপ্ন সাৰ্থক হ'ব।

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# শিক্ষাগুৰুতৰে শিক্ষাৰ্থীৰ জ্ঞানৰ মান সঠিক আৰু প্ৰকৃত নম্বৰেৰে নিৰূপণ কৰক

■ মনীষা গগৈ

অজ্ঞানতা বিনাশ কৰি জ্ঞানৰ পোহৰ বিলাই ভৱিষ্যতৰ এজন বৰেণ্য ব্যক্তি হিচাপে আমাক গঢ়ি তোলাজনকে আমি শিক্ষাগুৰু বুলি কওঁ। শিক্ষকে সদায় জ্ঞানৰ পোহৰেৰে জীৱন উজ্জ্বল কৰাত অৰিহণা যোগায়। সমস্ত জ্ঞান শিক্ষাৰ্থীৰ মাজত বিলাই জীৱনটোকে উৎসৰ্গা কৰে। এজন শিক্ষকে শিক্ষাৰ্থীৰ জীৱনত কি প্ৰভাৱ পেলাব পাৰে সেয়া চাগৈ লিখাৰ প্ৰয়োজন নাই। তথাপি কেতিয়াবা লিখিবলৈ আমিও বাধ্য হৈ পৰো, যেতিয়া শিক্ষকসকল স্বাৰ্থপৰ হৈ পৰে। মোৰ এই সৰু লেখনিটোত কিছুমান সৰু কথা আলোকপাত কৰিছো, যিবোৰ আমাৰ শিক্ষাজীৱনত কিছু স্বাৰ্থপৰ শিক্ষকৰ বাবে সপোন ভাগি চূৰমাৰ হ'ব লগাত পৰিণত হৈছে। মই মোৰ লেখনিৰ জৰিয়তে শিক্ষক নামৰ মহান শব্দটোক কলংকিত কৰিব বিচৰা নাই, কিন্তু এনে কিছুমান শিক্ষকৰ বাবে এগৰাকী ভুক্তভোগী শিক্ষাৰ্থী হিচাপে লিখিবলৈ বাধ্য হৈছো। অতি সম্প্ৰতি, বিভিন্ন কাৰকৰ প্ৰভাৱত শিক্ষক সমাজৰ যি আপুৰুগীয়া মৰ্যাদা, সেই মৰ্যাদা বহু পৰিমাণে ম্লান পৰি আহিছে। ইয়াৰ অন্তৰালৰ কাৰণ বহুতো আছে যদিও একাংশ শিক্ষকৰ বৃত্তিগত দায়বদ্ধতা, সামাজিক দায়বদ্ধতা আৰু নৈতিক দায়বদ্ধতাৰ অভাৱ আৰু শিক্ষাদানৰ প্ৰতি প্ৰকাশ কৰা চৰম উদাসীনতা, বিভিন্ন কেলেংকাৰী তথা অপকৰ্মৰ সৈতে এচাম শিক্ষক জড়িত হোৱা, শিক্ষকতা বৃত্তিত যোগ্য আৰু মেধাৱীজনৰ বিপৰীতে অযোগ্য ব্যক্তিৰ সংখ্যা বৃদ্ধি আদি কাৰকে সমগ্ৰ শিক্ষক সমাজৰে মৰ্যাদা বহু পৰিমাণে যে লাঘৱ কৰিছে সি সত্য। এগৰাকী প্ৰকৃত শিক্ষক সকলোৱে হ'ব নোৱাৰে। শিক্ষক হ'বলৈ প্ৰতিভাশীল, উদ্যমী, সক্ৰিয়, আদৰ্শনীয়, বাকপটুতা, ৰসিকতা, আদৰ্শ, সক্ষমতা, যত্নপৰায়ণতা, সৃজনীশীল, সৎ, সাধু, চৰিত্ৰৱান, দায়িত্বশীল, সত্যবাদিতা, বিশ্বাসী এই সকলো গুণৰ অধিকাৰী হ'ব লাগিব।

মই পঢ়িব পাইছিলো কাৰোবাৰ লিখনিত এই কথাকেইটা, সেয়া হ'ল-- ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে.আব্দুল কালামে এজন সফল শিক্ষকৰ সংজ্ঞা নিৰ্দ্ধাৰণ কৰিবলৈ গৈ এটা প্ৰবন্ধত চিলিৰ এজন প্ৰাণীতত্ত্ববিদ, কবি মট্ৰানা (Mautrana)ৰ 'The Student's, Prayer' নামৰ কবিতাটিৰ কেইটামান শাৰী উদ্ধৃত কৰিছে এনেদৰে—

Show me so that I can stand
On your shoulders.
Reveal yourself so that I can be
Something different.
Don't impose on me what you know,
I want to explore the unknown
And be the source of my own discoveries. Let the known be my liberation, not my slavery.

এজন সফল তথা আদৰ্শ শিক্ষক এনে এজন ব্যক্তি, যাৰ সংস্পৰ্শত ছাত্ৰসকলে স্বাৱলম্বী হ'বলৈ শিকে, অসাধাৰণ কাম কৰিবলৈ প্ৰেৰণা লাভ কৰে, মৌলিক চিন্তাৰে নজনা কথা জনাৰ বাবে চিৰন্তনভাৱে উদ্ভাৱনী শক্তিৰে উজ্জীৱিত হৈ থকা যেন অনুভৱ কৰে। ওপৰত উল্লেখ কৰা কবিতাটিত এজন শিক্ষকক এডাল জখলাৰ দৰে ভবা হৈছে। যাক সকলোৱে জীৱনত ওপৰলৈ বগাবৰ বাবে অৱশ্যে ব্যৱহাৰ কৰে, কিন্তু জখলা সদায় নিজৰ ঠাইতে ৰৈ যায়। নিতান্তই ই এক মহৎ বৃত্তি। আমাৰ ভাৰতীয় দৰ্শনত এজন শিক্ষক বা গুৰুৰ স্থান হ'ল পিতৃ-মাতৃৰ পিছতে ভগৱানৰো আগতহে।

কিন্তু কথা হ'ল, এই ভগৱানৰো আগত বুলি ভবা কিছু শিক্ষকে শিক্ষক নামৰ মহান অৰ্থটোক মোহাৰি পেলাবলৈ কুণ্ঠাবোধ কৰা নাই। মই নিজে এগৰাকী ভুক্তভোগী ছাত্ৰী। এটা পৰীক্ষাৰ বাবে আমি দিন-ৰাতি একাকাৰ কৰি বহুত কষ্ট কৰি পঢ়িব লগা হয়। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ অভিভাৱকৰ সপোন থাকে নিজৰ ল'ৰাটো বা ছোৱালীজনী পঢ়ি-শুনি ভাল কিবা এটা কৰিব। ঘৰখনলৈ সুখ আনিব। কিন্তু সন্তানে কষ্ট কৰিও কেতিয়াবা আশা কৰা ফল যেতিয়া লাভ নকৰে, কেৱল শিক্ষাৰ্থীজনৰে নহয়, সেইসকল শিক্ষাৰ্থীৰ অভিভাৱকৰ মনত আঘাতে হেঁচা মাৰি ধৰে। মই ক'ব বিচাৰিছো শিক্ষকে সকলো শিক্ষাৰ্থীক সম দৃষ্টিৰে চাব লাগে। প্ৰায় পৰীক্ষাৰ নম্বৰৰ ক্ষেত্ৰত দেখা যায় নিজৰ ভাল লগা শিক্ষাৰ্থীজনক পোৱাৰ অযোগ্য হ'লেও সৰহকৈ নম্বৰ দি আগুৱাই নিব বিচাৰে। কিন্তু যাক মনৰ পৰা কিবা কাৰণতে হওক বা অকাৰণতে হওক চকুপাৰি দেখিব নোৱাৰে, পোৱা নম্বৰবোৰো কুবুদ্ধি ৰচনা কৰি কমাই আনি সপোনবোৰলৈ অন্ধকাৰ মাতি আনে। মই অনুৰোধ কৰিছো হে মহান শিক্ষাগুৰুৱে শিক্ষাৰ্থীৰ প্ৰাপ্য সদায় প্ৰাপ্য হৈ থাকিবলৈ দিয়ক। তেওঁলোকৰ বহুত সপোন থাকে। কাৰোবাৰ হয়তো দেউতাক-মাক অসুখীয়া, পঢ়ি-শুনি ভাল চাকৰি এটা লৈ চিকিৎসা কৰি পুনৰ জীৱন দিয়াৰ সপোন, কাৰোবাৰ ঘৰখনক নতুনকৈ সজোৱাৰ সপোন ইত্যাদি বহুতো। এই যে মুখত হাঁহি লৈ জাক জাক শিশু বিদ্যালয়লৈ যায় তাত থকা প্ৰতিজনৰে সপোন ভিন্ন। দুখ ভিন্ন। কোনোবাই হয়তো পিতৃ-মাতৃ অবিহনে কিতাপৰ বোজাটো চাৰি বছৰ বয়সৰ পৰা বহন কৰি আহিছে। কেৱল শিক্ষাগুৰুৰ ওপৰত প্ৰবল বিশ্বাস ৰাখি অধ্যয়ন কৰি গৈছে। মই প্ৰাথমিক পৰ্যায়ৰ কথা ক'বলৈ যোৱা নাই, উল্লেখ কৰিব বিচাৰিছো বিশ্ববিদ্যালয়ৰ পৰ্যায়ৰ কথা। এইটো বয়স সপোনে পূৰ্ণতা পোৱা বয়স। দিন-ৰাতি একাকাৰ পাম বুলি ভবা নম্বৰটো যেতিয়া কমাই দিয়ে, বুকুৰ মাজত থকা জুইকুৰাই দহি দহি মাৰিব খোজে । বহুত কষ্ট পাওঁ আমি। বৌদ্ধিক ক্ষেত্ৰৰ বিকাশত যিখন ক্ষেত্ৰই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে, সেই ক্ষেত্ৰখনেই হ'ল শৈক্ষিক ক্ষেত্ৰ। গতিকে শিক্ষা অবিহনে আমাৰ জীৱন অৰ্থহীন। এজন নিৰক্ষৰ মানুহৰো এটা উচ্চশিক্ষিত মন থাকিব পাৰে আৰু তাৰ বিপৰীতে এজন আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত উচ্চ ডিগ্ৰীধাৰী লোকৰ মনো অশিক্ষিত মনৰ সাঁচৰ হৈ থাকিব পাৰে। মহামতি অশোক, আকবৰ অথবা চাওলুং চুকাফাই আনুষ্ঠানিক শিক্ষাৰে কিমানদূৰ শিক্ষিত হৈ ইতিহাসক কেনেধৰণৰে গতি প্ৰদান কৰি নিজৰ নাম আৰু কৰ্মক সোণালী আখৰেৰে কাললৈ জাকত জিলিকাবলৈ সক্ষম হৈছিল, সেইটো সৰ্বজন স্বীকৃত বিষয়। মহান দাৰ্শনিক, আদৰ্শ শিক্ষাবিদ ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণণে কৈছিল— "শিক্ষকসকল সমাজৰ এক শাশ্বত প্ৰয়োজন। তেওঁলোকে বৌদ্ধিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত কৌশল এটা প্ৰজন্মৰ পৰা আন এটালৈ সংবহন কৰি সভ্যতাৰ চাকিগছি জ্বলাই ৰাখে।" সেয়েহে ক'ব খোজো বিশেষকৈ বিশ্ববিদ্যালয় পৰ্যায়ত শিক্ষাৰ্থীৰ প্ৰাপ্য নম্বৰক লৈ যি হেতালি খেলা হয় সেয়া গ্ৰহণযোগ্য নহয়। শিক্ষাৰ্থীয়ে মাত মাতিলেও ওলোটাই আকৌ প্ৰতিশোধৰ ভাৱ মনত পুহি ৰাখে। এয়া এজন প্ৰকৃত শিক্ষাগুৰুৰ বাবে অতি লজ্জাজনক বিষয়। মই ক'ব নিবিচাৰো যে অসমৰ প্ৰতিখন বিশ্ববিদ্যালয়ত এনে হয়, কিন্তু যিবিলাকত হয় বা মই নিজে ভুক্তভোগী ছাত্ৰী হিচাপে জনাওঁ যে আমাকো সমদৃষ্টিৰে চাবলৈ শিকক। আমাৰ প্ৰাপ্য আমাক দিয়ক। আমাৰো সপোন আছে, দিঠকত পৰিণত হ'বলৈ সুবিধা দিয়ক।

(সদৌ শেষত - প্ৰতিজন শিক্ষাগুৰুলৈ প্ৰণিপাত জনাই মনৰ অনুভৱটি সামৰিলো।)

# নৱ-প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষকৰ অৰ্হতা সম্পন্ন টিউটৰসকলৰ সমস্যা আৰু সমাধান

■ ফখৰুদ্দিন আহমেদ

যোৱা ১৪ মে', ২০২২ তাৰিখ শনিবাৰে অসম চৰকাৰৰ শিক্ষা বিভাগৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বৃহৎ নিয়োগ মেলা অনুষ্ঠিত হৈ যোৱা কাৰ্য সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য। অসমৰ প্ৰাথমিক, মধ্য, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰ্যায়ত খালী হৈ থকা শিক্ষক পদত এই নিয়োগ মেলাত টেট উত্তীৰ্ণসকলৰ পৰা নিযুক্তি প্ৰদান কৰা হয়। এই মুক্ত নিযুক্তি প্ৰক্ৰিয়াত নিযুক্তিপ্ৰাপ্ত শিক্ষকসকলে কোনেও কাকো উপঢৌকন নিদিয়াকৈ নিযুক্তি লাভ কৰা কাৰ্য অসমত বিজেপি দলে দ্বিতীয়বাৰৰ বাবে দক্ষ মুখ্যমন্ত্ৰী সন্মানীয় ডঃ হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ নেতৃত্বত গঠিত চৰকাৰখনৰ একক আৰু অনন্য কৃতিত্ব ৰূপে সদায় স্বীকৃত হৈ থাকিব।

এই নিযুক্তিত মোৰ লগত আত্মিক সম্পৰ্ক থকা জানিব পৰাৰ আওতাৰ ভিতৰত দুগৰাকীয়ে নিযুক্তি পাইছে। দুয়োগৰাকীয়ে এই কথা ফোন যোগে মোক অৱগত কৰিছে। তাৰে এগৰাকী হৈছে দৰঙৰ ছিপাঝাৰৰ নৱ প্ৰাদেশীকৃত সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একালৰ মোৰ অতি প্ৰিয় ছাত্ৰ মৰমৰ মোস্তাক আলম। এওঁ ডিব্ৰুগড় জিলাত নিযুক্তি লাভ কৰিছে। আনগৰাকী হৈছে বিগত ২০১৭-১৯ শিক্ষাবৰ্ষত আমি একেলগে দৰং জিলাৰ ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত শিক্ষক প্ৰশিক্ষণ লৈছিলো। নাম হৈছে নুৰুল আমিন। ঘৰ দৰং জিলাৰ বেছিমাৰী অঞ্চলত। এই মোতকৈ বয়সত সৰু হ'লেও বন্ধুত্বৰ এনাজৰীৰে সম্পৰ্কিত। ফোনত আমিনে প্ৰসংগত ক'লে যে তেওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এগৰাকী স্নাতকোত্তৰ শিক্ষক হিচাপে পূৰ্ণ পৰ্যায়ৰ দৰমহা সহকাৰে নিযুক্তি পাইছে। শুনি বহুত সুখ পালো যদিও তাতকৈ বহু বেছি চিন্তান্বিত হ'লো চৰকাৰৰ বৈষম্যভৰা নীতি-নিয়মৰ কথা ভাবি। মই নিজেও বিগত ১৯৯৮ চনৰ পৰা অপ্ৰাদেশীকৃতভাৱে বিনা দৰমহাৰে শিক্ষকতাৰ সেৱা আগবঢ়াই থকাৰ পিছত ২০২১ বৰ্ষৰ ৩০ নৱেম্বৰৰ দিনা অসম চৰকাৰে গুৱাহাটীৰ কলাক্ষেত্ৰ প্ৰাংগণত অনুষ্ঠিত কৰা নিযুক্তি সমাৰোহত পদ প্ৰাদেশীকৰণৰ আওতাত স্নাতকোত্তৰ শিক্ষক হিচাপে নিযুক্তি পাইছিলো। নিযুক্তি-পত্ৰ মেলি চাই দেখিলো মোৰ দৰে বহুতকে শিক্ষক হ'বলৈ সম্পূৰ্ণ অৰ্হতা থকাৰ পিছতো স্নাতকোত্তৰ শিক্ষক (টিউটৰ) হিচাপে নিযুক্তি দিছে মাত্ৰ ১৬,২০০.০০ টকা দৰমহাত। এককথাত 'ফিক্সড্ পে'। জীৱনৰ প্ৰায় ২৩ বছৰ মানুহ গঢ়াৰ বাবে কালাতিপাত কৰাৰ পিছত এই বিড়ম্বনাত অসম চৰকাৰে আমাক প্ৰক্ষেপ কৰা কাৰ্যত দুখিত হৈছিলো যদিও আমাৰ নিযুক্তি-পত্ৰৰ ৫ নং দফাত থকা কথাখিনি পঢ়ি অলপ আশ্বস্ত হ'লো। তাত লিখা আছিল যে সেই নিযুক্তিৰ দিনাখনত যিসকলে উপযুক্ত অৰ্হতা থকাৰ পিছতো টিউটৰ হিচাপে নিযুক্তি পালে তেওঁলোকক পিছৰ পৰ্যায়ত নিযুক্তিৰ দিনাখনৰ পৰাই শিক্ষক হিচাপে দা-দৰমহা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব। অৰ্থাৎ সম্পূৰ্ণ দৰমহা পাব। এই সম্পৰ্কত উক্ত নিযুক্তিৰ দিনাখনেই এই সম্পৰ্কত সাংবাদিকে কলাক্ষেত্ৰ প্ৰাংগণত অসমৰ শিক্ষামন্ত্ৰী মাননীয় ডাঃ ৰণোজ পেগু মহোদয়ক কৰা প্ৰশ্নৰ উত্তৰত তেখেতে উপযুক্ত অৰ্হতাসম্পন্নসকলৰ যিসকলক টিউটৰ হিচাপে নিযুক্তি দিয়া হৈছে তেওঁলোকক অনতিপলমে স্নাতকোত্তৰ শিক্ষক পদলৈ উন্নীত কৰা হ'ব বুলি মন্তব্য কৰিছিল।

২০১৭ চনৰ অসম ভেঞ্চাৰ বিদ্যালয় (পদ আৰু শিক্ষানুষ্ঠান পুনৰ গঠন ) প্ৰাদেশীকৰণ আইন আৰু ২০১৮ চনৰ সংশোধনী মতে বিশেষকৈ উচ্চতৰ মাধ্যমিক আৰু ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ত শিক্ষক হিচাপে নিযুক্তি পাবলৈ স্নাতকোত্তৰ পৰীক্ষাত ৫০% বা তাৰ ওপৰত লগতে বি এড্ অৰ্হতাসম্পন্ন হ'ব লাগিছিল যদিও নিযুক্তিৰ ক্ষেত্ৰত এনে অৰ্হতা থকা শিক্ষকসকলৰ বহুতে ২০২১ চনৰ ৩০ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ কলাক্ষেত্ৰ প্ৰাংগণত শিক্ষক হিচাপে নিযুক্তি পোৱাৰ বিপৰীতে টিউটৰ হিচাপেহে নিযুক্তি লাভ কৰিছিল।

বিচাৰ্য বিষয়টি হৈছে— সম মৰ্যাদাৰ পদত সম অৰ্হতাৰ নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে প্ৰাদেশীকৰণ নিযুক্তি আৰু চৰকাৰী নিযুক্তিত একে নীতি প্ৰয়োগ নকৰিলে। দুই-আঢ়ৈ দশক কোনো দৰমহা নোপোৱাকৈ শিক্ষকতাৰ সেৱা আগবঢ়াই অহা মোৰ দৰে বহুতো শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে গ্ৰহণ কৰা এই নীতি সঁচাকৈয়ে প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক পদৰ বাবে অৰ্হতা সম্পন্ন টিউটৰ সকলৰ বাবে বাৰুকৈয়ে নেতিবাচক দিশ হিচাপে চিহ্নিত হয় থাকিব।

সাম্প্ৰতিক সময়ত ৰাজনীতিৰ চাণক্য খ্যাত অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মহোদয়ে যদি এই দুৰ্ভগীয়া শিক্ষকসকলৰ প্ৰতি সুদৃষ্টি নিক্ষেপ কৰে তেতিয়াহ'লে হয়তো আমাৰ নিযুক্তি-পত্ৰত উল্লেখ কৰা ৫ নং দফাটি তৎকালীনভাৱে বলৱৎ হ'ব। নহ'লে বছৰৰ পিছত বছৰ ধৰি এনে অৱস্থাত কিমান দুৰ্দিন পাৰ হ'ব তাক হিচাপ কৰিব পৰাৰ কোনো পৰ্যায় নাথাকিবগৈ।

শিক্ষকসকল শিক্ষক হৈ থাকিব লাগিলে যি ধৰণৰেই নিযুক্তি নহওক কিয় তাত নীতি-নিয়মৰ বৈষম্য থাকিব নালাগিব। সন্মানীয় মুখ্যমন্ত্ৰীগৰাকীয়ে অসমত মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত বাৰুকৈয়ে মনোনিৱেশ কৰি আহিছে, তেখেত পূৰ্বৱৰ্তী পৰ্যায়ত অসমত শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ৰ পৰাই। অলপতে তেখেতে সাংবাদিকৰ সমুখত শিক্ষক সমাজে আন্দোলন কৰিব নালাগে বুলি কৈছে। কাৰণ শিক্ষকে আন্দোলন কৰিলে নিৰ্দোষী ছাত্ৰ-ছাত্ৰীসকলৰহে অপকাৰ হয়। এই ক্ষেত্ৰত মহানুভৱ অসম চৰকাৰৰ শিক্ষা বিভাগৰো কিছু কৰণীয় আছে বুলি মই ভাবো। নিযুক্তিৰ ক্ষেত্ৰত বৈষম্যমূলক নীতি-নিয়মৰ যাতে প্ৰয়োগ নহয় তাৰ প্ৰতি সজাগ নহ'লে আন্দোলন কৰি প্ৰাপ্য আদায় কৰিব লগা পৰিস্থিতি আৰু পৰিৱেশ নিজাববীয়াকৈয়ে গঢ় লৈ উঠিব। আমি আশা কৰিছো এই ক্ষেত্ৰত অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সুদৃষ্টি ৰাখি বিষয়টি সমাধানত গুৰুত্ব দিবলৈ অনুৰোধ জনালো।

মোবাইল নং - ৮৬৩৮৩১২৭০৭

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### ■ প্ৰেমৰ প্ৰতীক আজি ন্যায়ালয়ৰ কাঠগড়াত ■
# কঁপি উঠে কিয় তাজমহল

■ আফজাল আলী খণ্ডকৰ

অসমীয়া চিনেমা 'চিৰাজ'ৰ সেই চিৰসেউজ 'কঁপি উঠে কিয় তাজমহল' গীতটোলৈ মনত পৰিছে । ড° ভূপেন হাজৰিকাই ১৯৮৮ চনতে চিনেমাৰ গীতৰ জৰিয়তে কৈ যোৱা কথাষাৰ বা গীতৰ কলিটো বৰ্তমান আজি আপ্তবাক্যত পৰিণত হৈছে। সঁচাই আজি তাজমহল কঁপি উঠিছে নেকি? মোগল সম্ৰাট ছাহজাহানৰ দ্বিতীয় প্ৰিয়তমা পত্নী আৰ্জুমান বানু বেগম, যাক মমতাজ বুলি জনাজাত। অতি মৰমৰ পত্নী মমতাজৰ মৃত্যুৰ পিছত পবিত্ৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মিত স্মৃতিসৌধ হিচাপে ১৬৩২ খৃষ্টাব্দত (সম্পূৰ্ণ হৈছিল ১৬৫৩ খৃষ্টাব্দত) নিৰ্মাণ কৰা মহলটোৱে হ'ল তাজমহল। শ শ বছৰ গুজৰি যোৱাৰ পিছতো বয়সেও কেতিয়াও তিলমানো আঁচোৰ পেলাব নোৱাৰা সমগ্ৰ বিশ্বৰ আশ্চৰ্যৰ ভিতৰত এবিধ হ'ল তাজমহল। সম্ৰাট ছাহজাহানে সৃষ্টি কৰি যোৱা আগ্ৰাৰ যমুনাৰ পাৰত চিৰদিন-চিৰকালৰ বাবে সগৌৰৱে বিশ্বক জিলিকাই থিয় হৈ থকা তাজমহল ভাৰতৰ ৰেভিনিউ সংগ্ৰহৰো অনন্য আৰু এক নম্বৰ প্ৰাচীন সম্পদ বুলিও ক'ব পৰা যায়। জন্মৰে পৰা এতিয়ালৈ তাজমহলক লৈ বহুজনে বহু সৃষ্টি কৰিলে । গান, কবিতা, চিনেমা, নাটকৰ কাহিনীভাগ কিমান সৃষ্টি হ'ল তাৰ কোনো লেখ-জোখ নাই। তাজমহলক লৈ উৎসুকতা প্ৰতিজন দৰ্শনাৰ্থীৰে থাকি যায়। বহু জ্ঞানী-গুণী ব্যক্তি তথা ঋষি-মুনিয়ে বহুত বৰ্ণনাই কৰিছে। ইয়াৰ বৰ্ণনাৰো শেষ নাই। ভাৰতবৰ্ষৰ গৌৰৱবিধক লৈ বছৰৰ পিছত বছৰ গুজৰি যোৱাৰ পিছতো কেতিয়াও ধৰ্মীয় বিবাদ বা বিতৰ্ক হোৱা নাছিল। এতিয়া আহিছে ঐতিহাসিক সম্পদবিধক লৈ ধৰ্মীয় বিবাদ। চৰকাৰী সমৰ্থনপুষ্ট কিছুমান বিতৰ্কিত নেতাই দেশত প্ৰায়ে বিতৰ্কিত মন্তব্য দি আহিছে। যাক দেশৰ আইন-কানুনে ঢুকি নাপায়। কিছু হিন্দুত্ববাদী সংগঠনৰ স্বয়ম্ভু নেতা আৰু গণতান্ত্ৰিকভাৱে নিৰ্বাচিত কিছুমান ৰাজনৈতিক নেতাই নিজৰ ধৰ্মটোক আৰু তাজমহলক লৈ বহুৱালি কৰাৰ বাহিৰে একো নহয়। এইধৰণৰ নেতাই কেতিয়াও জনতাৰ দুখ-দুৰ্গতিৰ কথা নকয়। ধৰ্মীয় বিবাদেৰে নিজৰ ৰাজনৈতিক খান্দহ খোৱা বালি জীয়াই ৰাখিব বিচাৰে । আৰু তাৰেই হয়তো উৎকৃষ্ট উদাহৰণ আজি কেইবছৰমান আগৰ পৰা তাজমহলক লৈ কিছুমান নাভূত-নাশ্ৰুত ইতিহাস সাঙুৰি বিতৰ্কৰ আঙুলি টোঁৱাই অহা আমাৰ চকুত পৰিছে। তাজমহল বিশ্বৰ আশ্চৰ্যকৰে নহয়, ই এটা সমন্বয়ৰো প্ৰতীক হিচাপত চিহ্নিত হৈ আহিছে । সমগ্ৰ বিশ্বৰে নানান দেশী-বিদেশী জাতি-ধৰ্মৰ মানুহে কোনো দ্বিধা বোধ নোহোৱাকৈ দৰ্শন কৰি আহিছে। দেশ-বিদেশৰ মানুহৰ মিলন হৈছে। বিলাইছে সমন্বয়ৰ বাৰ্তা । আৰু এই শান্তি-সমন্বয়ৰ মিলন দেখিব নোৱাৰা উগ্ৰ চকুচৰহাবোৰে নানান কূট-কৌশল ৰচনা কৰি বিভেদগামী পন্থাবোৰ হাতত লয়। মানৱ প্ৰেমৰ অন্যতম নিদৰ্শন আৰু ভাতৃত্ববোধ, শান্তি-সমন্বয়ৰ মিলন স্থল তাজমহলক লৈ সেইসকলৰ মূৰৰ কামোৰণি উঠিছে। নিজে গঢ়িব নোৱাৰা সৃষ্টিৰাজিক ধ্বংস কৰিবলৈ উঠিপৰি লাগিছে । দেশৰ মূল সমস্যাবোৰৰ পৰা মানুহক বহু দূৰত ৰাখিবলৈ যিকোনো প্ৰকাৰে চেষ্টা কৰা এইসকল ধৰ্মান্ধই জানি-বুজি এইবোৰ কৰি থাকে বুলি অনুমান হয়। শেহতীয়াকৈ যি তাজমহল বিতৰ্ক হৈছে এয়া অতি দুখজনক আৰু অনাগত সময়ত ভয়াৱহতাৰ আগজাননী বুলিও অনুমান কৰিব পাৰি । উত্তৰ প্ৰদেশৰ এগৰাকী বিজেপি সাংসদ ড° ৰাজনিশ সিঙে এলাহাবাদ উচ্চ ন্যায়ালয়ত এখন দাখিল কৰিছিল নাভূত-নাশ্ৰুত দাবীৰে। সাংসদগৰাকীৰ মূল দাবী হ'ল— তাজমহল বনোৱা ঠাইটুকুৰাত পূৰ্বতে 'তেজু মহালয়' বুলি এটা 'শিৱ মন্দিৰ' আছিল। মোগল সম্ৰাট ছাহজাহানে এই শিৱ মন্দিৰটো ভাঙি তাত তাজমহল নিৰ্মাণ কৰিছে। ড° সিঙে আৰু দাবী কৰিছে যে তাজমহলৰ ভিতৰত বিশ-বাইশটা বন্ধ কোঠা আছে। এই বন্ধ কোঠাকেইটা খুলিব লাগে। বন্ধ কোঠাকেইটাত হেনো কিবা ৰহস্য লুকাই আছে। কথাবোৰৰ সঁচা-মিছা কোনেও নাজানে । কিন্তু সাংসদজনৰ বাবে দুৰ্ভাগ্যজনক কথা এয়ে যে বিষয়টো ন্যায়ালয়ৰ মজিয়ালৈ নি নিজে একপ্ৰকাৰৰ ধমক খাব লগা হ'ল। দেশৰ অৰ্থনৈতিক ব্যৱস্থা দিনকদিনে অধঃপতন, নিবনুৱা সমস্যা, মুল্যবৃদ্ধি আদিকে ধৰি কুলাই-পাচিয়ে নধৰা জীয়া সমস্যাবোৰ জনতাৰ চকুৰ পৰা দূৰত ৰাখিবলৈ মূলতঃ আমাৰ জনপ্ৰতিনিধিয়ে এই চৰিত্ৰ অৱলম্বন কৰে । প্ৰকৃত ছবিখন লুকুৱাই ৰাখি বিকৃত ছবি দেশৰ জনতাৰ সমুখত দাঙি ধৰাটোৱে প্ৰধান কাম আৰু সফলতাৰ মূল চাবিকাঠী বুলি ভাবে। এইসকল হিন্দুত্ববাদী নেতাৰ লক্ষ্য-উদ্দেশ্য সদায়েই বিপৰীতমুখী। সাধাৰণ জনতাৰ ভিতৰত কিবা নহয় কিবা এটা সন্দেহজনক বিষাক্ত বীজ মনৰ ভিতৰত ভৱিষ্যতলৈ সুমুৱাই দিয়াটোৱে সফলতা। আৰু সফল হৈছেও । মাননীয় এলাহাবাদ উচ্চ ন্যায়ালয়ে ড° সিঙক উচিত প্ৰত্যুত্তৰ দিছে যদিও তাজমহলক লৈ কু-অভিসন্ধি ৰচনাকাৰীসকলে বিতৰ্কৰ সূচনা কৰি আহিব লগা সময়বোৰত একপ্ৰকাৰৰ সংঘাতৰ পথ প্ৰশস্ত কৰি থৈ গ'ল। আচলতে এইসকল নেতাই বিচাৰে কি ? সংঘাত লগোৱাটোৱে কাম্য নেকি ? ধৰ্ম ধৰ্ম, সকলোতে কেৱল ধৰ্ম। নিজৰ ধৰ্মটোক ৰাজনৈতিক ক্ষেত্ৰখনত আনি লৈ একাংশ নীচ মানসিকতাৰ মানুহে ধৰ্মৰ দোহাই দি গৈ গৈ দেশৰ প্ৰাচীন সম্পদসমূহকো নেৰিলে।

আচলতে বিশ্বৰ দেশসমূহৰ নানা ঘটনা-পৰিঘটনাৰ পৰা আমি দেখি আহিছো আৰু ভালদৰে বুজিব পাৰিছো, যিবোৰ দেশত ধৰ্মই বেছি প্ৰাধান্য পাইছে সেই দেশত মানৱতা শেষ হৈছে। জুই জ্বলিছে, অস্থিৰতা-উত্তেজনা বৃদ্ধি পাইছে । গতিকে শান্তিৰ ভাৰতত অশান্তিৰ বীজ ৰোপকসকলক জনতাই বুজিব লাগে। পৃথিৱীৰ ভিতৰতে শক্তিশালী গণতন্ত্ৰৰ দেশ বুলি জনাজাত ভাৰতবৰ্ষক বিশ্বৰ বুকুত চিৰদিন-চিৰকাল প্ৰবহমান কৰি ৰাখিবলৈ ধৰ্মান্ধতাক বাদ দি প্ৰকৃত মানৱ ধৰ্মক আঁকোৱালি ল'ব লাগে । বিশ্ব সম্প্ৰদায়ত কিবা সাম্প্ৰদায়িকতা চলি আছে সেইবোৰ আমাৰ চোৱাৰ প্ৰয়োজন নাই। আমাৰ দেশ আমাৰ সংবিধান মানি যোগাত্মক দৃষ্টিৰে আগবাঢ়িলে সকলোৰে মঙ্গল হ'ব।

ফোন ঃ ৬৯১৩২২৯৭১৭

# উন্মাদ ট্ৰাকচালকসকলক নিয়ন্ত্ৰণ কৰিব কোনে?

■ ৰাতুল শৰ্মা

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰত্যেক দিনাই সংঘটিত হয় অলেখ সৰু-বৰ দুৰ্ঘটনা। এই দুৰ্ঘটনাবোৰে প্ৰতি-বছৰেই অসংখ্য লোকৰ প্ৰাণ কাঢ়ি নিয়ে। বহুতকে চিৰজীৱনৰ বাবে পংগু কৰি যায়। যাৰ ফলত সেই আহত ব্যক্তি গৰাকীয়ে চিৰদিন যন্ত্ৰণাৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হয়। নিহত লোকসকলৰ পৰিয়ালত হোৱা অপূৰণীয় ক্ষতি কোনোৱেই আৰু পূৰণ কৰিব নোৱাৰে। শেহতীয়াকৈ ছিপাঝাৰত হোৱা ভয়ংকৰ পথ দুৰ্ঘটনাই সমগ্ৰ ৰাজ্য জোঁকাৰি গৈছে। পুৱা দৌৰিবলৈ যোৱা এদল কিশোৰ আৰু প্ৰাত:ভ্ৰমণ কৰিবলৈ যোৱা দুগৰাকী মহিলাক দ্ৰুতবেগী ট্ৰাক এখনে মহটিয়াই নিয়াৰ ফলত তিনিজন কিশোৰ আৰু দুগৰাকী মহিলাৰ থিতাতে মৃত্যু হৈছে। আনহাতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ৰাজ্যত পৰিবহণ বিভাগ বুলি বিয়াগোম বিভাগ এটা থকাৰ কথা আমি সকলোৱেই জানো। এই পৰিবহণ বিভাগৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন ব্যৱস্থাও গ্ৰহণ কৰিছে। কিন্তু সঁচাকৈয়ে কাৰ্যক্ষেত্ৰত পৰিবহণ বিভাগ কিমান সফল তাক লৈ আজি প্ৰশ্ন উত্থাপন হৈছে। যাত্ৰাপথত ৰখাই অকল গাড়ীৰ কাগজ-পত্ৰ তালাচী কৰিয়েই পৰিবহণ বিভাগৰ অস্তিত্ব জাহিৰ কৰিলে নহ'ব। আমি সকলোৱে জানো যে পথ দুৰ্ঘটনাসমূহ সংঘটিত হোৱাৰ অন্যান্য কাৰণসমূহৰ ভিতৰত অন্যতম হৈছে সুৰা। চালকে বিভিন্ন নিচাজাতীয় দ্ৰব্য সেৱন কৰি গাড়ী চলোৱাৰ বাবে বিশেষকৈ নিশাৰ ভাগত প্ৰায়েই বিভিন্ন দুৰ্ঘটনা সংঘটিত হয়। লগতে নিশাৰ ভাগত হোৱা দুৰ্ঘটনাসমূহৰ অন্যতম কাৰণ হৈছে নিয়ন্ত্ৰণহীন অত্যধিক গতিবেগ। এই ক্ষেত্ৰত গধুৰ যান-বাহনসমূহৰ নাম প্ৰথমেই ল'ব লাগিব। দিন-দুপৰতে এই বাহনসমূহে অন্যান্য পদচাৰীসকলক সহজে বাট এৰি দিয়া পৰিলক্ষিত নহয়। ৰাতি হ'লেতো বেছিভাগ উন্মাদ ট্ৰাকচালকে নিজেই ৰাজপথৰ ৰজা বুলি ভাবে। ট্ৰাকসমূহৰ উপৰি ডাম্পাৰ, ট্ৰেক্টৰ আদিৰ চালকসকলৰ মইমতালিও দিনক দিনে বৃদ্ধি হৈয়ে গৈ আছে। এইসকল চালকৰ পৰিবহণ বিভাগৰ নীতি-নিয়মসমূহক অংগুষ্ঠ দেখুৱাই সাধাৰণ জনতাৰ জীৱনৰ লগত হেতালি খেলাৰ অধিকাৰ নিশ্চয় নাই। দুৰ্ঘটনা হয়তো কোনোৱেই কৰো বুলি নকৰে। দুৰ্ঘটনা কেতিয়া হয় কোনেও নাজানে যদিও আমি দুৰ্ঘটনা প্ৰতিৰোধ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। অসম চৰকাৰেও দুৰ্ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা নীতি-নিয়মসমূহ কাৰ্যক্ষেত্ৰত কঠোৰভাৱে প্ৰয়োগ কৰক। দিনৰ দৰেই নিশাৰ ভাগতো তালাচী কটকটীয়া কৰক। নিৰ্ধাৰিত গতিবেগ ভংগ কৰা বাহনসমূহৰ লগতে সুৰাসক্ত উন্মাদ চালকসকলৰ বিৰুদ্ধে কঠোৰতকৈও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় এনে ভয়ংকৰ দুৰ্ঘটনাসমূহ কিছু পৰিমাণে প্ৰতিৰোধ হোৱাৰ সম্ভাৱনা আছে।

ফোন ঃ ৭০০২১৭২৯১৮

## জিতু গগৈৰ মৃত্যু বাৰ্ষিকীত সুঁৱৰিছো




দেউতা ঃ এবছৰ হ'ল আজি দেউতাই এই সংসাৰ ত্যাগ কৰা। মৃত্যু এক চিৰসত্য; কিন্তু আপুনি ইমান সোনকালে এই সংসাৰ এৰি (মা আৰু মোক) আমাৰ মাজৰ পৰা আঁতৰি যাব বুলি ভবা নাছিলো। কিন্তু নভবা কথাটোৱে হৈ গ'ল। তিনিও যেনেকৈ আছিলোঁ ভালে আছিলোঁ, কিন্তু হঠাৎ আহিছিল সেই কাল অমানিশাটো। যিটোৱে মাৰ শিৰৰ সেন্দূৰ আৰু স্বামীক কাঢ়ি লৈ গ'ল, দি গ'ল বিধৱা নামৰ শব্দটো। মই হেৰুৱালোঁ দেতা (দেউতা) নামৰ মৰমৰ শব্দটো। দেউতাৰ মৰম, আব্দাৰ, শাসন আৰু বহুতো শব্দৰে হয়তো প্ৰকাশ কৰিব নোৱাৰি। আপুনি আমাক এৰি যোৱাৰ পিছৰ পৰা নিজকে শূন্য যেন অনুভৱ হয়, বুকুখন বিষায়, এক মুহূৰ্তৰ বাবে নিজকে অকলশৰীয়া যেন অনুভৱ হয়; কিয়নো আপোনাৰ বাহিৰে মাৰ আৰু মোৰ জীৱনত আছেনো কোন! এতিয়া সাহসী হৈছোঁ জানেনে দেউতা! প্ৰতিটো সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ শিকিছো। অভাৱ হয় যদিও চলি গৈছে জীৱন। আপোনাৰ ছোৱালীক লৈ আপোনাৰ যি সপোন আছিল সেই সপোন পূৰাবলৈ মই দৃঢ়প্ৰতিজ্ঞ। মাথোঁ আপুনি য'তেই আছে শান্তিত থাকক আৰু আমাক তাৰ পৰাই আশীৰ্বাদ দি থাকিব আপোনাৰ পত্নী আৰু একমাত্ৰ ছোৱালীজনী যাতে ভালে থাকে। আপোনাৰ আজি এই এবছৰীয়া মৃত্যু বাৰ্ষিকীত মা আৰু মই, লগতে পৰিয়ালবৰ্গই শ্ৰদ্ধাৰে সুঁৱৰিছো।

পত্নী ৰশ্মিৰেখা গগৈ
জী মুনমী গগৈ



# ইটাখোলাত বিশ্বনাথ জিলা চাহ জনগোষ্ঠী সাহিত্য সভাৰ উদ্যোগত প্ৰতিনিধি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৫ মে'ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাত চাহ জনগোষ্ঠী সাহিত্য সভা বিশ্বনাথ জিলাৰ উদ্যোগত যোৱা সোমবাৰে প্ৰতিনিধি সভা অনুষ্ঠিত হৈ যায়। ইটাখোলাস্থিত শ্ৰীমন্ত শংকৰদেৱ ভৱন প্ৰাংগণত বিশ্বনাথ জিলা চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভাপতি ৰমেন ৰাউতীয়াৰ সভাপতিত্বত আৰু আহ্বায়ক অবিনাশ ৰাজবাৰে আঁত ধৰা সভাত চাহ জনগোষ্ঠী সাহিত্য সভা চতিয়া শাখা গঠন কৰা হয়। যোৱা ১৭ মে' তাৰিখে চাহ জনগোষ্ঠী জিলা সাহিত্য সভাই গঠন কৰি আহ্বায়ক সমিতি ক্ৰমে শিক্ষক সুজিৎ তাঁতি, প্ৰাক্তন আটছা নেতা ওমপ্ৰকাশ মাহাতি, শিক্ষক ঘনকান্ত ওৰাং আৰু শিল্পী সুজিৎ তচাকে ধৰি ১১ জনীয়া সমিতিখনে সহযোগ আগবঢ়োৱা সভাত চাহ জনগোষ্ঠী সাহিত্য সভাৰ বিশ্বনাথ জিলা সম্পাদক কৃষ্ণ পাতৰ, কৃষ্টি সম্পাদক শিল্পী শ্যাম কুমাৰ নাগ, ইটাখোলা শাখা সাহিত্য সভাৰ সভাপতি গাজিলাল তচা আৰু বিশিষ্ট শিক্ষক হৰেন পাতৰ উপস্থিত থকা সভাৰ মাজতে বিশেষভাৱে উপস্থিত হোৱা ভাস্কৰ্য শিল্পী শিৱ প্ৰসাদ মাহাকৰ উষ্ম আদৰণি জনোৱা হয়। এক গাম্ভীৰ্যপূৰ্ণ সভাত চতিয়া অঞ্চলৰ কেইবা গৰাকী চাহ জনগোষ্ঠীৰ বিশিষ্ট ব্যক্তিয়ে জনগোষ্ঠীটোৰ ৰীতি-নীতি, কলা-সংস্কৃতি আৰু বিশেষভাৱে ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যম হিচাপে চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰয়োজনীয়তাৰ উপলব্ধিৰে বক্তব্য ৰাখে। জিলাখনৰ অন্যতম ঠাই ইটাখোলাত চতিয়া অঞ্চলৰ বিভিন্ন প্ৰান্তৰ চাহ জনগোষ্ঠীৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতত আৰু পৰ্যবেক্ষক চাহ জনগোষ্ঠী সমিতিৰ পত্ৰিকা সম্পাদক গৌতম গোৱালা আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গোলোক কুৰ্মীৰ পৰ্যবেক্ষণত তালিকাকৰণেৰে সভাৰ সৰ্বসন্মতিক্ৰমে সভাপতি দয়াল কুৰ্মী, উপ-সভাপতি ঔমপ্ৰকাশ মাহাতি, দুৰ্লভ তাঁতি, গোপাল চৰৰ, ভগত তাঁতি আৰু সম্পাদক বিজেন তাঁতি, সহকাৰী সম্পাদক আনন্দ তচা, অমৃত তচা, অনিল কৰ্মকাৰ আৰু কল্যাণ তাঁতিসহ মুঠ ৩১ জনীয়া চতিয়া শাখা সমিতিখন গঠন কৰে।

# শোণিতপুৰৰ ঠেলামৰাৰ গ্ৰামাঞ্চলত সুৰা বিপণী

## অনুজ্ঞাপত্ৰ বাতিলৰ বাবে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ দল-সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৫ মে'ঃ** যুব প্ৰজন্মক তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ গভীৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ঠেলামৰা অঞ্চলৰ ৰাইজ তথা দল-সংগঠন। উল্লেখ্য যে, এচাম মুনাফালোভী ব্যৱসায়ীয়ে শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠানৰ কাষতে মুকলিমূৰীয়াকৈ সুৰাৰ ব্যৱসায়ীয়া বেহা চলোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। আনকি গ্ৰামাঞ্চলতো এতিয়া বিলাতী সুৰাৰ দোকান খুলি উঠি অহা প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ প্ৰয়াস চলাইছে। প্ৰণিধানযোগ্য যে, শোণিতপুৰৰ ঠেলামৰা ৰাজহ চক্ৰৰ অন্তৰ্গত ঠেলামৰা গাঁও পঞ্চায়ত এলেকাত এজন ব্যৱসায়ীক সংশ্লিষ্ট বিভাগে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ যো-জা কৰাক লৈ বৃহত্তৰ অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বিৰুদ্ধে ব্যাপক প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে ঠেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাইও ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিছে। এই সম্পৰ্কত কালি ঠেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাস আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক শান্তনু বৰাৰ দ্বাৰা স্বাক্ষৰিত এখন স্মাৰক পত্ৰ শোণিতপুৰৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীলৈ প্ৰেৰণ কৰিছে। উল্লিখিত স্মাৰক পত্ৰখনত এইবুলি অৱতাৰণা কৰিছে যে বৃহত্তৰ অঞ্চলটো যিহেতু গ্ৰাম্য অৰ্থনীতি ৯৮ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু সুস্থ শৈক্ষিক আৰু সামাজিক পৰিবেশ বিৰাজমান সমগ্ৰ অঞ্চলটো একাংশ সমাজ সচেতন লোকে আশী দশকৰ পৰাই ধাৰাবাহিকভাৱে সুৰা বিপণী স্থাপনৰ বিৰোধিতা কৰি আহিছে। কিন্তু পৰিতাপৰ কথা এই যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালতে আশ্চৰ্যজনকভাৱে সুৰামুক্ত ঠেলামৰা অঞ্চলত সুৰা বিপণী প্ৰতিষ্ঠাৰ বাবে শোণিতপুৰৰ এগৰাকী মন্ত্ৰী, স্থানীয় বিধায়কগৰাকীৰ অতি ঘনিষ্ঠ হোৱাৰ সুবাদতে জনস্বাৰ্থবিৰোধী সিদ্ধান্তৰে জনৈক পাৰ্থিক উপাধিৰ ব্যৱসায়ীয়ে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ লাভ কৰাত সমগ্ৰ ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই স্পৰ্শকাতৰ বিষয়টোক কেন্দ্ৰ কৰি ৰাইজৰ সহযোগত ছাত্ৰ সন্থাই ধাৰাবাহিকভাৱে ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় আৰু ঠেলামৰা পঞ্চায়তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সেয়েহে ঠেলামৰা অঞ্চলৰ ৰাইজৰ প্ৰতি সন্মান জনাই সমগ্ৰ ঠেলামৰা অঞ্চলটোতে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদান নকৰি অঞ্চলটোৰ সামাজিক আৰু শৈক্ষিক পৰিবেশ বৰ্তাই ৰখাৰ স্বাৰ্থত মুখ্যমন্ত্ৰীগৰাকীক এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ ঠেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাই অনুৰোধ জনাইছে। উল্লেখ্য যে, একে বিষয়ক লৈ কালি অঞ্চলটোৰ ১২২ গৰাকী লোকৰ স্বাক্ষৰসহ কালি অঞ্চলটোৰ উপায়ুক্তগৰাকীৰ জৰিয়তে প্ৰদান কৰা এখন স্মাৰক-পত্ৰৰ জৰিয়তে সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ বাতিল কৰাৰ বাবে দাবী জনাইছে।

# তেজপুৰত সাউদ ভোলানাথ বৰুৱাৰ স্মৃতিত বাণিজ্য দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৫ মে'ঃ** অসমীয়া মানুহে ব্যৱসায়-বাণিজ্য কৰিব নোৱাৰে বা কৰিবলৈ ইচ্ছা নকৰে বুলি সততে অভিযোগ উত্থাপিত হৈ আহিছে যদিও ব্ৰিটিছৰ আমোলতেই এই অভিযোগ নস্যাৎ কৰিবলৈ সক্ষম হৈছিল সাউদ ভোলানাথ বৰুৱাই। উল্লেখ্য যে, কুৰি শতিকাৰ প্ৰাৰম্ভিকতে অসমত প্ৰাথমিক শিক্ষা বিকাশৰ বাবে এশ কোটি টকাৰ স্থাবৰ সম্পত্তি চৰকাৰলৈ, সাহিত্যাচাৰ্য হেমচন্দ্ৰ গোস্বামীয়ে যুগুতাই উলিওৱা সাতোটা খণ্ড 'অসমীয়া সাহিত্যৰ চানেকি', যোৰহাটৰ 'প্ৰিন্স অৱ ৱেলছ'ৰ দৰে প্ৰতিষ্ঠা আদিকে কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে উৰিষ্যাৰ জুট মাৰ্চেন্ট হিচাপে খ্যাত সাউদ ভোলানাথ বৰুৱাই একালত টিম্বাৰ প্ৰিন্স অৱ বেংগল ৰূপেও জনাজাত আছিল। ২০১৯ চনৰ পৰা তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই বাণিজ্যবীৰ সাউদ ভোলানাথ বৰুৱাৰ মৃত্যু তিথিটো বাণিজ্য দিৱস হিচাপে পালন কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো তেজপুৰ অঃভাঃউঃ সাই অৰুণাচল প্ৰদেশ চৰকাৰী পেঞ্চনাৰ সন্থাৰ সহযোগত অহা ৩০ মে'ত স্থানীয় কলিবাৰীস্থিত বান ৰংগমঞ্চত দিনজোৱা কাৰ্যসূচীৰে বাণিজ্য দিৱস উদ্‌যাপনৰ দিহা কৰা হৈছে। বাণিজ্য দিৱসৰ লগত সংগতি ৰাখি বিশিষ্ট সাহিত্যিক ৰামচন্দ্ৰ চুতীয়াৰ 'এৰি অহা দিনবোৰৰ সোণালী স্মৃতি' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰাৰ লগতে প্ৰতিষ্ঠিত ব্যৱসায়ী নয়নজ্যোতি ভট্টাচাৰ্যই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰিব। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে অঃ ভাঃ উঃ সাৰ সভাপতি পুলিন ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক শান্তনু বৰুৱাই।



# ৰহাৰ যুৱ সমাজকৰ্মী, ক্ৰীড়া সংগঠক সদ্যপ্ৰয়াত ধৰ্মেন্দ্ৰ পাতৰৰ স্মৃতিচাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৫ মে'ঃ** ৰহাৰ মধ্য টোপাকুছি নিৱাসী যুৱ সমাজকৰ্মী, ক্ৰীড়া সংগঠক তথা মানৱ দৰদী যুৱক সদ্যপ্ৰয়াত ধৰ্মেন্দ্ৰ পাতৰৰ (৪৫) স্মৃতিত কালি ৰহাত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। মধ্য টোপাকুছি উৎসৱ সমিতি, ৰহা আঞ্চলিক ছাত্ৰ সন্থা, ৰহা আঞ্চলিক তিৱা ছাত্ৰ সন্থা, ৰহা আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিৱা সাহিত্য সভা, মাছৰ ৰহা আঞ্চলিক সমিতি আদিৰ বিশেষ উদ্যোগত প্ৰয়াত পাতৰৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি আয়োজন কৰা এই স্মৃতিচাৰণ সভাখনৰ সঞ্চালনা কৰে বিশিষ্ট সাহিত্যিক, লেখিকা মনোৰমা ভূঞাই। দিলীপ গাঁওখোৱাই প্ৰয়াত পাতৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছতে প্ৰয়াত পাতৰৰ পত্নী আৰু পৰিয়ালবৰ্গই প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পিছতে উপস্থিত দল-সংগঠন আৰু ব্যক্তিয়ে পাতৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জনায়। ইয়াৰ পিছতে সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ কুমাৰ মছৰঙে আঁত ধৰা স্মৃতিচাৰণ সভাখনত আয়োজক মণ্ডলীৰ লগতে ৰহা ক্ৰীড়া সন্থাৰ সম্পাদক ধ্ৰুৱ পাতৰ, অৱসৰপ্ৰাপ্ত বেংক বিষয়া ডম্বৰু শৰ্মা, সাংবাদিক সুভাষ ডেকা, তিৱা সাহিত্য সভাৰ সম্পাদক ড: বিদ্যুত বিকাশ সেনাপতি, লেখিকা সমাৰোহ সমিতিৰ ৰহা শাখাৰ সম্পাদিকা বিজয়া গগৈ, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙ, মাছৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকা আদিৰ উপৰি ৰহা আঞ্চলিক সাংবাদিক সন্থা, ৰহা শ্ৰমিক উন্নয়ন সমিতি, জনজাতি শ্মশাণ সমিতি আদিৰ বিষয়ববীয়াসকল উপস্থিত থাকি প্ৰয়াত পাতৰে ৰহাৰ সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ ওপৰত আলোকপাত কৰি তেখেতৰ কৰ্মৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সভাত আয়োজক দল-সংগঠনৰ তৰফৰ পৰা পাতৰৰ পৰিয়ালবৰ্গক এখন শোকপত্ৰও প্ৰদান কৰা হয়। উল্লেখযোগ্য যে যোৱা দুই মেত এক পথ দুৰ্ঘটনাত ধৰ্মেন্দ্ৰ পাতৰৰ মৃত্যু হৈছিল।

# স্থানান্তৰ কৰা হ'ব বঙাইগাঁৱৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থান

# ২৭ মে'ৰ পৰা বৰপাৰা বাছ আস্থানৰ পৰা চলিব বাছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ মে'ঃ** বিগত সময়ছোৱাত বঙাইগাঁৱৰ মায়াপুৰী-বৰপাৰা পথ (গান্ধী ময়দানৰ সমীপত)ত থকা অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানৰ পৰা বাছ আৰু কাৰ্যালয়ৰ কাম-কাজ চলি আছিল। কিন্তু বঙাইগাঁও চহৰৰ একেবাৰে কেন্দ্ৰবিন্দুত থকা এই বাছ আস্থানটো একেবাৰে ঠেক হোৱা বাবে বিভিন্ন মহলৰ পৰা ওজৰ-আপত্তি আহিছিল আৰু উক্ত বাছ আস্থানটো আহল-বহল ঠাইলৈ স্থানান্তৰ কৰাৰ বাবে অনুৰোধ জনোৱা হৈছিল। সেইমৰ্মে জিলাখনত অসম ৰাজ্যিক বাছ আস্থানটো পূৰ্বৰ স্থানৰ পৰা স্থানান্তৰ কৰাৰ বাবে চহৰখনৰ বৰপাৰাত নতুন এটা বাছ আস্থান নিৰ্মাণ কৰা হয়। ইতিমধ্যে বৰপাৰাৰ বাছ আস্থানটো মুকলিও কৰা হয় কিছুদিন পূৰ্বে। বৰপাৰাত নিৰ্মাণ কৰা বাছ আস্থানটো বঙাইগাঁও পৌৰসভা, অসম বিদ্যুৎ বিতৰণ কোম্পানী আৰু অসম ৰাজ্যিক পৰিবহণ বিভাগে অত্যাৱশ্যকীয় খোৱা পানী, বিদ্যুৎ ব্যৱস্থা আৰু অনাময় ব্যৱস্থা আদি চাই ব্যৱস্থা গ্ৰহণ কৰিছে। ২৬ মে'ত পূৰ্বৰ ঠাইৰ পৰা বৰপাৰালৈ সমূহ বাছ স্থানান্তৰ কৰা হ'ব। সদ্যহতে কাৰ্যালয়ৰ কাম-কাজ পূৰ্বৰ স্থানৰ পৰা চলি থাকিব। যেতিয়া কাৰ্যালয়ৰ কাম-কাজৰ বাবে বৰপাৰা বাছ আস্থানত সকলো সুবিধা উপলব্ধ হ'ব তেতিয়াই অসম ৰাজ্যিক পৰিবহণ নিগমৰ বঙাইগাঁৱৰ কাৰ্যালয়টো বৰপাৰালৈ স্থানান্তৰ কৰা হ'ব আৰু পূৰ্বৰ ঠাইখিনি বেৰ দি আৱৰি ৰখা হ'ব বুলি বঙাইগাঁৱত থকা অসম ৰাজ্যিক পৰিবহণ নিগমৰ সংমণ্ডল অধীক্ষকে জানিবলৈ দিছে। পূৰ্বৰ বাছ আস্থানৰ পৰা ২৬ মে'ৰ পৰা কোনোধৰণৰ বাছ নচলিব। বাছ আস্থানৰ চাফ-চিকুণতা, সা-সুবিধা আৰু ডাষ্টবিন আদিৰ ব্যৱস্থা বঙাইগাঁও পৌৰসভাই কৰিব। অহা ২৭ মে'ৰ পৰা বৰপাৰা বাছ আস্থানৰ পৰা বাছ চলিব।

# কেন্দ্ৰীয় বিদ্যালয়, তামুলপুৰত কেইবা শতাধিক গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৫ মে'ঃ** তামুলপুৰ জিলা সদৰত অৱস্থিত কেন্দ্ৰীয় বিদ্যালয়, তামুলপুৰৰ চৌহদত সোমবাৰে তামুলপুৰ বন বিভাগৰ সহযোগত দুই শতাধিক বিভিন্ন প্ৰজাতিৰ ফল-মূলৰ গছপুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কেন্দ্ৰীয় বিদ্যালয় তামুলপুৰৰ অধ্যক্ষ গুৰুপদ তালুকদাৰে। কেন্দ্ৰীয় বিদ্যালয়ৰ চৌহদৰ সৌন্দৰ্য বৰ্ধনৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত থলুৱা জাতৰ বিভিন্ন প্ৰজাতিৰ আম, কঁঠাল, আমলখি, মধুৰি-আমৰ লগতে আন আন সৌন্দৰ্যবৰ্ধনকাৰী গছৰ পুলি ৰোপণ কৰা হয়। বন বিভাগৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া গিৰীন বৰ্মন, বনপালক-১ কনক ঠাকুৰীয়া, বনপালক-১, মিনিসলুচু বসুমতাৰী, বনৰক্ষী জগত দাস আৰু কৰ্মচাৰীসকলে উপস্থিত থাকি গছ ৰোপণ কাৰ্যসূচীত সহযোগ কৰে।



# হাজোৰ দলৈটোলাত মহিলাৰ আত্মহননক লৈ ৰহস্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ মে'ঃ** হাজোত সংঘটিত হৈছে এক ৰহস্যজনক আত্মহননৰ ঘটনা। কালি পুৱা দুটি সন্তানৰ এগৰাকী মাতৃৰ মৃতদেহ ৰহস্যজনক ভাৱে নিজ গৃহতে চিপ লোৱা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। এই আত্মহননৰ ঘটনা সংঘটিত হৈছে হাজো আৰক্ষী থানাৰ অন্তৰ্গত দলৈটোলাত। এই আত্মহত্যাৰ ঘটনা পোহৰলৈ অহাৰ পিছতে মহিলাগৰাকীৰ পিতৃ পৰিয়ালে এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ তুলি হাজো আৰক্ষী থানাত স্বামী জনৈক আলীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে । অভিযোগ অনুসৰি, এই আত্মহত্যাৰ ঘটনাত জড়িত হৈ আছে স্বামীগৃহৰ লোক। স্বামীগৃহৰ লোকে দীৰ্ঘদিন ধৰি বেমাৰত ভুগি থকা মহিলাগৰাকীক মানসিকভাৱে হাৰাশাস্তি কৰি পিতৃগৃহলৈ যাবলৈ দিয়া নাছিল আৰু বেমাৰৰ উপযুক্ত চিকিৎসাও প্ৰদানৰ পৰা বঞ্চিত কৰি আহিছিল। ইফালে আত্মহননৰ পথ বাছি লোৱা মহিলা গৰাকীৰ স্বামী জনৈক আলীয়ে এই অভিযোগ মিছা আৰু মনেসজা বুলি সদৰী কৰি তেওঁৰ পত্নীয়ে ইয়াৰ পূৰ্বেও নিজ পিতৃগৃহত আত্মহননৰ চেষ্টা চলাইছিল বুলি উল্লেখ কৰে। এনে অনেক অভিযোগ-প্ৰতিঅভিযোগৰ মাজতে এই আত্মহননৰ ঘটনাই এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ পিছতহে ওলাই পৰিব এয়া পৰিকল্পিত হত্যাকাণ্ড নে আত্মহত্যা।

# তেজপুৰৰ বিহগুৰিত শিৱলিংগ প্ৰতিষ্ঠা-ৰুদ্ৰযজ্ঞ

## বিশিষ্ট চিকিৎসক ডাঃ প্ৰদীপ নাথক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৫ মে'ঃ** তেজপুৰৰ সমীপৱৰ্তী বিহগুৰি মৌজাৰ প্ৰাণকেন্দ্ৰস্বৰূপ বাৰোৱাৰী দুৰ্গা মন্দিৰৰ প্ৰাংগণত যোৱা ২২-২৩ মে'ত দুদিনীয়া কাৰ্যসূচীৰে এক মাংগলিক অনুষ্ঠান সম্পন্ন হৈ যায়। উল্লেখ্য যে, ১৯৭৮ চনতে বৃহত্তৰ অঞ্চলটোৰ একাংশ ধৰ্মপ্ৰাণ ৰাইজৰ বিশেষ উদ্যোগত আৰু বিভিন্ন শুভাকাংক্ষীৰ দান-বৰঙনিৰে প্ৰতিষ্ঠা লাভ কৰা উক্ত প্ৰাংগণত নিৰ্মাণ কৰা শিৱ মন্দিৰত লিংগ প্ৰতিষ্ঠাৰ মাংগলিক কাৰ্য কালি সম্পন্ন কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি চাৰিদুৱাৰ নাথ পুৰোহিত সন্মিলনৰ দ্বাৰা ৰুদ্ৰযজ্ঞৰ আয়োজন কৰাৰ লগতে 'বৰ্তমান সময়ত শৈৱ ধৰ্মৰ প্ৰসাৰতা'ক বিষয়বস্তু হিচাপে লৈ এখন তত্ত্বগধুৰ আলোচনাও অনুষ্ঠিত কৰা হয়। শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সৌজন্যত সভাপতি ধনেশ্বৰ নাথ আৰু সম্পাদক খনীন্দ্ৰ নাথ নেওগৰ সুপৰিচালনাত কাৰ্যসূচীসমূহ সুকলমে সম্পন্ন হোৱাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। প্ৰকাশ যে, উক্ত আলোচনা সভাতে ক'ভিড সংকটকালত আৰ্তজনক সহায়ৰ হাত আগবঢ়াই মহানুভৱতা প্ৰকাশ কৰা সমাজকৰ্মী তথা বিশিষ্ট চিকিৎসক ডাঃ প্ৰদীপ নাথক সমিতিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# ২৮ মে'ত শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ মে'ঃ** শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অহা ২৮ মে' তাৰিখে অনুষ্ঠিত হ'ব। কালি বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি উপেন বৰঠাকুৰে এই কথা জানিবলৈ দিছে । কাকতলৈ প্ৰেৰিত বিবৃতিটোত জানিবলৈ দিয়া মতে শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজ আৰু শিৱসাগৰ জিলা মহিলা ব্ৰাহ্মণ সমাজৰ যোৱা অষ্টম দ্বিবাৰ্ষিক কাৰ্যকালৰ হিচাব দাখিল আৰু অনুমোদনৰ কাৰ্যনিৰ্বাহক সভাখন ২৮ মে'ত আমোলাপট্টিস্থিত হিন্দু ধৰ্মসভা নামঘৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। শনিবাৰে পুৱা ১১.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সভাখনতেই আগন্তুক নৱম দ্বিবাৰ্ষিক অধিৱেশনৰ দিন ধাৰ্য কৰাৰ লগতে কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

## গোসাইগাঁৱত গুণোৎসৱ

# প্ৰথম দিনা ২১৫খন বিদ্যালয়ত মূল্যায়ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৫ মে'ঃ** গুণোৎসৱৰ বাহ্যিক মূল্যায়নৰ প্ৰথম দিনা গোসাইগাঁও মহকুমাত সামগ্ৰিকভাৱে ২১৫ খন বিদ্যালয়ত কালি সুকলমে মুল্যায়ন সমাপন হৈছে। গোসাইগাঁও মহকুমাৰ অন্তৰ্গত গোসাইগাঁও শিক্ষাখণ্ডৰ ৮৯খন স্কুলত গুণোৎসৱ অনুষ্ঠিত হৈছে। কালিৰ দিনটোত গড় হিচাপত ৮৯% ছাত্ৰ-ছাত্ৰীয়ে গুণোৎসৱৰ লিখিত আৰু মৌখিক পৰীক্ষাত অৱতীৰ্ণ হৈছে। আনহাতে কচুগাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত ১২৬ খন স্কুলত গুণোৎসৱ কালি সমাপন হৈছে। শতাংশ হিচাপত ৮৮.৪% ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। কালি মহকুমাত অনুষ্ঠিত হোৱা গুণোৎসৱত বাহ্যিক মূল্যায়ক হিচাপে উপস্থিত থাকে শক্তি বিভাগৰ সচিব গৌতম তালুকদাৰৰ উপৰি আই এ এছ বিষয়া সদক সিঙৰ উপৰি বিধায়ক জিৰণ বসুমাতাৰী, এমচিএলএ, কাৰ্যবাহী সদস্য, জিলা তথা মহকুমা প্ৰশাসনৰ বিভিন্ন পদবীধাৰীসকলে কালিৰ গুণোৎসৱৰ মূল্যায়ন কাৰ্যক্ৰমণিকাত উপস্থিত থাকে। একেদৰে কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ শিমুলটাপু পিজিআৰ গাঁওস্থিত মুছলিমপট্টি এলপি স্কুলত বাহ্যিক মূল্যায়ক হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শক্তি (বিদ্যুৎ) বিভাগৰ সচিব তথা গোসাইগাঁও মহকুমাৰ প্ৰাক্তন মহকুমাধিপতি গৌতম তালুকদাৰ। ইয়াক লৈ স্কুলখনৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু গাঁওবাসীৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। ৰাতিপুৱাৰ এছেম্বলীৰ পূৰ্বে প্ৰশাসনিক বিষয়াগৰাকীয়ে ফিতা কাটি গুণোৎসৱৰ দ্বিতীয় দিনাৰ শুভ উদ্বোধন কৰে। বিষয়াগৰাকীয়ে তেওঁৰ মন্তব্যত উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বিদ্যালয়খনত দুজন শিক্ষক আছে যদিও আৰু দুজন শিক্ষকৰ অতি প্ৰয়োজন। ইয়াৰ উপৰি বিদ্যালয়খনত অনতিপলমে কোঠালিৰ ব্যৱস্থা কৰাটো অতিকৈ আৱশ্যক হৈছে। বাকী ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন ভাল বুলি তেওঁ জনায়। হাবাপুটা তেলিপাৰা এল পি স্কুল, ছেৰফাংগুৰী এম ই মাদ্ৰাছা আৰু ৭৮৪ নম্বৰ অক্সিগুৰী এল পি স্কুলত গুণোৎসৱক লৈ ছাত্ৰ ছাত্ৰীৰ মাজত উৎসাহ-উদ্দীপনা দেখা যায় । লগতে উক্ত তিনিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল আশাবাদী-- গুণোৎসৱৰ জৰিয়তে আশাব্যঞ্জক ফলাফল দাঙি ধৰিব।

# নীলাক্ষি মেম'ৰিয়েল একাডেমীৰ পৰিচালন সঞ্চালকৰ দায়িত্ব গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৫ মে'ঃ** শিৱসাগৰ জিলাৰ আমগুৰি চামগুৰিৰ অন্যতম বেচৰকাৰী উচ্চ শিক্ষা প্ৰতিষ্ঠান নীলাক্ষি মেম'ৰিয়েল একাডেমীত নতুন পৰিচালন সঞ্চালক দায়িত্ব প্ৰদান অনুষ্ঠান সম্পন্ন হয়। আমগুৰি আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰফুল্ল বৰুৱাই সভাপতিত্ব কৰা সভাতে বিশিষ্ট শিক্ষাবিদ সমাজকৰ্মী আমগুৰি ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পুলিন বৰঠাকুৰ ছাৰ, বিশিষ্ট সমাজকৰ্মী তথা নামতিপুল বালিকা বিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক পুলিন খনিকৰ, দেওৰজা উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অতুল গগৈ, বিশিষ্ট সমাজকৰ্মী, কবি, অৱসৰপ্ৰাপ্ত শিক্ষক বুদ্ধেশ্বৰ শেনচোৱা, নামতি চাৰিআলি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ তথা নীলাক্ষি মেম'ৰিয়েল একাডেমীৰ শৈক্ষিক সঞ্চালক নৃপেন নেওগ, চাৰিআলি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চফিউল ৰহমান উপস্থিত থাকে । এই সভাতেই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা চন্দ্ৰ বৰুৱাৰ সুযোগ্য সন্তান গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা অভিনন্দন বৰুৱাক পৰিচালনা সঞ্চালকৰ দায়িত্ব অৰ্পণ কৰে । মাত্ৰ ২৮ বছৰ বয়সতেই এই দায়িত্বভাৰ লৈ জ্যেষ্ঠ ভগ্নীৰ স্মৃতি বিজড়িত অনুষ্ঠানটি চামগুৰি তথা আমগুৰি অঞ্চলৰে জাকত-জিলিকা অনুষ্ঠান ৰূপে গঢ় লৈ উঠাৰ সংকল্প গ্ৰহণ কৰে।

# মছজিদত প্ৰৱেশ কৰি কৃষকক দা-কুঠাৰেৰে আক্ৰমণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৫ মে'ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত কেতিয়াও নুশুনা, কেতিয়াও নঘটা ঘটনা সংঘটিত হ'ল। যোৱা ১৫ মে' তাৰিখে সন্ধিয়া ৬-১০ বজাত এক দুষ্ট প্ৰকৃতিৰ লোক আব্দুল ছালামে ব্যক্তিগত আখেজত হুকুম দিয়াৰ পৰিপ্ৰেক্ষিতত উদণ্ড যুৱক দিলদাৰ হুছেইনে দুৱাবান্ধী গাঁৱৰ এটা মছজিদত দা, কুঠাৰ হাতত লৈ বেআইনীভাৱে প্ৰৱেশ কৰি মাগৰিবৰ নামাজ পঢ়ি থকা অৱস্থাত পিছফালৰ পৰা বয়োজেষ্ঠ কৃষক আব্দুল খালেকক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰি সকলোকে আচৰিত কৰি ঘটনাস্থলীৰ পৰা পলাই যাবলৈ সক্ষম হয়। এই ঘটনা সংক্ৰান্তত মৈৰাবাৰী আৰক্ষী থানাত এটি গোচৰ পঞ্জীভুক্ত কৰা হয়। গোচৰ নং ১১০। গোচৰ পঞ্জীয়ন হোৱা ৯ দিন অতিক্ৰম কৰাৰ পিছতো অপৰাধীক কৰায়ত্ত কৰিবলৈ মৈৰাবাৰীৰ আৰক্ষী সক্ষম নোহোৱাত ক্ষোভত ফাটি পৰিছে স্থানীয় শান্তিকামী ৰাইজ। অঞ্চলটোৰ সচেতন ৰাইজ শংকিত হৈ পৰিছে, কাৰণ স্থানীয় আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি এচাম দুষ্ট প্ৰকৃতিৰ লোকে মূৰ দাঙি উঠা পৰিলক্ষিত হৈছে।

# বৰডেকপাৰত শ্ৰীশ্ৰী মহাৰুদ্ৰ যজ্ঞৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৫ মে'ঃ** কমলপুৰ সমষ্টিৰ অন্তৰ্গত বৰডেকপাৰত (পূব) শ্ৰীশ্ৰী মহাৰুদ্ৰ যজ্ঞ ২৬, ২৭, ২৮ আৰু ২৯ মে'ত চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বৰডেকপাৰ গাঁও উন্নয়ন পুথিভড়াল আৰু যুৱক সংঘৰ প্ৰাংগণত উদ্‌যাপন কৰা হ'ব। বিগত সময়ত বৰডেকপাৰ গাঁৱৰ আকস্মিক দুৰ্ঘটনাত বহু কেইগৰাকী ব্যক্তিয়ে অকালতে মৃত্যুক সাবটি ল'বলগীয়া হৈছিল। সেয়েহে মৃত ব্যক্তিসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে বৃহত্তৰ অঞ্চলবাসীৰ অসূয়া-অমংগল নিৰাময়ৰ লগতে শান্তি বিৰাজ কৰাৰ উদ্দেশ্য আগত ৰাখি এই শ্ৰীশ্ৰী মহাৰুদ্ৰ যজ্ঞৰ আয়োজন কৰা হৈছে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাক মুখ্য সভাপতি, জিতেন্দ্ৰ নাথ দাসক কাৰ্যকৰী সভাপতি আৰু দিলীপ ভট্টক সাধাৰণ সম্পাদকৰ লগতে বহুকেইগৰাকী নেতৃস্থানীয় ব্যক্তিক প্ৰমুখ্য কৰি এখন পূৰ্ণাংগ যজ্ঞ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। সেয়েহে এই মহান মাংগলিক অনুষ্ঠানৰ চাৰিদিনৰ কাৰ্যসূচীতে সমূহ ৰাইজৰ উপস্থিতিৰ লগতে সহায়সহযোগিতা যজ্ঞ উদযাপন সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে ।

# মাজুলীত গুণোৎসৱৰ পহিলা দিনটোত ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৫ মে'ঃ** ৰাজ্যৰ নখন জিলাৰ লগতে মাজুলী জিলাতো দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈছে । যোৱা দুটা বছৰে ক'ভিড পৰিস্থিতিয়ে ছাত্ৰ-ছাত্ৰী সকলক কোঙা কৰি যোৱাৰ পিছত এইবাৰ গুণোৎসৱক লৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলো উৎসাহিত হৈ পৰিছে । গুণোৎসৱৰ পহিলা দিনটোত মাজুলীত মুঠ ৫৭৪ খন বিদ্যালয়ৰ ভিতৰত ১৯৪ খন বিদ্যালয়ত কালি সফলভাৱে অনুষ্ঠিত হয় । ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ আছিল ৯৬ শতাংশ আৰু অভিভাৱকৰ অংশগ্ৰহণৰ বিষয়েটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে । বহিঃমূল্যায়কসকলে মাজুলীৰ বিদ্যালয়সমূহৰ প্ৰাতঃসভাৰ অন্যান্য দিশৰ লগতে আধ্যাত্মিক পৰিৱেশ আৰু বিদ্যালয়ৰ সহঃ বিদ্যায়তনিক দিশ যেনে- পুথিভঁৰাল, বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সু-ব্যৱস্থা আদি অনেক চৰকাৰী বিদ্যালয়ৰ শেহতীয়া সংযোজন নিৰীক্ষণ কৰি অভিভূত হৈছে। বহু বহিঃমূল্যায়কে বিশেষকৈ অধ্যাপক সকলে মাজুলীৰ বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশত মুগ্ধ হোৱা দেখা গৈছে। মাজুলীৰ বিদ্যালয়সমূহৰ অভিনৱ সংযোজন জৈৱ বেৰা, অৰ্থাৎ নেমু পুলি ৰোপণ আৰু পুষ্টি বাগানৰ দ্বাৰা জৈৱ-বৈচিত্ৰ্যৰ লগতে মানুহৰ শৰীৰত পৰিব লগ সুফল বাহিৰৰ পৰা অহা বহিঃ মূল্যায়কসকল আকৰ্ষিত হৈছে। বিশেষকৈ মজলীয়া বিদ্যালয়সমূহত বিজ্ঞান আৰু হিন্দী শিক্ষাৰ মান আগতকৈ উন্নত কৰিলে মাজুলীৰ চৰকাৰী বিদ্যালয়সমূহ অধিক ফলপ্ৰসূ আৰু সফলতাৰ দিশত অগ্ৰসৰ হ'ব বুলি অনুমান কৰা হৈছে । জিলাখনৰ চৰ-চাপৰি অঞ্চলৰ শিক্ষানুষ্ঠানসমূহতো সুকলমে গুণোৎসৱ সম্পন্ন কৰিবৰ বাবে জিলা প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰি দুৰ্গম অঞ্চলসমূহলৈ যোৱাৰ বাবে ফেৰীৰ ব্যৱস্থা কৰিছে কৰা বুলি বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক নৰনাথ গোহাঁয়ে জানিবলৈ দিছে। ইফালে গুণোৎসৱ উপলক্ষে জিলাখনৰ ২৭ নং কমাৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰাজু বৰা ৰাজখোৱাই এটি গীত প্ৰস্তুত কৰি উলিয়াইছে । ২৩ মে'ত জিলা উপায়ুক্ত পুলক মহন্ত, অতিৰিক্ত উপায়ুক্ত বিপুল দাস(শিক্ষা) আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৌৰভ বৰফুকন বিদ্যালয়খনত উপস্থিত হৈ গীতটো আনুষ্ঠানিক ভাৱে মুকলি কৰে।

# গুৱাহাটী প্ৰেছ ক্লাবত আলোচনী উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে'ঃ** বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাবত মাহেকীয়া আলোচনী অনুপমাৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে 'অনুপমা' আলোচনীক ছপা মাধ্যমলৈ অনাৰ লগতে অনুপমা উন্মোচন আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। এই সভাত যুগললোচন দাস শিশু সাহিত্য অকাডেমী বঁটাপ্ৰাপক, বিশিষ্ট কবি নীলিম কুমাৰদেৱে উপস্থিত থাকি আলোচনী উন্মোচন কৰে। লগতে উপস্থিত থাকে অনুপমা আলোচনীৰ মুখ্য সম্পাদক শেৱালি দাস।



# নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত মুখ্যমন্ত্ৰীলৈ কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৫ মে'ঃ** কালি কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী-সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্ত নেতৃত্বাধীন এটি সঁজাতী দলে ৰাজ্যত নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে ৰোগীৰ জীৱন দায়িনী ঔষধ, পেট্ৰ'ল-ডিজেল, নিৰ্মাণ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি ৰোধৰ দাবী সজোৰে উত্থাপন কৰি লখিমপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্য মন্ত্ৰীলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী-সভাপতি ৰূপজ্যোতি দত্ত, সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়া স্বাক্ষৰিত স্মাৰক পত্ৰত কোৱা হয় যে- 'ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে লখিমপুৰ জিলাখনতো ক্ৰমাগত মূল্যবৃদ্ধি পোৱাৰ ফলত জিলাখনৰ সৰ্বস্তৰৰ সামগ্ৰিকভাৱে জীৱন ধাৰণৰ সকলো নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক মাৰাত্মক ভাৱে শোষিছে। আচৰিত কথা যে, যোগান বিভাগৰ দৰে চৰকাৰৰ বিয়োগান্ত বিভাগ এটা থকাৰ পাছতো অস্বাভাৱিক হাৰত মূল্যবৃদ্ধিৰ পৰিস্থিতিত জিলাখনৰ বিশেষকৈ নিম্ন মধ্যবিত্ত আৰু দুখীয়া শ্ৰেণীৰ লোকসকল বিগত লকডাউনৰ দুখৰ অস্বাভাৱিকতাৰ বাট সীমিত হৈ পৰি অৰ্থনৈতিক ভাৱে কোঙা হৈ পৰিছে; তেনে সময়তে একাংশ ন্যস্তস্বাৰ্থৰ বণিক গোষ্ঠী নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় আৰু নিৰ্মাণ সামগ্ৰীসমূহ কৃত্ৰিম নাটনিৰ লগতে ব্যাপক মূল্যবৃদ্ধি কৰি অহাটো পৰিলক্ষিত হৈছে। ফলত সৰ্বস্তৰৰ জনতাই সামগ্ৰীৰ বৰ্ধিত মূল্যৰ হেঁচাত জোলোকা-জোলোকে পানী খাই, ত্ৰাহি মধুসূদন সুঁৱৰিবলৈ বাধ্য হৈছে। সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছে স্মাৰক পত্ৰত দাবী জনাই কয়- 'চেম্বাৰ অৱ কমাৰ্চ আৰু যোগান বিভাগৰ লগত সমন্বয় ৰক্ষা কৰি শীঘ্ৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে নিৰ্মাণ সামগ্ৰীসমূহৰ মূল্যবৃদ্ধি ৰোধ কৰা, নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় আৰু নিৰ্মাণ সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা বিক্ৰেতাসমূহক সামগ্ৰীৰ নিৰ্ধাৰিত নিৰিখৰ লগতে ষ্টক পঞ্জিকা গ্ৰাহকৰ দৃষ্টিগোচৰ হোৱাকৈ ফলত আঁৰি থ'বলৈ নিৰ্দেশ দিয়া। আইন অমান্যকাৰী বণিকসকলৰ দোকান, গুদাম প্ৰশাসনে ছীল কৰা, সমগ্ৰ জিলাখনত কৃত্ৰিম অনাটনেৰে সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটোৱা দুষ্টচক্ৰক চিনাক্ত কৰি আইনগত ভাৱে উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। অসমৰ মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰৰ জৰিয়তে কে আৰ এছ এছে জিলাখনৰ সাধাৰণ জনতা বিশেষকৈ কৃষক, নিম্ন মধ্যবিত্ত আৰু দুখীয়া শ্ৰেণীৰ লোকসকলৰ স্বাভাৱিক জীৱনযাত্ৰা সুনিশ্চিত কৰাৰ স্বাৰ্থত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ বাবে আইনগতভাৱে শীঘ্ৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি ৰাইজক সকাহ দিবলৈ লখিমপুৰবাসীৰ লগতে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট কবি ৰূপজ্যোতি বিকাশ দত্ত, সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়া, উপদেষ্টা বাবুল দত্ত আৰু লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ অন্তৰ্গত উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক সমিতিৰ সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত, সাধাৰণ সম্পাদক মানস প্ৰতিম দত্তই সজোৰে দাবী জনাইছে।



## নাগাৰা নামৰ বিদায়ী পাঠকক বিশেষ সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৫ মে'ঃ** ১৯৭৫ চনৰ পৰা একেৰাহে সুদীৰ্ঘ ৪৭ বছৰ ধৰি ডুমডুমা চহৰত নাগাৰা নামৰ গুৰিৰ'ঠা ধৰি থকা আৰু ১৯৮৪ চনত প্ৰতিষ্ঠিত ডুমডুমা নাগাৰা নাম সংঘৰ সম্পাদকৰ দায়িত্বত থাকি সম্প্ৰতি ঠিকনা সলনি কৰি গুৱাহাটীবাসী হ'বলৈ যোৱা কাৰণত সম্পাদকৰ পদৰ পৰা অব্যাহতি লোৱা অম্বিকাগিৰি পথ নিবাসী নাগাৰা নামৰ বিশিষ্ট পাঠক, নাগাৰা বাদক আৰু ভোৱতাল বাদক, সমাজকৰ্মী ভৱেশ চন্দ্ৰ লহকৰক কালি সন্ধিয়া ডুমডুমা নাট্য মন্দিৰত নাগাৰা নাম সংঘৰ দ্বাৰা আয়োজিত আৰু সংঘৰ সভাপতি অৰ্জুন বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা এখন সভা যোগে চেলেং চাদৰ, সঁফুৰা আৰু মানপত্ৰৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত নাগাৰা নাম সংঘৰ উপসভাপতি চন্দ্ৰকান্ত শৰ্মা, সম্পাদক অৱনি কলিতা, নাম পৰিচালকদ্বয় বীৰেন ডেকা আৰু যতীন শৰ্মা, প্ৰাক্তন পৰিচালক কাঞ্চন মহন্ত, কোষাধ্যক্ষ তথা নাগাৰা বাদক ত্ৰিদীপ ডেকা, বয়সস্থ সদস্যসকল ক্ৰমে সুনন্দ বৰ্মন, বিনয় লহকৰ, ৰমেশ বৰ্মন, বিষ্ণু মেধি আদি কৰি কুৰিৰ অধিক সদস্য আৰু ডুমডুমা শাখা সাহিত্য সভাৰ সম্পাদক দেবেন ডেকা উপস্থিত থাকে আৰু বিদায়ী প্ৰাৰ্থী ভৱেশ চন্দ্ৰ লহকৰৰ সান্নিধ্যৰ কথা শ্ৰদ্ধা সহকাৰে সোঁৱৰণ কৰি আৱেগিক হৈ পৰে। উপস্থিত ৰাইজৰ সম্বৰ্ধনা আৰু সন্মান গ্ৰহণকাৰী ভৱেশ চন্দ্ৰ লহকৰে তেওঁৰ বিদায় ক্ষণত ডুমডুমাৰ নাগাৰা নামৰ এটি ইতিবৃত্ত সমজুৱাসকলক অৱগত কৰে আৰু অসমীয়া সংস্কৃতি নাগাৰা নামৰ প্ৰচাৰ অধিক উজ্জ্বল ৰূপত আগবঢ়াই নিবলৈ সতীৰ্থসকলক অনুৰোধ জনাই বক্তব্য সামৰে। দুদিনমানৰ পিছতে তেওঁ গুৱাহাটীৰ বাসিন্দা হ'ব যদিও ডুমডুমাৰ ৰাইজ আৰু নাম সংঘৰ সদায় যাতে শুভাকাংক্ষী হৈ থাকে তাৰ বাবে সভাই তেওঁক অনুৰোধ জনায় আৰু তেওঁ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

## অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ কেৰিয়াৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে'ঃ** গুৱাহাটী আজাৰাস্থিত চন্দ্ৰপ্ৰভা বড়া উচ্চ মাধ্যমিক বিদ্যালয়ত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত ২৫ মে' তাৰিখ দিনৰ ১২.৩০ বজাত এখন কেৰিয়াৰ সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ডঃ বুলজিৎ বুঢ়াগোহাঁই। ডঃ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলক কেৰিয়াৰ সম্পৰ্কীয় দিহা-পৰামৰ্শ আগবঢ়ায়। কেৰিয়াৰ পৰামৰ্শদাতা গৰাকীয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়োৱাৰ লগতে প্ৰতি শনিবাৰে বিয়লি ৬-৯ বজালৈ ফোনযোগে (৯৪৩৫১৮৮৬৩০) আগবঢ়োৱা কেৰিয়াৰ পৰামৰ্শৰ বিষয়েও অৱগত কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত শিক্ষাৰ্থীসকলে উচ্চতৰ মাধ্যমিকৰ কলা, বিজ্ঞান, বাণিজ্য শাখা বা বৃত্তিমুখী (vocational) যিকোনো শাখাতে শিক্ষা কৰি নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে সুন্দৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰে সেই বিষয়েও তেওঁ বিশদ ব্যাখ্যা আগবঢ়ায়। সভাখনত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক হৰজিৎ দাস আৰু তাপসজ্যোতি কলিতাও উপস্থিত আছিল।

*ভাৰতৰ প্ৰধানমন্ত্ৰী-অসমৰ মুখ্যমন্ত্ৰী-ৰামেশ্বৰ তেলীৰ প্ৰতিকৃতি দাহ আছাৰ*

## কাছাৰৰ ডলু চাহ বাগানৰ উচ্ছেদিত চাহ মজদুৰক পুনৰ সংস্থাপনৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৫ মে'ঃ** অসম চাহ মজদুৰ সংঘ আৰু আছাৰ ধৰ্ণা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি কালি ওদালগুৰি জিলা আছাৰ উদ্যোগত বাদলাপাৰা চাহ মজদূৰ সংঘৰ সহযোগত বাদলাপাৰা চাহ বাগানৰ মুখ্য কাৰ্যালয় চৌহদত কাছাৰৰ ডলু চাহ বাগানৰ উচ্ছেদিত প্ৰায় তিনিহাজাৰ চাহ মজদুৰক পুনৰ সংস্থাপনৰ দাবীৰে ১ঘন্টা ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ হিমন্ত বিশ্ব শৰ্মা গ' বেক, নৰেন্দ্ৰ মোদী গ' বেক, ৰামেশ্বৰ তেলী গ' বেক, অসম চৰকাৰ হায় হায়, ভাৰত চৰকাৰ হায় হায়, অসম চৰকাৰ কাম নাই, ভাৰত চৰকাৰ কাম নাই শ্লোগানেৰে আকাশ-বতাহ কঁপাই তোলে। উল্লেখ্য যে সুদীৰ্ঘ দিন ধৰি চাহ জনগোষ্ঠীৰ এছ টি কৰণৰ দাবী, চাহ মজদুৰক ৫২৫ টকালৈ দৰমহা বৃদ্ধি, চাহ মজদুৰক ভূমি পট্টা প্ৰদান দাবীৰে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ওদালগুৰি জিলা সমিতিৰ সদৌ আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি টিংকু ওৰাং, বামুণজুলি আঞ্চলিক আছাৰ সভাপতি শিৱদূত তান্তি আৰু ওদালগুৰি জিলাৰ আছাৰ উপ সভাপতি বিজয় বাৰ্লা উপস্থিত থাকি জোৰদাৰ ধৰ্ণাৰ কাৰ্যসূচী সফল ৰূপায়ণ কৰা চাহ মজদুৰ আৰু আছাই সুদীৰ্ঘ দিন ধৰি কৰা ন্যায্য দাবীক চৰকাৰে কেতিয়া গুৰুত্ব সহকাৰে লয় এয়া অনাগত সময়তহে জানিব পৰা যাব।

# বঙাইগাঁৱত ছেন্ট জেভিয়াৰ্চ ইনষ্টিটিউটৰ শুভ উদ্বোধন

## ইউপিএছচি-এপিএছচি পাঠ্যক্ৰমৰ ওপৰত আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ মে'ঃ** বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁৱত ইউপিএছচি, এপিএছচি, মেডিকেল, ইঞ্জিনিয়াৰিং আদি পাঠ্যক্ৰমত অৱতীৰ্ণ হ'ব বিচৰাসকলৰ সহায়ক হোৱাকৈ মঙলবাৰে প্ৰশিক্ষণৰ সুবিধাৰ্থে 'ছেন্ট জেভিয়াৰ্চ ইনষ্টিটিউট' নামৰ এটি শিক্ষানুষ্ঠানৰ শুভ উদ্বোধন কৰা হয়। বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকে ফিতা কাটি তথা বন্তি প্ৰজ্বলন কৰি শিক্ষানুষ্ঠানখনৰ শুভ উদ্বোধন কৰে। শিক্ষানুষ্ঠানৰ শুভ উদ্বোধন কৰি জিলা উপায়ুক্ত পাঠকে ক্ৰমবৰ্ধমান চাহিদাৰ মূল্যায়নত গঢ়ি উঠা প্ৰতিষ্ঠানৰ পৰা অক্লান্ত চেষ্টা, ইচ্ছাশক্তি দৃঢ় কৰি আগুৱালে নিশ্চিতভাৱে ইউপিএছচি, এপিএছচি, মেডিকেল, ইঞ্জিনিয়াৰিং আদি পাঠ্যক্ৰমত সফলতা তথা কৃতকাৰ্য হ'ব পাৰিব বুলি আশা ব্যক্ত কৰে। উপায়ুক্তগৰাকীয়ে 'ইউপিএছচিক সকলো পৰীক্ষাৰ মাতৃ' বুলি অভিহিত কৰি অষ্টম শ্ৰেণীৰ পৰা স্নাতক পাঠ্যক্ৰম দৃঢ়ভাৱে অধ্যয়ন কৰি পৰীক্ষাত অৱতীৰ্ণ হ'লে তেওঁলোকে নিশ্চিতভাৱে সফল হ'ব পাৰিব বুলিও প্ৰকাশ কৰে। লগতে বঙাইগাঁৱৰ নিচিনা ঠাইত এনে প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰয়োজন আছে বুলি কৈ কয় যে মন থাকিলেও বহু ছাত্ৰ-ছাত্ৰীয়ে আন ঠাইলৈ গৈ বিভিন্ন কাৰণত প্ৰশিক্ষণ গ্ৰহণ কৰিব নোৱাৰে। সেয়ে ইয়াতে অসামৰিক পৰীক্ষাৰ বাবে প্ৰশিক্ষণ লৈ নিজকে প্ৰস্তুতি চলাব পাৰিব। উল্লেখ্য যে নিখিল বড়ো ছাত্ৰ সন্থা(এবছু)ৰ উপসভাপতি কৰ্মদাও বসুমতাৰীয়ে অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আৰম্ভণিতে নিজৰ ভাষণত এনে প্ৰতিষ্ঠানৰ প্ৰয়োজনীওতাৰ কথা দোহাৰি ইয়াৰ জৰিয়তে ছাত্ৰ - ছাত্ৰীসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত ছেন্ট জেভিয়াৰ্চ ইনষ্টিটিউটৰ অধ্যক্ষ নৱ কুমাৰ বসুমতাৰীয়ে সাম্প্ৰতিক সময়ত যুৱ প্ৰজন্মৰ মাজত ক্ৰমবৰ্ধমান অসম প্ৰশাসনিক সেৱা, ইউপিএছচি, মেডিকেল আৰু ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমৰ প্ৰতি ধাউতি বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি মফচলীয় চহৰ বঙাইগাঁৱত এনে প্ৰতিষ্ঠানে নামনি অসমৰ লোকক বাৰুকৈয়ে উপকৃত আৰু সহায় কৰিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহৰ সদস্য ৰাজীৱ বৰুৱা, ছেন্ট জেভিয়াৰ্চ ইনষ্টিটিউটৰ সঞ্চালক জাবেৰ মানিজেছ, এবছুৰ শিক্ষা সম্পাদক ৰোমিঅ কুমাৰ বসুমতাৰী, নতুন দিল্লীৰ অৰুণাদয় আইএএচ ইনষ্টিটিউটৰ সঞ্চালক সুৰজ কুমাৰ মৌনি, বঙাইগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া ভাৰ্গৱ কলিতা, বঙাইগাঁও কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যাপক টি কে বাহাদুৰ, অৱসৰ প্ৰাপ্ত শিক্ষক লোকনাথ বৰ্মন, বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল মান্নান আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে ইউপিএছচি আৰু এপিএছচিৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত নতুন দিল্লীৰ অৰুণাদয় আইএএছ ইনষ্টিটিউটৰ সঞ্চালক সুৰজ কুমাৰ মৌনি আৰু অসম প্ৰশাসনিক কৰ্মচাৰীৰ একাডেমিক বিশেষজ্ঞ ডঃ ধৰ্মেন্দ্ৰ গৌড় মুখ্য বক্তা হিচাপে অংশ গ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অতিথিসকলক আৰনাই আৰু ফুলৰ থোপাৰে সম্বৰ্ধনা জনোৱা হয়।




# ফিল'বাৰীত ভাৰতীয় সেনাবাহিনীৰ সেনা বিষয়াৰ কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ২৫ মে'ঃ** ফিল'বাৰীৰ লগতে বুঢ়ীদিহিং অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ উত্তৰণৰ উদ্দেশ্য আগত ৰাখি ভাৰতীয় সেনা বাহিনীৰ ২২ ৰূপাই বেটেলিয়নৰ স্পিয়াৰ কৰ্পছৰ উদ্যোগত 'ভাৰতীয় সেনা বাহিনীত কেৰিয়াৰ' সন্দৰ্ভত এখনি কৰ্মশালা অনুষ্ঠিত হয় তিনিচুকীয়া জিলাৰ ফিল'বাৰী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলত। এই কৰ্মশালাত ভাৰতীয় সেনা বাহিনীত কেনেদৰে সেনা বিষয়া পদত নিযুক্তি পাব পাৰি এই বিষয়ে বিভিন্ন দিশ আলোকপাত কৰা হয়, লগতে ভাৰতীয় সেনাত বিষয়া হিচাপে কেনেদৰে নিৰ্বাচিত হ'ব লাগে সেই বিষয়ে যুৱকসকলৰ লগতে শিক্ষাৰ্থীসকলক ভাৰতীয় সেনাত বিষয়া হিচাপে বাছনি কৰাৰ বাবে বিভিন্ন প্ৰবিষ্টি আৰু প্ৰক্ৰিয়াৰ উপৰি একাডেমীত প্ৰশিক্ষণ আৰু ভাৰতীয় সেনাৰ এজন বিষয়া হিচাপে জীৱনৰ এক আভাসো দিয়া হয় এই উদ্যোগৰ অধীনত, ভাৰতীয় সেনাই অব্যাহত নিৰ্দেশনা প্ৰদান কৰিব আৰু ভাৰতীয় সেনাত বিষয়া হিচাপে যোগদান কৰিব বিচৰা আকাংক্ষাকাৰীসকলক সহযোগ কৰাৰ কথা অৱগত কৰে ৰূপাই আৰু ফিল'বাৰী সেনা বিষয়াৰ মুৰব্বীসকলে। এই গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰখনত ১৫০ জন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰাৰ লগতে শিক্ষক; ফিল'বাৰী অঞ্চলৰ সচেতন নাগৰিক আৰু বিদ্যালয়ৰ অভিভাৱকসকল উপস্থিত হৈ সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে বাৰ্তালাপৰ সময়ত ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু অভিভাৱকসকলে সৰ্বসন্মতিক্ৰমে যুৱকসকলক সঠিক দিশত কেৰিয়া গাইড কৰাৰ বাবে ভাৰতীয় সেনা ২২ ৰূপাই বেটেলিয়নৰ লগতে ফিল'বাৰীস্থিত ফিল'বাৰীৰ সেনা বিষয়াসকলৰ এই প্ৰচেষ্টাক সচেতন মহলে আদৰণি জনায়।



## দক্ষিণ শালমাৰাৰ মুঠাখোৱা এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰ মইমতালি

# স্কলাৰশ্বিপৰ নামত ছাত্ৰ-ছাত্ৰীৰ পৰা দুহেজাৰকৈ টকা উৎকোচ লোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৫ মে'ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ, দক্ষিণ শালমাৰাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত মুঠাখোৱা এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক আছমত আলীৰ বিৰুদ্ধে উত্থাপিত হৈছে বৃহৎ কেলেংকাৰীৰ বিৰুদ্ধে অভিযোগ। প্ৰধান শিক্ষকজনে ছাত্ৰ-ছাত্ৰীৰ পৰা দুই হেজাৰকৈ টকা উঠাই আত্মসাৎ কৰা বুলি অভিযোগ পোৱা গৈছে। এই অভিযোগ কৰিছে স্বয়ং বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে। স্কলাৰশ্বিপৰ কাম কৰিবলৈ এনেদৰে ছাত্ৰ-ছাত্ৰীৰ পৰা দুহেজাৰকৈ টকা লৈ দহ হাজাৰকৈ টকা ছাত্ৰ-ছাত্ৰীক পোৱাৰ ব্যৱস্থা কৰিব বুলি আশ্বাস দিছিল প্ৰধান শিক্ষকগৰাকীয়ে। কিন্তু আজিলৈকে কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে স্কলাৰশ্বিপৰ ধন পোৱা নাই বুলি মন্তব্য কৰা পৰিলক্ষিত হৈছে। প্ৰধান শিক্ষক আছমত আলীয়ে ছাত্ৰ-ছাত্ৰীসকলক দহ হেজাৰ টকা চৰকাৰৰ ফালৰ পৰা স্কলাৰশ্বিপৰ কাম কৰি দিবলৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা দুহেজাৰকৈ টকা আগধন হিচাপে উৎকোচ লোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি ধুৰন্ধৰ শিক্ষকগৰাকীয়ে বিদ্যালয়খনত দুপৰীয়াৰ মধ্যাহ্ন ভোজনৰ চাউল আৰু নগদ ধন আত্মসাৎ কৰা, পোছাক বিতৰণত দুৰ্নীতি কৰা আদি বিভিন্ন বিষয়ত অভিযোগ উত্থাপন কৰিছে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলে। সেয়ে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে অভিভাৱকসকলে প্ৰধান শিক্ষক আছমত আলীৰ বিৰুদ্ধে জিলা উপায়ুক্তৰ লগতে দক্ষিণ শালমাৰা শিক্ষাখণ্ডৰ বিষয়াক তদন্ত ক্ৰমে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা টকা ঘূৰাই দিবলৈ বিভাগ তথা প্ৰশাসনক দাবী জনায়।

## বহুভাষিক কবি সন্মিলনৰ অধিৱেশন শ্ৰেষ্ঠ জিলা নিৰ্বাচিত লখিমপুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৫ মে'ঃ** অসমৰ কাব্য-সাহিত্য জগতৰ অন্যতম শক্তিশালী কাব্য, সাহিত্য, সংস্কৃতিৰ সংগঠন অসম বহুভাষিক কবি সন্মিলনৰ বঙাইগাঁও বীৰঝৰাস্থিত পাব্লিক লাইব্ৰেৰী প্ৰেক্ষাগৃহত সদ্য অনুষ্ঠিত কেন্দ্ৰীয় দ্বি-বাৰ্ষিক অধিৱেশনত অসমৰ সৰ্বশ্ৰেষ্ঠ জিলা সমিতিৰূপে লখিমপুৰ নিৰ্বাচিত হোৱাৰ লগতে লখিমপুৰৰ বিশিষ্ট কবি, কোচ-ৰূপজ্যোতি দত্ত উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈ লখিমপুৰ জিলাক গৌৰৱান্বিত কৰাত অভিনন্দন জনাইছে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক ৰূপম বিকাশ কোচে। এক প্ৰেছ বিজ্ঞপ্তিযোগে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ হৈ প্ৰচাৰ সম্পাদক কোচে উল্লেখ কৰে যে- 'অসম বহুভাষিক কবি সন্মিলনৰ বঙাইগাঁও অনুষ্ঠিত দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষ্যত বিগত দ্বি-বৰ্ষত কাব্য, সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ বাবে অসমৰ শ্ৰেষ্ঠ বহুভাষিক জিলা সমিতি হিচাপে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন নিৰ্বাচিত হোৱাৰ উপৰি অসম বহুভাষিক কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি হিচাপে বিশিষ্ট কবি, গল্পকাৰ লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক কোচ-ৰূপজ্যোতি দত্তক পুনৰ আগন্তুক দ্বি-বৰ্ষৰ বাবে নিৰ্বাচিত কৰাত লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন তথা উত্তৰ অসমৰ কাব্য, সাহিত্য, সংস্কৃতিপ্ৰেমী উৎফুল্ল হৈছে বুলি অভিহিত কৰি শুভেচ্ছা জনাইছে। বিশিষ্ট কবি, গল্পকাৰ ৰূপজ্যোতি দত্ত কোচৰ সবল নেতৃত্বত লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ লগতে অসম বহুভাষিক কবি সন্মিলনৰ সাংগঠনিক স্থিতি অধিক ত্বৰান্বিত কৰি তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়-চৰাইদেউত আদৰ্শ বিদ্যালয় উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৫ মে'ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ উদ্দেশ্যে চাহ বাগিচাত আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। ডিব্ৰুগড় জিলাত ২৭ মে'লৈ জিলাখনৰ অন্তৰ্গত স্থাপন হোৱা বিদ্যালয়সমূহ আনুষ্ঠানিকভাৱে শুভ-উদ্বোধন কৰিব অসম চৰকাৰৰ মন্ত্ৰীসকলে। কাইলৈ জিলাখনৰ চাবুৱা সমষ্টি অন্তৰ্গত চাবুৱা চাহ বাগিচা আদৰ্শ বিদ্যালয়খন দুপৰীয়া ১২:১৫ বজাত শুভ-উদ্বোধন কৰিব মন্ত্ৰী অতুল বৰাই। লগত উপস্থিত থাকিব ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু। মৰাণ সমষ্টিৰ অন্তৰ্গত চেপন চাহ বাগিচা আদৰ্শ বিদ্যালয়খন বিয়লি ৩ বজাত শুভ-উদ্বোধন কৰিব মন্ত্ৰী বিমল বড়াই। উপস্থিত থাকিব ডিব্ৰুগড় জিলা উন্নয়ন আয়ুক্ত সঞ্জয় দত্ত। নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত তিনিআলি চাহ বাগিচা আদৰ্শ বিদ্যালয় দিনৰ ১ বজাত আৰু দিল্লী চাহ বাগিচা আদৰ্শ বিদ্যালয় বিয়লি ৩ বজাত শুভ-উদ্বোধন কৰিব মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। এই দুখন বিদ্যালয়ত ডিব্ৰুগড় জিলা অতিৰিক্ত উপায়ুক্ত ক্ৰমে জয় শংকৰ শৰ্মা আৰু জিতু কুমাৰ দাস উপস্থিত থাকিব। দুলীয়াজান সমষ্টি দিৰাই চাহ বাগিচাৰ আদৰ্শ বিদ্যালয় দিনৰ ১:৩০ বজাত শুভ-উদ্বোধন কৰিব মন্ত্ৰী সঞ্জয় কিষাণে। উপস্থিত থাকিব ডিব্ৰুগড় জিলা অতিৰিক্ত উপায়ুক্ত মণিকা বৰা। আনহাতে চৰাইদেউ জিলাত স্থাপন কৰা চাৰিখন আদৰ্শ বিদ্যালয় কাইলৈ আনুষ্ঠানিকভাৱে শুভ-উদ্বোধন কৰিব। মৰাণ হিংৰিজান চাহ বাগিচা আদৰ্শ বিদ্যালয়খন দিনৰ ১ বজাত শুভ-উদ্বোধন কৰিব মন্ত্ৰী যোগেন মহনে।

# অসম আন্দোলনৰ অগ্ৰণী নেতা, বিশিষ্ট ৰাজনীতিক থানেশ্বৰ বৰাৰ শেষকৃত্য সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৫ মে'ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা, বিশিষ্ট ৰাজনীতিক, সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি তথা ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক থানেশ্বৰ বৰাৰ নশ্বৰ দেহত কালি ডিব্ৰুগড় সাহিত্য সভাৰ বাকৰিত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক ডঃ শশীকান্ত শইকীয়াই সভাৰ পতাকা অৰ্পণ, উপসভাপতি বিভাস দুৱৰাই গামোচা আৰু সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে পুষ্প অৰ্ঘৰে শেষ শ্ৰদ্ধা নিৱেদন কৰে। ইয়াৰ লগতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাংগণতে অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দ্বিপুৰঞ্জন মাক্ৰাৰী, এ পি পি এলৰ অধ্যক্ষ বিকুল ডেকা, ডিব্ৰুগড় পৌৰসভাৰ হৈ উপ-পৌৰপতি উজ্জ্বল ফুকন, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক লোকেশ্বৰ বৰা, মদন কোঁৱৰ, লায়ন্স ক্লাবৰ সম্পাদক ৰক্তিম গগৈ, সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অনিল দুৱৰা, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈ, সম্পাদক পৰমেশ্বৰ নলবৰীয়া, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনিল সিং, ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক মীনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাৰ লগতে সহস্ৰজনে বিদেহী আত্মাৰ প্ৰতি শেষ শ্ৰদ্ধা জনায়। আনহাতেদি প্ৰয়াত থানেশ্বৰ বৰাৰ চৌকিডিঙীৰ উদয়পুৰৰ বাসগৃহত পুৱাৰে পৰা অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধা জনাবলৈ ভিৰ কৰা পৰিলক্ষিত হয়। দিল্লীৰ পৰা বিমানযোগে দুপৰীয়া মোহনবাৰী বিমান বন্দৰত নশ্বৰ দেহ আহি পোৱাত, পোনে পোনে নিজ বাসগৃহলৈ অনা হয়। তাতেই সকলো বৈদিক প্ৰথাৰে মাংগলিক কাৰ্য সমাপন কৰাৰ পাছত উদয়পুৰৰ অনুপম সংঘ, চিৰিং চাপৰি নামঘৰ, চৌকিডিঙী নামঘৰ, সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, অসম গণ পৰিষদৰ ডিব্ৰুগড় কাৰ্যালয়ৰ লগতে ডিব্ৰুগড় শ্বহীদ ন্যাসলৈ নশ্বৰ দেহ নিয়াৰ লগতে সকলো গুণমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জনায়। বিয়লি চৌকিডিঙী ৰাজহুৱা শ্মশানত সহস্ৰজন আত্মীয়,গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়।



# এছচিচিৰ ৰাজ্যিক প্ৰশিক্ষণত দৰঙলৈ শ্ৰেষ্ঠ জিলাৰ বঁটা

## ■ ওদালগুৰিয়ে শৃংখলাবদ্ধতাৰ বঁটা

## ■ কামৰূপে সাংস্কৃতিকৰ বঁটা-মৰিগাঁৱৰ মিকিৰভেটাৰ শ্ৰেষ্ঠ বিদ্যালয়ৰ বঁটা লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৫ মে'ঃ** এছ চি চি ৰাজ্যিক সমিতিৰ উদ্যোগত কামৰূপ জিলাৰ সহযোগত মিৰ্জাস্থিত আৰ বি হাইস্কুল খেলপথাৰত অনুষ্ঠিত হৈ যোৱা ৰাজ্যিক পুৰস্কাৰ প্ৰশিক্ষণ শিবিৰত অসমৰ ৭ খন জিলাই অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী সকলক পুথিগত শিক্ষাৰ উপৰি শাৰীৰিক-মানসিক, নৈতিক ও বৌদ্ধিক দিশত সবল কৰি তোলাৰ উদ্দেশ্যে এছ চি চিয়ে লোৱা এনে পদক্ষেপৰ শলাগ লৈছে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া আৰু বিশিষ্ট বুদ্ধিজীৱী সমাজে। ১৩ মে'ৰ পৰা ১৭ মে'লৈ অনুষ্ঠিত হৈ যোৱা এছ চি চি ৰ প্ৰশিক্ষণত অংশগ্ৰহণ যোগ, আত্মৰক্ষাৰ কৌশল, পথ সুৰক্ষাৰ ওপৰত প্ৰাথমিক ধাৰণা, ড্ৰীল, মাৰ্চিং, এছ চি চি ৰ প্ৰশিক্ষণ, শৃংখলাবদ্ধতা, গীত-মাত, নৃত্য-নাটক আৰু বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিদ্বন্দ্বিতা কৰি দৰং জিলাৰ মঙ্গলদৈ এছ চি চি অপেন গ্ৰুপ, কান্তিৰাম জাতীয় বিদ্যালয়, পূব দলগাঁও জাতীয় বিদ্যালয়, এক্সেলেঞ্চ একাডেমী ধূলা আৰু হাজি ইউনুচ আলী মেম'ৰিয়াল একাডেমীয়ে জিলা খনলৈ শ্ৰেষ্ঠ জিলাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। কান্তিৰাম জাতীয় বিদ্যালয়, পূব দলগাঁও জাতীয় বিদ্যালয়, এক্সেলেঞ্চ একাডেমী ধূলা, আৰু হাজি ইউনুচ আলী মেম'ৰিয়াল একাডেমীয়ে school level award লাভ কৰিবলৈও সক্ষম হয়। আনহাতে ওদালগুৰি জিলাৰ আমিনপাৰা হাইস্কুল শৃংখলাবদ্ধতাৰ বঁটা লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই লৈ যায়। ওদালগুৰি জিলাৰ পাঁচআলি জাতীয় বিদ্যালয়ে স্কুল পৰ্যায়ৰ বঁটা লাভ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই লৈ যায়। মৰিগাঁও জিলাৰ মিকিৰভেটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে best School award লাভ কৰি মৰিগাঁওলৈ গৌৰৱ কঢ়িয়াই লৈ যাবলৈ সক্ষম হয়। মৰিগাঁৱৰ সুকদল মাধ্যমিক বিদ্যালয়ে নিজৰ বিদ্যালয়ত school level award লৈ আনিবলৈ সক্ষম হয়। আনহাতে কামৰূপ জিলাৰ উপৰহালি হাই স্কুল, ফেকাল্টী পাবলিক স্কুল অন্যান্য বিদ্যালয়ৰ সহযোগত শ্ৰেষ্ঠ সাংস্কৃতিকৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে উপৰহালী হাই স্কুল, ফেকাল্টী পাবলিক স্কুলে school level award ও লাভ কৰে। বৰপেটা জিলাৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি মজিবুৰ আলীয়ে leadership award লাভ বৰপেটালৈ গৌৰৱ কঢ়িয়াই লৈ যায়। উক্ত ৰাজ্যিক পুৰস্কাৰ প্ৰশিক্ষণ শিবিৰৰ নেতৃত্ব দিয়ে এছ চি চি ৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন, সাধাৰণ সম্পাদক সঞ্জয় শৰ্মা, প্ৰশিক্ষণ সম্পাদক হীৰামণি ৰহমানে। এছ চি চি ৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুচেইন, সাধাৰণ সম্পাদক সঞ্জয় শৰ্মা, প্ৰশিক্ষণ সম্পাদক হীৰামণি ৰহমানৰ নেতৃত্বত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰে উপ সভাপতি মুস্তাফা কামাল, দিলীপ কলিতা, উৎপল দাস, তৃষ্ণা মজুমদাৰ, আবু তালেব আহমেদ, অফিউন নেহাৰ, সঞ্জু সাহু, জেৰিফা বেগম, মুস্তাফিৰ আলম, বিশ্ব দাস, হিৰো কলিতা, NDRF ৰ Commander চাফায়াত উল্লাহ খান, কিষাণ লাল। এছ চি চি হৈছে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এটি মঞ্চ। এই মঞ্চ ৰ জৰিয়তে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰিবলৈ সক্ষম হৈছে।

# ঢোলমাৰাত তিনি পাষণ্ডৰ নাবালিকা ধৰ্ষণ-কাণ্ডক তীব্ৰ গৰিহণা চিৰাং জিলা কোঁচ-ৰাজবংশী সাহিত্য সভাসহ অন্যান্য দল-সংগঠনৰ

## দোষীক ফাঁচী দিবলৈ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজলগাওঁ, ২৫ মে'** : কোকৰাঝাৰ জিলাৰ সীমামূৰীয়া ঢোলমাৰাত এগৰাকী যুৱতীক তিনি পাষণ্ডই সন্ধিয়াৰ আন্ধাৰৰ সুযোগ লৈ চাহ বাগিচাৰ মাজত টানি নি ধৰ্ষণ কাণ্ডই সম্প্ৰতি সৰ্বত্ৰে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাটিক তীব্ৰ গৰিহণা দি দোষীৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহি নজিৰ সৃষ্টি কৰিবলৈ চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক আহ্বান জনায় চিৰাং জিলা কোঁচ ৰাজবংশী সাহিত্য সভাই। জিলা কোঁচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি তেজেন কুমাৰ বৰ্মন আৰু সম্পাদক স্বপন কুমাৰ বৰ্মনে ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া চলাই দোষীক ফাঁচী দিবলৈ আহ্বান জনায়। লগতে ধৰ্ষণৰ বলি হোৱা নাবালিকা গৰাকীক উচিত ক্ষতিপূৰণেৰে নিৰাপত্তা দিবলৈও আহ্বান জনায়। তদন্ত অনুসৰি দোষীৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ শাস্তি বিহিবলৈ আহ্বান জনায় কোকৰাঝাৰ আৰু চিৰাং জিলা অসম গণ পৰিষদ(অ গ প) দলৰ সম্পাদক যথাক্ৰমে জাকিৰ হুছেইন আৰু কবেন্দ্ৰ চন্দ্ৰ দাসে। তেওঁলোকে ঘটনাটিক কেন্দ্ৰ কৰি গোষ্ঠীগত সংঘৰ্ষৰ বীজ নিসিচিবলৈ সকলোকে আহ্বান জনায়। অপৰাধীৰ কোনো জাত-বিচাৰ নাই। অপৰাধী অপৰাধীহে; এইবুলি মন্তব্য প্ৰকাশ কৰে। সদৌ বড়োলেণ্ড শিৰসোনা দলৰ প্ৰমুখ পিন্টু চন্দ্ৰই লাভ জেহাদৰ নামত সহজ-সৰল, দুখীয়া-নিচলা ঘৰৰ জীয়ৰী-বোৱাৰীক ফুছলাই নি বিক্ৰী কৰাৰ দৰে অলেখ ঘটনা সংঘটিত কৰি অহাৰ দৰে কেতিয়াবা কেতিয়াবা মুক্ত ভাবেই জীয়ৰী-বোৱাৰী, শিশু-নাবালিকাক ধৰ্ষণ-অপহৰণ কৰি অহা এক বিশেষ গোষ্ঠীৰ লোকক চৰকাৰ-প্ৰশাসনে বিশেষ নজৰ দিবলৈও আহ্বান জনাই নগাঁৱৰ বটদ্ৰৱা থানা জুলাই দিয়া অপৰাধীৰ বিৰুদ্ধে যেনে ব্যৱস্থা গ্ৰহণ কৰিছিল ঢোলমাৰা ঘটনাৰ সতে জড়িত অপৰাধীৰ বিৰুদ্ধেও তেনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ-প্ৰশাসনক আহ্বান জনায়।



মৰিয়নিৰ চাহ বাগিচাত মডেল হাইস্কুল উদ্বোধন কৰিছে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে

# জামুগুৰিহাটত ৰাৰিয়ছৰ প্ৰশংসনীয় পদক্ষেপ সামাজিক কৰ্মৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৫ মে'** : ৰাজ্যত বাৰিষাৰ আগতীয়া বানে সংহাৰি ৰূপ ধাৰণ কৰাৰ সময়তে মুষলধাৰ বৰষুণৰ বাবেই জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তত সৃষ্টি হোৱা কৃত্ৰিম বানৰ কবলত পৰি গৃহহীন হৈ পৰিছিল বহু পৰিয়াল। গৃহহীন হৈ পৰা লোকসকলে শিবিৰ পাতি আশ্ৰয় গ্ৰহণ কৰিব লগীয়া হৈছিল বানৰ কবলত পৰি আশ্ৰয় শিবিৰত দিন অতিবাহিত কৰিবলগা হোৱা পৰিয়ালসমূহৰ কাষত থিয় দি খাদ্যসামগ্ৰী যোগান ধৰে বাৰিয়ছৰ নামৰ সংগঠনটিয়ে। ৰাইজৰ পক্ষত থিয় হৈ কাম কৰি যোৱা সংগঠনটোৱে জামুগুৰি আঞ্চলিক সমিতিয়ে জামুগুৰিহাটৰ বাপুজী ভৱনত স্থাপন কৰা অস্থায়ী শিবিৰত থকা বানপিড়িত পৰিয়াল সমূহৰ মাজত খাদ্য তথা কেতবোৰ নিত্য অপৰিহাৰ্য সামগ্ৰী বিতৰণ কৰে। সামাজিক কামকাজৰ লগত জড়িত সংগঠনটিয়ে অলপতে অঞ্চলটোৰ বৰহমপুৰ গাঁৱৰ এগৰাকী বৃদ্ধা মাতৃকো নিজা প্ৰচেষ্টাৰে চতিয়াৰ 'বয়োজ্যেষ্ঠ আশ্ৰম'ত থোৱাৰ ব্যৱস্থা কৰাৰ বাবে ৰাইজৰ দ্বাৰা প্ৰশংসিত হৈছে। উল্লেখ্য, সদ্য নিযুক্ত অসম আৰক্ষী পদৰ অঞ্চলটোৰ প্ৰাৰ্থী সকলক সংগঠনটিয়ে বিশেষ ভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে সংগঠনটিয়ে ৰূপায়ণ কৰা আটাইকেইটা অনুষ্ঠানতেই জিলা সভাপতি সুনীল আগৰৱালা, জিলা বিত্ত সম্পাদিকা স্মৃতিৰেখা হাজৰিকা,জিলা আইনী উপদেষ্টা বীমা হাজৰিকা,আঞ্চলিক উপদেষ্টা বিজু হাজৰিকা,সভানেত্ৰী-সম্পাদিকা ক্ৰমে মমী বৰা আৰু বেবী বৰঠাকুৰ শইকীয়া,সদস্যাবৃন্দ নিৰু শৰ্মা,বিউটি বৰদলৈ,কল্যানী হাজৰিকা,কঙ্কনা কাকতি,জুৰি শইকীয়া,দীনা বৰা আৰু প্ৰতিমা হাজৰিকা উপস্থিত থাকে মুঠৰ ওপৰত এই সংগঠনটিয়ে অঞ্চলটোত সময়ে সময়ে ৰাইজৰ হৈ কৰি অহা কামে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

## ৰহাত কলঙৰ পানী কিছু কমিছে যদিও ওলোৱা নাই বহু লোকৰ ঘৰৰ ভেটি

# দক্ষিণপাৰে থকা পহুপুৰী, জাকৰুৱা, উদৰভেটি গাঁওবাসীৰ বিলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহাত, ২৫ মে'** : ৰহাত কলঙত পানী কিছু কমিছে যদিও বহুলোকৰ ঘৰৰ ভেটি এতিয়াও পানীৰ তলত ডুব গৈ আছে। নগাঁও জিলাৰ ৰহা সমষ্টিৰ জাগীয়াল মৌজাৰ দক্ষিণ জাগীয়াল গাওঁ পঞ্চায়তৰ অন্তৰ্গত কলঙৰ দক্ষিণ পাৰে থকা পহুপুৰি গাওঁ, জাকৰুৱা গাওঁ , উদৰভেটি , কজললাজান আদি গাৱৰ কলঙৰ পাৰতে থকা পহুপুৰী, জাকৰুৱাৰ কিছুলোকৰ ঘৰৰ ভেটী ওলাইছে যদিও পথৰ ওপৰেদি বাগৰি আছে পানী। যি সকলৰ ঘৰৰ ভেটী ওলাইছে তাঁলৈ যাব নোৱাৰি । চৌদিশে এটা গেলা পচা গোন্ধ। ঘৰৰ ভেটীত ভৰি দিলেই সোমাই যায় একাঠু বোকা। ২০০৪ চনৰ পানীত বহুকেইটা ঘৰৰ ভেটি পানীত ডুব যোৱা নাছিল যদিও এইবাৰ সকলো ঘৰৰ ভেটী পানীত ডুব গল। গাওঁ খনৰ অধিকাংশ লোকে নদীৰ উত্তৰ পাৰে থকা দীঘলদৰি, কাকতি গাওঁ, ফুলগুৰি ত থকা মিতিৰৰ ঘৰত আশ্ৰয় লৈ আছে কিছু লোকে গাওখনৰ পহুপুৰী প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় লৈছিল যদিও বিদ্যালয় খনটো ডুবুটি পানী হৈছিল। জাকৰুৱা বনমামৰৰ এতিয়াও ৪০ ঘৰ পৰিয়ালে আৰ্কষীৰ বেৰেকৰ দৰে বিছনা পাৰি আশ্ৰয় লৈ আছে। পহুপুৰীৰ বহু লোকে ঘৰৰ লাম লাকটু এই এপদ লৈ লগত আনিব পাৰিলে ।ঘৰৰ ভিতৰতে পানীত ওপঙি আছে চৰু ,কেৰাহী আদি। এই কথা সাংবাদিকক জনালে পহুপুৰি এল পি স্কুলত থকা কল্পনা দেবীয়ে। বহুকেইগৰাকী মহিলাই নাও লৈ ঘৰৰ ভিতৰত পানীত ডুব যোৱা কানি কাপোৰ আনি জাকৰুৱাৰ পানী নাইকীয়া হোৱা পথত বহত থকাৰ ছবি আছিল মৰ্মস্পৰ্শী। পহুপুৰী প্ৰাথমিক বিদ্যালয়ৰ এগৰাকীয়ে কলে সকলো পানীত গলো এতিয়া ছোৱালী জনীৰ স্কুলৰ ইউনিফৰ্ম কাপোৰ পিন্ধিব লগীয়া হৈছে।

# অসম উৰিয়া মহাসভা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত উৰিয়া জাতীয় জীৱনৰ উন্নয়নৰ ওপৰত মনোজ্ঞ আলোচনা সম্পূৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতাচাৰিআলি, ২৫ মে'** : অসম উৰিয়া মহাসভা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত বোকাখাতৰ আনন্দপুৰ চাহ বাগিছাৰস্থিত 'দি ৰয়েল কেমেলীয়া "প্ৰেক্ষাগৃহত অসমৰ উৰিয়া জাতীয় জীৱনৰ উন্নয়নৰ ওপৰত ২২ মে'ত এক মনোজ্ঞ আলোচনা অনুষ্ঠিত হৈ যায় । ওদালগুৰি জিলাৰ ৰৌতা আৰু ওৰাঙত আজি এই কথা সদৰি কৰে অসম উৰিয়া মহাসভাৰ সভাপতি যোগেশ সোনাৰ আৰু সম্পাদক চাকেশ মহানন্দাই । উৰিয়া মহাসভাৰ সভাপতি যোগেশ সোনাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মনোজ্ঞ অনুষ্ঠানৰ উদ্ধোধনী। ভাষণ প্ৰদান কৰি মহাসভাৰ সাধাৰণ সম্পাদক চাকেশ মহানন্দাই কয় বহুধা। বিভক্ত উৰিয়া সমাজ সমিতিসমূহক একত্ৰিকৰণেৰে জাতিটোক সঠিক ৰূপত গঢ় দিয়া ব্যৱস্থা কৰা । এই মহান উদ্দেশ্য আগত ৰাখি আমন্ত্ৰণ কৰা সমিতি সমূহক্ৰমে নায়ক সমাজ,খদাল বনিকদাস সমাজ,উৰিয়া মূলীয়া পানতাঁতী সমাজ,তাঁতী সমাজ,টংলা সমাজ, খ'ইত সমাজ আৰু উৎকল তাঁতী সমাজ আদিৰ প্ৰতিনিধি সকল অংশ গ্ৰহণ কৰে ।উজনি, নামনি,মধ্য অসম আৰু উত্তৰ পাৰৰ সমাজ সচেতন ব্যক্তি সকল সভাখনত উপস্থিত থাকে । অসম উৰিয়া মহাসভা আৰু অসম উৰিয়া যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয়,জিলা, আঞ্চলিক আৰু কুটুম সভাৰ বিষয় ববীয়া সকল উপস্থিত থকা অনুষ্ঠানটোত উৰিয়া সমাজৰ বিশিষ্টা লেখিকা,কবি প্ৰতিভা দাসে অংশ গ্ৰহণ কৰি উৰিয়া মহাসভাত ঐকান্তিক প্ৰচেষ্টাক শলাগ লয়। সময়োপযোগী ভাষণ প্ৰদান কৰে । সভাত একত্ৰিকৰণৰ প্ৰস্তাৱক সকলোৰে আদৰি জনোৱাৰ লগতে উৰিয়া মূলীয়া লোকসকলৰ জাতিগত প্ৰমাণ পত্ৰ প্ৰদানৰ সম্পৰ্কে বিস্তৃত ভাৱে আলোচনা কৰা হয়।উৰিয়া মহাসভাৰ অন্তৰ্গত মহিলা সমিতি গঠনৰ বাবে আহ্বায়ক হিচাপে জ্যোতি চাহানী আৰু প্ৰতিমা তাছাক দায়িত্ব দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে একত্ৰিকৰণৰ পৰবৰ্তী চুড়ান্ত সভা ১২ জুনত তিনিচুকীয়া জিলাত অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি উৰিয়া মহাসভাৰ সভাপতি সম্পাদকে আজি জানিবলৈ দিছে।

# নগাঁৱত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ আৰু দ্য ইউনিয়নৰ ধঁপাত নিয়ন্ত্ৰণ সন্দৰ্ভত জিলাভিত্তিক কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাওঁ, ২৫ মে'** : নগাওঁ জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আৰু ড্যা ইউনিয়ন নামৰ আন্ত ৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থাটোৰ সহযোগত আজি নগাঁও চহৰৰ শংকৰ মিছনৰ প্ৰেক্ষাগৃহত ধপাত নিয়ন্ত্ৰন সন্দৰ্ভত জিলা ভিত্তিক কৰ্মশালা এখন অনুষ্ঠিত হৈ যায়। উক্ত কৰ্মশালাত উপস্থিত থাকে জিলা ধপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ বিষয়া ডঃ ৰঞ্জন গোস্বামী।জিলা ধপাত নিয়ন্ত্ৰণ কোষে ধপাতৰ অবাধ প্ৰচলন ৰোধৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ তথা পৰিকল্পনা সমূহৰ বিষয়ে কৰ্মশালা খনত অৱগত কৰে। তেও লগতে ভাৰতৰ বিভিন্ন আইনৰ জড়িয়তে ধপাতৰ প্ৰচলন নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা সমূহৰ বিষয়ে উল্লেখ কৰি আইন সমূহৰ সহায়ত ধপাত নিয়ন্ত্ৰণৰ বাবে আগবাঢ়িবলৈ সকলো পক্ষকে অনুৰোধ জনায়। উল্লেখযোগ্য যে আজিৰ এই কৰ্মশালাখনত বিশেষকৈ শিক্ষানুষ্ঠান আৰু ৰাজহুৱা স্থান সমূহ ধপাত মুক্ত কৰাৰ লক্ষ্যৰ কথা উল্লেখ কৰি ধপাত সেৱনৰ ভয়াৱহ দিশ সমূহৰ বিষয়েও আলোকপাত কৰে। উল্লেখ্য, আজিৰ এই কৰ্মশালা খনত জিলাখনৰ বহুকেইজন বিশেষজ্ঞ চিকিৎসক,অসম আৰক্ষীৰ উপ পৰিদৰ্শক, এনচিচি, শিক্ষা বিভাগ, , ঔষধ পৰিদৰ্শক, এন.এছ.এছ, শিক্ষাৰ্থী আৰু সমাজ কল্যাণ বিভাগকে ধৰি সৰ্বমুঠ ষষ্ঠজন অংশগ্ৰহণ কৰে। এই কৰ্মশালা খনত নগাওঁ জিলাৰ জেষ্ঠ চিকিৎসক ডঃ দিলীপ শৰ্মা, ভুপেন বৰা,ড্যা ইউনিয়নৰ তনমী হাজৰিকা, স্বাস্থ্য বিভাগৰ বোমা বৰদলৈ আৰু বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালাৰ শেষত প্ৰশিক্ষাৰ্থী সকলক প্ৰমান পত্ৰও বিতৰণ কৰা হয়।



নগাঁও জিলাৰ শালনা চাহ বাগিচাৰ মডেল হাইস্কুল উদ্বোধন কৰিছে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই, বুধবাৰে

# অৱসৰপ্ৰাপ্ত শিক্ষক ৰোহিণী উপাধ্যায়ৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৫ মে'** : বিহালী সমষ্টিৰ মোনাবাৰী নিবাসী তথা মোনাবাৰী চাহ বাগিছাৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক ৰোহিনী উপাধ্যায়ৰ(৭২) আজি নিজ বাসভৱনত মৃত্যু ঘটে। কাঠনিবাৰীঘাটত জন্ম গ্ৰহণ কৰা উপাধ্যায় অতি মৃদুভাষী সহজ -সৰল মনৰ অধিকাৰী আছিল। অঞ্চলটোৰ কেইবাটিও অনুষ্ঠানৰ লগত জড়িত উপাধ্যায় কিছুদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। তেওঁৰ মৃত্যুত মোনাবাৰী, কাঠনিবাৰীৰ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠান, সংস্থা সংগঠন, মোনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোটকে ধৰি কেইবাটিও সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ ইহ সংসাৰত পত্নী,এগৰাকী পুত্ৰ -বোৱাৰী, জী -জোঁৱাই , নাতি নাতিনী এৰি থৈ যায়!

# বৃহত্তৰ অসমীয়া যুৱমঞ্চৰ কেন্দ্ৰীয় সমিতিৰ ২৬ মে'ত আমগুৰিত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২৫ মে'** : শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ মুল পথ হিচাপে পৰিগণিত হৈ থকা ঐতিহাসিক ধোদৰ আলিৰ আমগুৰি জাঁজী দলঙৰ পৰা চামগুৰি ৰজা মৈদাম সমীপ লৈকে পুনৰ নিৰ্মাণ কৰিবলৈ অহা প্ৰায় ৮ কি:মি পথছোৱা নিৰ্মাণ কৰিবৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ৮'৭৫ কোটি টকা লোক নিৰ্মাণ বিভাগৰ অধীনত মুকলি কৰি দিছিল। সেই টকাৰে নিৰ্মাণ কৰা পথটো প্ৰথমৰ পৰাই ঠিকাদাৰ আৰু অভিযন্তাই মিলি দুৰ্নীতি কৰি অহা দেখিবলৈ পোৱা গৈছে। বিগত ছেপ্টেম্বৰতে আৰম্ভ কৰা পথ পুণৰ নিমাণ কামটোত আমগুৰি নগৰৰ অংশত বখলা ব্লেক টেপিং এৰি যোৱা পৰিলক্ষিত হৈছিল।পৰৱৰ্তী সময়ত বিভিন্ন মহলে অভিযোগ দিয়াত নগৰ অংশ ভাল কৰে যদিও পুনৰ বাকী অংশত দুৰ্নীতি কৰা দেখিবলৈ পোৱা গৈছে। আৰ টি আই উল্লেখিত তথ্য অনুসৰি ৯ কি:মি: পথটো সৃষ্টি হৈ সৰু সৰু গাতত শিল দিবৰ ৬৫'২২ লাখ টকা পুঁজি ধাৰ্য্য হৈছিল। কিন্তু ৬৫ '২২ লাখ টকাৰে তাৰিখে ১০ লাখ টকাৰো শিল দিয়া পৰিলক্ষিত নহল। উক্ত পথ নিৰ্মানত সংঘটিত হোৱা দুৰ্নীতিৰ তদন্ত বিচাৰি কেন্দ্ৰীয় সমিতিৰ সহ সচিব প্ৰধান আকাশ শইকীয়া আৰু কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি যাদব গগৈ আৰু আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি মলয়জ শইকীয়া, ভাৰপাপ্ত সচিব অংকুৰ গগৈয়ে ৪ এপ্ৰিল তাৰিখে জিলাৰ অতিৰিক্ত উপায়ুক্তৰ কায্যালয়ত আমগুৰি চক্ৰ বিষয়া মৌচুমী লাহন আৰু আমগুৰি লোক নিমান বিভাগৰ AEE ৰিতুৰাজ গগৈ আৰু অভিযন্তা মোহন বৰাৰ উপস্থিত এক আলোচনাত মিলিত হয়। উক্ত আলোচনাত অতিৰিক্ত উপায়ুক্তই ২০ এপ্ৰিলৰ ভিতৰত ভগ্ন কালভাৰ্ট পুনৰ নিৰ্মাণ কাম আৰম্ভ কৰা লগতে শিল দিয়াৰ নামত সংঘটিত হোৱা ৬৫,২২ লাখ টকাৰ এক উচ্চ স্তৰৰ তদন্ত ঘোষণা কৰে। কিন্তু প্ৰায় ৩০ দিন উকলি যোৱা পাছতো ভগ্ন কালভাৰ্টো নিৰ্মাণ কৰিছে যদিও আজি ৫০টা দিন উকলি যোৱাৰ পাছতো আমি ৬৫ লাখ টকাৰ তদন্ত নামত কোনো এটা সঠিক উত্তৰ আমি নাপালোঁ। ইফালে দুৰ্নীতি গাপ দিবলৈ ভণ্ড ঠিকাদাৰে সংবাদ মাধ্যমক বিপথে পৰিচালিত কৰাহে দেখিবলৈ পোৱা গৈছে। সেয়েহে আমি বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিয়ে দাবী কৰা কোনো এটা কাম আজিলৈকে ফলগুৰু নোহোৱাত এলানি জংগী আন্দোলনৰ ঘোষণা কৰিছিল। ২৬ মেত আমগুৰি নগৰৰ মাজমজিয়াত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী গ্ৰহণ কৰাৰ লগতে ৬নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ কাৰ্যসূচী হাতত লোৱা হৈছে।



সোণাৰি মাৰোৱাৰী যুৱ মঞ্চই কৃত্ৰিম কেলিপাৰ বিতৰণ কৰাৰ দৃশ্য, বুধবাৰে

# বহুজাতিক চাহ কোম্পানীৰ বিৰুদ্ধে ডুমডুমাৰ বাগিচাই বাগিচাই আটছাৰ প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৫ মে'** : চাহ শ্ৰমিকৰ জ্বলন্ত সমস্যা সমূহক আওকাণ কৰি কেৱল মুনাফা লুটি অহা বৃহৎ চাহ বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে এলানি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থা ডুমডুমা শাখাই । ডুমডুমাত থকা এপিজে, এম, কে শ্বাহ , ওৱাৰেন , জেমছ্ ওৱাৰেন আদিৰ দৰে বৃহৎ বৃহৎ চাহ কোম্পানী বিলাকৰ বাগিচা সমূহত শ্ৰমিকে স্বাস্থ্য, শিক্ষা, ভৱিষ্যনিধি, বাহগৃহ মেৰামতি, বদলি কাম দিয়া, শিক্ষিত নিবনুৱাক খালি থকা পদ সমূহত মকৰল নকৰা, খোৱাপনী আদিৰ দৰে এশ এবুৰি সমস্যাৰে জৰ্জৰিত হৈ আহিছে । কেৱল দা-দৰমহা আৰু ৰেচন দিয়াৰ বাদে বাগিচা বিলাকত শ্ৰমিকৰ সকলো প্ৰাপ্য দিবলৈ কোম্পানী সমূহে ক্ৰমান্বয়ে বন্ধ কৰি দিয়া দেখা গৈছে । চাহ কোম্পানী বিলাকৰ এনে শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে আটছা ডুমডুমা শাখা জাঙুৰ খাই উঠিছে আৰু বাগিচা বিলাকত শ্ৰমিকৰ সহযোগত ধৰ্না কাৰ্য্যসূচী ৰূপায়ন কৰিছে । আজি পুৱা বিচাকপি চাহ বাগিচাত শ্ৰমিকৰ বিভিন্ন জ্বলন্ত সমস্যা সমূহ সমাধানৰ দাবীত বাগিচা কাৰ্য্যালয়ৰ সন্মূখত দুই ঘন্টীয়া ধৰ্ণা সাব্যস্ত কৰে আটছাই । সহস্ৰাধিক শ্ৰমিক আৰু আটছা সদস্যৰ প্ৰতিবাদত পৰিৱেশ উত্তাল হৈ পৰা পৰিলক্ষিত হয় ।

# টুপামাৰীত দুই সন্তানৰ পিতৃৰ আত্মহত্যা, চাঞ্চল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৫ মে'** : কামৰূপৰ বকো সমষ্টিৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ৰ নং টুপামাৰী গাওঁত আজি দুই সন্তানৰ পিতৃৰ ৰহস্যজনক আত্মহত্যাৰ ঘটনাই অঞ্চলজুৰি চাঞ্চল্য বিয়পিছে। জানিব পৰা মতে ৰ নং টুপামাৰী গাওঁৰ লালচান আলীৰ পুত্ৰ নুৰ ইছলামে (৩৩) দিন দুপৰতে নিজ গৃহত চিপ লৈ আত্মহত্যা কৰে। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত অঞ্চলটোৰ শ শ লোকৰ সমাগম ঘটে। পিছত টুপামাৰী আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি টুপামাৰী আৰক্ষী চকীত নি মৰণোত্তৰ পৰীক্ষা কৰাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া দিহা কৰে। উল্লেখ্য যে কি কাৰণত দুই সন্তানৰ পিতৃ নুৰ ইছলামে আত্মহত্যাৰ পথ বাচি লবলগীয়া হল সেয়া সকলোৰে বাবে এক ৰহস্য হৈ পৰিছে। আনহাতে পৰিয়ালৰ লোকে পাৰিবাৰিক কন্দলৰ ফলতেই আত্মহত্যা কৰা বুলি সন্দেহ প্ৰকাশ কৰে।

# নগাঁৱৰ নেহৰুবালিত যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ মে'** : নগাঁও চহৰৰ কলঙৰ বাকৰি নেহৰুবালিত আজি পুৱা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে।প্ৰাত:ভ্ৰমণলৈ যোৱা একাংশ লোকে নেহৰুবালিত এজন যুৱকৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাওঁ শ্বহীদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পাচত মৃতদেহটো নগাঁও চহৰৰ তেলিয়াপট্টি অঞ্চলৰ চেন্টু পাঠকৰ বুলি চিনাক্ত কৰা হয় । তেওঁ নগাঁও চহৰৰ এটা ড্ৰাগছ ডিষ্টিবিউটৰত কৰ্মৰত হৈ আছিল । জানিব পৰা মতে ২২ মে'ৰ সন্ধিয়াৰ পৰা যুৱক জন সন্ধানহীন হৈ আছিল ।কোনো বন্ধুৱে তেওঁক ফোন কৰি মাতি অনাৰ পিছৰে পৰা যুৱক জন সন্ধানহীন হৈ আছিল বুলি তেওঁৰ আত্মীয়ই জানিবলৈ দিয়ে ।মৃত যুৱক জনৰ দেহত আঘাতৰ চিন স্পষ্ট হৈ আছে ।সেয়ে কি পৰিস্থিতিত যুৱকজনে মৃত্যুক সাৱটি ললে সেয়া জানিব পৰা হোৱা নাই ।আৰক্ষীৰ সঠিক তদন্তইহে এই ঘটনাৰ প্ৰকৃত তথা পোহৰলৈ আনিব পাৰিব।


হজ-২০২২

জাননী

ভাৰতীয় হজ কমিটিৰ নিৰ্দেশনা অনুসৰী যুটীয়া ৰাজ্যিক হজ কমিটিৰ অন্তৰ্গত অসম, মেঘালয়, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু চিকিমৰ হজ-২০২২ৰ ইচ্ছুক হজযাত্ৰী সকলক নিম্নোক্ত বিষয়সমূহ অৱগত কৰা হ'ল।

১) ভাৰতীয় হজ কমিটিৰ পত্ৰ নং HC-13/202/2018/1817 dtd- 20-05-2022ৰ জৰিয়তে জানিবলৈ দিয়া মতে, পৰিবহণগত প্ৰত্যাহ্বানৰ বাবে উত্তৰ-পূব ৰাজ্যৰ হজযাত্ৰীসকলক নিৰ্দিষ্ট আকাৰ আৰু জোখৰ বেগ (Standardize Baggage) যোগান ধৰিব পৰা নাযাব। সেয়েহে, ইচ্ছুক হজযাত্ৰীসকলে ভাৰতীয় হজ কমিটীয়ে নিৰ্ধাৰণ কৰি দিয়া (২০ কিঃগ্ৰাঃ উজনৰ ২ টা বেগ ২৯.৫+২১.৭০+১১ ইঞ্চি= ৬২.২০ ইঞ্চি (দীঘ+প্ৰস্থ+উচ্চতা) আৰু ৭ কিঃগ্ৰাঃ ওজনৰ এটা হাত বেগ ২১.৭৫+১৫.৭৫+৯ ইঞ্চি+= ৪৬.৫ ইঞ্চি (দীঘ+প্ৰস্থ+উচ্চতা)) জোখ মতে নিৰ্দিষ্ট আকাৰ আৰু জোখৰ বেগ (Standardize Baggage) সমূহ নিজাববীয়াকৈ সংগ্ৰহযক্ৰয় কৰিব লাগিব।

২) ভাৰতীয় হজ কমিটিয়ে চাৰ্কোলাৰ নং 21 (HC-24/52/2022/1813 dtd-20-05-2022)ৰ জৰিয়তে, ভাৰতীয় কনচুলেট জেনেৰেল ই-মেইল বাৰ্তা আৰু হজ ২০২২ ৰ নিৰ্দেশিকাৰ উদ্ধৃতি দি জনাইছে যে, চৌদি আৰবলৈ অগ্ৰসৰ হোৱা হজযাত্ৰী সকলৰ বাবে কভিড-১৯ ৰ সম্পূৰ্ণ টিকাকৰণৰ নীতি-নিয়মসমূহ বয়স তথা টিকাকৰণৰ চুক্তি নিৰ্বিশেষে বাধ্যতামূলক থাকিব। উল্লেখযোগ্য যে, হজ ২০২২ ৰ বাবে সেই সকল ব্যক্তি হে অনুমতি পাব, যিসকল ইচ্ছুক হজযাত্ৰীয়ে মান্যতাপ্ৰাপ্ত কভিড-১৯ ৰ প্ৰতিষেধক, হজ যাত্ৰাৰ অন্তত ১ মাহ পূৰ্বে গ্ৰহণ কৰিছে।

সেয়েহে, যি সকল ব্যক্তিয়ে বৰ্তমানলৈকে কভিড-১৯ ৰ দ্বিতীয় পালি প্ৰতিষেধক লোৱা নাই তেওঁলোকক অনতি পলমে প্ৰতিষেধক লৈ IHPMS (https//: .hcoi3.hajcommittee.in/webapp/web21/) ত সংযোজন কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছে। সংযোজনৰ প্ৰক্ৰীয়া তলত উল্লেখ কৰা হল।

শিশু আৰু কেঁচুৱাকে ধৰি যিসকল ইচ্ছুক হজযাত্ৰীয়ে চৌদি স্বাস্হ্য মন্ত্ৰালয়ৰ দ্বাৰা অনুমোদিত কভিড-১৯ৰ মূল প্ৰতিষেধক গ্ৰহণ কৰা নাই, সেইসকল ভাৰতীয়ই হজ-২০২২ৰ বাবে অনুমতি নাপাবওঁ পাৰে। লগতে হজযাত্ৰীসকলে COWIN পৰ্টেল (www.cowin.gov.in)ত গৈ টীকাকৰণৰ প্ৰমাণ পত্ৰখন তেওঁলোকৰ পাছপ'ৰ্টৰ সৈতে যোগ (map) কৰিবলৈও পৰামৰ্শ দিয়া হৈছে।

৩) ভাৰতীয় হজ কমিটিয়ে চাৰ্কোলাৰ নং 22 (HC-20/51/2021/1867 dtd-23-05-2022) ৰ জৰিয়তে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশিকাৰ উদ্ধৃতি দি জানিবলৈ দিছে যে, হজযাত্ৰা শিবিৰত চৌদি ৰিয়াল বিতৰণৰ বাবে ইচ্ছুক হজযাত্ৰীসকলে তেওঁলোকৰ PAN কাৰ্ড নম্বৰ প্ৰদান কৰিব লাগিব। সেয়েহে হজযাত্ৰীসকলে তলত উল্লেখ কৰা প্ৰক্ৰিয়া অনুসৰি বিশেষকৈ কভাৰ হেড নতুবা যিকোনো সহযাত্ৰীৰ PAN কাৰ্ডৰ সবিশেষ সংযোজন কৰিবলৈ অনুৰোধ জনোৱা হৈছে-

Covid19 টিকাকৰণ আৰু PAN কাৰ্ডৰ সবিশেষ সংযোজন কৰিবলৈ —
www.hajcommittee.com >>> Haj 2022>>> Pilgrims Login>>> Login with ID & Password (created during online application.) >>> Update vaccine /Update PAN card/ Re Upload Documents.

স্বাক্ষৰ
**(আবুল লেইচ চৌধুৰী, এ. চি. এছ.)**
কাৰ্য্যবাহী বিষয়া ও সচিব,
যুটীয়া ৰাজ্যিক হজ কমিটি,
অসম, মেঘালয়, নাগালেণ্ড ইত্যাদি

Janasanyog /D/4121/ 22



৩২ সংখ্যক ৰাজ্যিক পৰ্যায়ৰ বিজ্ঞান, গণিত আৰু পৰিৱেশ প্ৰদৰ্শনীৰ বঁটা বিতৰণ আৰু বিজ্ঞান জনপ্ৰিয়কৰণ বক্তৃতানুষ্ঠান

নতুন দিল্লীস্থ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু সমাজৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰাৰ বাবে প্ৰতিবছৰে ৰাষ্ট্ৰীয় স্তৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে "জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় গণিত, বিজ্ঞান আৰু পৰিৱেশ প্ৰদৰ্শনী" শীৰ্ষক বিজ্ঞান প্ৰদৰ্শনী এখনিৰ আয়োজন কৰি আহিছে। ৰাজ্যিক ভিত্তিত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসমূহে এই প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব পাৰে। ৰাষ্ট্ৰীয় বিজ্ঞান, গণিত আৰু পৰিৱেশ প্ৰদৰ্শনীলৈ নিৰ্বাচিত কৰিবৰ বাবে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ (SCERT, Assam) উদ্যোগত এইবাৰ অনলাইন পদ্ধতিত ৩২ সংখ্যক ৰাজ্যিক বিজ্ঞান, গণিত আৰু পৰিৱেশ প্ৰদৰ্শনীখনিৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত মুঠ ১২৭ টা মডেল বিভিন্ন স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনি ৬টা উপ বিষয়- পৰিৱেশ উপযোগী সামগ্ৰী (Eco-Friendly Materials), স্বাস্থ্য আৰু পৰিসৰ-পৰিচ্ছন্নতা (Health and Cleanliness), ছফটৱেৰ আৰু এপ্‌চ (Software and Apps), যোগাযোগ (Transport), পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন (Environment and Climate Change), গাণিতিক নমুনা (Mathematical Modeling)ৰ ওপৰত আয়োজন কৰা হৈছিল। বিশিষ্ট সমল ব্যক্তিৰে গঠিত বিচাৰকমণ্ডলীয়ে ইয়াৰ মাজৰ পৰা ৬টা মডেল ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগা প্ৰদৰ্শনীৰ বাবে নিৰ্বাচিত কৰে।

ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত এই প্ৰদৰ্শনীত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলক অহা ২৭ মে' ২০২২ই তাৰিখে গুৱাহাটীস্থ NEDFi সভাকক্ষত এক অনুষ্ঠানত বঁটা বিতৰণ কৰা হ'ব। বিজ্ঞান প্ৰদৰ্শনীৰ অংশ হিচাপে প্ৰতিবছৰে এক সমল ব্যক্তিৰ দ্বাৰা জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। এইবাৰ যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত (NEIST) কৰ্মৰত অসমৰ প্ৰখ্যাত বিজ্ঞানী আৰু শান্তিস্বৰূপ ভাটনাগৰ বঁটাপ্ৰাপক ড° বিনয় কুমাৰ শইকীয়াদেৱে "ভাৰতত বিজ্ঞান বিষয়ত উচ্চ শিক্ষাৰ পৰিসৰ" শীৰ্ষক বিজ্ঞান বিষয়ক বক্তৃতা প্ৰদান কৰিব। স্কুলীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষক প্ৰশিক্ষকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

**স্বাক্ষৰ/-**
**(ড° নিৰদা দেৱী)**
**সঞ্চালক**
**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**Janasanyog /D/4076/22**

## প্ৰথম পৃষ্ঠাৰ পৰা—

# বড়ো যুৱতীৰে ছেল্‌ফী উঠাক

আন এগৰাকী বড়ো বান্ধৱীৰ লগত মোবাইলত ছেল্‌ফী উঠিছিল দুদিনমান পূৰ্বে। তাৰ বাবেই খৰ্গহস্ত হৈ শালবাৰীৰ কেবাগৰাকী এবছু কৰ্মীয়ে কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা এবছু কাৰ্যালয়লৈ উঠাই নি জ্যোতিষ দাসৰ মোবাইলৰ সকলো তথ্য হস্তগত কৰি প্ৰথমে হাতেৰে মাৰধৰ কৰি পৰৱৰ্তী সময়ত লাঠিৰে কোবাই কোবাই গুৰুতৰভাৱে আহত কৰে জ্যোতিষ দাস নামৰ কম্পিউটাৰ শিক্ষকগৰাকীক। ঘটনাৰ কথা জানিব পাৰি জ্যোতিষ দাসৰ মাতৃয়ে শালবাৰীৰ এবছু কাৰ্যালয়ত উপস্থিত হৈ মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰে নিজ পুত্ৰক। তাৰ পিছতেই মাতৃৰ উকা কাগজত স্বাক্ষৰ লৈ জ্যোতিষ দাসক মুকলি কৰি দিয়ে এবছু কৰ্মীসকলে। ঘটনাটোৱে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে এবছু কৰ্মীসকলৰ বিৰুদ্ধে জাতুৰ খাই উঠিছে স্থানীয় ৰাইজ। ইতিমধ্যে ভুক্তভোগী জ্যোতিষ দাসৰ পৰিয়ালৰ ফালৰ পৰা শালবাৰী থানাত দাখিল কৰা হৈছে এজাহাৰ। আৰক্ষীৰ ক্ষিপ্ৰ তদন্তৰ দাবী কৰি এইক্ষেত্ৰত ন্যায় বিচাৰিছে পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে কালি শালবাৰীৰ ঘটনাটো সন্দৰ্ভত ভুক্তভোগী যুৱক তথা কম্পিউটাৰ প্ৰশিক্ষক জ্যোতিষ দাসে সংবাদ মাধ্যমৰ আগত কয়— কালি দুপৰীয়া ১০.৪০ মান বজাত মই শালবাৰী কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰত কাম কৰি থকাৰ মাজতে শালবাৰী এবছু অফিচৰ পৰা ছয়-সাতজনমান সদস্যই আহি প্ৰথমে মোৰ হাতত থকা মোবাইল ফোনটো কাঢ়ি লয়। তাৰ পিছত মোক এবছুৰ অফিচলৈ জোৰ-জুলুমভাৱে লৈ যাব বিচৰাত মোক কিয় এনেদৰে নিবলৈ ওলোৱা হৈছে বুলি প্ৰশ্ন কৰাত তেওঁলোকে মোৰ কিবা ভুল দেখিছে আৰু সেই বিষয়ে সোধাপোছাৰ বাবে লৈ যোৱা হ'ব বুলি জানিবলৈ দিয়ে। এবছুৰ অফিচলৈ নি মোক প্ৰথমে মোৰ মোবাইলটোৰ লক খুলিবলৈ কয় আৰু প্ৰথমাৱস্থাত মই লক খুলি দিবলৈ অমান্তি হোৱাত মোক মাৰধৰ আৰম্ভ কৰে। তাৰ পিছত মই মোবাইলৰ লক খুলি দিয়াত মোৰ যিমান ব্যক্তিগত তথ্য আছে সকলো এমূৰৰ পৰা চাইছে। মোবাইলটোত মোৰ কম্পিউটাৰ চেণ্টাৰত একেলগে কাম কৰা বড়ো সম্প্ৰদায়ৰ এগৰাকী যুৱতী তথা মোৰ সহকৰ্মীৰ লগত উঠা ফটো প্ৰত্যক্ষ কৰি মই কিয় বড়ো ছোৱালীৰ সৈতে ফটো উঠিছোঁ সেই বিষয়ে অবান্তৰ প্ৰশ্ন কৰিও মোক মিছাতে মাৰধৰ কৰে। একেদৰে লেছেৰাৰ বড়ো সম্প্ৰদায়ৰ মোৰ সহপাঠী, মোৰ বান্ধৱী এগৰাকীৰ স'তে উঠা ফটো আৰু মেছেজক লৈও মোক জবাবদিহি কৰি মাৰধৰ কৰে। লেছেৰাৰ বান্ধৱীগৰাকীৰ স'তে মোৰ সম্পৰ্ক কেৱল বন্ধুৰ নিচিনাহে আছিল। কোনো ৰিলেচনশ্বিপ ধৰণৰ সম্পৰ্ক নাছিল বা মেছেজবোৰো তেনেকুৱা ধৰণৰ নাছিল। মেছেজ আছিল যদিও সেয়া কেৱল বন্ধুত্বপূৰ্ণ আছিল। মোৰ ফটোবোৰো কোনো বেয়া ফটো বা অশ্লীল ফটো নহয়। সেই ফটোবোৰো কেৱল বন্ধুত্বপূৰ্ণহে আছিল। সেই বিষয়ক লৈও মোক এবছুৰ সদস্যসকলে মাৰধৰ কৰে। দুয়োখন হাতত কোবাই কোবাই মোক কয়— এই হাত দুখনেৰে আৰু কম্পিউটাৰ চলাবিনে, কম্পিউটাৰৰ প্ৰশিক্ষণ দিবিনে? তাৰ পিছতেই মোৰ গালত চৰিয়ায়, কাণত থপৰিয়ায়, মুখত ঘুচিয়ায়, হাতৰ বাউসীত মাৰপিট কৰে। পিঠিত লাঠিৰে কোবাই কোবাই লাঠি ছিঙি দিয়ে। মোক ছয়-সাতজনমান ল'ৰাই অত্যাচাৰ চলায়। তাৰ ভিতৰত এজনক চিনি পাওঁ। তাৰ নাম ৰূপনাথ। ৰূপনাথৰ এবছু অফিচৰ সমুখতে কম্পিউটাৰ দোকান আছে। মোক তিনি-চাৰিডাল লাঠিৰে পিঠিত কোবাই লাঠি ছিঙি দিছে। ঘটনাৰ বিষয়ে মোৰ মা জানিব পাৰি এবছু অফিচলৈ গৈ মোক তাৰ পৰা লৈ আহে। লৈ অহাৰ পূৰ্বে এখন উকা কাগজত আমাৰ স্বাক্ষৰ লয়। পুনৰ এনেকুৱা কাম নকৰিবলৈ সকীয়নি দিয়াৰ লগতে শালবাৰীৰ কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰত পুনৰ যাবলৈ মোক বাধা প্ৰদান কৰে। অন্যথা মৃত্যুৰ ভাবুকি দিয়ে। এইফালে ঘটনাৰ বিষয়ে ভুক্তভোগী যুৱক জ্যোতিষ দাসৰ পিতৃ ভগৱান দাসে জানিবলৈ দি কয়— যোৱা প্ৰায় দহ মাহ ধৰি মোৰ ল'ৰাই শালবাৰীৰ এটা কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰত কাম কৰি আহিছে। কালি হঠাৎ মোৰ ল'ৰাক কেইগৰাকীমান এবছু কৰ্মীয়ে কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰৰ পৰা উঠাই শালবাৰী এবছু অফিচলৈ নি বেয়াকৈ মাৰধৰ কৰে। অতি অমানবীয়ভাৱে মাৰধৰ কৰে মোৰ ল'ৰাক। তেওঁ ক্ষোভ ব্যক্ত কৰি বিটিআৰ প্ৰমুখ প্ৰমোদ বড়োক উদ্দেশ্যি কয়— প্ৰমোদ বড়ো ডাঙৰীয়াই শালবাৰীৰ এবছু অফিচত থকা সদস্যসকলক এয়াই নীতিশিক্ষা দিছে নেকি যে শালবাৰীত অসমীয়া, সূত্ৰধৰ বা ৰাজবংশী ল'ৰাই কলেজত পঢ়িব নোৱাৰিব, কোনো এক ব্যবসায় কৰি খাব নোৱাৰিব, বজাৰ কৰিব নোৱাৰিব, কোনো কাম কৰি খাব নোৱাৰিব। প্ৰমোদ বড়োৱে এইক্ষেত্ৰত মাত মাতক। আমি উচিত প্ৰত্যুত্তৰ বিচাৰিলে সাজু আছোঁ। আমি ইতিমধ্যে ঘটনা সন্দৰ্ভত শালবাৰী থানাত এজাহাৰ দাখিল কৰিছোঁ। আৰক্ষীৰ উচিত তদন্তৰ বাবে বাট চাই আছোঁ আমি। তেওঁ কয়— এবছুৱে কথা হৈছে বড়ো যুৱতী, ছোৱালীৰ লগত আন কোনেও ফটো উঠিব নোৱাৰিব, ছেল্‌ফী উঠিব নোৱাৰিব, মেছেজ কৰিব নোৱাৰিব, ফেচবুকত কমেণ্ট কৰিব নোৱাৰিব, আনকি কথাও পাতিব নোৱাৰিব। এবছুৰ সংবিধানত এনেকুৱা কিবা নিয়ম আছে নেকি বুলিও প্ৰশ্ন কৰে জ্যোতিষ দাসৰ পিতৃ ভগৱান দাসে। একেদৰে নিজ পুত্ৰ জ্যোতিষ দাসক এবছু অফিচলৈ নি মাৰধৰ কৰা সন্দৰ্ভত অভিভাৱককো কোনো ধৰণৰ অৱগত কৰা নাছিল বুলি সদৰী কৰে পিতৃয়ে। পিতৃ ভগৱান দাসে কয়— বৰ্তমান মই ভিডিপিৰ খয়ৰবাৰী গাঁৱৰ সভাপতি। তৎসত্বেও মই মোৰ ল'ৰাক সুৰক্ষিত কৰি ৰাখিব পৰা নাই। মুঠতে মই প্ৰশাসনৰ ওপৰত বিশ্বাস হেৰুৱাইছোঁ। প্ৰশাসনে নিশ্চয় এইক্ষেত্ৰত মোক সহায়-সহযোগ কৰিব। উল্লেখ্য যে এবছু কৰ্মীয়ে প্ৰহাৰ কৰা শালবাৰীৰ শান্তি বজাৰৰ জ্যোতিষ দাসক প্ৰশাসনে ন্যায় দিয়াৰ বাবে আজি শান্তি বজাৰৰ স্থানীয় ৰাইজে গৃহগাঁতত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। এইফালে শালবাৰীত এবছু কৰ্মীৰ দ্বাৰা সংঘটিত হোৱা ঘটনাটোক লৈ বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়েও প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়- এবছুৱে এইবিলাক কাম কৰাটো কিবা ভাল হ'ল নেকি? এইটো ভাল কাম হোৱা নাই। পুলিচ প্ৰশাসনক কেছ দিব লাগে। প্ৰশাসনে ধৰিব লাগে সকলোকে। বড়ো ছোৱালীয়ে হওক, অসমীয়া ছোৱালীয়ে হওক বেয়া কামত যোৱা নাই নহয়। ফটোহে উঠিছে মাত্ৰ। ছেল্‌ফীহে লৈছে। মোৰ লগতো কিমানে ছেল্‌ফী উঠে। প্ৰমোদ বড়োৰ লগতো ছেল্‌ফী উঠে। সিহঁতক মাৰা নাই কিয়। মোৰ লগতো বহু মানুহে ছেল্‌ফী উঠে। এবছুৱে কামবোৰ তেনেকুৱাই। এতিয়া এনেকৈয়ে এবছুৱে চৰকাৰ চলাই আছে। আপোনালোকেহে বুজি নাপায়। প্ৰমোদ বড়ো হৈছে এবছুৰ সভাপতি। কাম কৰিলে এবছুৱে কৰিব। বেলেগৰ কাৰণে নকৰে। এইফালে ঘটনা সন্দৰ্ভত এবছুৰ নেতৃত্বই প্ৰকাশ কৰা প্ৰতিক্ৰিয়া অনুসৰি উক্ত ঘটনাৰ সৈতে এবছুৰ কৰ্মী জড়িত নহয়। একাংশ দুষ্কৃতকৃতে এবছুৰ বদনাম কৰাৰ বাবে এনেধৰণৰ কাম কৰিছে। শালবাৰী বজাৰৰ মাজমজিয়াতে এবছুৰ শালবাৰী আঞ্চলিক কাৰ্যালয়টো থকা বাবে বিভিন্ন সময়ত কাৰ্যালয়ৰ কাষতে এনেধৰণৰ ঘটনা সংঘটিত কৰি এবছুৰ কৰ্মীক বদনাম কৰাৰ চেষ্টা কৰে।

# ট্ৰাকচালকক গ্ৰেপ্তাৰ

চাৰিআলিৰ পৰা গ্ৰেপ্তাৰ কৰে চালকজনক। ট্ৰাকচালকজনৰ নাম চফিকুল ইছলাম তালুকদাৰ। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰিছিল ট্ৰাকচালকজনে। এএছ-১১বিচি-১৫৫৫ নম্বৰৰ ঘাতকৰূপী ট্ৰাকখনে সংঘটিত কৰিছিল এই ভয়ংকৰ দুৰ্ঘটনাটো।

# গৱেষণা বিভাগ উঠাই নিয়াৰ

অসম সম্পদ'ত অব্যাহত আছে কেতবোৰ প্ৰতিষ্ঠানবিৰোধী কাৰ্যকলাপ। ষাঠিৰ দশকৰ পৰাই অসমত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ খনন-উৎপাদন, উদ্ঘাটন কাৰ্যত জড়িত থকা অ' এন জি চি অসম সম্পদৰ মুনাফাৰ ধনেৰে ভাৰতৰ বিভিন্ন ৰাজ্যত হাজাৰ হাজাৰ কোটি টকীয়া এছেট প্ৰতিষ্ঠা কৰাৰ পিছতো অসমৰ এই প্ৰতিষ্ঠানটোৱে বাৰে বাৰে কেন্দ্ৰৰ বঞ্চনাৰ বলি হ'বলগীয়া হোৱা বিষয়টোৱেই আজিৰ তাৰিখত এক ডাঙৰ প্ৰশ্ন। বৃহৎ বৃহৎ পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত অসম সম্পদক ব্যক্তিগতকৰণৰ দিশে আগবঢ়াই দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰক কৰমৰ্দন কৰি থকা একাংশ তথাকথিত নেতা আৰু নিগমৰ বিষয়াই হাত উজান দিয়াটোহে এতিয়া দুৰ্ভাগ্যৰ বিষয় হৈ পৰিছে। প্ৰায় পাঁচ সহস্ৰাধিক খিলঞ্জীয়া অসমীয়া কৰ্মচাৰী নিয়োজিত হৈ থকা এই বৃহৎ প্ৰতিষ্ঠানটো সম্প্ৰতি ধ্বংসমুখত উপনীত হৈছে। প্ৰতিষ্ঠানটোৰ কেইবাটাও বৃহৎ বৃহৎ বিভাগ ইতিমধ্যে অসম সম্পদৰ পৰা উঠাই লৈ যোৱা হৈছে আৰু কেইবাটাও বিভাগ ব্যক্তিগত খণ্ডক গতাই দিয়া হৈছে। শেহতীয়াকৈ পুনৰ এক প্ৰতিষ্ঠানবিৰোধী চক্ৰই এক নতুন খেলা আৰম্ভ কৰিছে। অ' এন জি চি অসম সম্পদৰ প্ৰতিষ্ঠা কালৰে পৰাই ইয়াত গৱেষণা কাৰ্য চলাই থকা 'ৰিজিঅ'নেল জিঅ'ছায়েঞ্চ লেবৰেটৰী'টো বৰ্তমান অসম সম্পদৰ পৰা উঠাই লৈ যোৱাৰ ষড়যন্ত্ৰই প্ৰতিষ্ঠানটো ধ্বংসমুখত অব্যাহত থকাৰ জ্বলন্ত প্ৰমাণ। ষাঠিৰ দশকৰ পৰাই অসমৰ বিভিন্ন প্ৰান্তৰ ভূগৰ্ভৰ তথ্য আৰু নমুনা মজুত হৈ থকা এই পৰীক্ষাগাৰটো শিৱসাগৰ জিলা তথা উজনি অসমৰ বাবে এক গৌৰৱময় ইতিহাস। য'ত ভাৰতৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপকসকলে গৱেষণা কাৰ্য সমাপন কৰি আহিছে। যি তথ্য আৰু নমুনাৰ দ্বাৰা অসমৰ ভূগৰ্ভত জমা হৈ থকা তেল-গেছৰ সন্ধান কৰা হয়। এতিয়া প্ৰশ্ন হ'ল- ষাঠিৰ দশকৰ পৰা নিৰবচ্ছিন্ন কাম-কাজ চলাই থকা অসমৰ শৈক্ষিক আৰু অৰ্থনৈতিক সমাজখনক অবিহণা আগবঢ়াই অহা এই তথ্যপ্ৰসিদ্ধ 'জিঅ'ছায়েঞ্চ লেবৰেটৰী'টো কাৰ স্বাৰ্থত অসম সম্পদৰ পৰা উঠাই নিব বিচৰা হৈছে? ইয়াত কোনো নেতা-বিষয়াৰ ন্যস্ত স্বাৰ্থ জড়িত নাইতো? এনেধৰণৰ বিষয়বোৰে অদূৰ ভৱিষ্যতে অসমৰ খিলঞ্জীয়া শ্ৰমিকসকলৰ কৰ্মসংস্থাপনত নিশ্চিতভাৱে বিৰূপ প্ৰভাৱ পেলাব যদিও এইক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ স্বীকৃতিপ্ৰাপ্ত শ্ৰমিক সংগঠনবোৰে আশ্চৰ্যজনকভাৱে ধৃতৰাষ্ট্ৰৰ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ অ' এন জি চি অসম সম্পদৰ এনে প্ৰতিষ্ঠানবিৰোধী ষড়যন্ত্ৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কৃষক নেতা তথা শিৱসাগৰ বিধান সভা সমষ্টিৰ বিধায়ক অখিল গগৈ। অ' এন জি চি অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকৰ যোগেদি এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এনে হঠকাৰী কাৰ্যকলাপ বন্ধ কৰাৰ লগতে 'ৰিজিঅ'নেল জিঅ'ছায়েঞ্চ লেবৰেটৰী'টো শিৱসাগৰৰ পৰা উঠাই নিয়াৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাই বিধায়ক অখিল গগৈয়ে বিভাগীয় কৰ্তৃপক্ষলৈও এখনি স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে।

# এটি কলি দুটি পাতত

অন্তৰ্গত ৬ খনকৈ আদৰ্শ বিদ্যালয় আজি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিজেই শুভাৰম্ভ কৰে। আজি পুৱা মুখ্যমন্ত্ৰীগৰাকীয়ে ৰঙাপৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত তেজপুৰ আৰু ঘগৰা চাহ বাগিচাত উপস্থিত হৈ একেলগে তেজপুৰ আৰু ঘগৰা চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু ৰূপাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভাৰম্ভণি কৰে। মুখ্যমন্ত্ৰীগৰাকী হেলিকপ্টাৰেৰে আহি তেজপুৰ এণ্ড ঘগৰা চাহ বাগিচাত অৱতৰণ কৰাৰ পিছতেই চাহ জনগোষ্ঠীয় ঝুমইৰ নৃত্যৰে মুখ্যমন্ত্ৰীগৰাকীক বিদ্যালয়খনলৈ আদৰি অনাৰ সময়ত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতী, সাংসদ পল্লৱ লোচন দাস, তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা, অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উপাধ্যক্ষ তুলসী বৰঠাকুৰ, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে তেজপুৰ এণ্ড ঘগৰা চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ এক মাংগলিক পৰিৱেশত ফিতা কাটি বিদ্যালয়খনত প্ৰৱেশ কৰাৰ মুহূৰ্তত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পলাশ নাথ আৰু শিক্ষাৰ্থীসকলে মুখ্যমন্ত্ৰীগৰাকীক উষ্ম আদৰণি জনায়। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে সমগ্ৰ বিদ্যালয়খন পৰ্যবেক্ষণ কৰাৰ লগতে এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে আৰু ৰূপাজুলি বাগিচাৰ আদৰ্শ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এক বিশেষ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি মুখ্যমন্ত্ৰীগৰাকীক আপ্লুত কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলে মধ্যাহ্ন ভোজন পৰিৱেশন কৰাৰ প্ৰাক্‌মুহূৰ্তত শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা ভোজন মন্ত্ৰ প্ৰত্যক্ষ কৰিও আপ্লুত হোৱাৰ পিছত কেবা সহস্ৰাধিক ৰাইজক বিশেষ সভাত সম্বোধন কৰে। শোণিতপুৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক পংকজ বৰুৱাই আঁত ধৰা সভাখনত প্ৰথমেই জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণী ভাষণ দাঙি ধৰে। আনহাতে স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতী, সাংসদ পল্লৱ লোচন দাসেও ভাষণ দিয়া সভাখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন হাতেৰে আধাৰশিলা স্থাপন কৰা অনুষ্ঠান এটা মাত্ৰ এটা বছৰৰ পিছতেই আনখন হাতেৰে উদ্বোধন কৰাৰ আনন্দই সুকীয়া বুলি কৈ এয়া মাত্ৰ বিজেপি দলৰ চৰকাৰৰ দ্বাৰাই সম্ভৱ বুলি কৈ পূৰ্বৰ কাৰ্যকালৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কৃতিত্বৰ কথাও অকপটে স্বীকাৰ কৰে। আনহাতে ভাষণ প্ৰসংগত বৃটিছৰ দিনৰ পৰাই হাইস্কুলৰ অভাৱ থকা বাগিচাৰ বিদ্যালয়সমূহত স্থাপন কৰা এই বিদ্যালয়সমূহৰ মান অতি উন্নত কৰাৰ প্ৰসংগৰে ইতিমধ্যে নিযুক্তি দিয়া সকলো শিক্ষক অতি ভাল শিক্ষক বুলি উল্লেখ কৰি বাগিচাৰ সকলো মাতৃকে নিজৰ নিজৰ সন্তানক বিদ্যালয়লৈ পঠাবলৈ কাতৰে অনুৰোধ জনায়। বাগিচাৰ কোনো সন্তানেই যাতে এতিয়াৰে পৰা উন্নত শিক্ষাৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি চৰকাৰে তীক্ষ্ণ নজৰ ৰাখিব বুলিও মন্তব্য কৰে আৰু অহা বছৰৰ পৰা এই বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। আনহাতে চাহ শ্ৰমিকসকলৰ স্বাস্থ্য সুৰক্ষাৰ দিশটোৰ প্ৰতিও গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে চাহত নিমখ আৰু চেনি দি খোৱাৰ অভ্যাস পৰিত্যাগ কৰিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে অচিৰেই অসমৰ ৮শখন চাহ বাগিচাত একোটিকৈ 'জগন্নাথ সেৱা কেন্দ্ৰ' গঢ়ি তুলি সেই কেন্দ্ৰসমূহত চাহ বাগিচা এলেকাৰ মহিলাসকলে যিকোনো কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ঝুমইৰ প্ৰশিক্ষণৰ সমান্তৰালভাৱে হাতৰ কাম শিকিব পৰা একোটা দক্ষতা বিকাশ কেন্দ্ৰও গঢ়ি তোলা হ'ব বুলি কৈ ইয়াৰ বাবে প্ৰত্যেক কেন্দ্ৰলৈ এক কোটিকৈ সৰ্বমুঠ ৮শ কোটি টকা মুকলি কৰা হ'ব বুলি কয়। আনহাতে ভাষণ প্ৰসংগত বৰ্তমানৰ গুণোৎসৱক লৈ একাংশই সমালোচনা কৰাৰ প্ৰসংগৰ কথা উল্লেখ কৰি এইবাৰৰ গুণোৎসৱত বিদ্যালয়সমূহৰ পাৰদৰ্শিতাৰ সলনি যোৱা লকডাউনৰ সময়ছোৱাত শিক্ষাৰ্থীসকলে কিমান নপঢ়াকৈ থাকিল তাৰহে প্ৰমাণ চোৱা হ'ব বুলি কয়। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে নাহৰণি চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, সোণাজুলি চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ পিছত ৰঙাপৰা সমষ্টিৰ সৰ্ববৃহৎ চাহ বাগিচা ফুলবাৰীত উপস্থিত হৈ ফুলবাৰীত একেলগে ফুলবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু ঠাকুৰবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভাৰম্ভণি কৰাৰ পিছত ফুলবাৰীতে এখন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰো শুভাৰম্ভ কৰে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে ফুলবাৰী সমূহীয়া কেন্দ্ৰত কেবা সহস্ৰাধিক ৰাইজৰ সন্মুখত অন্তিমখন ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰে। অসম চৰকাৰৰ আৱাসিক আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘালকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা আৰু সাংসদ, স্থানীয় বিধায়কে ভাষণ প্ৰদান কৰা এই সভাত ফুলবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা 'বেটী বচাও বেটী পঢ়াও' শীৰ্ষক গীতি-আলেখ্য আৰু ঠাকুৰবাৰী আদৰ্শ বিদ্যালয়ৰ শিক্ষাৰ্থীৰ স্বচ্ছতাৰ ওপৰত বিশেষ অনুষ্ঠান চাই মুখ্যমন্ত্ৰীগৰাকী আপ্লুত হৈ পৰে।

**চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি ঃ মন্ত্ৰী কেশৱ মহন্তৰ চাৰিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৫ মে' ঃ** ৰাজ্যৰ চাহ বাগিচাত প্ৰথমবাৰলৈ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণেৰে চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা কৰে অসম চৰকাৰে। ৯৬খন চাহ বাগিচা এলেকাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন কৰাৰ অসম চৰকাৰৰ সংকল্প বাস্তৱ হোৱাৰ পথত আজি প্ৰথম খোজ। অসম চৰকাৰৰ হৈ কেবিনেট মন্ত্ৰী কেশৱ মহন্তই শগুনবাহী, পুৰণা শালনা, কেলিডেন আৰু ডিজুভেলী চাহ বাগিচা আদৰ্শ বিদ্যালয় চাৰিখন উদ্বোধন কৰে। আদৰ্শ বিদ্যালয় চাৰিখনলৈ ৫০ লাখকৈ টকা পুনৰ আবণ্টন দিয়াৰ লগতে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলিও সদৰী কৰে।

# কংগ্ৰেছ ত্যাগ কৰা কপিল

কটাক্ষ কৰি উত্তৰ প্ৰদেশৰ মন্ত্ৰী তথা বিজেপি নেতা জিতেন প্ৰসাদে প্ৰশ্ন কৰিছে-- 'প্ৰসাদ কেনেকুৱা?' উল্লেখ্য, প্ৰসাদ কংগ্ৰেছৰ জি-২৩ৰ এগৰাকী প্ৰাক্তন সদস্য আছিল। তেওঁ কংগ্ৰেছ অধ্যক্ষা ছোনিয়া গান্ধীলৈ দল ত্যাগ কৰাৰ আগতে সাংগঠনিক পৰিৱৰ্তন বিচাৰি চিঠি লিখিছিল আৰু তাৰ পিছতে বিজেপিত যোগদান কৰিছিল। সেয়ে কংগ্ৰেছৰ অধঃপতনৰ বাবেই আজি পুনৰ সিবালৰ দৰে নেতাই কংগ্ৰেছ ত্যাগ কৰাৰ কথাটো প্ৰসাদে ভালদৰেই অনুধাৱন কৰিব পাৰিছে। উল্লেখ্য, জিতেন প্ৰসাদে কংগ্ৰেছ এৰি বিজেপিলৈ যোৱাৰ সময়ত সিবালে মাইক্ৰ'ব্লগিং ৱেবছাইটত লিখিছিল-- 'জিতেন প্ৰসাদে বিজেপিত যোগদান কৰিলে। প্ৰশ্নটো হ'ল- তেওঁ বিজেপিৰ পৰা 'প্ৰসাদ' পাবনে ? যদি 'আদৰ্শ'ৰ কোনো গুৰুত্ব নাই তেন্তে পৰিৱৰ্তন সহজ।' জিতেন প্ৰসাদেও আজি সেই সুবিধা পাই কপিল সিবালক উভতি ধৰিছে। সিবালে 'প্ৰসাদ'ৰ প্ৰসংগ উল্লেখ কৰাৰ দৰেই জিতেন প্ৰসাদেও আজি 'প্ৰসাদ'ৰ প্ৰসংগ উত্থাপন কৰিয়েই সিবালক কটাক্ষ কৰিছে। উল্লেখ্য, ১৬ মে'তে সিবালে কংগ্ৰেছ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। আজি সাংবাদিকৰ সন্মুখত সিবালে প্ৰকাশ কৰা মতে যোৱা ১৬ মে'ত তেওঁ কংগ্ৰেছৰ পৰা পদত্যাগ কৰিছে। তেওঁ এতিয়া উত্তৰ প্ৰদেশৰ পৰা ৰাজ্যসভাৰ বাবে সমাজবাদী পাৰ্টীৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলিও সদৰী কৰিছে। ইতিমধ্যে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ উপস্থিতিত ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন-পত্ৰও দাখিল কৰিছে সিবালে। সিবালে কয়-- 'সংসদত স্বতন্ত্ৰ কণ্ঠস্বৰৰ উপস্থিতি অতি গুৰুত্বপূৰ্ণ। যদি কোনো স্বতন্ত্ৰ কণ্ঠই মাত মাতে তেতিয়া মানুহে বিশ্বাস কৰিব যে এই কণ্ঠ কোনো ৰাজনৈতিক দলৰ নহয়।'

# জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী

পাৰে, তেন্তে তেওঁ ৰাজনীতিৰ পৰা অৱসৰ ল'ব। ইপিনে আজি আদালতত বিচ্ছিন্নতাবাদী নেতাজনৰ মৃত্যুদণ্ডৰ দাবী জনায় এন আই এয়ে। এনআইএক প্ৰতিনিধিত্ব কৰা অধিবক্তাই মালিকৰ বিৰুদ্ধে সৰ্বাধিক শাস্তি বিচাৰিছিল। অৱশ্যে অধিবক্তা অখণ্ড প্ৰতাপ সিঙে (আদালতৰ দ্বাৰা নিযুক্ত এমিকাছ) নিম্নতম শাস্তি (জীৱন) প্ৰদানৰ সপক্ষে মত দিয়ে। আদালতে এনআইএক মালিকৰ আৰ্থ-সামাজিক স্থিতিৰ বিষয়ে শপতনামা দিবলৈ কৈছিল। মালিকৰ সকলোবোৰ দিশ প্ৰকাশ কৰি এখন শপতনামা দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। যাছিন মালিকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৬ (সন্ত্ৰাসবাদী কাৰ্য), ১৭, (সন্ত্ৰাসবাদী কাৰ্যৰ বাবে পুঁজি যোগান), ১৮ (সন্ত্ৰাসবাদী কাৰ্য সংঘটিত কৰাৰ ষড়যন্ত্ৰ), আৰু ২০ (সন্ত্ৰাসবাদীৰ সদস্য হোৱা) ধাৰা আৰোপ কৰা হৈছিল। একেদৰে তেওঁৰ বিৰুদ্ধে ইউ.এ.পি.এ.ৰ ধাৰা ১২০,১২৪-ক (ৰাজদ্ৰোহ) আৰোপ কৰা হৈছে। মালিকৰ বিৰুদ্ধে সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা, হিজবুল-মুজাহিদীন, জম্মু আৰু কাশ্মীৰ লিবাৰেচন ফ্ৰণ্ট (জেকেএলএফ) আৰু জৈছ-ই-মহম্মদ (জেইএম)ক সহায় কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। ইপিনে কাশ্মীৰী বিচ্ছিন্নতাবাদী নেতা যাছিনৰ ওপৰত ৰায় দিয়াৰ আগতে শ্ৰীনগৰত নিৰাপত্তা বাহিনীক লক্ষ্য কৰি একাংশ লোকে শিলগুটি নিক্ষেপ কৰাৰ ঘটনা ঘটিছে। অধিক অশান্তিৰ আশংকা কৰি শ্ৰীনগৰত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে। মালিকৰ শাস্তি ঘোষণাৰ পূৰ্বেই আজি কাশ্মীৰৰ বহু অঞ্চল স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। উল্লেখ্য, নিষিদ্ধ ঘোষিত সংগঠন জেকেএলএফৰ মুৰব্বী মালিকক ১৯ মে'ত দিল্লীৰ আদালতে দোষী সাব্যস্ত কৰিছিল।

**যাছিন মালিকৰ শাস্তি ঘোষণাৰ পিছতে মেহবুবা মুফতীৰ প্ৰতিক্ৰিয়া— কেন্দ্ৰৰ আগ্ৰাসী নীতিৰ পৰিণাম ভয়াৱহ হ'ব**

বিচ্ছিন্নতাবাদী নেতা যাছিন মালিকৰ বিৰুদ্ধে আজি 'নিয়া'ৰ আদালতে যাৱজ্জীৱন শাস্তি ঘোষণা কৰাৰ পিছতে বিষয়টোক লৈ কাশ্মীৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফতীয়ে চৰকাৰক সতৰ্ক কৰি দি কয় যে কেন্দ্ৰৰ আগ্ৰাসী নীতিয়ে কাশ্মীৰৰ সমস্যা সমাধান কৰিব নোৱাৰে। এনে নীতিয়ে বিষয়বোৰ অধিক জটিল কৰিহে তুলিব বুলি মেহবুবাই কয়। মেহবুবাই কয়— 'জম্মু-কাশ্মীৰ এটা ৰাজনৈতিক সমস্যা, ইয়াত বহু লোকক ফাঁচী দিয়া হৈছে বা আজীৱন কাৰাদণ্ড দিয়া হৈছে, কিন্তু এনে কাৰ্যই কাশ্মীৰ সমস্যা সমাধান কৰা নাই, ই বিষয়টো অধিক জটিল কৰিহে তুলিছে। মই ভাবো আগ্ৰাসী নীতিৰ ভয়ানক পৰিণাম হ'ব, তেওঁলোকে সমস্যাবোৰ সমাধান নকৰে, সমস্যাৰ সৃষ্টিহে কৰে।' পিডিপি নেত্ৰীগৰাকীয়ে লগতে কয়-- 'চৰকাৰে গ্ৰহণ কৰা আগ্ৰাসী নীতি মই বুজি পাইছো। এনে নীতিয়ে কাশ্মীৰত বিৰূপ প্ৰভাৱ পেলাব, পৰিস্থিতি অধিক জটিল হ'ব।' মুফতীয়ে লগতে কয় যে তেওঁৰ দেউতাক মুফতি চৈয়দ ভাৰতৰ গৃহমন্ত্ৰী আছিল, যাছিন মালিকক কাৰাগাৰলৈ লৈ যোৱা হৈছিল আৰু তেওঁৰ দেউতাকে বিচ্ছিন্নতাবাদী নেতাজনক বন্দুক পৰিহাৰ কৰিবলৈ আৰু চৰকাৰৰ সৈতে কথা পাতিবলৈ পৰামৰ্শ দিছিল। তেওঁৰ দেউতাকে কাশ্মীৰক লৈ আলোচনা আৰম্ভ কৰিছিল, যিয়ে পৰিস্থিতি উন্নত কৰিবলৈ ধৰিছিল। কিন্তু আজি পৰিস্থিতিৰ সম্পূৰ্ণৰূপে অৱনতি হৈছে। মেহবুবাই বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বৰ্ধিত মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যাৰ লগতে ধৰ্মৰ কাৰ্ড খেলি থকাৰো অভিযোগ কৰে। মেহবুবাই কয়— 'চৰকাৰৰ দেশৰ লোকসকলক সাফল্যৰ বিষয়ে ক'বলৈ একো নাই। সেয়েহে হিন্দু-মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰি গৈছে।'

# দ্বিতীয় বৃহৎ চেনি ৰপ্তানিকাৰী

ঈৰ্ষণীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। বুধবাৰে চৰকাৰে এইবুলি ঘোষণা কৰে যে ২০২২-২৩ বৰ্ষত ভাৰত বিশ্বৰ সৰ্ববৃহৎ চেনি উৎপাদক হৈ পৰিছে। ভাৰতত উৎপাদিত চেনিৰ পৰিমাণ ব্ৰাজিলতকৈ অধিক। ভাৰত এতিয়া বিশ্বৰ দ্বিতীয় বৃহৎ চেনিৰ ৰপ্তানিকাৰী দেশত পৰিণত হৈছে। ২০১৮-১৯ বৰ্ষত চেনিৰ উৎপাদন আছিল ৩৩২ লাখ মেট্ৰিক টন। ২০১৯-২০ বৰ্ষত চেনিৰ উৎপাদন আছিল ২৭৪ লাখ মেট্ৰিক টন। ২০২০-২১ বৰ্ষত চেনিৰ উৎপাদন ৩১০ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। চেনিৰ উৎপাদন বৃদ্ধি পোৱাৰ লগতে চেনিৰ ৰপ্তানিও বৃদ্ধি পাইছে। ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষত ক্ৰমে ৬.২ লাখ মেট্ৰিক টন, ৩৮ লাখ মেট্ৰিক টন আৰু ৫৯.৬০ লাখ মেট্ৰিক টন চেনি ৰপ্তানি কৰা হৈছিল। উল্লেখ্য, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু কৰ্ণাটকত প্ৰায় ৮৯ শতাংশ চেনি উৎপাদন কৰা হয়। চেনিৰ উৎপাদন বৃদ্ধিৰ পিছতো অৱশ্যে দেশত চেনিৰ দাম হ্ৰাস কৰিবলৈ চৰকাৰে ১ জুনৰ পৰা চেনিৰ ৰপ্তানি বন্ধ অথবা সীমিত কৰাৰ সিদ্ধান্ত লৈছে।

# নিজে পঢ়া বিদ্যালয়লৈ গৈ

শিৱসাগৰতো ১,১২৭ খন বিদ্যালয়ত যোৱা ২৩ মে'ৰ পৰা গুণোৎসৱ উপলক্ষে এক উখল-মাখল পৰিৱেশ। আজি তৃতীয় দিনা অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰ জ্যোতি মহন্তই শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত গুণো উৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পুৱাই আৰক্ষী সঞ্চালক প্ৰধানগৰাকী আহি উপস্থিত হয় এসময়ত অধ্যয়ন কৰি যোৱা বিদ্যালয়খনৰ প্ৰৱেশপথত। লগে লগে বিদ্যালয়খনৰ এন চি চিৰ কেডেটসকলে অভিবাদন জনায় ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানগৰাকীক। তাৰ পিছতেই ভাস্কৰ জ্যোতি মহন্তই বিদ্যালয়ৰ প্ৰাতঃসভাত অংশ লয়। এক্সটাৰ্নেল ইভেলুৱেটৰ হিচাপে উপস্থিত থাকি সঞ্চালকগৰাকীয়ে পঠন-লিখন বিষয়ত পৰ্যবেক্ষণ কৰাৰ লগতে এসময়ত নিজে পঢ়ি যোৱা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত উপস্থিত থাকি নষ্টালজিক হৈ পৰে। বিদ্যালয়খনত উপস্থিত হৈ আৱেগিক হৈ পৰা আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকল, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বিদ্যালয়খনৰ প্ৰতিটো কোঠা, ৰন্ধনশালা আদি নিৰীক্ষণ কৰে। বিদ্যালয়খনত একালৰ ছাত্ৰ হিচাপে ছাত্ৰাৱস্থাত কিদৰে সময় পাৰ কৰিছিল সেই বিষয়েও ৰোমন্থন কৰে ভাস্কৰ জ্যোতি মহন্তই। পঢ়া-শুনাৰ লগতে তৰ্ক আদি প্ৰতিযোগিতাত অংশ লোৱা, সহপাঠীৰ সৈতে নিৰ্দোষ দুষ্টালি কৰা কথাবোৰো সুঁৱৰিলে ভাস্কৰ জ্যোতি মহন্তই। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া বক্তব্যত বৰ্তমান ছাত্ৰ-ছাত্ৰীক যৌন শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলিও মত ব্যক্ত কৰে আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে। আনহাতে গুণ উৎসৱ উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা বিদ্যালয়ৰ এখন প্ৰাচীৰ পত্ৰিকা আৰু 'ৰংপুৰ' নামৰ হাতেলিখা এখন আলোচনীও উন্মোচন কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক ভাল নাগৰিক হোৱাৰ পৰামৰ্শ দিয়ে। গুণোৎসৱৰ কাৰ্যসূচীত উপস্থিত থকা কেইবাগৰাকীও শিক্ষাগুৰুক চৰণ চুই আশীৰ্বাদ গ্ৰহণ কৰা ভাস্কৰজ্যোতি মহন্তই দুপৰীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰস্তুত কৰা ভোজনৰো সোৱাদ লয়। বিয়লি কেইবাটাও শ্ৰেণীকোঠাত উপস্থিত থাকি ভাস্কৰ জ্যোতি মহন্তই শিক্ষকৰ ৰূপত অৱতীৰ্ণ হয় বিদ্যালয়খনত। ক্ষন্তেক সময়ৰ বাবে শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে সময় পাৰ কৰি মহন্তই শিক্ষাৰ্থীসকলক প্ৰতিটো বিষয় অনুধাৱন কৰাত গুৰুত্ব দিবলৈ আহ্বান জনোৱাৰ লগতে কি অসমীয়া, কি ইংৰাজী সকলোতে শুদ্ধ উচ্চাৰণত গুৰুত্ব দিয়াৰ আহ্বান জনায়।

**আলফা (স্বাঃ)ৰ বিৰুদ্ধে কঠোৰ হ'ব অসম আৰক্ষী!**

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ শিৱসাগৰলৈ অহা আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই আলফা স্বাধীনৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ ইংগিত প্ৰদান কৰে। আলফা (স্বাঃ)ৰ ধন দাবীক লৈ ডিজিপি ভাস্কৰজ্যোতি মহন্তই কয়— আলফাৰ ধন দাবীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁ কয় যে অসম পুলিচ কেতিয়াও বহি নাথাকে। কোনোবাই ক'ৰবাত ব'ম দিব, কিডনেপ কৰিব, পইচা লুটিব। আমি প্ৰতিৰোধ কৰিম। কঠোৰ ব্যৱস্থা ল'ম। আনহাতে পৰেশ বৰুৱাৰ টেলিভিছনত সাক্ষাৎকাৰ প্ৰচাৰ হোৱাৰ ক্ষেত্ৰতো মন্তব্য প্ৰকাশ কৰে ডিজিপি মহন্তই। উক্ত প্ৰসংগত আৰক্ষী সঞ্চালক প্ৰধানজনে কয়- প্ৰেছৰ স্বাধীনতাৰ ক্ষেত্ৰত সিদ্ধান্ত হঠাৎ নলওঁ। মহন্তই কয়- আমাৰ যিখিনি বৈধ ব্যৱস্থাপনা আছে, তাত অভিযোগৰ বাবে পৰীক্ষা-নিৰীক্ষা চলি আছে।

# পকী মজিয়াত ছিঁৰাল ফাট

আনিবলৈ চাহ বাগিচা এলেকাসমূহত নিৰ্মাণ কৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় অথবা মডেল হাইস্কুল নিৰ্মাণত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে লখিমপুৰ জিলাতো ২.১৩ কোটি টকাৰে নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয়তো এনে অনিয়ম-দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ৰাজ্যৰ চাহ বাগিচাত কৰ্মৰত শ্ৰমিকৰ সন্তানসকলক সুশিক্ষিত কৰাৰ অভিলাষী আঁচনিৰ কোটি কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা ১১৯ খন আদৰ্শ বিদ্যালয়ৰ ভিতৰত লখিমপুৰ জিলাৰ চিয়াজুলী আৰু ডিজুত নৱনিৰ্মিত আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণত ঠিকাদাৰে দুৰ্নীতি সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উঠিছে আৰু এতিয়া নিজৰ দুৰ্নীতি ঢাকিবলৈ চেষ্টা কৰি লোকনিৰ্মাণ বিভাগৰ বিভাগীয় ঠিকাদাৰে বিদ্যালয়ৰ আনুষ্ঠানিক উদ্বোধনৰ পূৰ্বেই দিনে-নিশাই পুনৰ মেৰামতিৰ কামত ব্যস্ত হৈ পৰা বুলি জানিব পৰা গৈছে। ২০২০ চনৰ ১ নৱেম্বৰত ৰাজ্য চৰকাৰৰ তেতিয়াৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী তথা বিধায়ক নৱ দলেই শিলান্যাস কৰাৰ পিছতেই লোকনিৰ্মাণ বিভাগৰ এক পেকেজৰ জৰিয়তে দুই কোটিতকৈও অধিক টকা ব্যয়েৰে চিয়াজুলী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে ডিজু চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পকী ভৱন নিৰ্মাণৰ দায়িত্ব লাভ কৰিছিল বিভাগীয় ঠিকাদাৰ সঞ্জীৱ দাসে। কিন্তু বিদ্যালয় দুখনৰ পকীগৃহ নিৰ্মাণৰ দায়িত্ব লৈ সম্পূৰ্ণ দুৰ্নীতিৰে অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি নিৰ্মাণ কৰা এই বিদ্যালয় গৃহ ব্যৱহাৰ কৰাৰ পূৰ্বে পকী দেৱালৰ ঠায়ে ঠায়ে বৃহৎ বৃহৎ ফাট সৃষ্টি হোৱাৰ লগতে সম্পূৰ্ণ বিদ্যালয় ভৱনৰ পকী মজিয়া ফাটি গৈ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। ইয়াৰোপৰি ডিজু আদৰ্শ বিদ্যালয়ত বিদ্যালয় গৃহৰ ভিতৰত বৰষুণৰ পানী পৰাও পৰিলক্ষিত হৈছে। ইয়াৰ ফলস্বৰূপে এই বৰ্ষত নামভৰ্তিৰে নতুন শিক্ষাবৰ্ষ আৰম্ভ কৰিয়েই বিদ্যালয় ভৱনৰ দুৰৱস্থা দেখি চিয়াজুলী আদৰ্শ বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত বিষয়টো জিলা উপায়ুক্তক অভিযোগ দিয়াত, উপায়ুক্তৰ ধমকত বিভাগীয় ঠিকাদাৰে তিনিটা শ্ৰেণীকোঠাৰ পকী মজিয়া লগে লগে পুনৰ মেৰামতি কৰে যদিও বাকী থকা শ্ৰেণীকোঠাৰ মজিয়া তেনেদৰে পেলাই থয়। কিন্তু শেহতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ২৫ আৰু ২৬ মে' দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যৰ নৱনিৰ্মিত ১৯৯ খন আদৰ্শ বিদ্যালয়ৰ আনুষ্ঠানিক উদ্বোধন কৰিবলৈ লোৱা কাৰ্যসূচীৰ বিষয়ে জানিব পাৰি দিনে-নিশাই বিদ্যালয়ৰ পকীগৃহৰ মজিয়াৰ লগতে অন্যান্য আসোঁৱাহসমূহ ঢাকিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে যদিও নিৰ্মাণৰ সময়ত মূল ভেটিটোতে দুৰ্নীতিৰে নিৰ্মাণ কৰা এই বিদ্যালয়খনৰ স্থায়িত্বক লৈ সৰ্বসাধাৰণ ৰাইজৰ উদ্ৰেকৰ সৃষ্টি হৈছে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা দুদিনীয়া কাৰ্যসূচীৰ পৰিৱৰ্তে অহা ২৭ মেত জিলাখনৰ চিয়াজুলী আৰু ডিজু চাহ বাগিচা এলেকাত থকা উক্ত আদৰ্শ বিদ্যালয় দুখন ক্ৰমে প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক নৱ দলে আৰু প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ভৰত নৰহে উদ্বোধন কৰিব। আনুষ্ঠানিকভাৱে উদ্বোধন হ'ব লগা নৱনিৰ্মিত এই দুখন আদৰ্শ বিদ্যালয়ৰ ভৱনত পৰিলক্ষিত হোৱা আসোঁৱাহসমূহ ঢাকি লৈ বিভাগীয় ঠিকাদাৰজনে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰৰ ঘৰৰ মন্ত্ৰী, সাংসদ, বিধায়ক, আমোলা-বিষয়াসকলৰ পৰা নিজকে ধোৱা তুলসীৰ পাত সজাই বাহঃ বাহঃ লোৱা কাৰ্যত চাহ বাগিচা এলেকাৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এনআৰএলৰ ২.৫ কোটি টকাৰ বৰঙণি প্ৰদান

ফলত হোৱা বৃহৎ ক্ষয় ক্ষতিৰ মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰক সহায় কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২.৫ কোটি টকাৰ বৰঙণি আগবঢ়াইছে। এই বৰঙণিৰ চেকখন ২৪-৫-২০২২ত এনআৰএল-ৰ এমডি (ভাৰপ্ৰাপ্ত) ভাস্কৰ জ্যোতি ফুকন, সঞ্চালক (বিত্ত) ইন্দ্ৰনীল মিত্ৰ, এনআৰএল-ৰ স্বতন্ত্ৰ সঞ্চালক ড° চিলভানুছ লামাৰে আৰু সুদীপ প্ৰধানৰ দ্বাৰা মাননীয় কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, ৰামেশ্বৰ তেলীৰ উপস্থিত ৰাজ্যিক সচিবালয়ত আনুষ্ঠানিকভাৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পণ কৰা হয়। বিধ্বংসী বানপানীৰ ফলত সৃষ্টি হোৱা ধ্বংসলীলা, অমূল্য জীৱন হানি, সৰ্বত্ৰ সম্পত্তিৰ ক্ষয় ক্ষতি আৰু লাখ লাখ মানুহে হেৰুওৱা আপোন ঘৰ আদিৰ ক্ষেত্ৰত ৰাজ্যৰ প্ৰশাসনক মোকাবিলা কৰাত সহায় কৰাৰ বাবে এনআৰএলৰ এয়া হৈছে এক প্ৰতীকীমূলক সাহায্য। মুখ্যমন্ত্ৰীয়ে এই সংকটৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে এনআৰএল-ক প্ৰশংসা কৰে।

# শিৱ মন্দিৰ আৰু গণেশ মন্দিৰ

কৰে। দুষ্কৃতিকাৰীৰ দলে মন্দিৰ লণ্ডভণ্ড কৰি মূৰ্তিভাগি পথত পেলাই থৈ যোৱা কাৰ্যই সমগ্ৰ হিন্দু সমাজৰ প্ৰতি এক প্ৰণালীবদ্ধ আক্ৰমণৰ ইঙ্গিত দিয়া বুলি একাংশই মত পোষণ কৰিছে। এনে গৰ্হিত কাৰ্যক বিশ্ব হিন্দু পৰিষদৰ তৰফৰ পৰা তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে বিশ্ব হিন্দু পৰিষদ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি শুভৰাম বৰা আৰু সম্পাদক চন্দন ৰাভা, প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে দোষীক ২৪ ঘণ্টাৰ ভিতৰতে আটক কৰি দৃষ্টান্তমূলক শাস্তি দিয়াৰ বাবে দাবী জনাইছে। গুৱাহাটী পুলিচ কমিছনাৰে ইয়াৰ ওপৰত তাৎক্ষণিক ব্যৱস্থা লোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে। পৰিষদে আশা কৰিছে যে অতি তৎপৰতাৰে দোষীক বিচাৰি উলিয়াই নিদানমূলক শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা কৰি ভৱিষ্যতে এনে কাৰ্য কৰাৰ দুঃসাহস যেন কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। মন্দিৰ ধ্বংসৰ দৰে এনে বৰ্বৰ কাৰ্যক বিশ্ব হিন্দু পৰিষদে তীব্ৰ গৰিহণা দিছে।

# এচিড আক্ৰমণকাৰীক

ছাইদুল ইছলাম নামৰ ব্যক্তিজনে পত্নী আৰ্জিনা বেগমক পাৰিবাৰিক কন্দলৰ পৰিণতিত এচিডেৰে আক্ৰমণ কৰিছিল। এই লৈ তামুলপুৰ আৰক্ষী থানাত ২৩৩/১৬ নম্বৰত এক গোচৰ ৰুজু হৈছিল। পিছত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪৪৮/৩২৬ (এ) আইনৰ অধীনত অভিযুক্ত ইছলামক গ্ৰেপ্তাৰ কৰি নলবাৰী কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। সেই গোচৰটোৰে আজি বাক্সা জিলা সত্ৰ ও ন্যায়াধীশৰ আদালতে চূড়ান্ত ৰায় প্ৰদান কৰি অভিযুক্ত ছাইদুল ইছলামক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ক্ষতিপূৰণ হিচাপে ৫ লাখ টকাৰ জৰিমনা বিহে। উল্লেখ্য যে আক্ৰান্ত মহিলাগৰাকীৰ হৈ জ্যেষ্ঠ অধিবক্তা ৰঞ্জিত চেত্ৰীয়ে ওকালতি কৰিছিল। ইফালে সাত বছৰ পিছত আদালতে মহিলাগৰাকীৰ সপক্ষে ন্যায় প্ৰদান কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে ভুক্তভোগী মহিলাগৰাকীয়ে।

# কাজিৰঙাৰ এনিমেল

৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত ইয়াৰ পূৰ্বেও একাধিক নাহৰফুটুকী বাঘৰ উপৰি ঢেঁকীয়াপতীয়া বাঘৰ গাড়ীৰ খুন্দাত মৃত্যু হৈছিল। জানিব পৰা মতে পাণবাৰীৰ এনিমেল কৰিড'ৰৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা অচিনাক্ত গাড়ীৰ খুন্দাত পথৰ ওপৰতে এটা প্ৰাপ্তবয়স্ক মতা নাহৰফুটুকী বাঘ আহত হয়। গাড়ীৰ খুন্দাত আহত হোৱা নাহৰফুটুকী বাঘটো ঘটনাস্থলীৰ পৰা কিছুদূৰ উত্তৰলৈ গৈ মৃত্যুক সাবটি লয়। মৃত নাহৰফুটুকী বাঘটোৰ শৰীৰৰ বিভিন্ন স্থানত আঘাতৰ চিন স্পষ্ট আছিল। পুৱা স্থানীয় লোকে মৃত নাহৰফুটুকীটো প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়াত ঘটনাস্থলীত বনকৰ্মী উপস্থিত হৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে ঘটনাস্থলীৰ পৰা বাঘটোৰ মৃতদেহ সংগ্ৰহ কৰে। ইফালে ঘটনাৰ সন্দৰ্ভত বন বিভাগে এটা গোচৰ ৰুজু কৰিছে। সাধাৰণতে বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলোৱা বন্যপ্ৰাণীয়ে এই পাণবাৰী এনিমেল কৰিড'ৰেদিয়েই কাৰ্বি পাহৰলৈ গতি কৰে। সম্প্ৰতি কাজিৰঙাত ব্ৰহ্মপুত্ৰৰ বানপানীৰ প্ৰৱেশ হোৱা নাই যদিও বাৰিষাৰ আগমনৰ প্ৰাক্‌ক্ষণত পাণবাৰীৰ কৰিড'ৰত নাহৰফুটুকী বাঘৰ মৃত্যু অতি দুৰ্ভাগ্যজনক। প্ৰতিবছৰৰ দৰে এনে ঘটনা প্ৰতিহত কৰিবৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এনিমেল কৰিড'ৰত চেনচৰ থকা কেমেৰা সংস্থাপন কৰাৰ উপৰি মহকুমা প্ৰশাসনে এনিমেল কৰিড'ৰৰ ৰাষ্ট্ৰীয় পথাংশত ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৪ ধাৰাও জাৰি কৰিছে। ইতিমধ্যে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন এখন নৈশবাছ বুলি নিশ্চিত কৰিছে বন বিভাগে। ইফালে দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ সন্ধানত বন বিভাগে অভিযান অব্যাহত ৰাখিছে।

# খহনীয়া ৰোধৰ বাবে

আনিছে কলিয়াবৰ জখলাবন্ধাৰ এখন বিদ্যালয়লৈ। কলং বওৱাৰ প্ৰাথমিক স্তৰত অবৈজ্ঞানিক পদ্ধতিৰে কলঙৰ খনন কাৰ্য্যৰ পাছতে ধাৰাবাহিক খহনীয়াই অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে শ্ৰীশ্ৰীৰমানন্দ দেৱ মধ্য ইংৰাজী বিদ্যালয়লৈ। ২০১৭ বৰ্ষত বানপানীয়ে বিধ্বস্ত কৰা শ্ৰীশ্ৰীৰমানন্দ দেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ দিশলৈ ক্ৰমে বাঢ়ি অহা কলং নৈৰ খহনীয়াত ভীতিগ্ৰস্ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী। কলং পুনৰুজ্জীৱিতকৰণ আঁচনিৰ খননৰ নামত বিদ্যালয়খনৰ সমুখৰ কলঙৰ পাৰত থকা কেইবাডালো বৃহদাকাৰৰ গছ কাটি পেলোৱাৰ পাছতেই কোনোকালে নোহোৱা খহনীয়া আৰম্ভ হয়। এতিয়া দিনকদিনে বৃদ্ধি পাইছে খহনীয়াৰ প্ৰকোপ। শেহতীয়াকৈ ধাৰাসাৰ বৰষুণৰ ফলত খহনীয়াৰ মাত্ৰা বঢ়াত শংকিত হৈ পৰিছে বিদ্যালয় পৰিয়াল। এই বিষয়ে পূৰ্বে জলসম্পদ বিভাগক আবেদন-নিবেদন কৰিও বিদ্যালয় কৰ্তৃপক্ষই এই পৰ্যন্ত কোনো সুফল লাভ কৰিবলৈ সক্ষম নহ'ল। তথাপি চৰকাৰৰ ওপৰতে শেষ ভৰসাৰে ছাত্ৰ-ছাত্ৰীসকলে খহনীয়াৰ স্থানত বিদ্যামন্দিৰ ৰক্ষণাবেক্ষণৰ বাবে প্ৰাৰ্থনা জনায়। বিদ্যালয়খনৰ এই সমস্যা ৰোধ কৰিবলৈ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাক অনুৰোধ জনাইছে।

# ৪ কোটি টকাৰ ড্ৰাগ্‌ছ জব্দ

সক্ষম হয়। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, এক গোপন সূত্ৰৰ জৰিয়তে জানিব পাৰি কালি ৰাতি যোৰহাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় গোস্বামীৰ নেতৃত্বত তিতাবৰ মহকুমা আৰক্ষী বিষয়া মৈত্ৰেয়ী ডেকা, মৰিয়নি আৰক্ষীৰ এটা দলে এক অভিযান চলায়। অভিযানত শিলিখা চাহ বাগিচাৰ ১১ নম্বৰ লাইনৰ পৰা অজিত উৰাং নামৰ এটা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰে। অজিত উৰাঙৰ পৰা আৰক্ষীয়ে দুটাকৈ পেকেট ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা এ এছ-০৪কে-০৬১০ নম্বৰৰ এখন বগা ৰঙৰ মাৰুতি আৰ্টিগা গাড়ী জব্দ কৰে। ইফালে, বাহনখনত দুটাকৈ ড্ৰাগ্‌ছ সৰবৰাহকাৰী আছিল যদিও আন্ধাৰৰ সুযোগ লৈ এটা পলাই সাৰিবলৈ সক্ষম হয়। আনহাতে, আজি দিনত জব্দ কৰা আৰ্টিগা বাহনখনত তালাচী চলোৱাত বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গেৰেজৰ মেকানিকৰ দ্বাৰা সকলো খুলি তালাচী চলোৱাত লুকুৱাই অনা ড্ৰাগ্‌ছখিনি ওলাই পৰে। ড্ৰাগ্‌ছখিনি পেকেট কৰি চাবোনৰ বাকচৰ ভিতৰত কঢ়িয়াই আনিছিল। আজি তালাচীত ৩৬ পেকেট ড্ৰাগ্‌ছ উদ্ধাৰ হয়। অৱশ্যে আৰক্ষী সূত্ৰৰ মতে ধৃত অজিত উৰাং নামৰ ড্ৰাগ্‌ছ সৰবৰাহকাৰীটোৱে বিপুল পৰিমাণৰ ড্ৰাগ্‌ছ কঢ়িয়াই আনিছিল বুলি গোপন সূত্ৰৰ যোগে জানিব পাৰিহে বাহনখনত তালাচী চলোৱা হৈছিল। জব্দ কৰা ড্ৰাগ্‌ছৰ মূল্য প্ৰায় চাৰি কোটি টকা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। জব্দ কৰা ব্ৰাউন ছুগাৰৰ ওজন প্ৰায় ৪২০ গ্ৰাম হ'ব। ইমান বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছখিনি নাগালেণ্ডৰ পৰা গোলাঘাট-মৰিয়নি হৈ তিনিচুকীয়ালৈ সৰবৰাহ কৰা হৈছিল। শিলিখা চাহ বাগিচাত মানুহ এঘৰত সোমাওঁতেই মানুহঘৰত আৰক্ষীয়ে ড্ৰাগ্‌ছ সৰবৰাহকাৰীটোক আটক কৰে। অজিত উৰাঙক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কাইলৈ অজিতক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে।

# মূল অভিযুক্ত কাৰ্যবাহী

কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই ২৩ মে'ত ওদালগুৰি জিলাৰ সত্ৰ ন্যায়াধীশৰ আদালতত আত্মসমৰ্পণ কৰে। বিগত ২০২১ চনৰ নৱেম্বৰ মাহত কেলেংকাৰীৰ খবৰ পোহৰলৈ অহাৰ পাছৰে পৰা ছমাহ ধৰি পলাতক অৱস্থাত আছিল বিষয়াগৰাকী। উল্লেখ্য যে ওদালগুৰি জিলাৰ টংলাস্থিত জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলত ঠিকাদাৰসকলৰ কামৰ বিপৰীতে ন ন চালান যোগে জমা কৰা ৮ শতাংশকৈ আমানতৰ ধনৰ মুঠ ৪.১৮ কোটি টকাৰ কেলেংকাৰী আৰু দুৰ্নীতি সংঘটিত হোৱাৰ সন্দৰ্ভত কৃষক নেতা পংকজ অসমীয়াই তৰা ১৭৯/২১ নম্বৰৰ গোচৰৰ ভিত্তিত বিগত ৭ মাৰ্চত বিভাগটোৰ গাণনিক প্ৰভাত কলিতাক আৰক্ষীয়ে গুৱাহাটীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। বিভাগটোৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই একাংশ ঠিকাদাৰৰ একাউণ্টৰ সহায় লৈ ২০১৭ চনৰ পৰা ২০২১ চনৰ মাৰ্চ মাহলৈ জমা হোৱা ৪.১৮ কোটি টকা কোষাগাৰ সঞ্চালকৰ পৰা বিভাগটোৰ অধ্যক্ষ তথা চিএইচডি মৃগেন বড়ো আৰু গাণনিক প্ৰভাত কলিতাৰ সহযোগত আত্মসাৎ কৰাৰ অভিযোগ সংবাদ মাধ্যমত ফাদিল হৈছিল। পৰৱৰ্তী সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা গোচৰটোৰ সন্দৰ্ভত অন্তৰ্বৰ্তী জামিন নাকচ কৰাৰ পিছতে আৰক্ষীয়ে গাণনিক কলিতাক গ্ৰেপ্তাৰ কৰিছিল যদিও পূৰ্বৰ পৰাই আত্মগোপন কৰি থকা কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতা আৰু মৃগেন বড়োক গ্ৰেপ্তাৰ কৰিব পৰা নাছিল আৰক্ষীয়ে। ইয়াৰ পাছতে আজি হঠাৎ বিষয়াগৰাকীয়ে আদালতত আত্মসমৰ্পণ কৰা কাৰ্যই তাৎপৰ্য বহন কৰে। আদালতে অভিযুক্ত সত্যৰাম কলিতাক ৫ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অভিযুক্ত কলিতাক কটকটীয়া নিৰাপত্তাৰ মাজেৰে মুখ ঢাকি সংবাদ মাধ্যমৰ পৰা আঁতৰাই নিয়া দেখা যায়। এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ঘটনাটোৰ বিৰুদ্ধে গোচৰটোৰ এজাহাৰকাৰী পংকজ অসমীয়াই। তেও আত্মসমৰ্পণ কৰা মূল অভিযুক্ত সত্যৰাম কলিতাক কঠোৰ শাস্তি দিয়াৰ লগতে ঘটনাৰ সৈতে জড়িত সকলো দোষীকে কৰায়ত্ত কৰাৰ লগতে আত্মসাৎ কৰা ধনৰ বিল পাছ কৰা ওদালগুৰি কোষাগাৰৰ বিষয়াকো তদন্তৰ আওতালৈ আনিবলৈ দাবী জনায়।

# গোসাইগাঁৱত চালি নথকা

আহিছে। ৰাজ্যত বৰ্তমানো অতি দুৰ্বল আন্তঃগাঁথনিৰে চলিছে শিক্ষা ব্যৱস্থা, তাৰে যেন উমান পোৱা গ'ল। কোকৰাঝাৰ জিলাৰ গোসাইগাঁও শিক্ষা খণ্ডৰ তেলিপাৰা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ছেৰফাংগুৰী ইন্দিৰা বিদ্যাপীঠ প্ৰাথমিক বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে চালি নথকা গৃহতে গুণোৎসৱৰ গুণগত মান উন্নয়নৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হ'ল শিক্ষাৰ্থী। ১৯৮৭ চনত স্থাপন হোৱা বিদ্যালয়খন সুদীৰ্ঘ কাল ভেঞ্চাৰ থকাৰ পিছত ২০১৩ চনত বিদ্যালয়খন প্ৰাদেশীকৰণ হয় যদিও জৰাজীৰ্ণ অৱস্থাৰ দৃশ্যৰ পৰিৱৰ্তন ঘটা নাছিল। সদ্যহতে ২৭ ফুট দীৰ্ঘৰ এখন নতুন বিদ্যালয় গৃহ চৰকাৰে গৃহ আবণ্টন দিছে। ৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ হৈ থকা ২৭ ফুট গৃহৰ নতুন বিদ্যালয় গৃহত ছাত্ৰ-ছাত্ৰীৰ ঠাই নধৰে। যাৰ ফলশ্ৰুতিত ধুমুহাই চালি উৰুৱাই লৈ যোৱা পুৰণা বিদ্যালয় গৃহতে একাংশ ছাত্ৰ-ছাত্ৰীয়ে গুণোৎসৱৰ পৰীক্ষাত বহিবলগীয়া হ'ল ৰ'দৰ মাজতো। আন্তঃগাঁথনি দুৰ্বল থকা বিদ্যালয়সমূহত গুণগত মান মূল্যায়নৰ সঠিক ৰূপত আহিবনে? আনহাতে গোসাইগাঁও শিক্ষাখণ্ডৰ তেলিপাৰা সমল মণ্ডল কেন্দ্ৰৰ অধীনস্থ বড়ো মাধ্যমৰ ৪৬৮ নম্বৰ শাহাজুৰি এল পি স্কুলত দেখা গ'ল এক ব্যতিক্ৰমী দৃশ্য। বিদ্যালয়খনৰ চৌহদৰ খালী ঠাইত বিভিন্ন ধৰণৰ অলপ অলপ খেতি কৰি সেই খেতি কৰা শস্যৰে এক নিভাঁজ সতেজ আঞ্জা বনাই ছাত্ৰ-ছাত্ৰীসকলক দুপৰীয়াৰ আহাৰ যোগান দি এক ব্যতিক্ৰমী নিৰ্দৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে। গুণোৎসৱৰ খবৰ সংগ্ৰহ কৰাৰ বাবে বিদ্যালয়খনত উপস্থিত হৈ নানা ধৰণৰ খেতি দেখি বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে খেতি কৰা সম্পৰ্কত কয় যে বিদ্যালয়ৰ চৌহদত খেতি কৰিয়ে ছাত্ৰ-ছাত্ৰীক আঞ্জা খুৱাইছো। আঞ্জা কেতিয়াও বজাৰৰ পৰা ক্ৰয় নকৰো। কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ পৰা আঞ্জা ঘৰতো লৈ যায়। গুণোৎসৱো সুকলমে বিদ্যালয়খনত অনুষ্ঠিত হয়। ইফালে তেলিপাৰা সমল মণ্ডল কেন্দ্ৰৰ অধীনস্থ পশ্চিম অক্সিগুৰী প্ৰাথমিক বিদ্যালয়তো গুণোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশ পৰিলক্ষিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষকগৰাকীয়ে কয়-- গুণোৎসৱত ভাল ফলাফল দাঙি ধৰিবলৈ সক্ষম হ'ব।

ধুবুৰী জিলাৰ ভাৰত-বাংলা সীমান্তৰ ভোগডহৰ গাঁও পঞ্চায়তত লাখ লাখ টকাৰ দুৰ্নীতি কৰাৰ অভিযোগ

# ভয়ংকৰ অভিযোগ উত্থাপন কৰি জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৫ মে'** ঃ ধুবুৰী জিলাৰ ভাৰত-বাংলা সীমান্তৰ ভোগডহৰ গাঁও পঞ্চায়তত লাখ লাখ টকাৰ দুৰ্নীতি কৰাৰ অভিযোগ। এই ভয়ংকৰ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিলে উক্ত পঞ্চায়তৰ ইউনিট সদস্য জুববাৰ আলীয়ে। বৰ্তমান



পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী তথা প্ৰাক্তন সভাপতি আতোৱাৰ ৰহমান আৰু ভোগডহৰ গাঁও পঞ্চায়তৰ ছাখাতুন নেছা এম ই মাদ্ৰাছাত চলি থকা চৰকাৰী আঁচনিৰ কামৰ সভাপতি নজৰ আলী খানে চলাইছে ব্যাপক দুৰ্নীতি। ধ'ব এতিয়া আহিছে মূল কাহিনীলৈ, ভোগডহৰ ছাখাতুন নেছা এম ই মাদ্ৰাছাত চৰ মডেল বিল্ডিংৰ এটা গৃহ নিৰ্মাণৰ বাবে চৰকাৰে 14th FINANCE COMMISSION, 2019-20 আঁচনিৰ জৰিয়তে ৪ চাৰি লাখ টকা ধন অনুমোদন দিছিল। যদিও পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী আতোৱাৰ ৰহমান আৰু নিৰ্মাণ কামৰ সমিতিৰ সভাপতি নজৰ আলী খান মিলি নিম্নমানৰ গৃহ নিৰ্মাণ কৰি লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰি গৰজি উঠিল উক্ত পঞ্চায়তৰ সদস্য জুববাৰ আলী। অকল ইমানেই নহয়, কামৰ ইষ্টিমেট হিচাপে নিৰ্মান কামত ৫০এমএম টিনপাত আছিল যদিও পঞ্চায়ত সভানেত্ৰীৰ স্বামী আতোৱাৰ ৰহমান, সচিব আৰু নিৰ্মাণ কামৰ পৰিচালনা সমিতিৰ সভাপতি নজৰ আলী খানে নিজৰ ইচ্ছামতেই ৩৫এমএম টিনপাত লগাই দায়িত্ব সামৰিছে, পাছত গৃহ নিৰ্মাণ কামত মাত্ৰ ৩০ শতাংশ ধন ব্যয় কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে পঞ্চায়ত সদস্য জুববাৰ আলীয়ে, পিছে চৰকাৰী আঁচনিৰ নিৰ্মাণ কামত দুৰ্নীতি হোৱাৰ বাবে ধুবুৰী জিলা উপায়ুক্তৰ ওচৰত লিখিতভাৱে অভিযোগ দাখিল কৰিছিল পঞ্চায়ত সদস্য জুববাৰ আলীয়ে। ইয়াৰ পাছত সদস্য জুববাৰ আলীৰ অভিযোগৰ ভিত্তিত আজি গৌৰীপুৰ খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তাই ভোগডহৰ গাঁও পঞ্চায়তৰ ছাখাতুন নেছা এম ই মাদ্ৰাছাত উপস্থিত হৈ চৰকাৰী আঁচনিৰ গৃহ নিৰ্মাণৰ কাম তদন্ত কৰে। যদিও তদন্তৰ সময়ত স্থানীয় একাংশ লোকে মোবাইলত ভিডিঅ' কৰাৰ সময়ত এই কামৰ দায়িত্বত থকা কনিষ্ঠ অভিযন্তা মোস্তাৰ আলীয়ে ভিডিঅ' কেমেৰা বন্ধ কৰিবলৈ বাধা দিয়ে, দৰাচলতে চৰকাৰী আঁচনিৰ গৃহ নিৰ্মাণৰ ফলক আঁৰি দিব লাগে যদিও নিৰ্মাণ কামৰ ফলক মাদ্ৰাছাখনৰ ৰান্ধনিঘৰত পেলাই থোৱা বুলি আমাৰ সাংবাদিকৰ কেমেৰাত বন্দী হয়। ইয়াৰ পিছত ছাখাতুন নেছা এম ই মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতিগৰাকীয়ে সাংবাদিকৰ আগত উল্লেখ কৰি কয় যে এই কামটোৰ সম্পৰ্কে আমি পৰিচালনা সমিতিয়ে একো নাজানো, ইয়াৰ পিছত মাদ্ৰাছাৰ উন্নয়ন কামত জড়িত হৈ আছিল পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী তথা প্ৰাক্তন সভাপতি আতোৱাৰ ৰহমান লগতে সচিব আৰু নিৰ্মাণ কামৰ পৰিচালনা সমিতিৰ সভাপতি নজৰ আলী খানে এই কামটো কৰিছিল বুলি জানিবলৈ দিয়ে। এতিয়া প্ৰশ্ন হ'ল- এগৰাকী জনপ্ৰতিনিধি স্বামী তথা প্ৰাক্তন সভাপতি আতোৱাৰ ৰহমানৰ বিৰুদ্ধে একে পঞ্চায়তৰ জনপ্ৰতিনিধি জুববাৰ আলীয়ে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰাৰ পাছত ৰাজ্যৰ দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দি অহা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে ধুবুৰী জিলাৰ উপায়ুক্ত আৰু গৌৰীপুৰ খণ্ড উন্নয়ন বিষয়াই এই সন্দৰ্ভত পৰৱৰ্তী সময়ত কি পদক্ষেপ গ্ৰহণ কৰিব সেয়াই হ'ব লক্ষণীয় বিষয়।



## শিঙৰী আৰক্ষী চকীৰ অন্তৰ্গত পিৰাকটাত মটৰচাইকেল আৰু মালবাহী বাহনৰ মাজত মুখামুখি সংঘৰ্ষ

### গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মটৰচাইকেল আৰোহী জিতেন নাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিঙৰী, ২৫ মে'** ঃ ঢেকীয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত তথা শিঙৰী আৰক্ষী চকী এলেকাৰ পিৰাকটাত আজি দিনৰ প্ৰায় ১২.৩০ বজাত মটৰচাইকেল এখনৰ লগত মালবাহী চাৰিচকীয়া মিউজিক বাহন এখনৰ দুৰ্ঘটনাত পতিত হয়।প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে ঢেকীয়াজুলি টাউনৰ দিশৰপৰা ধিৰাইমাজুলী অভিমুখে দ্ৰুতগতিত আহি থকা নাম্বাৰ বিহীন মালবাহী মিউজিক বাহনখনৰ লগত বিপৰীত দিশৰ পৰা আহিথকা মটৰচাইকেলখনৰ লগত মুখামুখি সংঘৰ্ষ হয়।সংঘৰ্ষৰ ফলত মটৰচাইকেল আৰোহী জীতেন নাগৰ লগতে তেখেতৰ পত্নী গুৰুত্বৰ ভাৱে আঘাতপ্ৰাপ্ত হয়।তেনে অৱস্থাত ঘটনাস্থলীত একাংশ লোক উত্তেজিত হৈ পৰে যদিও সমাজকৰ্মী তথা সংবাদকৰ্মী প্ৰশান্ত বৈশ্যৰ ততপৰতাত পৰিস্থিতি নিয়ন্ত্ৰন হ'য়।পিচলৈ শিঙৰী আৰক্ষী চকীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ চাৰিচকীয়া মালবাহী মিউজিক বাহনখনৰ লগতে মটৰচাইকেলখন শিঙৰী আৰক্ষী চকীলৈ লৈ যায়।ইপিনে আঘাতপ্ৰাপ্ত জীতেন নাগ আৰু তেখেতৰ পত্নীক চিকিৎসাৰ বাবে ঢেকীয়াজুলিস্থিত শ্বহীদ মনবৰ নাথ সামূহিক স্বাস্থ্যকেন্দ্ৰত প্ৰেৰণ কৰা হয়।

## লক্ষীপুৰত বন্যহস্তীৰ উপদ্ৰৱত অতিষ্ঠ ৰাইজ

### আন্দোলনৰ ঘোষণা, ড° বিৰুবালা ৰাভাৰ অংশ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৫ মে'** ঃ লক্ষীপুৰত দীৰ্ঘ দিনীয়া বন্যহস্তীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা কৰা আৰু ক্ষতিগ্ৰস্তক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ দাবীত অৱশেষত ৰাইজে আন্দোলনৰ ঘোষণা কৰিলে। প্ৰসঙ্গত উল্লেখনীয় যে আজি প্ৰায় চাৰি বছৰ ধৰি লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত বন্য হস্তীৰ জাকটোৱে কেনেদৰে ঘৰ-দুৱাৰ ভাঙি, ধান-চাউল খাই উপদ্ৰৱ কৰি আহিছে, কেনেদৰে এজনৰ পিছত এজন লোক বন্যহস্তীৰ আক্ৰমণত নিহত হৈছে তাৰ প্ৰতিবেদন সময়ে সময়ে আমাৰ কাকতত প্ৰকাশ হৈ আহিছে। এই লৈ কালি লক্ষীপুৰৰ মেধিপাৰাত লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলৰ একাংশ সচেতন ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হয় এখনি প্ৰতিবাদী সভা। অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক অৰুণ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই প্ৰতিবাদী সভাত পদ্মশ্ৰী বঁটা প্ৰাপক ডঃ বিৰুবালা ৰাভা, লক্ষীপুৰ কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা ডঃ মীৰা দেৱী, সমাজ কৰ্মী ননী গোপাল দাস, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক তথা গোৱালপাৰা জিলা সমিতিৰ সাধাৰণ সম্পাদক মণিশঙ্কৰ গয়াৰী, গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতৰ সভাপতি জাকিৰ হুছেইন, মানৱ অধিকাৰ সংগ্ৰাম সমিতি গোৱালপাৰা জিলা সমিতিৰ অধ্যক্ষ দিলীপ কুমাৰ নাথ, সাংবাদিক মতিউৰ ৰহমান, সংগ্ৰামী যুৱ নেতা জহিৰুল ইছলাম মণ্ডলকে ধৰি ভালেমান বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। সভাত স্বাধীন সূত্ৰধৰক সভাপতি আৰু মণিশঙ্কৰ গয়াৰীক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি বন্যহস্তীৰ পৰা পৰিত্ৰাণ পোৱা আৰু ক্ষতিগ্ৰস্তক ক্ষতিপূৰণ দিয়া সংক্ৰান্তত এখনি কমিটীও গঠন কৰে। উল্লেখ্য যে বিগত দিনত লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত ১৬ জনকৈ লোকৰ বন্যহস্তীৰ আক্ৰমণত মৃত্যু হৈছে। এই প্ৰতিবাদী সভাত বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱা লোকক উপযুক্ত ক্ষতিপূৰণ দিয়া, খেতি-বাতিকে ধৰি বিভিন্ন ধৰণে বন্যহস্তীৰ দ্বাৰা হোৱা ক্ষতিগ্ৰস্তক ক্ষতিপূৰণ আদি কেইবাটাও দাবীৰ ভিত্তিত এলানি আন্দোলন ঘোষণা কৰিছে। অহা ৩০ মে'ত লক্ষীপুৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ সমুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি জানিবলৈ দিয়ে প্ৰতিবাদীসকলে।

## বালিদোৱা প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২৫ মে'** ঃ ৰাজ্যৰ বিদ্যালয়ে বিদ্যালয়ে বলিছে গুণোৎসৱৰ বতাহ। ২৩ মেৰ পৰা গোলাঘাট জিলাৰ বিদ্যালয় সমূহৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে।২৬ মেত অন্ত পৰিব এই দ্বিতীয় পৰ্যায়ৰ চলিত বৰ্ষৰ গুণোত্সৱ। সমান্তৰালকৈ ৰঙামাটি সমীপৰ্তী



ব্ৰহ্মপুত্ৰ অঞ্চলৰ প্ৰতিখন বিদ্যালয়ত দেখা গৈছে এনে পৰিৱেশ।এক প্ৰকাৰ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী শিক্ষক কৰ্মচাৰী, পৰিচালনা সমিতিৰ লগতে অভিভাৱক সকলৰ মাজত এক উৎসৱ মুখৰ পৰিৱেশ। আজি বালিদোৱা পাৰ্থমিক বিদ্যালয়তো দেখা গৈছে এনে এক পৰিৱেশ।বিদ্যালয় খনত থকা ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয় খনৰ শৈক্ষিক পৰিৱেশৰ ওপৰত বিভিন্ন দিশত বিদ্যালয় খনে লৈছে গুৰুত্ব পূৰ্ণ ভূমিকা। সুন্দৰকৈ সজাই পৰাই তোলা হৈছে বিদ্যালয়ৰ চৌহদ। বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক শৈক্ষিক লগতে বিভিন্ন দিশত আগবঢ়াই নিয়াৰ বাবে শিক্ষক শিক্ষয়িত্ৰী সকলক ধন্যবাদ জনাইছে বিদ্যালয় পৰিচালনা সমিতিৰ লগতে অভিভাৱকসকলে।

## মাজবাটৰ ঐতিহাসিক মহামুনি থানৰ বাৰ্ষিক উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৫ মে'** ঃ ওদালগুৰি জিলাৰ মাজবাটৰ মহামুনি থানৰ তিনি দিনিয়া বৰ্নাঢ্য কাৰ্যসূচীৰে শ্ৰী শ্ৰী মহামুনি থানৰ বাৰ্ষিক উৎসৱটি উৎযাপন সমিতিয়ে ১৩ জুনৰ পৰা ১৫ জুনলৈ বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হব বুলি উৎযাপন সমিতিৰ সভাপতি বিষ্ণু মোছাহাৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে। তিনি দিনিয়া বৰ্নাঢ্য কাৰ্যসূচীৰ লগত সংগতি ৰাখি ১৩ জুন ৰাতিপুৱা ১০ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব নন্দী বৰায়। ভাগৱত শোভাযাত্ৰাত লা-বাৰী, জিংগাবিল, দেৱালখণ্ড, বটাবাৰী,নাৰেংকাটী, খুচুৰাবাৰী, মহলীয়াপাৰা আদি গাওঁৰ পৰা অহা দিহানামৰ দল অংশগ্ৰহণ কৰিব। আবেলি ১ বজাত অতিথিশালা উন্মোচন কৰিব ৭০ নং মাজবাট বিধান সভা সমষ্টিৰ বিধায়ক চৰন বড়োয়ে। আমন্ত্ৰীত অতিথি হিসাবে উপস্থিত থাকিব মাজবাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উৎপল কুমাৰ ডেকা। আবেলি ১:৩০ বজাত নেপাল পাৰা গাওঁৰ নাম প্ৰদৰ্শন। সন্ধিয়া ৫ বজাত গোন্ধ, মাঙ্গলিক সূচনা। নিশা ৮ বজাত ভাওঁনা প্ৰদৰ্শন কৰিব লা-বাৰী গাওঁৰ পৰা অহা শিল্পী সকলৰ দ্বাৰা। ১৪ জুন ৰাতিপুৱা ৫ বজাত শ্ৰীমদ্ভাগৱত গীতাপাঠ।পাঠ কৰিব ধনেশ্বৰ কলিতায়।ৰাতিপুৱা ৮ বজাত নাম প্ৰসঙ্গ। দুপৰীয়া ১২ বজাত শ্ৰী শ্ৰী বংশী গোপাল নাগাৰা নাম ৰঙিয়া। আবেলি ৪ বজাত প্ৰসাদ বিতৰণ। সন্ধিয়া ৫ বজাত নাম। নিশা ৮ বজাত লা-বাৰী গাওঁৰ ভাওঁনা প্ৰদৰ্শন। ১৫ জুন ৰাতিপুৱা ৫ বজাত উষা কীৰ্তন। ৰাতিপুৱা ৯ বজাত ভাগৱত পাঠ। ১১:৩০




বজাত ৰৌতা আঞ্চলিক সমন্বয় মহিলা সকলৰ নাগাৰা নাম প্ৰদৰ্শন। উৎযাপন সমিতিৰ সম্পাদক মঞ্জন বসুমতাৰীয়ে সমূহ মাজবাট বাসি জনসাধাৰণ ও ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে।

## টীয়ক নাগৰিক সভাৰ সিদ্ধান্ত ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ দাবীত উপায়ুক্তৰ যোগেদি স্মাৰকপত্ৰ প্ৰদান

### ৩১ মে'ৰ ভিতৰত মেৰামতি নহ'লে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক /কাকজান, ২৫ মে'** ঃ ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি আৰু চাৰিলেন যুক্ত পথৰ ক্ৰটি পূৰ্ণ হিচাপে নিৰ্মাণত তদন্ত আৰু চাৰিলেন যুক্ত পথ নিৰ্মাণ খৰতকীয়া কৰা লগতে নলা নিৰ্মাণৰ থকা বেমাজালি সম্পৰ্কত যোৰহাট জিলা উপায়ুক্তৰ যোগেদি দেশৰ প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবলৈ আজি ইংৰাজী ২৪ মেত টীয়কত অনুষ্ঠিত নাগৰিক সভাৰ সিদ্ধান্ত মৰ্মে নাগৰিক সমিতিৰ সভাপতি প্ৰদীপ চুতীয়া নেতৃত্বত যোৱা এটি প্ৰতিনিধি দলে জিলা উপায়ুক্ত স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰক পত্ৰত উল্লেখ থকা অনুসৰি নাগৰিক সভাই যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো যাতায়তৰ অনুপযোগী হোৱাৰ উপৰিওঁ এই পথটো মৰণফান্দত পৰিনত হোৱা,ৰাষ্ট্ৰীয় ঘাইপথটো তৎকালীন ভাবে মেৰামতি কৰি যাতায়তৰ সুচল কৰাৰ লগতে পথটো মেৰামতিৰ নামত ২০২১ আৰু ২০২২ বৰ্ষত আবন্টন হোৱা টকাৰ সিংহ ভাগ আত্মসাত কৰা বিষয়টো এক উচ্চ পয্যায়ৰ তদন্ত কৰাৰ লগতে ৩১ মে'ৰ ভিতৰত পথটো মেৰামতি কৰি যাতায়ত সুচল কৰি তোলাৰ দাবী উল্লেখ কৰে।যদিহে কোনো গুৰুত্ব আৰোপ নকৰে অন্যথা ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ দৰে কঠোৰ আন্দোলনৰ কায্যসূচী গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। বাতৰি কাকতলৈ প্ৰেৰিত এক বিবৃত্তি নাগৰিক সমিতিৰ টীয়কৰ সভাপতি প্ৰদীপ চুতীয়া কাৰ্যকৰী সভাপতি ডাঃ মহানন্দ নেওগ যুটীয়া সম্পাদক জিতু নেওগ,বিশ্বজিত নাথ কয় যে ৩১ মে ৰ ভিতৰত পথটো মেৰামতি কৰি সুচল নকৰে তেতিয়া ৰাইজৰ সহযোগত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে।

## বঙাইগাঁও শাখা সাহিত্য সভা ভৱনত গ্ৰন্থ উন্মোচনী সভা

### শাখাৰ প্ৰয়াত প্ৰাক্তন সভাপতিৰ স্মৃতিত প্ৰকাশিত 'স্মৃতিৰ দাপোণত নলিনী মজুমদাৰ' শীৰ্ষক গ্ৰন্থ উন্মোচন




**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ মে'** ঃ বঙাইগাঁও শাখা সাহিত্য সভাৰ উদ্যোগত সোমবাৰে শাখা সাহিত্য সভা ভৱন প্ৰাংগণত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই গ্ৰন্থ উন্মোচনী সভাত শাখাৰ প্ৰাক্তন সভাপতি প্ৰয়াত নলিনী মজুমদাৰৰ স্মৃতিত প্ৰকাশিত 'স্মৃতিৰ দাপোনত নলিনী মজুমদাৰ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অশ্বিনী দাস আৰু বঙাইগাঁৱৰ জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত কুমাৰ শৰ্মাই উন্মোচন কৰে। এই উপলক্ষে শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি জ্যোৎস্নাপ্ৰিয়া দেৱীৰ সভাপতিত্ব অনুষ্ঠিত হয় এখন সভা। সভাৰ অৱম্ভণিতে বন্তি প্ৰজ্বলন আৰু পুস্পাৰ্ঘ্য অৰ্পন কৰে ডঃ সান্ত্বনাময়ী মজুমদাৰে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মীনা দেৱীয়ে। সভাত আদৰণি ভাষণ আগবঢ়ায় প্ৰয়াত নলিনী মজুমদাৰৰ বৰপুত্ৰ অৰূপজ্যোতি মজুমদাৰে। সভাত গ্ৰন্থখন উন্মোচন কৰি উন্মোচকদ্বয়ে প্ৰয়াত মজুমদাৰৰ জীৱন আৰু কৃতিৰ ওপৰত আলোকপাত কৰে। সভাত পৰিয়ালৰ তৰফৰ পৰা ডঃ সান্ত্বনাময়ী মজুমদাৰ, দেবাঞ্জন দাস, প্ৰণিতা দাস, ৰূপা মজুমদাৰ আৰু দীপক দত্তই লাভ কৰা তেখেতৰ সানিধ্য, আচাৰ - ব্যৱহাৰ, মাত- কথা আদিৰ বিষয়ে উল্লেখ কৰি স্মৃতিচাৰণ কৰে। সেইদৰে ডঃ আব্দুছ চবুৰ, বিক্ৰম মেধি, অজিত দাস, ৰমেন দাস, বিচিত্ৰ শৰ্মা ধীৰেশ চন্দ্ৰ ৰায়, কৌশল্যা ৰায় আদিয়েও প্ৰয়াত মজুমদাৰৰ বিভিন্ন দিশত সামৰি বক্তব্য ৰাখে। উল্লেখ্য যে এই গ্ৰন্থখনি প্ৰকাশকে ধৰি সকলো সহায় - সহযোগিতা পৰিয়ালৰ লোকে আগবঢ়াইছে। শেষত সভাপতিৰ বক্তব্যৰ পিচতে সম্পাদক মীনা দেৱী আৰু পৰিয়ালৰ তৰফৰ পৰা নয়নজ্যোতি মজুমদাৰে শলাগৰ শৰাই আগবঢ়ায় আৰু অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

## চাওখাট আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ ত্ৰি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৫ মে'** ঃ সদৌ অসম চুতীয়া জাতি সন্মিলনৰ চাওখাট আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ ত্ৰি-বাৰ্ষিক অধিবেশনখনি ২২ মে'ত কাকজান বামকুকুৰাছোৱা কলা কৃষ্টি কেন্দ্ৰত চাওখাট আঞ্চলিক চুতীয়া জাতি মুল সন্মিলন, মহিলা সন্মিলন, আৰু যুৱ সন্মিলন আৰু বামকুকুৰাচোৰা গাৱৰ ৰাইজৰ আতিথ্যত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। চুতীয়া যুৱ সন্মিলন অসমৰ সভাপতি মোহন শইকীয়াই সভাপতিত্ব কৰা মুকলি সভা উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ নকুল চন্দ্ৰ হাজৰিকাই। কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০অনিল কুমাৰ শইকীয়া আৰু যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নিপেন শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰে। সভাত আমন্ত্ৰিত অতিথি হিচাপে জিলাৰ সভাপতি অজিত চুতীয়া, জিলা মহিলা চুতীয়া জাতি সন্মিলনৰ সভানেত্ৰী লক্ষেশ্বৰী নেওগ, চুতীয়া উন্নয়ন পৰিষদৰ সদস্য ডিম্বেশ্বৰ বৰা,সদৌ অসম চুতীয়া জাতি সন্মিলনৰ সম্পাদক তপন চুতীয়া,যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰাম প্ৰসাদ ফুকন, ৰাজ্যিক সদস্য ৰূপক ৰঞ্জন শইকীয়া ,প্ৰধান শিক্ষক বীৰেণ বৰা, সদৌ অসম চুতীয়া জাতি সন্মিলনৰ কোষাধ্যক্ষ ইন্দিয়া বৰা,গাওঁবুঢ়া মহেন্দ্ৰ শইকীয়াই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাতে মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান দলংখন সতী সাধনীৰ নামত নামাকৰন কৰা,চুতীয়া জাতিক জনজাতিকৰন কৰাৰ লগতে স্বায়ত্ব শাসিত পৰিষদ প্ৰদান কৰা,চুতীয়া জাতিৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ধৰণৰ আচনি গ্ৰহণ কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত স্থানীয় শিশু শিল্পী সকলে নৃত্য গীত পৰিবেশন কৰে।

## নাজিৰা মহকুমাৰ বিভিন্ন প্ৰান্তত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত আছুৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ মে'** ঃ সম্প্ৰতি পেট্ৰ'ল - ডিজেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ চৰা দামে




জনগণক ত্ৰাহীমধুসুধন সোধাই জুৰুলা কৰি তুলিছে। জনগণৰ লগতে বিভিন্ন দল - সংগঠনৰ ৰাজপথৰ প্ৰতিবাদেও জগাব পৰা নাই শাসক পক্ষক। তেনে পৰিপ্ৰেক্ষিত্বত সমগ্ৰ অসমতে অব্যাহত থকা ধাৰাবাহিক প্ৰতিবাদৰ অংশ স্বৰূপে আজি সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে নাজিৰা মহকুমাৰ বিভিন্ন প্ৰান্তত বিক্ষোভ - প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মহকুমাটোৰ নাজিৰা, জোকতলি, নামতি, শিমলুগুৰি, গেলেকী আঞ্চলিক সমিতিৰ শ শ ছাত্ৰ - ছাত্ৰী সমবেত হৈ ৰাজপথ অৱৰোধৰ লগতে " বজাৰত লাগিছে জুই - বি জে পি নেৰ্তৃত্বাধীন চৰকাৰ আছে শুই, যোগান মন্ত্ৰী মুৰ্দাবাদ, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা হাই হাই, বি জে পি গ' বেক, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰা চৰকাৰৰ কাম নাই " আদি বিভিন্ন চৰকাৰ বিৰোধী ধ্বনীৰে উত্তাল কৰি তুলে নাজিৰা মহকুমাটোৰ বিভিন্ন প্ৰান্তৰ আকাশ - বতাহ। মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰিলে অনাগত সময়ত বি জে পি নেৰ্তৃত্বাধীন চৰকাৰৰ বিৰোধী তীব্ৰ গণ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলি সকিয়াই দিয়ে ছাত্ৰ সন্থাৰ বিষয় - ববীয়াই।

## হাজো এফ এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক দিশেৰে উদ্‌যাপন গুণোৎসৱ কাৰ্যসূচী-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ মে'** ঃ ৰাজ্যৰ শিক্ষানুষ্ঠান সমূহত চলি আছে গুনোৎসৱ। শিক্ষানুষ্ঠান সমূহৰ মানদণ্ড নিৰ্ধাৰণৰ বাবে অসম চৰকাৰে




হাতত লোৱা গুনোৎসৱ কাৰ্য্যসূচীৰ অংশ ৰূপে হাজোৰ হাজো এফ.এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক দিশৰে উদযাপন কৰা হৈছে গুনোৎসৱ কাৰ্যসূচী। অৱশ্যে এফ.এম হাইস্কুলত গুনোৎসৱৰ প্ৰতিটো দিনৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলাই নিয়া বুলি উল্লেখ কৰে বিদ্যালয়ৰ অধ্যক্ষ ড° ফজল আহমেদ খানে।যোৱা ২৩ মে'ৰ পৰা আৰম্ভ হোৱা গুনোৎসৱ কাৰ্যসূচীৰ আজি তৃতীয়টো দিনা অঞ্চলটোৰ প্ৰায়সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিদ্যালয়ৰ শিক্ষক,ছাত্ৰ ছাত্ৰী,অভিভাৱক, তথা ৰাইজৰ সৈতে মত বিনিময় কৰি শৈক্ষিক ,আভ্যন্তৰীণ দিশৰ বুজ লয়।বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ শৈক্ষিক ফলাফলসমূহ বিশেষণ কৰি শৈক্ষিক দিশত থকা সমস্যাসমূহ চিহ্নিত কৰি যথোচিত প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদানেই গুনোৎসৱ কাৰ্যসূচীৰ মূল লক্ষ্য বুলি মন্তব্য কৰে বিদ্যালয়ৰ অধ্যক্ষ ড° ফজল আহমেদ খানে।তদুপৰি আজিৰ গুনোৎসৱ কাৰ্যসূচীত উপস্থিত থাকে বিদ্যালয় পৰিচালনা কমিটি তথা হাজো ৰাইজ কমিটিৰ সভাপতি মোহন চন্দ্ৰ মালাকৰ,হাজো ৰাইজ কমিটিৰ সম্পাদক গগণ কলিতা,প্ৰমোদ ডেকা,ভূপেন দাসকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক লোক।

## শিৱসাগৰত গুণোৎসৱৰ দ্বিতীয়দিনা ডিমৌ শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন বিদ্যালয় ভ্ৰমণ কৰি গুণোৎসৱৰ বুজ লয় বিধায়ক সুশান্ত বৰগোহাঁয়ে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ মে'** ঃ শিৱসাগৰত আজি গুণোৎসৱৰ দ্বিতীয় দিনা ডিমৌ শিক্ষা খণ্ডৰ অন্তৰ্গত বহুকেইখন বিদ্যালয়ত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে পৰিদৰ্শন কৰে। ইয়াৰ মাজতে ৬৭৩ নং ডিমৌ টাউন প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ উপলক্ষে উপস্থিত হৈ পৰিদৰ্শন কৰাৰ লগতে ছাত্ৰ -ছাত্ৰী সকলৰ লগত বিদ্যায়তনিক দিশৰ উপৰত মতবিনিময় কৰে। বিধায়ক গৰাকীয়ে লগতে বিদ্যালয়ৰ আন্তঃগাথঁনিৰ উন্নয়নৰ দিশত শিক্ষক সকলৰ লগত আলোচনা কৰে। আনহাতে ১৯৯১ চনৰ পৰাই বিনা বেতনে বিদ্যালয়ৰ খনত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে সেৱা আগবঢ়াই অহা দীপ কোঁৱৰ কথা উল্লেখ কৰাৰ লগতে এই বিদ্যালয় খন অসমৰ ১০খন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত নাম অন্তৰ্ভুক্ত হ'ব বুলি জানিবলৈ দিয়ে বিধায়ক সুশান্ত বৰগোহাঁইয়ে। শিৱসাগৰ জিলা শিক্ষা বিভাগৰ কেইবাজনো বিষয়াই আজি ডিমৌ শিক্ষা খণ্ডৰ অন্তৰ্গত থকা বিদ্যালয় সমূহত গুণোৎসৱৰ দ্বিতীয় দিনাৰ পৰিভ্ৰমণ কৰে।

## অসম উড়িয়া মহাসভা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত উড়িয়া জাতীয় জীৱনৰ উন্নয়নৰ সন্দৰ্ভত মনোজ্ঞ আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৫ মে'** ঃ ২২মেত অসম উড়িয়া মহাসভা কেন্দ্ৰীয় সমিতিৰ উদ্যোগত বোকাখাতৰ আনন্দপুৰ চাহ বাগিছা স্থিত ''দি ৰয়েল কেমেলিয়া'' প্ৰেক্ষাগৃহত অসমৰ উড়িয়া জাতীয় জীৱনৰ উন্নয়নৰ ওপৰত এক মনোজ্ঞ আলোচনা অনুষ্ঠিত হৈ যায় উড়িয়া মহাসভাৰ সভাপতি যোগেশ সোনাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মনোজ্ঞ অনুষ্ঠানৰ উদ্বোধনী ভাষণ প্ৰদান কৰি মহাসভাৰ সাধাৰণ সম্পাদক চাকেশ মহানন্দাই কয় যে বহুধা বিভক্ত উড়িয়া সমাজ সমিতি সমূহক একত্ৰীকৰণেৰে জাতিটোক সঠিক ৰূপত গঢ় দিয়া ব্যৱস্থা কৰা। এই মহান উদ্দেশ্য আগত ৰাখি আমন্ত্ৰণ কৰা সমিতি সমূহ ক্ৰমে নায়ক সমাজ, খদাল বণিকদাস সমাজ, উড়িয়া মুলীয় পাণতাঁতী সমাজ, তাঁতী সমাজ, টংলা সমাজ, খণ্ডাইত সমাজ আৰু উৎকল তাঁতী সমাজ আদিৰ প্ৰতিনিধি সকল অংশ গ্ৰহণ কৰে উজনি, নামনি, মধ্য অসম আৰু উত্তৰ পাৰৰ সমাজ সচেতন ব্যক্তি সকল সভাখনত উপস্থিত থাকে। অসম উড়িয়া মহাসভা আৰু অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয়, জিলা, আঞ্চলিক আৰু কুটুম সভাৰ বিষয় ববীয়া সকল উপস্থিত থকা অনুষ্ঠানত উড়িয়া সমাজৰ বিশিষ্টা লেখিকা, কবি প্ৰতিভা দাস অংশ গ্ৰহণ কৰি উড়িয়া মহাসভাত ঐকান্তিক প্ৰচেষ্টাক শলাগ লয় আৰু সাৰমৰ্ম সময়োপযোগী ভাষণ প্ৰদান কৰে




সভাত একত্ৰীকৰণৰ প্ৰস্তাৱক সকলোৱে আদৰণি জনোৱাৰ লগতে উড়িয়া মূলীয় লোক সকলৰ জাতিগত প্ৰমাণ পত্ৰ প্ৰদানৰ সম্পৰ্কে বিষদভাৱে আলোচনা কৰা হয় আৰু উড়িয়া মহাসভাৰ অন্তৰ্গত মহিলা সমিতি গঠনৰ বাবে আহ্বায়ক হিচাপে জ্যোতি চাহানী আৰু প্ৰতিমা তাছাক দায়িত্ব দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় একত্ৰীকৰণৰ পৰৱৰ্ত্তী চুড়ান্ত সভা অহা ইং ১২ জুন তাৰিখে তিনিচুকীয়াত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইদৰে এক প্ৰেছ বিবৃতি যোগেদি সমিতিটোৰ কেন্দ্ৰীয় সম্পাদক তথা ওৰাঙৰ বাসিন্দা চাকেশ মহানন্দই জনাইছে।

# কাছুমাৰাৰ অসম গ্ৰামীণ বিকাশ বেংকৰ ক্ষুদ্ৰ শাখাত প্ৰাপ্য ধন বিচাৰি গ্ৰাহকৰ হাহাকাৰ

## অধিকাংশ দিনতেই নাথাকে লিংক ঃ পূৰ্ণ পৰ্যায়ৰ বেংক স্থাপনৰ দাবী ৰাইজৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৫ মে' ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ প্ৰান্তৰ কাছুমাৰা অসম গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাহক ৰাইজে নিজৰ প্ৰাপ্য ধন বিচাৰি হাবাশাস্তি খাব লগীয়া ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চেঙা অসম গ্ৰামীণ বিকাশ বেংক মুখ্য শাখাৰ অধীনৰ কাছুমাৰাস্থিত অতি ক্ষুদ্ৰ শাখাটোত গ্ৰাহক ৰাইজে জমা ধন বিচাৰি নিতৌ আহে আৰু যায়। কিন্তু জমা ধন নাপাই বিফল মনে ঘূৰি যাব লগীয়া হয় গ্ৰাহক ৰাইজ। জানিব পৰা মতে অতি ক্ষুদ্ৰ শাখাটোত প্ৰায় দহ হাজাৰৰো অধিক হিতাধিকাৰী আছে। পি এম এ বাই, পি এম কিষাণ, বৃদ্ধ পেন্সন, জবকাৰ্ডৰ ধন, গোটৰ টকা আদি কৰি শ শ ৰাইজে দৈনিক ধন উঠাবলৈ আহে যদিও নাপায় ধন। প্ৰায় [illegible] মাহ ধৰি বেংকৰ লিংকৰ সমস্যা। যাৰ বাবে দৈনিক ঘূৰি যাব লগীয়া হয় ৰাইজ। উল্লেখ্য যে বেংক মিত্ৰ আব্দুল গফুৰ মোল্লাই সাংবাদিক জনোৱা মতে অসম গ্ৰামীণ বিকাশ বেংক, পাঞ্জাব নেশ্যনেল বেংক আদি কৰি চাৰি খনকৈ বেংক সংলগ্ন কাৰ ছফ্‌টৱেৰৰ কাম কৰি আছে। যাৰ বাবে বেংকৰ লেন দেনৰ ক্ষেত্ৰত গ্ৰাহকসকলে যথেষ্ট সমস্যাৰ সন্মুখীন হব লগীয়া হৈছে। আনহাতে দৈনিক শ শ গ্ৰাহকে ধন নিবলৈ আহে যদিও একমাত্ৰ এজন ব্যক্তিয়ে গ্ৰাহকৰ লেন দেন ঠিক মতে কৰিব পৰা নাই। সেৱে ক্ষুদ্ৰ শাখাটোত আৰু অধিক কৰ্মচাৰী দিয়াৰ লগতে উৰ্ধতম কৰ্তৃপক্ষৰ লগতে চৰকাৰলৈ কাছুমাৰাত যি কোনো এটি বেংকৰ পূৰ্ণ পৰ্যায়ৰ শাখা দি ৰাইজক বিত্তীয় লেন-ধেনৰ সমস্যা সমাধানৰ বাবে সজোৰে দাবী উত্থাপন কৰিছে। ইপিনে কাছুমাৰাত কেবা সহস্ৰাধিক গ্ৰাহকৰ সুবিধাৰ্থে এখন পূৰ্ণ পৰ্যায়ৰ বেংক স্থাপন কৰিবলৈও অঞ্চলটোৰ ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে দাবী জনাইছে।



## লক্ষীপুৰত চৰকাৰী ভূমি বেদখলকাৰীক উচ্ছেদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৫ মে' ঃ** লক্ষীপুৰ নগৰত স্থানীয় প্ৰশাসনৰ দ্বাৰা আজি এক উচ্ছেদ অভিযান চলোৱা হয়। লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈৰ উপস্থিতিত লক্ষীপুৰ পৌৰ সভা এলেকাত অবৈধ ভাৱে গৃহ নিৰ্মাণ কৰি ব্যৱসায় চলোৱা স্থানত চলোৱা হয় এই অভিযান। উল্লেখ্য যে পূৰ্বে ভূমি দখলকাৰীক জাননী প্ৰেৰণ কৰিছিল সংশ্লিষ্ট বিভাগে। বিভাগৰ জাননীক গুৰুত্ব দি একাংশই নিজে নিজেই দোকান গৃহসমূহ ভাঙি নিয়ে যদিও প্ৰশাসনৰ নিৰ্দেশক অৱমাননা কৰা একাংশ দোকান গৃহ এস্কেভেটৰৰ দ্বাৰা আজি ভাঙি দিয়ে। লক্ষীপুৰ পৌৰ সভা এলেকাৰ চৰকাৰী ভূমিত অবৈধ ভাৱে গৃহ নিৰ্মাণ কৰা সকলো ভূমি আৰু লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াৰ অধীনৰ বেদখল হোৱা সমগ্ৰ চৰকাৰী ভূমিত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া ৰাজীৱ গগৈয়ে জানিবলৈ দিয়ে। ইপিনে লক্ষীপুৰ পৌৰপতি ৰাজেশ প্ৰসাদ গুপ্তাইও পৌৰ সভা এলেকাত দখলকৃত চৰকাৰী ভূমিত উচ্ছেদ চলিব বুলি স্পষ্ট কৰি দিয়ে।



## বিধ্বস্ত ঐতিহাসিক ৰমণী আলি আৰু ৰাজগড় আলি পুনৰ নিৰ্মাণৰ দাবীত পথ অৱৰোধ লাচিত সেনাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ মে' ঃ** শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ অন্যতম গুৰুত্বপূৰ্ণ পথ তথা অসম-নাগালেণ্ড সংযোগী ঐতিহাসিক ৰমণী আলি আৰু ৰাজগড় পথ সম্প্ৰতি যাতায়তৰ ক্ষেত্ৰত জনগণৰ বাবে মৰণফান্দত হৈ উপনীত হৈছে। খৰালি, বাৰিষা সকলো সময়তে এই পথ চৰকাৰী মীনপাম সদৃশ হৈ পুখুৰীত পৰিণত হৈ থাকে। এই পথেদি নিতৌ শ শ গিৰি, কয়লা পৰিবাহী ১২ - ১৮ চকীয়া বাহন চলাচল কৰে আৰু এই শৈল নগৰী খ্যাত বিহুবৰৰ পৰা চৰকাৰে বছৰি কোটি কোটি টকা ৰাজহ লাভ কৰে। অথচ এই পথ আধুনিক পদ্ধতিৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰাত বিভিন্ন সমমত ৰাইজে বিভাগীয় কৰ্তৃপক্ষক আবেদন - নিবেদন কৰিও কোনো সুফল নোপোৱাত প্ৰায়ে পথ অৱৰোধ, পথ বন্ধ আদিৰ দৰে চৰম প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হয়। ইয়াৰ পিছতো কৰ্তৃপক্ষৰ কোনো নোম এডালো লৰাব নোৱাৰাত অৱশেষত আজি 'বীৰ লাচিত সেনা, অসম'ৰ নাজিৰাৰ বিহুবৰ আঞ্চলিক সমিতিৰ উদ্যোগত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে । পিছত 'বীৰ লাচিত সেনা, অসম'ৰ চণ্টক বিহুবৰ আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰেৰে নাজিৰা মহকুমাৰ মহকুমাধিপতিৰ যোগেদি ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰি অহা এমাহৰ ভিতৰত উক্ত পথ আধুনিক পদ্ধতিৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰিলে এই পথদে যাতায়াত সম্পূৰ্ণ ৰূপে বন্ধ কৰিবলৈ বাধ্য হ'ব বুলি সকিয়াই দিয়ে।

# মাজবাট ছাত্ৰ আৱাসিক, ওৰাং ছাত্ৰী আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ কৰ্মচাৰীৰ সমস্যা সমাধানৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ২৫ মে' ঃ** ২৪ মে'ৰ দিনৰ ১১ বজাত মাজবাট ছাত্ৰ আৱাসিক ওৰাং ছাত্ৰী আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ শিক্ষক শিক্ষয়িত্ৰী, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আৰু ৰান্ধনিসকলে ওৰাং ছাত্ৰী আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ প্ৰাঙ্গণত এটি প্ৰেছ মিট অনুষ্ঠিত কৰে। প্ৰেছ মিটত স্থানীয় সাংবাদিক সকল উপস্থিত থকাৰ লগতে আৰ এছ টি চিৰ কৰ্মচাৰী সকল উপস্থিত থাকে। অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন স্থানত থকা ছাত্ৰ-ছাত্ৰীৰ আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰসমূহ বন্ধ কৰাৰ চৰকাৰে হঠাৎ লোৱা হথকাৰী সিদ্ধান্তৰ বাবে বিগত ১০ বছৰে ধৰি কৰ্মৰত কৰ্মচাৰী সকলৰ পানীত হাহ নচৰা পৰিস্থিতি আহি পৰিছে। উক্ত কেন্দ্ৰ সমূহত বছৰ বছৰ ধৰি কৰ্মৰত হৈ অহা শিক্ষক শিক্ষয়িত্ৰী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আৰু ৰান্ধনি সকলে অতি নিম্নমানৰ মাহিলী পাৰিতোষিক লৈ যেনেতেনে নিজৰ লগতে ঘৰখনৰ পৰিয়ালটিক পোহ পাল দি আহিছে। আজি হঠাৎ এই কেন্দ্ৰ সমূহ বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে কৰ্মচাৰীসকলৰ জীৱনলৈ কাল অমানিশা, ধুমুহা নামি আহিল। কোনোমতে পেট প্ৰৱতাই থকা কৰ্মচাৰীসকলে মানসিক ভাৰসাম্য হেৰুওৱা পথত উপণিত হৈছে। চকুৰ সন্মুখত সৰিয়হৰ ফুল দেখিছে। কেন্দ্ৰ সমূহ বন্ধ কৰাৰ কথা শুনিবৰ পৰাই তেওঁ লোকৰ চকুৰ টোপনি ভোকৰ ভাত মুঠাও হেৰাই গৈছে। কৰি থকা কৰ্মৰ পৰা বঞ্চিত হোৱাৰ কথাই দিনে নিশাই হৃদয় মন খুলি খুলি খাইছে। আৱাসিক কেন্দ্ৰ সমূহত কৰ্মৰত কৰ্মচাৰী সকলৰ বাহিৰেও ছাত্ৰ ছাত্ৰী সকলৰ শৈক্ষিক মানদণ্ড বিনষ্ট হোৱাৰ দিশে ধাৱমান হৈছে। এই ক্ষেত্ৰত কৰ্মচাৰী সকলে আগতেও চৰকাৰে তথা উৰ্দ্ধতম কৰ্তৃপক্ষক বহুবাৰ অনুনয় বিনয় কাকলি কৰি আহিছে যদিও কোনো ধৰণে বিশেষ কাণসাৰ নিদিলে। সেয়ে পুনৰ শেষ বাৰৰ বাবে তেওঁলোকে কেইবাটাও দাবী চৰকাৰলৈ প্ৰেছ মিটৰ জৰিয়তে প্ৰেৰণ কৰিব বিচাৰিছে। মাজবাট ছাত্ৰ আৱাসিক ওৰাং ছাত্ৰী আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ কৰ্মচাৰী সকলে নিজৰ লগতে সমগ্ৰ অসমৰ হৈ প্ৰেছ মিটত উত্থাপন কৰা দাবী সমূহ ক্ৰমে- ১) আৰ এছ টি চিসমূহ বন্ধ কৰিলেও কৰ্মীখিনিক নিঠৰুৱা নকৰি যোগ্যতাৰ ভিত্তিত ক'ৰবাত নহয় ক'ৰবাত নিযুক্তি দিয়ক। ২) এক লাখ চাকৰিৰ ভিতৰত এওঁলোকক যিকোনো প্ৰকাৰে অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা। ৩) টেট অবিহনেও শিক্ষা অনুযায়ী যিকোনো বিভাগত নিযুক্তি পায় সেয়া সুনিশ্চিত কৰক। ৪) বয়স বৈ নাথাকে, সেয়েহে সকলোৰে বয়স উকলি যোৱা হেতুকে অভিজ্ঞতা অনুযায়ী সকলো কৰ্মীক এগৰাকীও বাদ নপৰাকৈ চৰকাৰী নিযুক্তিৰ ব্যৱস্থা কৰক। প্ৰেছ মিটত উপস্থিত থকা সেৱিকা ময়ুৰক্ষী বৰদলৈ, মনোজ নেৱাৰ, খুংচ্ৰাং বড়ো চতুৰ্থবৰ্গৰ কৰ্মচাৰী নাৰায়ণ বৰাই হৃদয়ৰ দুখ বেদনা সমূহ প্ৰকাশ কৰি নিজৰ লগতে সমগ্ৰ অসমৰ এনে কৰ্মচাৰী সকলক এক সু-ব্যৱস্থা কৰি দিবলৈ চৰকাৰক বিনম্ৰ ভাৱে অনুৰোধ জনায় প্ৰেছ মিটৰ সামৰণি কৰে।

# লক্ষীপুৰত হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ উদ্দেশ্যে বলাইখামাৰত ৰাজহুৱা সভা

## সোমবাৰে সমদল উলিয়াই চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৫ মে' ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰ অঞ্চলত বিগত দুবছৰৰ পৰা চলি আছে বন্যহস্তীৰ সন্ত্ৰাস। চৰকাৰী হিচাপ মতেই বন্যহস্তীৰ গচকত পোন্ধৰ গৰাকীৰ মৃত্যু। শ শ ঘৰ বাৰী বিনষ্ট আৰু হাজাৰ হাজাৰ বিঘা খেতি পথাৰ তহিলং। কিন্তু ভূক্তভোগীয়ে পোৱা নাই পৰ্যাপ্ত সাহায্য। বিনিদ্ৰা ৰজনী কটোৱা ৰাইজে আশংকা কৰা মতে চৰকাৰে বিহীত ব্যাৱস্থা নকৰিলে বন্যহস্তীয়ে ভৱিষ্যতেও সাধাৰণ ৰাইজক গচকি মাৰিব। হাতী মানুহৰ সংঘাত ৰোধ কৰাৰ উদ্দেশ্যে



কালি বলাইখামাৰ হাছং হাই স্কুলত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সচেতন ব্যাক্তি সকলে চৰকাৰৰ বন বিভাগক তীব্ৰ সমালোচনা কৰে। বিশিষ্ট ব্যাক্তি সকলে বক্তৃতাত বন্যহস্তীৰ গচকত মৃত্যু হোৱা পৰিয়ালৰ সদস্যক দহ লাখ টকা, ঘৰ ভাগি পেলোৱা পৰিয়ালক নতুন ঘৰ আৰু খেতি বাতি বিনষ্ট কৰা পৰিয়ালক পৰ্যাপ্ত ক্ষতিপূৰণ আদায় দিয়াৰ দাবী জনায়। অহা সোমবাৰৰ দিনা পুৱা দহ বজাত লক্ষীপুৰ বন সংমণ্ডলৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় লৈ সমদল উলিয়াই তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সমদলৰ অন্তত বন্যহস্তীৰ সমস্যা আৰু ইয়াৰ সমাধান বিচাৰি ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা লৈ এখনী স্মাৰকপত্ৰ প্ৰেৰণ কৰিব। সভাত স্বাধীন সূত্ৰধৰক সভাপতি আৰু মণি শংকৰ গয়াৰীক সম্পাদক হিচাপে লৈ এখনি তদৰ্থ সমিতি গঠন কৰে।

## ওদালগুৰিৰ খাউৰাঙত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ২৫ মে' ঃ** শিক্ষাৰ মানদণ্ড উচ্চ পৰ্য্যায়লৈ নিয়াৰ উদ্দেশ্যেৰে আৰম্ভ কৰা গুণোৎসৱ ২০২২শিক্ষা বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসুচী ২৩ আৰু ২৪ মেত মনপুৰ চি আৰ চি ক্লাষ্টাৰ অন্তৰ্গত খাউৰাং হাই স্কুলত সফল সমাপন হয়। উক্ত কাৰ্যক্ৰমনিকাত ক্ষেত্ৰ পৰিদৰ্শক হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ গুণগত শিক্ষা আৰু শিক্ষকসকলৰ শিক্ষাদানৰ মানদণ্ড কি পৰ্যায়ত আছে আৰু বিদ্যালয়সমূহত শিক্ষাদান কৰা সু পৰিবেশ কেনে আছে উক্ত বিষয়ত পংখাণুপুংখকৈ খতিয়ান ল'বলৈ ক্ষেত্ৰ পৰিদৰ্শক হিচাপে উপস্থিত থাকে আব্দুল আৱাছ আলমগিৰ, পুৰবীবালা চহৰীয়া আৰু প্ৰণিতা নেৱাৰ। মনপুৰ ক্লাষ্টাৰৰ চি আৰ চি দুৰ্গা বাহাদুৰ ছেত্ৰীয়ে মনপুৰ ক্ষেত্ৰৰ সকলো বিদ্যালয়সমূহৰ শিক্ষক সকলক গুণোৎসৱ সহায়ক হিচাপে সেৱা আগবঢ়ায়ে। ২৩মেৰ পৰা আৰম্ভ হোৱা গুণোৎসৱৰ দ্বিতীয় পৰ্য্যায়ৰ কাৰ্যক্ৰমনিকাত খাউৰাং হাই স্কুলৰ প্ৰধান শিক্ষক অনন্ত কুমাৰ ডেকাৰ লগতে স্কুলৰ সমূহ শিক্ষক সকলে ক্ষেত্ৰ পৰিদৰ্শকক বিভিন্ন সহায় সহযোগিতা আগবঢ়ায়ে। ইপিনে উক্ত গুণোৎসৱত খাউৰাং হাই স্কুল পৰিচালনা সমিতিৰ সভাপতি দিলিপ পৌডেল, প্ৰাক্তন সভাপতি বিষ্ণু পৌডেল, খাউৰাং হাই স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক হৰি শৰ্মা, সদস্য ইন্দ্ৰ মগৰ আদি উপস্থিত থাকে। প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ হোৱা গুণোৎসৱত ছাত্ৰ-ছাত্ৰী সকলে স্ব- মুল্যায়নৰ যোগেদি প্ৰশ্নসমূহৰ উত্তৰ ও এম আৰ চিটত পূৰণ কৰে। মনপুৰ ক্লাষ্টাৰ অন্তৰ্গত ১২খন বিদ্যালয়সমূহত গুণোৎসৱ তিনিটা পৰ্য্যায়ত অনুষ্ঠিত হ'ব। ২৩ মে'ৰ পৰা আৰম্ভ হোৱা গুণোৎসৱ ২৪ মেত সম্পন্ন হয় যদিও অন্য স্কুল সমূহত ২৬ তাৰিখে অনুষ্ঠিত হ'ব। খাউৰাং হাই স্কুল, মনপুৰ প্ৰাথমিক বিদ্যালয়, হৰপুৰ প্ৰাথমিক বিদ্যালয়, এন চি ফুহুৰাবাৰী প্ৰাথমিক বিদ্যালয় প্ৰথম পৰ্য্যায়ত, চন্দনা, পূব চন্দনা প্ৰাথমিক বিদ্যালয়, খাউৰাং বডিগাঁও প্ৰাথমিক বিদ্যালয়, জঙ্গল বডিগাঁও প্ৰাথমিক বিদ্যালয়ত দ্বিত্বীয় পৰ্যায়ত আৰু পশ্চিম বডিগাঁও জঙ্গল প্ৰাথমিক বিদ্যালয়, চন্দনা বডিগাঁও প্ৰাথমিক বিদ্যালয়, বডিগাঁও পশ্চিম প্ৰাথমিক বিদ্যালয় আৰু জঙ্গল বডিগাঁও পপ্ৰাথমিক বিদ্যালয়ত ২৬ মে'ত গুণোৎসৱ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব।

# নেপালৰ ৰাজধানী কাঠমাণ্ডুত দিলীপ বৰ্মনৰ কবিতা পাঠে মুগ্ধ কৰিলে পাঠক-শ্ৰোতাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৫ মে' ঃ** নলবাৰীৰ সাহিত্যিক দিলীপ বৰ্মনে সাহিত্য, শিক্ষা, সংবাদ, সমাজসেৱা আদি দিশত কৃতিত্ব অৰ্জন কৰা বাবে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত কেইবাটিও বঁটা লাভ কৰাৰ লগতে অসম চৰকাৰৰ পৰা লেখক সম্বৰ্ধনা আৰু ২০১৮ বৰ্ষৰ স্বাধীনতা দিৱসতো নলবাৰী জিলা প্ৰশাসনৰ পৰা এগৰাকী নিষ্ঠাবান লেখক হিচাপে সম্বৰ্ধিত হয়। অসমীয়া, হিন্দীকে ধৰি কুৰিখনৰো অধিক গ্ৰন্থৰ প্ৰণেতা, শতাধিক আলোচনী, স্মৃতিগ্ৰন্থ, অভিনন্দন গ্ৰন্থ সম্পাদনা কৰা, সাপ্তাহিক বাতৰি কাকত সম্পাদনা কৰা বৰ্মনে নাগপুৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য সন্মিলনতো হিন্দী ভাষত প্ৰণয়ন কৰা কবিতা পাঠ কৰি ভূয়সী প্ৰশংসা লাভ কৰে। এইবেলি ইণ্ডো নেপাল ফ্ৰেণ্ডশ্বিপ অৰ্গেনাইজেচনে নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত কৰা আন্তঃৰাষ্ট্ৰীয় সন্মিলনলৈ আমন্ত্ৰিত হয়। সেই সূত্ৰে কাঠমাণ্ডুৰ ইউনিভাৰচেল কাফেত অনুষ্ঠিত বৰ্ণাঢ্য অনুষ্ঠানত অংশ গ্ৰহণ কৰে। অনুষ্ঠানত বৰ্মনে প্ৰথমে সাহিত্য আৰু সামাজিক সম্বন্ধীয় ভাষণ প্ৰদান কৰাৰ লগতে হিন্দী ভাষাত প্ৰণয়ন কৰা দুটি কবিতাও পাঠ কৰে। বৰ্মনৰ ভাষণ আৰু কবিতা পাঠত দৰ্শক-শ্ৰোতাই সন্তোষ লাভ কৰাৰ লগতে বৰ্মনক বিশেষভাৱে ধন্যবাদ দিয়ে। বুদ্ধ আৰু ড° বি আৰ আম্বেদকাৰৰ জন্ম জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানৰ সঞ্চালক ড° নেফাসিং খোৱাই আদৰণি ভাষণ দিয়ে। বৰ্ণিল তথা বৰ্ণাঢ্য অনুষ্ঠানত মুখ্য অতিথি হিচাপে নেপালৰ প্ৰাক্তন সাংসদ ঋষিবাবু পৰিয়াৰে অংশ গ্ৰহণ কৰি নেপাল ভাৰতৰ বন্ধুত্ব সন্দৰ্ভত সাৰগৰ্ভ ভাষণ প্ৰদান কৰাৰ লগতে অনুষ্ঠানত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিনিধিকে ধন্যবাদ জনায়। ইয়াৰ পিছত আন এগৰাকী বক্তা নেপালৰ ৰ'য়েল কাউন্সিলৰ প্ৰাক্তন সদস্য উত্তম কুমাৰ পৰিয়াৰেও প্ৰগতিবাদী চিন্তাধাৰাৰে ভাষণ প্ৰদান কৰে। হায়দৰাবাদৰ গায়ক ৰাধা কৃষ্ণণে সুমধুৰ গীত পৰিৱেশন কৰি দৰ্শকক মনোৰঞ্জন দিয়ে। সাহিত্যিক দামোদৰ গৌতম, বিনা পোখ্ৰেল, নিৰ্মলা পৰিয়াৰ আদিয়ে ভাষণ দিয়াৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবাগৰাকীও কবিয়ে কবিতা পাঠ কৰি পৰিৱেশ জীপাল কৰি তোলে। উল্লেখ থাকে যে অসমৰ পৰা প্ৰতিনিধিত্ব কৰা সাহিত্যিক দিলীপ বৰ্মনে তেওঁ হিন্দী ভাষাত প্ৰণয়ন কৰা গ্ৰন্থৰে অনুষ্ঠানৰ অতিথিসকলৰ লগতে কেইবাগৰাকীও অভ্যাসগতক তেওঁৰ গ্ৰন্থ প্ৰদানেৰে কৃতজ্ঞতা জনায়। ঠিক তেনেদৰে সাহিত্যিক দামোদৰ গৌতম, বিনা পোখৰেলেও গ্ৰন্থ প্ৰদান কৰি গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ গঢ়ি তোলে। সভাৰ আৰম্ভণিতে যুগ পুৰুষ গৌতম বুদ্ধ, ড° বি আৰ আম্বেদকাৰ আৰু বাবু জগজীৱন ৰামলৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানৰ আঁত ধৰে টি.এম. কুমাৰে।

# পলাশবাৰীৰ সৰপাৰাত ব'হাগী উৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৫ মে' ঃ** পলাশবাৰীৰ সৰপাৰা মিলন সংঘই বিগত বৰ্ষবোৰৰ দৰে এইবেলিও সৰপাৰা হৰি মন্দিৰ প্ৰাংগনত ২৯ মে'ত দিনযোৰা কাৰ্যসূচীৰে বহাগী বিদায় উৎসৱ উৎসৱৰ উদযাপনৰ আয়োজন কৰিছে। সংঘই প্ৰস্তুত কৰা কাৰ্য্যসূচী অনুসৰি বহাগী উৎসৱৰ দিনাখন ৰাতিপুৱা আঠ বজাত মিলন সংঘৰ সভাপতি বিজয় দাসে সংঘৰ পতাকা উত্তোলনেৰে বহাগী বিদায় উৎসৱৰ কাৰ্যসূচী মুকলি কৰিব। তাৰ পিছতে বিহুৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰিব ক্ৰমে সৰপাৰা ৰাইজ গয়ৰহৰ সভাপতি কনক চন্দ্ৰ কাকতি আৰু মিলন সংঘৰ সম্পাদক গগন দাসে। পুৱা ৯ বজাত বৃক্ষ ৰোপণ কাৰ্য্যসূচী মুকলি কৰিব গাঁও পঞ্চায়তৰ সভাপতি ইলা দাসে। আবেলি দুই বজাৰ পৰা মুকলি ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত হব। সন্ধিয়া ৭ বজাত স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়াই মুকলি কৰা সাংস্কৃতিক মঞ্চত বন্তি প্ৰজ্বলন কৰিব পংকজ কুমাৰ দাস ৰবীন দাস, তপন দাস, সূৰ্য কুমাৰ দাস, তপন দেৱান, হৰমোহন দাস, যুগল (তগৰ) কাকতি আৰু দীপাংকৰ দাসে। নিশা ৮ বজাৰ পৰা নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত-মাত পৰিবেশন কৰা হ'ব।

## ডেৰ কোটিৰো অধিক টকাৰ যানবাহন কৰ অনাদায়কাৰীলৈ পৰিবহণ বিভাগৰ জাননী

# পল্টন বজাৰ-বিৰুবাৰী-ৰিহাবাৰী-ভঙাগড়ত উদ্যোগ-নিৰ্মাণকাৰী সংস্থা, মালিকৰ ঘৰে ঘৰে সোমাল অভিযানকাৰী দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৫ মে' ঃ** মহানগৰীৰ যানবাহন কৰ অনাদায়কাৰী চাৰিকুৰিৰো অধিক বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠান, নিৰ্মাণকাৰী সংস্থাৰ লগতে ব্যক্তিগত আৰু ব্যৱসায়িক যান-বাহনৰ মালিকৰ ঘৰে ঘৰে মঙলবাৰে সোমাল পৰিবহণ বিভাগৰ দল। সময়মতে যান-বাহন কৰ আদায় নিদিয়াৰ ফলত কোনো মালিক-প্ৰতিষ্ঠানেই যাতে অধিক কৰৰ বোজা বহন কৰি সমস্যাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসে প্ৰথমৰ পৰাই বিভাগৰ বিষয়া-কৰ্মীসকলক চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। প্ৰয়োজন হ'লে ঘৰে ঘৰে গৈ হ'লেও যান-বাহন ব্যৱহাৰকাৰীক এই সন্দৰ্ভত সজাগ কৰি সহযোগিতা আগবঢ়াবলৈ সহকাৰী পৰিবহণ আয়ুক্ত গৰাকীয়ে জনোৱা আহ্বানত বিভাগৰ দলে




যোৱা দিনবোৰত অভিযান অব্যাহত ৰাখিছে। সহকাৰী পৰিবহণ আয়ুক্ত তথা কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ দায়িত্ববাহী গৌতম দাসৰ তত্ত্বাৱধানত যানবাহন পৰিদৰ্শক কানাই মহন্ত আৰু কাৰ্যালয় সহযোগী সিদ্ধেশ্বৰ ৰাংহাঙে মঙলবাৰে পল্টন বজাৰ, বিৰুবাৰী, ৰিহাবাৰী, ভঙাগড়ৰ বৃহৎ অঞ্চলৰ কৰ অনাদায়ীক ৮৯খন ডিমাণ্ড নটিছ প্ৰেৰণ কৰি সময়মতে যানবাহনৰ বকেয়াসহ সকলো কৰ আদায়ৰ আহ্বান জনায়। উল্লেখ্য এই ৮৯খন জাননীৰ বিপৰীতে কৰ অনাদায়কাৰী সকলে বকেয়াসহ ডেৰ কোটিৰো অধিক টকাৰ যান-বাহন কৰ আদায় দিবলৈ আছে পৰিবহণ বিভাগক।

## গড়গাঁও মহাবিদ্যালয়ৰ গৌৰৱ

# 'ডিব্ৰুগড় বিশ্ববিদ্যালয় এন এছ এছ বঁটা'ৰ বাবে নিৰ্বাচিত গড়গাঁও মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱক আৰু কাৰ্যক্ৰম বিষয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ মে' ঃ** শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ পাঁচগৰাকী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা আৰু কাৰ্যক্ৰম বিষয়া ড° ৰিমঝিম বৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সদ্যঘোষিত 'ডিব্ৰুগড় বিশ্ববিদ্যালয় এন এছ এছ বঁটা'ৰ বিভিন্ন শিতানত নিৰ্বাচিত হৈ গড়গাঁও মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম সমন্বয়ক ড° ৰিমঝিম বৰাই ২০১৯-২০ বৰ্ষৰ বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ ভিতৰত শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া হিচাপে নিৰ্বাচিত হোৱাৰ লগতে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক পুন্সী কুমাৰ সিঙে ২০১৮-১৯ বৰ্ষৰ বাবে শ্ৰেষ্ঠ স্বেচ্ছাসেৱক, কল্যাণ জ্যোতি শইকীয়াই ২০১৯-২০ বৰ্ষৰ বাবে, কৌস্তুভ চেতিয়া,অভিজিত গগৈ আৰু কাশ্মীৰী কশ্যপে ২০২১-২২ বৰ্ষৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা ৰূপে নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ৰূপে ড° ৰিমঝিম বৰাই ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ নয়দাকে আদি কৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অনুষ্ঠিত এন এন এছৰ ৰাষ্ট্ৰীয় তথা উত্তৰ-পূব যুৱ-মহোৎসৱত অসমক প্ৰতিনিধিত্ব কৰি ৰাজ্য খনলৈ সুনাম কঢ়িয়াই অনাৰ লগতে ২০১৮-১৯ বৰ্ষৰ 'এন এছ এছ ৰাজ্যিক বঁটা' পাবলৈ সক্ষম হৈছিল। তদুপৰি মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱিকা জ্ঞানতৃষা ফুকনেও ২০১৯ বৰ্ষত 'প্ৰাক-গণৰাজ্য দিবসৰ শিবিৰ' লৈ নিৰ্বাচিত হৈ সফলতাৰে অংশগ্ৰহণ কৰাৰ লগতে ২০১৯-২০ বৰ্ষত 'এন এছ এছ ৰাজ্যিক বঁটা' লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। আন এগৰাকী স্বেচ্ছাসেৱক পুন্সী কুমাৰ সিঙে ২০১৯-২০ বৰ্ষৰ ২৬ জানুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত ৭০সংখ্যক গণৰাজ্য দিবসৰ পেৰেড অনুষ্ঠানত অসমক প্ৰতিনিধিত্ব কৰিছিল।গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ এই ধাৰাবাহিক সফলতাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই অভিনন্দন জনোৱাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে সম্পন্ন কৰা বিভিন্ন ধৰণৰ সামাজিক আৰু পাৰিপাৰ্শ্বিক কাৰ্যকলাপৰ বাবে এই বঁটাসমূহ লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে সন্তোষ প্ৰকাশ কৰিছে।


# যোগীঘোপাত তিনি আই পি এল জুৱাৰীক গ্ৰেপ্তাৰ

## জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৫ মে' ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ আৰক্ষীয়ে অঞ্চলটোৰ বিভিন্ন স্থানত অভিযান চলাই গ্ৰেপ্তাৰ কৰি তিনিজন আই পি এলৰ জুৱাৰীক সোমবাৰে জে'ল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা জুৱাৰীকেইজন হ'ল— ছেদামাৰী গাঁৱৰ আফিউদ্দিন আহমেদ (৩২), কৰেয়া প্ৰথম খণ্ডৰ জাকাৰিয়া আহমেদ (২৬) আৰু বালাপাৰাৰ আমিনুল আহমেদ (৩৮) বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে ২১ মে'ৰ নিশা প্ৰায় ১২.৩০ বজাত যোগীঘোপা আৰক্ষীৰ এটা দলে যোগীঘোপা থানা এলেকাৰ বিভিন্ন স্থানত আই পি এল জুৱাৰীৰ বিৰুদ্ধে অভিযান চলায়। উক্ত অভিযানত আৰক্ষীয়ে জুৱাৰীকেইটাক আটক কৰে। আৰক্ষীয়ে জুৱাৰীকেইটাৰ পৰা তিনিটা ম'বাইল ফোন, নগদ ধন আৰু এখন চাচিকীয়া বাহন জব্দ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা তিনি আই পি এল জুৱাৰীৰ বিৰুদ্ধে যোগীঘোপা থানাত ৯১/২০২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি কালি উত্তৰ শালমাৰা মহকুমা ন্যায়িক দণ্ডাধীশ আদালতত হাজিৰ কৰাই জে'ল হাজোতলৈ প্ৰেৰণ কৰে। অভিযোগ মতে, অঞ্চলটোৰ কাবাইটাৰী, চলন্তাপাৰা, বালাপাৰা যোগীঘোপা, মালেগড় আদি অঞ্চলত একাংশ যুৱকে আই পি এল জুৱা নিৰ্বিঘ্নে চলাই গৈছে।

# দুই বছৰ পিছত পৰীক্ষাত বহিবলৈ পাই উৎফুল্ল ছাত্ৰ-ছাত্ৰী

## বকোৰ বিভিন্ন বিদ্যালয়ত গুণোৎসৱ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ মে' ঃ** প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ অন্ত পৰাৰ অন্তত আৰম্ভ হৈছে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ। কামৰূপ জিলাৰ ছমৰীয়া প্ৰাথমিক শিক্ষাখ'ৰ অন্তৰ্গত বিদ্যালয়সমূহত আৰম্ভ হৈছে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ।অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰত্যেক খন বিদ্যালয়তে গুণোৎসৱ অনুষ্ঠিত কৰি বহি স্ব- মূল্যায়ন বিষয়া নিযুক্তি দিয়াৰ লগতে গুণোৎসৱৰ সকলো বিষয় নিৰীক্ষণ দায়িত্ব অৰ্পণ কৰ। আজি বালিঝাৰ এম ই মাদ্ৰাছাৰ লগতে শুক্টাটাৰী প্ৰাথমিক বিদ্যালয়, বৰুৱা পাহাৰ তলী প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হয়। আজিৰ এই গুণোৎসৱৰ বহি স্ব- মূল্যায়ন বিষয়া হিচাপে উপস্থিত থকে বালিঝাৰ এম ই মাদ্ৰাছাত কিশোৰ তালুকদাৰ , জ্যেষ্ঠ কৃষি উন্নয়নৰ বিষয়া বকো আৰু ড° লোহিত ৰাভা, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। শুক্টাটাৰী প্ৰাথমিক বিদ্যালয়ত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা গীতিকা দাস, বৰুৱা পাহাৰ তলী প্ৰাথমিক বিদ্যালয়ত সোনতলী আঞ্চলিক মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা মজাম্মেল হক। মূল্যায়ন নিৰীক্ষক বিষয়া সকলে বিদ্যালয়ৰ সকলো তথ্যপাতি, পুথিভঁৰাল, বিদ্যালয় কক্ষ, ছাত্ৰ ছাত্ৰীৰ উপস্থিতি, বহী মূল্যায়ন আদি নিৰীক্ষণ কৰে। বালিঝাৰ এম ই মাদ্ৰাছাত বহি স্ব-মূল্যায়ন বিষয়াক সহায় কৰে প্ৰধান শিক্ষক চুলতান মামুদৰ, লগতে শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সদস্যা সকলে। গুণোৎসৱ চলি থকা বিদ্যালয় সমূহ পৰিদৰ্শন কৰে খ' প্ৰাথমিক হিচাপ ৰক্ষক গৌতম অলেমান। বিদ্যালয় সমূহত শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ ভাৱেই গুণোৎসৱ চলি আছে বুলি কয় বিষয়াগৰাকীয়ে।



## বৰহোলা দবা একাডেমীৰ উদ্যোগত প্ৰাইজমানী দবা প্ৰতিযোগিতা

**গুৱাহাটী, ২৫ মে' ঃ** তিতাবৰ মহকুমাৰ বৰহোলা দবা একাডেমীৰ উদ্যোগত আৰু প্ৰাগজ্যোতিকা চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ সহযোগত অহা ২৯ মে'ত এদিনীয়াকৈ মুকলি দবা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বৰহোলা মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব লগা এই প্ৰাইজমানি দবা প্ৰতিযোগিতাখনত সকলো প্ৰান্তৰ খেলুৱৈক অংশগ্ৰহণৰ আহ্বান জনাইছে আয়োজকে। প্ৰতিযোগিতাখনৰ সবিশেষ জানিবলৈ অন্যতম উদ্যোক্তা অমল সোণোৱালৰ স'তে ৯৪৩৫২৯৫৯৫২ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বিশ্বকাপ আৰ্চাৰীত সফলতা লাভ কৰা ভাৰতীয় দলক সম্বৰ্ধনা ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰৰ



**নতুন দিল্লী, ২৫ মে' ঃ** দক্ষিণ কোৰিয়াত অনুষ্ঠিত বিশ্বকাপ আৰ্চাৰীৰ দ্বিতীয় পৰ্যায়ৰ খেলত ভাৰতীয় পুৰুষ কম্পাউণ্ড দলৰ স্বৰ্ণসহ পাঁচটা পদক লৈ ঘৰলৈ উভতি অহা ভাৰতীয় আৰ্চাৰী দলটোক কালি কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে অভিষেক ভাৰ্মা, ৰজত চৌহান আৰু অমন ছাইনীৰ দ্বাৰা গঠিত ভাৰতীয় পুৰুষ দলটোৱে ফ্ৰান্সক পৰাস্ত কৰি সোণৰ পদক লাভ কৰাৰ বিপৰীতে এই সন্মানীয় প্ৰতিযোগিতাখনত ভাৰতে ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকো লাভ কৰে। উল্লেখ্য যে পুৰুষৰ একক শাখাত মোহন ভৰদ্বাজে ব্যক্তিগত ৰূপৰ পদক লাভ কৰে। ভাৰতীয় আৰ্চাৰী দলৰ সফলতাক প্ৰশংসা কৰি কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ঠাকুৰে কয় যে, প্ৰতিযোগিতাত পদক লাভ কৰিবলৈ ভাৰতীয় দলে যি চেষ্টা আৰু কষ্ট কৰিছিল তাৰ ফলশ্ৰুতিতে প্ৰত্যাশিত সফলতা লাভ কৰিবলৈ সক্ষম হ'ল। দেশবাসীয়ে এক হৈ খেলুৱৈক সমৰ্থন কৰিলেহে ভাৰতীয় ক্ৰীড়াবিদে উৎসাহ আৰু প্ৰেৰণা লাভ কৰিব। ইফালে, প্ৰতিযোগিতাত দলীয় সোণ লাভ কৰা অভিষেক ভাৰ্মাই কয়, 'আমি এছিয়ান গেমছৰ বাবে প্ৰস্তুতি চলাই আছিলো গতিকে দলটো এতিয়া এক সুন্দৰ ফৰ্মত আছে। কাৰিকৰী দিশৰ ক্ষেত্ৰত ভাৰতৰ আৰ্চাৰ এতিয়া যথেষ্ট উন্নতি কৰিছে। আন্তঃগাঁথনি, প্ৰশিক্ষণ, এক্সপ'জাৰ, ফেডাৰেচন আৰু চৰকাৰৰ পৰা লাভ কৰা সহযোগৰ বাবেই আমি ইমানখিনি লাভ কৰিবলৈ সক্ষম হৈছো।' উল্লেখ্য যে এই প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ ৰিকাৰ্ভ দলত আছিল অসমৰ জয়ন্ত তালুকদাৰো।

# ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পদ এৰিব নৰিন্দৰ বাত্ৰাই




**নতুন দিল্লী, ২৫ মে' ঃ** ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দৰ বাত্ৰাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ শীৰ্ষ সংস্থাটোৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'লে সভাপতি পদত দ্বিতীয়বাৰলৈ প্ৰতিদ্বন্দ্বিতা নকৰে বুলি আজি আনুষ্ঠানিক ঘোষণা কৰিছে। আন্তঃৰাষ্ট্ৰীয় হকী ফেডাৰেচনৰ মুৰব্বী হিচাপে তেওঁ অধিক সময় দিব লগা হোৱাৰ বাবেই ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি ত্যাগ কৰিব বুলি কয় বাত্ৰাই। উল্লেখ্য যে তেওঁৰ এই সিদ্ধান্তৰ ফলত বাত্ৰাৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ সদস্য পদৰো অন্ত পৰিব। কাৰণ এই লোভনীয় পদটোত তেওঁৰ আই অ' এৰ সভাপতি হৈ থকাৰ বাবেহে জড়িত হৈ আছিল। ২০১৭ ত প্ৰথমবাৰৰ বাবে আই অ' এৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাত্ৰাই ২০১৯ ত আই অ' চিৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। উল্লেখ্য যে বিগত বৰ্ষৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া আই অ' এৰ নিৰ্বাচন এতিয়া বিচাৰধীন আদালতৰ গোচৰৰ বাবে স্থগিত ৰখা হৈছে। 'এই সময়ত বিশ্ব হকীয়ে এক বিকাশৰ পৰ্যায়ৰ মাজেৰে আগবাঢ়িছে। সেয়ে মোৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। আন্তঃৰাষ্ট্ৰীয় হকী ফেডাৰেচনৰ সভাপতিৰূপে সকলোবোৰ কাম নিয়াৰিকৈ কৰিবলৈ মোক অধিক সময়ৰ প্ৰয়োজন। ফলস্বৰূপে মই ভাৰতীয় অলিম্পিক এছ'চিয়েশ্যনৰ সভাপতি হিচাপে আৰু এটা কাৰ্যকালৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছো।' বাত্ৰাই এক বিবৃতিত কয়। উল্লেখ্য যে ২০১৭ ত প্ৰথমবাৰৰ বাবে আই অ' এৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাত্ৰাই পুনৰ নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ যোগ্যতা কিন্তু অৰ্জন কৰিছে। বাত্ৰাই লগতে কয় 'মই অনুভৱ কৰোঁ যে ভাৰতীয় ক্ৰীড়াক উত্তৰণলৈ নিয়াৰ বাবে এতিয়া সতেজ মন আৰু নতুন ধাৰণাৰে অহা এজন ব্যক্তিৰ প্ৰয়োজন। ২০৩৬ ৰ গ্ৰীষ্মকালীন অলিম্পিক ভাৰতত আয়োজন কৰাৰ বাবে আমি এক হৈ চেষ্টা কৰিব লাগিব।'

# জি টি চি দবা গ্ৰাঁ-প্ৰিত ৰজত বাফনা, নলিনাক্ষ্য কাশ্যপ-নিহাদ ইছলাম হাজৰিকা চেম্পিয়ন

**গুৱাহাটী, ২৫ মে' ঃ** গুৱাহাটী টাউন ক্লাবত অনুষ্ঠিত জি টি চি দবা গ্ৰাঁ প্ৰি ৰ দ্বিতীয় সংস্কৰণ সফলতাৰে সামৰণি পৰিছে । উল্লেখ্য যে সমগ্ৰ ৰাজ্যৰ মুঠ ৯২ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই দিনজোৰা টুৰ্ণামেণ্টখন আয়োজন কৰে জি টি চি দবা ফাউণ্ডেচনে। মেচ অনুষ্ঠিত হয় ৯ বছৰ অনূৰ্ধ্ব , ১৫ বছৰ অনূৰ্ধ্ব আৰু মুকলি শাখাত । ৯ বছৰ আৰু ১৫ বছৰ অনূৰ্ধ্ব শাখাত পাঁচ ৰাউণ্ডৰ ভিতৰত পাঁচ পইন্টকৈ অৰ্জন কৰি চেম্পিয়নৰ খিতাপ দখল কৰে ক্ৰমে ৰজত বাফনা আৰু নলিনাক্ষ্য কাশ্যপে । ইফালে মুকলি শাখাত চাৰি ৰাউণ্ডৰ পৰা ৩.৫ পইন্ট লাভ কৰি চূড়ান্ত বিজয়ী হয় নিহাদ ইছলাম হাজৰিকা । ৬ ,৯, ১১, ১৩,১৫,১৯ বছৰ অনূৰ্ধ্ব আৰু অপেন শাখাৰ শীৰ্ষ তিনি গৰাকীকৈ খেলুৱৈক বঁটা আৰু প্ৰমানপ্ৰত্ৰ প্ৰদান কৰা হয় । প্ৰতিযোগিতাখন তদাৰক কৰে আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ তথা জি টি চি দবা ফাউণ্ডেচনৰ সঞ্চালক বিশ্বজিৎ ভাৰদ্বাজে । তেওঁক উপ আৰ্বিটাৰৰূপে সহায় কৰে নন্দন বুঢ়াগোহাঁই , পল্লৱ ভট্টাচাৰ্য্য আৰু দেবাংগ কলিতাই । বিভিন্ন বয়স গোটত বঁটা অৰ্জন কৰা প্ৰথম তিনিগৰাকী দবাৰু হ'ল ক্ৰমে ঃ ছয় বছৰ অনূৰ্ধ্বত নৈকিত দেউৰা , প্ৰাগণি মিট্ৰাল , জাহ্নৱ দাস। ৯ বছৰ অনূৰ্ধ্বত ৰজত বাফনা , অমিয়া গুপ্তা , হৰ্ষদ্বীপ ডেকা। ১১ বছৰ অনূৰ্ধ্বত সহজ গুপ্তা , অভিৰূপ শইকীয়া , আৰহান ৰহমান বৰা। ১৩ বছৰ অনূৰ্ধ্বত জিত কাশ্যপ , অংকিত বসুমতাৰী , প্ৰিয়ানুজ দাস। ১৫ বছৰ অনূৰ্ধ্বত নলিনাক্ষ্য কাশ্যপ , জয়দ্বীপ কাশ্যপ , কৰ্ণভ পি ডেকা। ১৯ বছৰ অনূৰ্ধ্বত মৃদু মলয় দাস , মায়ংক আগৰৱাল , কৃষাণু দেৱমিশ্ৰ। মুকলি শাখাত নিহাদ ইছলাম হাজৰিকা , নাব্যাংশ বাজাজ আৰু কানজিত ৰামচিয়াৰী । কণিষ্ঠ খেলুৱৈ আৰ্যা জৈনক বিশেষ বঁটা প্ৰদান কৰা হয় । ছোৱালীৰ শ্ৰেষ্ঠ দুগৰাকী খেলুৱৈ হ'ল ক্ৰমে নিষ্ঠা শইকীয়া আৰু আয়ুস্মিতা পাল।

# এভাৰেষ্ট আৰোহণ কৰিলে ১০ বছৰীয়া ৰিদমে



**মুম্বাই, ২৫ মে' ঃ** পৃথিৱীৰ সৰ্বোচ্চ শীখৰ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰিলে মুম্বাইৰ ১০ বছৰীয়া স্কেটাৰ ৰিদম মামানিয়াই। উল্লেখ্য যে এই সফলতা লাভ কৰি মামানিয়া আটাইতকৈ কম বয়সীয়া ভাৰতীয় পৰ্বতাৰোহীসকলৰ ভিতৰত এজন হৈ পৰিছে। তেওঁ ১১ দিনত সম্পূৰ্ণ কৰিছে এভাৰেষ্ট যাত্ৰা। মামানিয়াৰ পিতৃ-মাতৃ হ'ল হৰ্ষল আৰু উৰ্মী। ট্ৰেকৰ আৰম্ভণিৰ সময়ত পিতৃ-মাতৃ তেওঁৰ লগতে আছিল। উল্লেখ্য যে বান্দ্ৰাৰ এম ই টি ঋষিকুল বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী ৰিদমে ছয় মে'ৰ নিশা প্ৰায় এক বজাত এভাৰেষ্ট বেচ কেম্পত উপস্থিত হৈছিল। এই বেচ কেম্প ৫,৩৬৪ মিটাৰত অৱস্থিত আৰু অভিযান সম্পূৰ্ণ কৰিবলৈ ৰিদমক ১১ দিন সময় লাগিছিল। সাফল্যৰ পাছত ৰিদমে কয় যে স্কেটিঙৰ লগতে ট্ৰেকিং সদায়েই তেওঁৰ প্ৰিয় ক্ৰীড়া আছিল।



বয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আৰু লক্ষ্ণৌৰ মাজত অনুষ্ঠিত আই পি এলৰ এখন খেলৰ দৃশ্য

# ৰাষ্ট্ৰীয় গেমছত দুটাকৈ সোণসহ চাৰিটা পদক লাভ অসমৰ সাহিনাৰ


**গুৱাহাটী, ২৫ মে' ঃ** চতুৰ্থ ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছ প্ৰতিযোগিতাত গোৱালপাৰাৰ সাহিনা বেগমে দুটাকৈ সোনসহ মুঠ চাৰিটাকৈ পদক অৰ্জন কৰি গোৱালপাৰাবাসীৰ লগতে সমগ্ৰ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে । উল্লেখ্য যে কেৰেলা মাষ্টাৰ্ছ গেমছ এছোচিয়েচনে যোৱা ১৮ ৰ পৰা ২২ মে'লৈকে থিৰুৱন্তপুৰমত আয়োজন কৰা প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰি সাহিনা বেগমে এশ মিটাৰ ৰিলে দৌৰ আৰু দুশ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰাৰ লগতে এশ মিটাৰ দৌৰত ৰূপ আৰু লংজাম্পত ব্ৰঞ্জৰ পদক অৰ্জন কৰে । উল্লেখ্য যে গোৱালপাৰা চহৰৰ চনবাৰীৰ বাসিন্দা তথা স্থানীয় চোলেছ নাৰ্ছিং হোমৰ ৱাৰ্ড গাৰ্ল সাহিনা বেগমে ইতিপূৰ্বেও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মাষ্টাৰ গেমছত অংশ গ্ৰহণ কৰি কেবাটাও সোণৰ পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে।



আইপিএলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ বিৰুদ্ধে উইকেট দখলৰ পিছত লক্ষ্ণৌ খেলুৱৈৰ উল্লাস

# ফ্ৰেন্স অপেনৰ পৰা বিদায় ল'লে ইউ এছ অপেনৰ চেম্পিয়নে

## দ্বিতীয় ৰাউণ্ডত পৰাস্ত এমা ৰাডুকানু



**পেৰিছ, ২৫ মে' ঃ** দ্বিতীয় ৰাউণ্ডৰ মেচত বেলাৰুছৰ আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ হাতত ৩-৬, ৬-১, ৬-১ ৰ ব্যৱধানত পৰাস্ত হৈ চলিত ফ্ৰেন্স অ'পেনৰ পৰা আজি বিদায় লৈছে ইউ এছ অ'পেনৰ চেম্পিয়ন এমা ৰাডুকানুৱে। উল্লেখ্য যে এই বছৰে ফ্ৰেন্স অ'পেনৰ জড়িয়তে পেছাদাৰী টেনিছত অভিষেক ঘটোৱা ব্ৰিটিছ দ্বাদশ বাছনিৰ তাৰকাগৰাকীয়ে ইয়াৰপূৰ্বে ২০২১ ত ইণ্ডিয়ান ৱেলছত ৪৭ নম্বৰ ৰেংকিঙৰ ছাছন'ভিচৰ হাততো পৰাস্ত হৈছিল। ইউ এছ অ'পেনত ট্ৰফী জয়ৰ পিছতে প্ৰথমখন মেচত পৰাস্ত হৈছিল ৰাডুকানু। ইফালে, জয়ৰ পাছত ২৮ বছৰীয়া ছাছনভিচে কয় 'প্ৰথম ছেটৰ পিছতে মই ভাবিছিলো মেচত জয়ী হ'ব নোৱাৰো গতিকে প্ৰতিটো পইণ্টৰ বাবে মেচখন খেলিলোঁ।' উল্লেখ্য যে পেৰিছত প্ৰথমবাৰৰ বাবে তৃতীয় ৰাউণ্ডত খেলিব ছাছনভিচে। তেওঁ পৰৱৰ্তী মেচত তিনিবাৰৰ বিজয়ী জাৰ্মানীৰ এঞ্জেলিক কাৰ্বাৰ বা ফ্ৰান্সৰ ৱাইল্ডকাৰ্ড এলছা জেকমটৰ মুখামুখি হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা প্ৰথম ৰাউণ্ডতে বাহিৰ হৈছিল জাপানৰ নাওমি অ'চাকা। আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ হাতত ৭-৫, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয় অ'চাকা। উল্লেখ্য যে যোৱাবছৰ বিতৰ্কিতভাৱে প্ৰতিযোগিতাখন এৰি দিয়াৰ ১২ মাহৰ পিছতকৰ্টত নমি প্ৰথম ৰাউণ্ডতে ফ্ৰেন্স অ'পেনৰ অভিযান সামৰে অ'চাকাই। বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থান আৰু চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা বিজয়ী অ'চাকাই ২০২১ ত সংবাদ মাধ্যমৰ প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু ফ্ৰেন্স অ'পেনৰ পৰা আঁতৰি আহিছিল। সংবাদমেলৰ বিৰোধিতা কৰাৰ বাবে অ'ছাকাক জৰিমনাও বিহা হৈছিল আৰু গ্ৰেণ্ড শ্লেম নিষিদ্ধ কৰাৰ ভাবুকি দিয়া হৈছিল।


# দুৰ্ঘটনাত সাঁতোৰ প্ৰশিক্ষকৰ মৃত্যু

**গুৱাহাটী, ২৫ মে' ঃ** যোৰহাট চুইমিং চচাইটিৰ প্ৰশিক্ষক তথা প্ৰাক্তন ৰাজ্যিক সাঁতোৰ খেলুৱৈ যোৰহাট নগৰৰ তৰুণ ৰাম ফুকন পথৰ নিবাসী জয় প্ৰকাশ বৰা যোৱা ২২ মে'ত এক দুৰ্ঘটনাত পতিত হৈ মৃত্যু হয়। নিশা প্ৰায় ১০-৩০ বজাত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় উপ পথৰ কালিয়া গাঁওৰ ওচৰত দুৰ্ঘটনাত পতিত হয় ফুকন। গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত জয় প্ৰকাশক লগে লগে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্ত্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এটি পাঁচ বছৰীয়া সন্তানসহ পত্নী, মাতৃ, এজন জ্যেষ্ঠ ভাতৃ আৰু এগৰাকী ভগ্নীক ইহ সংসাৰত এৰি গৈছে। তেওঁৰ মৃত্যুত যোৰহাট চুইমিং চচাইটিয়ে এক শোক সভা অনুষ্ঠিত কৰি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সুদক্ষ প্ৰশিক্ষকগৰাকীৰ মৃত্যু যোৰহাট ছুইমিং চচাইটিৰ বাবে আপুৰণীয় ক্ষতি বুলি উল্লেখ কৰিছে।

# দেশৰ প্ৰধানমন্ত্ৰীক লগ পাই গৌৰৱ অনুভৱ কৰিছে ৰাজ্যৰ প্ৰথম বধিৰ অলিম্পিয়ানে

## অসমৰ ক্ৰীড়াবিদ অভিনন্দনৰ পৰা অটোগ্ৰাফ ল'লে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

**গুৱাহাটী, ২৫ মে' ঃ** দেশৰ প্ৰধানমন্ত্ৰীজনৰ পৰা অটোগ্ৰাফ লোৱাৰ হেপাঁহ প্ৰতিগৰাকী কিশোৰ-কিশোৰীৰে থাকে। তাতে আকৌ প্ৰধানমন্ত্ৰীজন যদি নৰেন্দ্ৰ মোদী হয় তেন্তে সেই অটোগ্ৰাফটো স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেষ্ঠতম উপহাৰ হৈ উঠে। কাৰণ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয়তা দেশৰ লগতে বিদেশতো কি পৰ্যায়ৰ সেয়া ইতিমধ্যে সমগ্ৰ বিশ্বৰে জ্ঞাত। কিন্তু এইবাৰ ঘটনাটো ঘটিল ওলোটাকৈ। স্বয়ং নৰেন্দ্ৰ মোদীয়েহে অটোগ্ৰাফ ল'লে এজন অসম সন্তানৰ পৰা। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অটোগ্ৰাফ দিয়া অসমৰ কিশোৰজন হ'ল ৰাজ্যৰ প্ৰথম বধিৰ অলিম্পিয়ান অভিনন্দন গোস্বামী। যোৱা ২১ মে'ত নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসভৱনতে এই ঘটনা ঘটিল। উল্লেখ্য যে সিদিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত সদ্য সমাপ্ত বধিৰ অলিম্পিকত অংশ লোৱা ভাৰতীয় দলৰ সকলো সদস্যক নিজৰ বাসভৱনলৈ আমন্ত্ৰন জনাইছিল। প্ৰধানমন্ত্ৰীৰ আমন্ত্ৰন মৰ্মে নতুন দিল্লীলৈ গৈছিল অসমৰ ক্ৰীড়াবিদ অভিনন্দনো। ভাৰতীয় দলৰ লগত প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ বাসভৱনতে সাক্ষাৎ কৰিছিল অভিনন্দনে। সেই অনুষ্ঠানতে মোদীয়ে এটা টি-ছাৰ্টত বধিৰ অলিম্পিকত অংশ লোৱা ভাৰতীয় দলৰ সকলো সদস্যৰ অটোগ্ৰাফ লয়। অভিননন্দেও স্বাক্ষৰ কৰে সেই বিশেষ ভাৰতীয় দলৰ টি-ছাৰ্টটোত। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি নিজকে গৌৰৱ অনুভৱ কৰিছে বুলি জনাই সম্প্ৰতি গুৱাহাটীত উপস্থিত হোৱা অভিনন্দনে। ইফালে, এই সাক্ষাতৰ সময়ত মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত হোৱা বধিৰ অলিম্পিকত ভাৰতীয় দলটোৱে এতিয়ালৈকে কৰা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে অভিনন্দন জনাই আৰু সকলো ক্ৰীড়াবিদক আগুৱাই যোৱাৰ অনুপ্ৰেৰণা দিয়ে। উল্লেখ্য যে অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে এইবাৰ বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে টাইকোৱান-ডো খেলুৱৈ অভিনন্দন গোস্বামীয়ে। অলিম্পিকৰ মেচত কোৱাৰ্টাৰ ফাইনেলত ভৰিত আঘাত পাই অভিযান সামৰিছিল অভিনন্দনে। কিন্তু অভিনন্দনৰ এই সফলতাও ৰাজ্যৰ বাবে চিৰদিনলৈ গৌৰৱময় হৈ থাকিব। কাৰণ বধিৰ অলিম্পিকলৈ প্ৰথম অসমীয়াৰূপে যোগ্যতা অৰ্জন ৰাজ্যৰ ক্ৰীড়া তথা সমাজ জীৱনৰ বাবেই গৌৰৱময় সাফল্য। অসমত বধিৰ সকলৰ প্ৰতি সমাজৰ দৃষ্টিভংগীৰ সম্পূৰ্ণ বিপৰীতে অভিনন্দনে যি লক্ষ্য পথত খোজ দিছে সেয়াই এখন নতুন দুৱাৰ মুকলি কৰিছে জগত জয়ৰ সপোন দেখা বধিৰ সকলৰ বাবে। এতিয়া অভিনন্দনৰ পথটোক সুন্দৰ কৰা লগতে নতুন সুযোগ সৃষ্টি কৰাৰ দায়িত্ব অসমৰ চৰকাৰ, ক্ৰীড়া বিভাগ তথা সমাজখনৰ। উল্লেখ্য যে মেগা প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে ভাৰতীয় দল নিৰ্বাচন কৰিবলৈ এইবাৰ লক্ষ্ণৌ অনুষ্ঠিত হৈছিল এক বাছনি প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতে প্ৰথমস্থান দখল কৰি অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰে ২০ বছৰীয়া টাইকোৱান-ডো খেলুৱৈ অভিনন্দনে। উল্লেখ্য যে ব্ৰাজিলত অনুষ্ঠিত এইবাৰৰ ২৪ সংখ্যক বধিৰ অলিম্পিকত ভাৰতে আঠটা সোণ, এটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এয়া এতিয়ালৈ ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।



ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ বিৰুদ্ধে খেলত লক্ষ্ণৌৰ অধিনায়ক কে এল ৰাহুলৰ শ্বট



### ডিব্ৰুগড়ত জিতেন চন্দ্ৰ সোণোৱালৰ স্মাৰক গ্ৰন্থ উন্মোচন

# ‘গ্ৰন্থখনিয়ে জিতেন চন্দ্ৰ সোণোৱালক অমৰ কৰি ৰাখিব’

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৫ মে’ ঃ** ২০২১ বৰ্ষৰ ২৬ মে’ত ক’ভিডত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটা ভাৰতীয় ষ্টেট বেংকৰ শীৰ্ষ বিষয়া আৰু এগৰাকী লেখক, কবি তথা সমাজকৰ্মী জিতেন চন্দ্ৰ সোণোৱালৰ এখনি স্মাৰকগ্ৰন্থ আজি ডিব্ৰুগড়ত উন্মোচন কৰা হয়। জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাৰ সম্পাদনাত আৰু প্ৰয়াত সোণোৱালৰ পৰিয়ালবৰ্গৰ দ্বাৰা প্ৰকাশিত ৪০৮ পৃষ্ঠাৰ কলেৱৰৰ ‘জিতেন চন্দ্ৰ সোণোৱাল ঃ বৰ্ণিল জীৱন পৰিক্ৰমা আৰু ৰচনাৰাজি’ শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, চিন্তাবিদ তথা সোণোৱাল কছাৰী সাহিত্য সভাৰ মুখ্য উপদেষ্টা গুণেশ্বৰ সোণোৱালে। এই উপলক্ষ্যে স্থানীয় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখনি উন্মোচন কৰি সাহিত্যিক গুণেশ্বৰ সোণোৱালে প্ৰয়াত সোণোৱালৰ সান্নিধ্যৰ মুহূৰ্তৰ কথা উল্লেখ কৰি তেওঁৰ প্ৰকাশিত-অপ্ৰকাশিত লেখা, ষ্টেট বেংকৰ বিষয়া-কৰ্মচাৰী, গুণমুগ্ধ আৰু শুভাকাংক্ষী, আত্মীয়-স্বজন, বন্ধুবৰ্গ আদিয়ে তেওঁৰ জীৱনৰ বিভিন্ন দিশ সামৰি লিখা এই গ্ৰন্থখনিয়ে তেওঁক অমৰ কৰিব বুলি উল্লেখ কৰে। সম্পাদনা সমিতিৰ সম্পাদক ৰতন হাজৰিকাই আঁত ধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি এছবিআইৰ ডিব্ৰুগড় প্ৰশাসনিক কাৰ্যালয়ৰ উপ মহাপ্ৰবন্ধক কমলেশ সিঙে প্ৰয়াত বেংক কৰ্মচাৰী গৰাকীৰ স্মৃতিত এনেদৰে ইমান বৃহৎ কলেৱৰৰ গ্ৰন্থ প্ৰকাশ কৰি শ্ৰদ্ধা জ্ঞাপন কৰাৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰি ডিব্ৰুগড় চহৰৰ এছবিআইৰ প্ৰতিটো শাখাত এই গ্ৰন্থখনি সংৰক্ষন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি ভাষণত উল্লেখ কৰে। সভাত অতিথি হিচাপে উপস্থিত থাকি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালেও জিতেন চন্দ্ৰ সোণোৱালৰ দৰে এগৰাকী বৌদ্ধিক জগতৰ স’তে জৰিত ব্যক্তিৰ মৃত্যুয়ে জনগোষ্ঠীটোৰ সাহিত্য-সমাজ জীৱনৰ অপূৰণীয় ক্ষতি কৰিলে বুলি উল্লেখ কৰি অই গ্ৰন্থখনিয়ে তেওঁক সাহিত্যৰ ইতিহাসত আৰু সমাজত জীয়াই ৰাখিব বুলি ভাষণত উল্লেখ কৰে। সভাত অতিথি হিচাপে উপস্থিত থকা সোণোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক দিগন্ত হাজৰিকাই কয় যে স্বপ্নদ্ৰষ্টা জিতেন সোণোৱালেও সপোন দেখিছিল আৰু ইয়াক জীৱনৰ বাস্তৱলৈ ৰূপান্তৰ ঘটাবলৈ সক্ষম হৈছিল। সাহিত্য সভাৰ আন এগৰাকী সম্পাদক মিনেশ্বৰ শইকীয়াও ভাষণত প্ৰয়াত সোণোৱালৰ সান্নিধ্যৰ কথা উল্লেখ কৰে। এছবিআইৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া পদুম পোনা বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰা আৰু প্ৰয়াত সোণোৱালৰ মাজুপুত্ৰ তথা কলকাতাস্থিত ৰিজাৰ্ভ বেংকৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ সহ মহাপ্ৰবন্ধক অভিজিত সোণোৱালে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত পৰিয়ালবৰ্গৰ হৈ প্ৰয়াত সোণোৱালৰ সহধৰ্মিনী অৰ্চনা সোণোৱাল, ডোলেশ্বৰ সোণোৱাল, অধ্যাপক ৰূপেশ্বৰ সোণোৱাল, বেংক কৰ্মচাৰী সকলৰ হৈ জ্ঞান প্ৰকাশ শৰ্মা, শুভাকাংক্ষী সকলৰ হৈ ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৃষ্ণকান্ত বৰাই প্ৰয়াত সোণোৱালৰ সান্নিধ্যৰ লগতে জীৱনৰ বিভিন্ন ইতিবাচক দিশৰ কথা ভাষণত উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভকত প্ৰেমকান্ত সোণোৱালৰ দ্বাৰা ঘোষা পাঠ আৰু অতিথিবৃন্দৰ দ্বাৰা প্ৰয়াত সোণোৱালৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ লগতে তেওঁৰ আত্মাৰ সদগতিৰ অৰ্থে এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। অনুষ্ঠানত প্ৰয়াত সোণোৱালৰ বোৱাৰী ডাঃ ৰিজুমনি সোণোৱাল, কণিষ্ঠ পুত্ৰ জ্যোতিৰাজ সোণোৱাল, সুৰভি সাহিত্য কুটীৰৰ স্বত্তাধিকাৰী শ্ৰীকান্ত ভৰালী, অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক কিৰণ চন্দ্ৰ মেছকে ধৰি গ্ৰন্থখনিৰ লেখক-লেখিকা সকল, পৰিয়ালবৰ্গৰ লগতে শতাধিক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# কলমেৰে ডট দি দি অংকন জুবিন গাৰ্গৰ ছবি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুবিয়া, ২৫ মে’ ঃ** গহপুৰৰ কাজল মহন্তৰ হাতৰ পৰশত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ফটো অংকন কৰি সামাজিক মাধ্যমত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। জুবিন গাৰ্গক কিছু পৃথক ৰূপত আঁকিলে গহপুৰৰ প্ৰতিভাৱান শিল্পী কাজল মহন্তই। ফটো খন কলমেৰে ডট দি দি এখন বগা কাগজত অংকন কৰি এখন জীৱন্ত ৰূপ দিয়ে কাজলে। প্ৰায় ১ ঘন্টা সময়ত ছবি খন প্ৰস্তুত কৰিছে। বিভিন্ন সময়ত নিজৰ হাতৰ পৰশত ভূপেন হাজৰিকা, মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চিত্ৰ আঁকি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।ইয়াৰ ওপৰিও ৰঙৰ তুলিকাৰ সহায়ত ফুল দানি , জন্ম দিনৰ উপহাৰ তৈয়াৰ কৰিছে।



# ভাজপা কৃষক মৰ্চাৰ জিলাই জিলাই ‘টিফিন বৈঠক’ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে’ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ অন্যতম অংগ ‘কৃষক মৰ্চা’ৰ অসম প্ৰদেশ সমিতিয়ে আজি ৰাজ্যখনৰ জিলাই জিলাই ‘টিফিন বৈঠক’ অনুষ্ঠিত কৰে। এই উদ্দেশ্যে কৃষক মৰ্চাৰ ৰাজ্যিক সমিতিৰ পৰা প্ৰতিখন জিলালৈ একোজন নিৰীক্ষক প্ৰেৰণ কৰে। অসমৰ মুঠ ৪০ খন সাংগঠনিক জিলাৰ ভিতৰৰে মুঠ ২৪ খন জিলাত অনুষ্ঠিত এই বৈঠকত পাৰ্টিৰ সাংগঠনিক স্থিতিৰ লগতে মৰ্চাৰ আগন্তুক কাৰ্যক্ৰম সম্পৰ্কত আলোচনা কৰা হয়। উল্লেখযোগ্য যে, কৃষক মৰ্চাই অহা ৫ জুন তাৰিখে প্ৰতি জিলাতে ‘বিশ্ব পৰিৱেশ দিৱস’ উদ্‌যাপন কৰিব। এই পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি প্ৰতি জিলাতে পৰিৱেশ ৰক্ষাৰ উদ্দেশ্যেই প্ৰধানমন্ত্ৰীয়ে আৰম্ভ কৰা ‘প্ৰাকৃতিক খেতি’ত ব্যৱহৃত ‘জীৱামৃত’ৰ প্ৰস্তুত পদ্ধতি বিষয়ত এক ‘ব্যৱহাৰিক উপস্থাপন’ প্ৰদৰ্শন কৰা হ’ব। সেইদৰে, কেন্দ্ৰীয় চৰকাৰৰ ৮ বছৰ পূৰ্তি উপলক্ষে কৃষক মৰ্চাই হাতত লোৱা ১৫ দিনীয়া ‘কৃষক সম্পৰ্ক অভিযান’ সম্পৰ্কতো বৈঠকসমূহত বিস্তৃতভাৱে আলোচনা কৰা হয়। মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিত বৰাই গোলাঘাট জিলাৰ ‘টিফিন বৈঠক’ত আজি উপস্থিত থাকি সাংগঠনিক দিহা-পৰামৰ্শ আগবঢ়ায়। জিলাসমূহত অনুষ্ঠিত বৈঠকসমূহ সৌহাৰ্দ্যপূৰ্ণ হোৱাৰ লগতে কাৰ্যকতাসকলে নিজ নিজ ঘৰৰ পৰা লৈ অহা ‘টিফিন’ (খাদ্যবস্তু) নিজৰ লগতে কিছুসংখ্যক স্থানীয় কৃষকৰ লগত ভাগ-বতোৰাৰা কৰি ভোজন কৰে।



### চিলাপথাৰৰ মাজগাঁও হৰি মন্দিৰত উলহ-মালহেৰে ভাওনা সবাহৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৫ মে’ ঃ** চিলাপথাৰ মাজগাওঁ হৰি মন্দিৰত আজি দিনযোৰা কাৰ্যসূচীৰে বাৰ্ষিক ভাওনা সবাহ ভাগী আধ্যাত্মিক ৰীতি - নীতিৰ মাজেৰে উলহ মালহেৰে অনুষ্ঠিত কৰে । পুৱা ৪ বজাত নামাচাৰ্য মণ্টু চেতিয়াই বন্তি প্ৰজ্বলনেৰে প্ৰভাত ফেৰীৰে শুভাৰম্ভ কৰা কাৰ্যসূচী অনুসৰি ৫ বজাত দিগন্ত হাতীবৰুৱা আৰু সঙ্গীবৃন্দৰ দ্বাৰা পৰিবেশ নিকাকৰণ , ৬ বজাত উদ্‌যাপন সমিতিৰ সভাপতি ধৰ্ম্মেশ্বৰ চুতীয়া ই ধৰ্ম্মধজ্বা উত্তোলন কৰাৰ পাছতেই ৭ বজাত স্মৃতি তৰ্পন কৰে নামঘৰ পৰিচালনা সমিতিৰ সভাপতি দেৱকান্ত বৰুৱাই ।ইয়াৰ পিছতেই ভাগৱত বাহক ভবেন বৰুৱাৰ নেতৃত্বত সমবায় - মাজগাঁৱবাসীৰ সহযোগত ভাগৱত ভ্ৰমণৰ এক শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰে । ১০ বজাত নামাচাৰ্য গেলগেলিৰ পূৰ্ণকান্ত মহন্তৰ নেতৃত্বত নাম প্ৰসঙ্গ আৰু কীৰ্ত্তন পাঠ কাৰ্যসূচী ৰূপায়ন কৰা হয় । এই ভাওনা উৎসৱ ভাগীত প্ৰভাত গগৈ ,ঞ্জপূৰ্ণকান্ত গগৈ, ফুনু গগৈ, প্ৰবীন গগৈ , ক্ষেত্ৰধৰ গগৈ , তৰুণ বৰুৱা, চিত্ৰ বৰগোহাঁই, প্ৰেমধৰ শইকীয়া, গকুল শইকীয়া, জিতেন ৰাজকোঁৱৰ, বিনোদ খনিকৰকে ধৰি বহুকেইজন সমল ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে , ৰাতিলৈ ‘সুদৰ্শন সাংস্কৃতিক নাট্যগোষ্ঠী নিলখ’ৰ সৌজন্যত “বান পৰাজয়” নামৰ ভাওনাভাগি প্ৰদৰ্শন হ’ব বুলি চিলাপথাৰ মাজগাওঁ ভাওনা উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ধৰ্ম্মেশ্বৰ চুতীয়া, কাৰ্যকৰী সভাপতি গণেশ মেচ আৰু যুটিয়া সম্পাদক ৰাতুল শইকীয়া, বিপুল দত্তই জানিবলৈ দিয়ে।

### ব্ৰহ্মপুত্ৰ ব্যৱস্থাপনা উন্নয়নৰ অসম চৰকাৰলৈ আহ্বান

# বান-খহনীয়া, ভূমিস্খলন সমস্যাৰ স্থায়ী সমাধান কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ মে’ ঃ** বিগত সাত দশকৰ অধিক কাল ধৰি ব্ৰহ্মপুত্ৰকে ধৰি বিভিন্ন নৈ-উপনৈসমূহে সৃষ্টি কৰি অহা বানপানীৰ তাণ্ডৱ আৰু নৈৰ গৰাখহনীয়াৰ প্ৰকোপত অসমৰ হাজাৰ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। একেদৰে পাহাৰীয়া যাতায়াত ব্যৱস্থাৰ লগতে বহুলোকৰ ঘৰ-দুৱাৰ ভূমিস্খলনত ধ্বংসপ্ৰাপ্ত হৈছে। দিছপুৰ আৰু দিল্লীৰ শাসন ক্ষমতাত থকা প্ৰতিখন চৰকাৰে বিগত সত্তৰ বছৰে এই সমস্যাসমূহৰ সমাধান কৰাৰ আশ্বাস-প্ৰতিশ্ৰুতিবোৰ মূৰকত অৰ্থহীন হৈ আহিছে যদিও ৰাজকোষৰ বুজন পৰিমাণৰ ধনৰ আপচয়হে হৈছে। এনে ৰুচিনমাফিক জোৰা টাপলি মৰা কাৰ্যব্যৱস্থাৰ পৰিৱৰ্তে স্থায়ী আৰু ফলপ্ৰসূ কাৰ্যব্যৱস্থা চৰকাৰে গ্ৰহণ কৰক। অন্যথা, সমাগত বছৰ সমূহত জনসাধাৰণ অধিক পৰ্যুদস্ত হ’ব আৰু চৰকাৰী ধনৰো শৰাধ ঘটি থাকিব। এই অভিমত ব্ৰহ্মপুত্ৰ ব্যৱস্থাপনা আৰু উন্নয়ন, অসমৰ কেন্দ্ৰীয় সমিতৰি। সমিতিৰ সভাপতি তথা প্ৰবীণ অধিবক্তা সত্যেন্দ্ৰ প্ৰসাদ ডেকা, সাধাৰণ সম্পাদকদ্বয় দীপক কুমাৰ দাস (সাধাৰণ সম্পাদক, সদৌ অসম উকীল সন্থা) আৰু তিলক মহলে বিগত সাত বছৰ ধৰি চৰকাৰক বিজ্ঞানসন্মত আৰু বহুমুখী তথা অভিলাসী ‘প্ৰফিটব্ৰহ্মপুত্ৰ’ নামৰ এক আৰ্হি প্ৰকল্প ৰূপায়ণৰ আহ্বান জনাই অহা বুলি দোহাৰি কয় যে— ইয়াৰ ব্যতিৰেকে এই তিনিওটা সমস্যাৰে স্থায়ী সমাধান সুদূৰপৰাহত। এক বিবৃতিত স্বাক্ষৰ কৰা উক্ত সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে পূৰ্বৰ সৰ্বানন্দ সোণোৱালে নেতৃত্বাধীন ৰাজ্য চৰকাৰ আৰ্হি প্ৰকল্পটোসহ স্মাৰক পত্ৰ দাখিল কৰোতে তদানীন্তন মুখ্যমন্ত্ৰী সোণোৱাল আৰু জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত উভয়ে প্ৰকল্পটোৰ ব্যাপকতা আৰু লাভালাভৰ সম্ভাৱনা দেখি ভূয়সী প্ৰশংসা কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান কৰিছিল। কিন্তু, দুৰ্ভাগ্য এয়ে যে সামান্যও পদক্ষেপ গ্ৰহণ নকৰাৰ ফলত বান-খহনীয়া, ভূমিস্খলনৰ প্ৰকোপ ক্ৰমাৎ বাঢ়িবহে ধৰিলে। বিবৃতিটোত স্বাক্ষৰ কৰা ডেকা, দাস আৰু মহনে একেই বিজেপি দলৰ নেতৃত্বত গঠন হোৱা বৰ্তমানৰ চৰকাৰৰ মুৰব্বী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমখনক ভাৰতৰ পাঁচখন আগশাৰীৰ ৰাজ্যৰ এখনৰূপে গঢ়িবলৈ যি সংকল্প লৈছে সেই অংগীকাৰক আদৰণি আৰু সমৰ্থন জনাই দৃঢ়তাৰে ব্যক্ত কৰিছে যে— যদিহে ‘প্ৰফিট ব্ৰহ্মপুত্ৰ’ প্ৰকল্পটো যথাযথভাৱে ৰূপায়ণ কৰা হয় তেন্তে ‘প্ৰথম পাঁচখন ৰাজ্যৰ এখন নহয়’— আগন্তুক দহ বছৰত দেশৰ ১ নং তথা স্বনিৰ্ভৰশীল ৰাজ্যৰূপে পৰিচিত হ’ব পাৰিব। উন্নয়ন আৰু বিকাশক অধিক গুৰুত্ব দিবলৈ চেষ্টা কৰা মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াই বিচাৰিলে ইয়াৰ পুংখানুপুংখ ব্যাখ্যা দাঙি ধৰিবলৈ ব্ৰহ্মপুত্ৰ ব্যৱস্থাপনা আৰু উন্নয়ন, অসম সাজু বুলি বিবৃতিটোত সজোৰে উল্লেখ কৰিছে। কিয়নো এই প্ৰফিট ব্ৰহ্মপুত্ৰ নামৰ আৰ্হি প্ৰকল্পটো প্ৰস্তুত কৰিছে দেশে বিদেশে বিভিন্ন কৰ্মত থকা কেইবাগৰাকী সুযোগ্য অসম সন্তানে। পিঅজিএলৰ সৌজন্যত সেইসকলৰ নেতৃত্ব প্ৰদান কৰা বিশিষ্ট অভিযন্তা নদী গৱেষক প্ৰশান্ত কুমাৰ দত্ত উক্ত সমিতিৰ কাৰ্যকৰী সভাপতিৰ দায়িত্বত আছে। বিবৃতিটোৰ সামৰণিত প্ৰফিট ব্ৰহ্মপুত্ৰ নামৰ বিশাল প্ৰকল্পটোৰ নমুনা ৰূপত (পাইলট প্ৰজেক্ট) গুৱাহাটীৰ সমীপতে ৰূপায়ণ কৰিবলৈ পি অ জি এলে লোৱা পদক্ষেপক শীঘ্ৰে সমৰ্থন আৰু উৎসাহ যোগাবলৈ মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াক স্বাক্ষৰকাৰীয়ে বিশেষ আহ্বান জনাইছে।

### ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছৰ বেডমিণ্টনত অসমৰ খেলুৱৈৰ সাফল্য

# ৱৰ্ল্ড মাষ্টাৰ্ছ চেম্পিয়নশ্বিপলৈ নিৰ্বাচিত যোৰহাটৰ শ্বাটলাৰ ৰাজকুমাৰ দুৱৰা-ডিফুৰ ডাঃ জেকুইলিন টেৰণপী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তিতাবৰ, ২৫ মে’ ঃ** কেৰালাৰ থিৰুৱান্তপুৰমৰ চন্দ্ৰশেখৰ নায়াৰ ষ্টেডিয়ামত ১৮-২২ মে’লৈ মাষ্টাৰ্ছ গেমছ ফেডাৰেচন ইণ্ডিয়াৰ উদ্যোগত আৰু কেৰালা মাষ্টাৰ্ছ গেমছ এচ’চিয়েশ্যনৰ সহযোগত অনুষ্ঠিত হোৱা চতুৰ্থ সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছত বেডমিণ্টনত ৫৫ উৰ্ধৰ মিক্স ডাবোলছ্ শাখাত অসমৰ হৈ যোৰহাটৰ সৰ্বজন পৰিচিত আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ, শ্বাটলাৰ ৰাজকুমাৰ দুৱৰা আৰু ডিফুৰ চকু বিশেষজ্ঞ ডাঃ জেকুইলিন টেৰনপি যুটীয়ে তাৰকা শ্বাটলাৰ ক্ৰমে কেৰালাৰ জেকব্ জৰ্জ্ আৰু থ্ৰেচিয়াম্মাক যুটীক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। যোৱা ২১ মে’ত অনুষ্ঠিত হোৱা চূড়ান্ত প্ৰতিযোগিতাত অসমৰ হৈ যোৰহাটৰ জেইল ৰোডৰ সেউজপুৰৰ নিবাসী তথা আগশাৰীৰ শৰীৰচৰ্চ্চাবিদ, সাহিত্যিক প্ৰয়াত ডাঃ ডিম্বেশ্বৰ দুৱৰা আৰু সমাজসেৱিকা বীনাপানি দুৱৰাৰ জ্যেষ্ঠ পুত্ৰ, শ্বাটলাৰ ৰাজকুমাৰ দুৱৰা আৰু ডিফুৰ চকু বিশেষজ্ঞ ডাঃ জেকুইলিন টেৰনপি যুটী মুখামুখি হৈছিল তাৰকা শ্বাটলাৰ জেকব্ জৰ্জ্ আৰু থ্ৰেচিয়াম্মা যুটীৰ বিৰুদ্ধে। তীব্ৰ প্ৰত্যাহ্বানমূলক প্ৰতিযোগিতাখনত দুয়োগৰাকী খেলুৱৈয়ে শক্তিশালী প্ৰদৰ্শনেৰে খেলখন উপভোগ্য কৰি তুলিছিল যদিও যোৰহাটৰ আগশাৰীৰ শ্বাটলাৰ ৰাজকুমাৰ দুৱৰা আছিল অপ্ৰতিৰোধ্য। প্ৰতিযোগিতাখনত ২১-১৮, ২১-১৪ ব্যৱধানত তাৰকা শ্বাটলাৰ ক্ৰমে কেৰালাৰ জেকব্ জৰ্জ্ আৰু থ্ৰেচিয়াম্মা যুটীক পৰাস্ত কৰি চেম্পিয়ন খিতাপ লাভ কৰাৰ লগতে সোণৰ পদসহ গৌৰৱময় সফলতা অৰ্জনেৰে চলিত বৰ্ষৰ শেষৰফালে চাউথ কোৰিয়াৰ চিউলত অনুষ্ঠিত হ’বলগীয়া ‘ৱৰ্ল্ড মাষ্টাৰ্ছ চেম্পিয়নশ্বিপ’ত ভাগ লবলৈ নিৰ্বাচিত হয় শ্বাটলাৰ ৰাজকুমাৰ দুৱৰা আৰু ডাঃ জেকুইলিন টেৰনপি। উল্লেখ্য যে, ইয়াৰ পূৰ্বে যোৰহাটৰ শ্বাটলাৰ ৰাজকুমাৰ দুৱৰাই ২০০৭ চনত বিশ্ব বেডমিণ্টন ফেডাৰেচনৰ তত্ত্বাৱধানত চাইনিচ টাইপে বেডমিণ্টন সংস্থাৰ উদ্যোগত টাইৱানৰ ৰাজধানী টাইপেটত অনুষ্ঠিত কৰা তৃতীয় বিশ্ব চিনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ অংশগ্ৰহণ কৰাৰ উপৰিও ২০১৪ চনত ইণ্ডোনেচিয়াত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক মুকলি বেডমিণ্টন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দুয়োখন বিদেশী ৰাষ্ট্ৰত পদক অৰ্জনেৰে যোৰহাটৰ লগতে অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ডিফুৰ শ্বাটলাৰ ডাঃ জেকুইলিন টেৰনপিৰ লগতে যোৰহাটৰ সমাজকৰ্মী তথা ক্ৰীড়া সংগঠক ৰাজকুমাৰ দুৱৰাৰ সাফল্যত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰী, ঠেঙ্গাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ কুমুদ চন্দ্ৰ কছাৰী, যোৰহাটৰ প্ৰাক্তন বিধায়ক ৰাণা গোস্বামী, অল্ আসাম অগৰউড প্লেণ্টাৰ্চ এণ্ড ট্ৰেডাৰ্চ এচচিয়েশ্যনৰ সভাপতি তথা এম জে আই গ্ৰুপৰ সঞ্চালক ড০ জেহিৰুল ইছলাম, যোৰহাট জিলা বেডমিণ্টন সন্থা, কুশল কোঁৱৰ ইনড’ৰ ষ্টেডিয়াম, জেইল ৰ’ড ক্লাব, যোৰহাটৰ স্বেচ্ছাসেৱী অনুষ্ঠান ক্ৰমে স্বৰাজ, সংস্কাৰ, সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা, বিজেপি অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ৰাজ্যিক সম্পাদক দীপক সন্দিকৈ, পশ্চিম তিতাবৰৰ স্বেচ্ছাসেৱী অনুষ্ঠান অংগনাৰ সভানেত্ৰী তথা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখী, সমাজসেৱিকা জীনা দত্তৰাজখোৱা, অনন্যা গ্ৰাম্য সংগঠনৰ সম্পাদিকা মিনাক্ষী বৰা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ হৈ ৰাজবাঢ়ে বৰা চুতীয়া, সদৌ যোৰহাট জিলা চুতীয়া ছাত্ৰ সন্থা, যোৰহাট জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতি, সদৌ অসম অনুসূচিত জাতি যুৱ পৰিষদৰ সাংগঠনিক সম্পাদক অভিজিৎ হাজৰিকা আদিৰ উপৰিও বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শুভাকাংখীসকলে উষ্ম অভিনন্দন জনাইছে।

# নগাঁও আৰক্ষীয়ে আইন উলংঘা কৰিছে ঃ দেৱব্ৰত শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ মে’ ঃ** “নগাঁও আৰক্ষীয়ে আইন উলংঘা কৰিছে ।” এই অভিযোগ বিৰোধীদলৰ দলপতি দেৱব্ৰত শইকীয়াই । বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ বুজ ল’বলৈ আহি আজি নগাঁও আৱৰ্ত ভৱনত উপস্থিত হোৱা কংগ্ৰেছৰ অন্যতম নেতা তথা বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ বাবে মূলত: আৰক্ষীক জগৰীয়া কৰে । থানা আক্ৰমণৰ ঘটনাৰ লগতে আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যু হোৱা ঘটনাৰ ন্যায়িক তদন্ত দাবী কৰি শইকীয়াই অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আইন মতে শাস্তি বিহিব লাগিছিল বুলি মন্তব্য কৰে। ইপিনে বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে থানা আক্ৰমণৰ ঘটনাৰ লগত জড়িত অভিযুক্তৰ বাসগৃহত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানক অমানৱীয় বুলি বিৰোধী দলৰ দলপতি শইকীয়াই মন্তব্য কৰে । বটদ্ৰৱা থানা কাণ্ডৰ অভিযুক্তৰ শিশুৰে খাদ্য আৰু আশ্ৰয়ৰ অভাৱত দিন অতিবাহিত কৰিব লগা হোৱাত শইকীয়াই উদ্বেগ প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ ভূমিকাক সমালোচনা কৰে । ইপিনে বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনা সঠিক ৰূপত উন্মোচিত কৰাৰ বাবে সংবাদ মাধ্যমৰ ভূমিকাক দেৱব্ৰত শইকীয়াই প্ৰশংসা কৰে ।ইয়াৰ পিছতে বিধায়ক নুৰুল হুদা আৰু শিৱামণি বৰাৰ লগতে নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰাক লগতলৈ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া বটদ্ৰৱালৈ ৰাওনা হয়

APOLLO HOSPITALS CHENNAI
Apollo Cancer Centres
ASSOCIATE CONSULTANT SURG-ONCOLOGY
DR. NAVEEN PADMANABHAN, M.S. MRCS (EDIN), M. CH (SURG ONC- AIIMS,NEW DELHI)
কেৱল পৰামৰ্শৰ বাবে **মাজবাটত** উপস্থিত থাকিব।
ON 6th June’2022
ডেৰিকছ ভেইন, ঘাঁ আদিৰ অস্ত্ৰোপচাৰ, স্তন-কেন্সাৰ তথা শৰীৰৰ অন্যান্য অংশ ফুলা, হাওফাওঁ কেঞ্চাৰ, গৰ্ভাশয় কেঞ্চাৰ, বৃক্ক কেঞ্চাৰ, ইউটেৰাছ কেঞ্চাৰ, কিড়নি আৰু ইউৰিনেৰি ব্লাডাৰ কেন্সাৰ, ডিঙি-মুখ-মূৰ আৰু গলৰ কেঞ্চাৰত আক্ৰান্ত তথা শৰীৰৰ অন্যান্য অংশত কেঞ্চাৰ আক্ৰান্ত ৰোগী সকলে আগতীয়াকৈ তলৰ ঠিকনাত নাম পঞ্জীয়ন কৰিব পাৰে।
Apollo Hospitals Information Centre
MAIN ROAD, OPPOSITE UCO BANK, MAZBAT
8255026373 , 7002335238







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি